বাপুজী

শ্রীমহাদেৱ শৰ্ম্মা

লয়াৰ্চ বুক ষ্টল
গুৱাহাটী ঃ অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱা, বি-এল
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী, অসম।

প্ৰথম প্ৰকাশ : ১৯৫৬

মূল্য—২॥০ টকা

মুদ্ৰাকৰ :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

উৎসর্গ

ভাৰতৰ স্বাধীনতা আন্দোলনৰ
স্বহীদসকলৰ
স্মৰণত

শ্বিলং
১৫. ৩. ৫৬

শ্ৰীমহাদেৱ শৰ্ম্মা

আগ কথা

"বাপুজী" বুলিলে মহাত্মা গান্ধীকে বুজায়। গুজৰাটি ভাষাত 'বাপু' শব্দৰ অৰ্থ পিতা। সকলোৱে তেখেতক পিতৃ জ্ঞান কৰি "বাপুজী" (সম্ভ্ৰমাৰ্থে) মাতিছিল। তেখেতৰ অকস্মাৎ বিয়োগৰ বাতৰি পাই পণ্ডিত জৱাহৰলাল নেহেৰুৱে প্ৰাণৰ পৰাই যেন হুমুনিয়াহ পেলাই কলে, "জাতিৰ পিতা আজিৰ পৰা আৰু নাই।" আমাৰ প্ৰদেশতো এনে সম্বোধন নানাভাবে প্ৰচলিত আছে। আচলতে বাপু' এটা আদৰৰ মাত, আমি বহুত সময়ত আমাৰ মৰমৰ বা প্ৰিয়জনক 'বাপু' বুলি মাতোঁ। কেতিয়াবা 'বাপু' বুলিলে ব্ৰাহ্মণক বুজায়—আকৌ ভকত বৈষ্ণৱ মিল হলে ঠায়ে ঠায়ে শিষ্যিলাকক 'বাপুসকল' বুলি সম্বোধন কৰা দেখা যায়। কোনো ঠাইত 'বাপুসকল' বুলিলে ভক্তবৃন্দক অথবা শিষ্যসকলক বুজা যায়। মহাত্মা গান্ধীক আমি 'বাপুজী' বোলোঁতে তেখেতৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু স্নেহ একেলগে দুয়োটা ভাব প্ৰকাশ কৰোঁ। তেখেততে পিতৃ প্ৰাণৰ মাধুৰ্য্য আৰু ঔদাৰ্য্য দুয়োটা ভাবৰ সমানে প্ৰকাশ পোৱা দেখা যায়।

পৃথিবীৰ সকলো দেশৰ মানুহেই বাপুজীক জানে, এনেকি আজিকালিৰ সভ্যতাৰ সাঁচ বা ছাপ নপৰা আমাৰ পৰ্ব্বতীয়া ভাই-ভনীইঁতেও মহাত্মা গান্ধীৰ কথা অলপ অচৰপ হলেও জানে, আৰু এজন মহাপুৰুষ বুলি শ্ৰদ্ধাভক্তি কৰে। এনেকি পৰ্ব্বতে ভৈয়ামে জান-নিজান ঠাইতো নামযশ বিয়পি পৰা আন কোনোবা মহাপুৰুষ আগতে ভাৰতবৰ্ষত আবিৰ্ভাব হৈছিলনে কোৱা টান! আমি ভাবি চাব লাগে কি গুণতনো বাৰু মহাত্মা গান্ধীৰ নাম এনেকৈ গোটেই পৃথিবীত বহুজন জনা হল অথবা বৈ বৈ গল? তাৰ উত্তৰ একে কথাৰে কবলৈ গলে তেখেতৰ মহান চৰিত্ৰৰ বলত। এই চৰিত্ৰবান বুলিলে আমি কি বুজোঁ?

মানুহৰ নিজ চেষ্টাৰে লাভ কৰা গুণ সমষ্টিয়েই চৰিত্ৰ] আমাৰ মাজত ভাল মানুহো আছে আকৌ বেয়া মানুহো আছে। চোৰ, ডকাইত, হিংসুক, অহঙ্কাৰী, খিয়লীয়া, মিছলীয়া, টুটকীয়া, অকামিলা আৰু মূৰ্খ প্ৰভৃতি মানুহক আমি বেয়া মানুহ বুলি কওঁ আৰু সন্ত-সাধু, পৰোপকাৰী, দাতা, সত্যবাদী, জ্ঞানী, দেশ-প্ৰেমিক আদি মানুহক আমি ভাল মানুহ বোলোঁ; কাৰণ বেয়া মানুহৰ পৰা সমাজৰ অপকাৰ হয় কিন্তু ভাল মানুহে সততে পৰৰ ভালৰ কাৰণে কাম কৰে অন্ততঃ কৰাৰ চেষ্টা কৰে। ভাল মানুহে সমাজ গঢ়ে, বেয়া মানুহে ভাঙে। এই ভাল মানুহৰ চৰিত্ৰ-বল থাকে। সজ স্বভাৱেই চৰিত্ৰবানৰ চিনাকী। বেয়া লবাৰ, দুষ্ট স্বভাৱৰ লবাৰ চৰিত্ৰ-বল নাই। সংসাৰত সহজে বেয়া কাম কৰিব পাৰি। যাৰ চৰিত্ৰ বল থাকে তেওঁ সহজে কৰিব পৰা বেয়া কাম কেতিয়াও নকৰে। মহাত্মাজীৰ জীৱনত এই কথাৰেই আগৰ পৰা গুৰিলৈকে তোমালোকে পৰিচয় পাবা—তাৰ পৰাই বুজিবা—তেখেতৰ চৰিত্ৰবল কিমান আছিল। এনে চৰিত্ৰবল থকা মানুহইহে সংসাৰত সকলোৰে জনাজাত আৰু ভক্তি শ্ৰদ্ধাৰ পাত্ৰ হব পাৰে।

যিবোৰ গুণ থাকিলে মানুহক চৰিত্ৰবান লোক বোলা হয় সেই সকলোবোৰ গুণ মহাত্মাজীৰ আছিল আৰু সেইবোৰ গুণৰ কথা আমি তেখেতৰ জীৱনত দেখা পাই থাকিম—কথাই আৰু কামে। এই গুণ বিলাকৰ ভিতৰত খাই আছিল সত্যৰ প্ৰতি তেখেতৰ ধাউতি বা অনুৰাগ। এনেকি নিজৰ জীৱনৰ ঘটনাখিনি জুকিয়াই লিখি যিখন কিতাপ তেখেতে লিখি উলিয়ালে তাৰ নাম ইংৰাজীত "My Experiments with Truth" অৰ্থাৎ মোৰ জীৱনত সত্যান্বেষণ। মহাত্মা গান্ধীয়ে গোটেই জীৱনটো সততাক সাৰ কৰি, সেইমতে কথাই কামে এক কৰি চলিছিল। কেতিয়াবা কু-সঙ্গত পৰি মিছা মাতিলেও বা মিছাৰ আশ্ৰয় ললেও ততালিকে তাক প্ৰকাশ বা স্বীকাৰ কৰি দুনাই তাক নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিছিল। তেখেতে নিজ জীৱনৰ কাৰ্য্যৰ দ্বাৰা জগতত প্ৰতিষ্ঠা কৰিলে "সত্য আৰু অহিংসাৰ" জয়। মানুহক এটা দুটা গুণৰ অধিকাৰী

হৈ প্ৰকৃত মানুহ হবলৈ উপদেশ দিলে। পৃথিবীৰ সকলো দেশৰ মানুহে এতিয়া এই কথাৰ সত্যতা বুজি পাইছে আৰু প্ৰকৃত শান্তিকামী লোকসকলে ইয়াক গ্ৰহণ কৰি কাৰ্য্যক্ষেত্ৰ ৰচনা কৰিছে।

সত্যই ঈশ্বৰ, পৃথিবীত সকলো ধৰ্ম্মৰে এই বাণী মহাত্মাজীয়ে মনে-প্ৰাণে বিশ্বাস ৰাখি সেইমতে কাম কৰিছিল। এনেকি ৰাজনৈতিক অহিংস অসহযোগ আন্দোলনতো ইযাৰ প্ৰয়োগ বিধিবদ্ধ কৰিছিল। সাধাৰণ কথাতো কয় "মিছাৰ ঠেং চুটী", সঁচাক ঢোকা নালাগে। ছাত্ৰ জীৱনৰ পৰা এই সঁচাৰ প্ৰতি ধাউতি হোৱা আৰু সঁচা কোৱা, এই শিক্ষা আমি আমাৰ জীৱন ক্ষেত্ৰত লব লাগে।

ছাত্ৰাৱস্থাত মহাত্মাজী বৰ চোকা বুদ্ধিৰ লৰা নাছিল। লাজকুৰীয়া স্বভাৱৰ কাৰণে কোনো কথাত আগৰনুৱা হৈ ফুৰাও নাছিল। কিন্তু আচল কথাত সদায় ঠিক আছিল। ক'ৰিব লগা কাম সততে নিয়াৰিকৈ থৰচি মাৰি কৰিছিল, কাম কৰাত এলাহ নাছিল। পিতৃ মাতৃৰ বা গুৰুজনৰ হাঁকবচন কেতিয়াও অমান্য কৰা নাছিল। আত্ম কথাত তেখেতে লিখিছে 'শ্ৰৱণৰ পিতৃভক্তিৰ কথা পঢ়ি মোৰ বৰ ভাল লাগিছিল।' সত্যৰ প্ৰতি বাপ বাঢ়ে হৰিশ্চন্দ্ৰৰ উপাখ্যান পঢ়ি। সময়ৰ সদ্ব্যৱহাৰ তেখেতে গোটেই জীৱনতে কৰা দেখা যায় নতুবা ইমান মহৎ মহৎ কাম কৰাৰ উপৰিও তেখেতে কমবোৰ কিতাপ লিখি থৈ যোৱা নাই। সময়ৰ মোল নুবুজিলে মানুহে ইমান কাম কৰিব নোৱাৰে। "মোৰ সময় নাই" বোলা মানুহজনে নিশ্চয় সময়ৰ মোল ভালদৰে নুবুজে। আমি বহুত সময়ত নেজানি বা ভুল বুজিও সময়ৰ অপব্যৱহাৰ কৰোঁ। সময়ৰ কাম সময়ত নকৰাও এটা বৰ বেয়া কথা। মহত্মাজীয়ে কিন্তু সময়ৰ কাম সময়ত কৰিছিল।

মহাত্মাজীৰ যিমানবোৰ গুণ আছিল বা কাম কৰিবৰ শক্তি আছিল সেই আটাইবোৰ কথা ইয়াত লিখা টান। তোমালোক ডাঙৰ হৈ অহাৰ লগে লগে যিমানেই তেখেতৰ বিষয়ে পঢ়িশুনি জানিবা সিমানেই বুজি পাবা। এতিয়া তোমালোকক চুটা কথাৰ বিষয়ে মাথোন ইয়াত আঙুলিয়াই দিম।

এটা হল, তেখেতে সৰু সৰু লৰা ছোৱালীক বৰ ভাল পাইছিল। সিহঁতৰ লগত উমলি, ধেমালি কৰি, কথা পাতি বৰ আনন্দ পাইছিল আৰু ভালৰ কাৰণে বহুত ঠাইত নানা উপদেশ দিছিল। সেইবোৰ উপদেশ গোটাই কিতাপ আকাৰে এতিয়া প্ৰকাশ হৈছে।

যোৱা ১৯৩১-৩২ চনত তেখেত বিলাতলৈ যাওঁতে তাত লৰা-ছোৱালীবোৰে "খুৰা গান্ধী" (ইং Uncle Gandhi) বুলি আদৰৰ সম্বোধন কৰিছিল। মিছ লিষ্টাৰে মহাত্মাজীক অভ্যৰ্থনা জনাবলৈ শিশুসকলৰ এখন মেল পাতিছিল। বিলাতৰ কণ কণ লৰাছোৱালী বিলাকে মহাত্মাজীক আমাৰ ধৰণেৰে অভিবাদন কৰিবলৈ বহুত দিন আগৰে পৰা আগ্ৰহ কৰি শিকিছিল। "খুৰাৰ" কাৰণে সিহঁতৰ উলহ মলহ লক্ষ্য কৰিবলগীয়া। আমাৰ "খুৰাও" সিহঁতৰ মাজতে সোমাই যেন নিজলৈ পাহাৰিয়েই গ'ল! কিহৰ ইমান আকৰ্ষণ জানানে? মহাত্মাজীও এই শিশুৰ দৰেই সৰল, নিৰ্ভীক, সত্যবাদী কাৰণে উভয়ৰ ভিতৰত ইমান মিল। ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল—"মানুহ শিশু স্বভাৱৰ নহয় মানে অৰ্থাৎ যাক বোলে বালকবৎ—ঈশ্বৰক (সত্য লাভ) নাপায়।" এই সত্যকে মানুহক লাগে—আন কথাই কাকো তৰাব নোৱাৰে। সেই কাৰণেই 'সঁচাক ধোকা নালাগে'—সি নিজে শকত।

দ্বিতীয় হৈছে মহাত্মাজীৰ কোনো বিষয়তে লাহ-বিলাহ নাছিল। কিন্তু সততে সকলো বিষয়তে পৰিচ্ছন্ন আছিল। লাহ-বিলাহ নাথাকিলেই যে মানুহ জধলা হব লাগে সেইটো নহয়। অনাহক খৰচ কৰি, নহলেও হয় এনে কোনো বিলাসৰ বস্তু লব বা ব্যৱহাৰ কিয় কৰিব লাগে? মিতব্যয়িতা এটা ডাঙৰ গুণ। উপাৰ্জ্জন অনুপাতে নিজৰ স্বচ্ছন্দতাৰ কাৰণে খৰচ কৰাই মিতব্যয়িতা। আমি কেতিয়াবা ভুল কৰোঁ। অভিভাৱকে লৰাৰ পঢ়াৰ কাৰণে ভেটী মাটী বন্ধকত থৈ খৰচ যোগাইছে বুলি জানিও তেনে লৰাই যদি কু-অভ্যাস কৰি চেলেউ হোপাত ধৰে, দেখাক দেখি ধনী মানুহৰ লৰাক অনুকৰণ কৰি যদি সপ্তাহে এদিন চিনেমা চাইগৈ আৰু চাহৰ দোকানত বহি চপ্-কাট্‌লেট খাই খৰচ কৰে

সেইটো উচিত হবনে? দেখাক দেখি খুন-পেচ মা'ৰি ফুৰিলেই মানুহ ভাল হ'ব পাৰিবনে? সজগুণ নহলে সংসাৰত মানুহ বোলাব নোৱাৰি। সকলো কামত পৰিপাটী হব পৰা ভাল কথা। পৰিপাটী হবলৈ অমিতব্যয়ী হব নালাগে। মহাত্মাজী নিজেই ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

এইবিলাক সজগুণ আৰু সেই সজগুণ পাবলৈ আমাক লাগিব সংযম। এই সংযমৰ আন এটা নাম ব্ৰহ্মচৰ্য্য। সংযমৰ দ্বাৰা মানুহৰ যেই কোনো শক্তি অটুট থাকে, বৰং সি বাঢ়ে আৰু টান কাম কৰিবলৈ সক্ষম কৰি তোলে। ভাবি চোৱা পঢ়া-শুনা কৰা টান কাম। চঞ্চল মনক থিৰ কৰি পঢ়াত মন দিয়া সহজ কথা নহয়। আগৰ কালত এই টান কাম কৰিবলৈ শক্তি গোটাবৰ কাৰণে যি বিধান কৰিছিল তাৰে নাম দিছিল ব্ৰহ্মচৰ্য্য। আজিকালি বহুতে এই শব্দটো শুনিলেই ভয় খায়; কোনোৱে আকৌ বিদ্ৰূপ কৰে। কিন্তু হ'কৈ ভাবি চালে ই ভুল কথা। শক্তিমান নহলে ডাঙৰ কাম কৰিব নোৱাৰি। শক্তি লাভ কৰিবৰ হলে আমাৰ কৰ্ম্মশক্তিবিলাক সংযত হলে যি শক্তি আমাৰ বৈ যাব তবে বলত আমি তেজস্বী, মেধাবী আৰু বীৰ্য্যবান হব পাৰিম। নতুবা মানুহ নামৰ যোগ্য মনুষ্যত্ব কেনেকৈ লাভ কৰিম?

মহাত্মাজীৰ জীৱন-কথাত দেখা পাবা আৰু নিজে "আত্মজীৱনী"ত লিখি গৈছে—আফ্ৰিকাত সত্যাগ্ৰহ সংগ্ৰামৰ পৰা যেতিয়া তেখেতে সেৱা কাৰ্য্য কৰিব লগাত পৰিল, তেতিয়া বুজিলে এই ব্ৰহ্মচৰ্য্যৰ মহিমা আৰু তেতিয়াৰ পৰাই তেখেতে এই ব্ৰহ্মচৰ্য্য পালনৰ প্ৰতিজ্ঞা কৰি প্ৰকৃত সেৱাপৰায়ণ হবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। সেইখিনি কথা সময়ত তোমালোকে এই কিতাপত পাবা। সম্প্ৰতি উল্লেখ মাথোন কৰি প্ৰকৃষ্ট উদাহৰণ, যুগ প্ৰয়োজনৰ কথাৰ আগজাননী হিচাবে আলচ কৰা হ'ল।

আগত কোৱামতে তেজস্বী, মেধাবী, বীৰ্য্যবান ছাত্ৰ-জীৱন লাভ কৰিবৰ হলে যেনে আচৰণৰ বা অভ্যাসৰ প্ৰয়োজন তাৰ বিপৰীত কাৰ্য্যৰ বহুল প্ৰচলন ছাত্ৰ সমাজৰ মাজত চলি থকা দেখা পালে মনত বৰ আঘাত লাগে;

আমাৰ দৰে মানুহৰ ক্ষীণ প্ৰতিবাদে কোনো শুভকৰ আলোড়ন সৃষ্টি কৰিব পাৰিব নে সন্দেহৰ কথা। তথাপি উল্লেখ নকৰি নোৱাৰা যেন লগাত মহাত্মাজীৰ জীৱনাদৰ্শ আগত ৰাখিয়েই ইঙ্গিত স্বৰূপ উল্লেখ কৰা গ'ল। দেখা যায় বৰ্ত্তমান সময়ত ছাত্ৰ সমাজত অনাহক লাহ-বিলাহৰ প্ৰাবল্য। পাৰিপাট্য বা পৰিচ্ছন্নতা কোনেও বেয়া নোবোলে, কিন্তু ধুতি পিন্ধা অভ্যাস কৰিছেই তাকো কোনোৱে পিন্ধাত বোলে ৬।৭টা 'চেফটি পিন' লগা কথা কেনে ধৰণৰ পাৰিপাট্য ? মুখত চেলেউ, গলত-মুখত স্নো, পাউদাৰ প্ৰভৃতি অনাহক বিলাস দ্ৰব্য কিয় ? মহাত্মাজীৰ মতে "মদ খোৱাতকৈ চিগাৰেট বেচি অনিষ্টকৰ—চিগাৰেটে মানুহৰ জীৱনী শক্তি মনে মনে আৰু তিলে তিলে গম নোপোৱাকৈ ক্ষয় কৰে।" আজি কেইজন ছাত্ৰই চেলেউ নোহোপে ? তদুপৰি অন্ততঃ পক্ষে সপ্তাহত এবাৰ চিনেমা চাবই লাগিব—লাগে যিয়েই ছবি নহওক। জ্ঞানীসকলৰ মতে আমাৰ দেশত সাধাৰণতে যিবোৰ ছবি দেখুৱা হয় তাৰদ্বাৰা ছাত্ৰজীৱন গঢ়াতকৈ তাৰপৰা বহুদূৰ আঁতৰাই নি ভৱিষ্যত সৰ্ব্বনাশৰ বাটহে মুকলি কৰে। যি দেশত এই চিনেমাৰ জন্ম সেই দেশৰ ছাত্ৰ সকলে যেই সেই চিনেমা চাব নোৱাৰে। তেওঁবিলাকৰ কাৰণে বেলেগ শিক্ষামূলক ছবি তৈয়াৰ হয় আৰু সেইবোৰ ছবিহে চাবলৈ দিয়ে। তাত যেই সেই ছবি চাবলৈ ছাত্ৰ-সমাজৰ পক্ষে নিষিদ্ধ। কিন্তু আমাৰ দেশত অবাৰিত দ্বাৰ। ইয়াৰ পৰা ছাত্ৰ সমাজৰ বহুতো প্ৰকাৰ ক্ষতি হৈছে—নৈতিক জীৱন লাভৰ পথত যে ই প্ৰধান অন্তৰায় স্বৰূপ হৈছে তাত সন্দেহ নাই। তাৰ লগতে খোৱাত মিছা লোভ, আহাৰত সংযম একেবাৰে নোহোৱা হৈছে। ইও স্বাস্থ্য ৰক্ষাৰ পক্ষে বৰ বেয়া কথা হৈছে। আমাৰ আহাৰ হব লাগে সাত্ত্বিক অৰ্থাৎ পুষ্টিকৰ কিন্তু সহজ পাচ্য, স্নিগ্ধ আৰু হৃদ্য। ছাত্ৰ-জীৱনতে হব লাগে তাৰ অভ্যাস। মহাত্মাজীয়ে যিদিনা পিন্ধা চুৰিয়াখন আঠুৰ মূৰত পৰা কৰি ললে আৰু কাৰণ স্বৰূপে যি কেইটা কথা কলে সেই কথা কেইষাৰৰ মৰ্ম্ম আমি বুজি চাব নালাগেনে ? তেখেতে ভাৰতৰ দৰিদ্ৰতাৰ প্ৰতীক স্বৰূপ কৌপীনধাৰী হল—দাম্ভিক পাশ্চাত্যই হয়তো সেইদিনা

নাঙঠা হল বুলি হাঁহিলে কিন্তু তাৰ অৰ্থ কি আমি নাভাবিমনে ? তাৰ দ্বাৰা তেখেতৰ আহ্বান-অনাড়ম্বৰ জীৱন যাপন কৰা নহয়নে ? কিন্তু আমি হব লাগে হৃদয়বান। লক্ষ লক্ষ আমাৰ ভাই-ভনীৰ অৱস্থালৈ মনত ৰাখি আমাৰ কৰ্ত্তব্য কি, কোনে সূচাব ? মহাত্মাজীৰ দৰে সকলোৱেই আঠুৰ মূৰত চুৰিয়া পিন্ধক এই কথা কোনেও নকয় কিন্তু তাৰ মৰ্ম্ম অনুধাবন কৰি আমাৰ জীৱন নিয়ন্ত্ৰণ কৰা কৰ্ত্তব্য নহয়নে ?

মনুষ্যত্ব লাভ কৰা সহজ কথা নহয়। আগৰ কালত আমাৰ দেশত ছাত্ৰসকলে কি কঠোৰ ছাত্ৰ-জীৱন যাপন কৰি বিদ্যালাভ কৰিছিল। আমি আজি সিমান কঠোৰতা অৱলম্বন কৰিব নোৱাৰিলেও সংযত নহলে কিবা ভাল হব পাৰেনে কোনোবা ? প্ৰকৃত বীৰ্য্যবান হব পৰা যাবনে ? পাশ্চাত্য দেশৰ ছাত্ৰসমাজৰ মাজত এনে উচ্ছৃঙ্খলতাৰ দৰিয়া মনোভাব থাকিব পাৰেনে ? কেতিয়াও নাই। ছাত্ৰাৱস্থাত তাত কঠোৰ শাসন কৰ্ত্তৃপক্ষৰ কালৰ পৰা। গতিকে তাত মনিষী আবিৰ্ভাব হৈয়ে আছে। আমাৰ বৰ্ত্তমানে ছাত্ৰ সমাজত মেধা শক্তিৰ যি দৈন্যতা—সাধাৰণ চলিত নিখিল ভাৰত ছাত্ৰ প্ৰতিযোগীতাত আমাৰ ঠাই ক'ত পৰিছে চিন্তা কৰি চাব লগা কাৰো পক্ষে নাইনে ?

যোৰ যোদেৰে "জাতিৰ পিতা" বুলি যাক মানিলোঁ কথাৰে, কামেৰে কিছু পৰিমাণেও জীৱন নিয়ন্ত্ৰণৰ বাবে আৰু তাৰ দ্বাৰা বৰ্ত্তমান দৈন্যতা আঁতৰাবৰ বাবে মোৰ এই প্ৰয়াস অৰ্থাৎ বাপুজীৰ জীৱন-কথা ছাত্ৰ সমাজত বহুল ভাবে প্ৰচাৰ প্ৰচেষ্টা। মোৰ দৃঢ় ধাৰণা ছাত্ৰ সমাজে নিজ আদৰ্শত প্ৰতিষ্ঠিত হবলৈ যদি সংযত জীৱন লাভ কৰিব পাৰে তেন্তে অদূৰ ভবিষ্যতত লোক সমাজত আমাৰ যোগ্য স্থান লাভ কৰিব পাৰিম। আমাৰ উজ্জল অতীত আকৌ আমাৰ মাজত প্ৰতিভাত হব; ভ্ৰষ্ট হোৱা আমাৰ ঠাই পুনবায় লাভ কৰিব পাৰিম।

এই জীৱন-কথা ৰচনা কালত মোৰ যাই লক্ষ্য হব বৰ্ত্তমানে ছাত্ৰ সমাজৰ মাজত প্ৰচলিত বিৰূপ মনোভাব আঁতৰি কেনেকৈ আলোচিত এই আদৰ্শ

জীৱনে আমাৰ দেশত প্ৰকৃত ছাত্ৰ-জীৱন গঢ়ি উঠাত পথ-প্ৰদৰ্শক হব পাৰে। যয়ো তেনে ঘটনা বা জীৱন কথাকে প্ৰাধান্য দি ইয়াত লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰিম। আনবোৰ ঘটনা গৌন ভাবে ইয়াত উল্লেখ কৰি যাম মাথোন।

সংযম পৰিপূৰ্ণ মহাত্মাজীৰ জীৱনে বৰ্ত্তমান ছাত্ৰ সমাজত প্ৰেৰণা যোগাওক এই ভৰসাৰেই মোৰ নিবেদন আৰম্ভ কৰিলোঁ।

নিবেদক—শ্ৰীমহাদেৱ শৰ্ম্মা।

জীৱন-কথাৰ পৰ্ব্বতী

(প্ৰথম ছেদ)

৩০ জানুৱাৰী, ১৯৪৮ চন। মনটো মাৰি মাক বহি থকা দেখি সৰু ছোৱালীটিয়ে মাকক পিচ ফালৰপৰা সাৱটি ধৰি সুধিলে— "মা, তই দেখোন বহি আছ, আজি ভাত নাৰান্ধনেকি ?" মাকে নামাতে। আকৌ সুধিলে—"নামাত কিয় মা, কছোন কি হৈছে ? ভাত নাৰান্ধিলে দেউতাই খং নকৰিবনে ? তাতে আকৌ মনটো মাৰি থকা দেখি ?" মাকে এইবাৰ মাতিলে, "আজি ভাত নাৰান্ধো। মনটো বেয়া লগাও সঁচা কথা।"

ছোৱালীটি—কিয় ? কি হৈছে মা কছোন !

মাক—কি কম, কি শুনিবি আই ! মুখত ওলাবই নোখোজে ! খবৰ এটা পালোঁ—মহাত্মাজীক কোনোবা পাষণ্ডই গুলি কৰি মাৰিলে। আজি প্ৰাৰ্থনা সভা নেপালেগৈয়ে।

ছোৱালীটি—আয়ে দেহি কি কৈছ মা, বাপুজীক মাৰিলে, আমাৰ মানুহে ? কিয় মাৰিলে জাননে ?

মাক—কোনে মাৰিলে, কিয় মাৰিলে সঠিক কথা এতিয়াও কব পৰা নাই। লাহে লাহে ওলাব জানিবি।

ছোৱালীটি—মা, মোৰো কান্দোন আহিছে। সিবাৰ আমাৰ ইয়ালৈ আহোঁতে লৰাছোৱালীবোৰৰে কেনেকৈ বাপুজীয়ে হাঁহি হাঁহি কৈছিল আৰু আমাক হঁহুৱাইছিল ? আয়ৈ দেহি, ভেওঁকনো

মাৰিব পাইনে ? তেওঁ দেখোন কাকো হিংসা নকৰে, মৰম হে কৰে !

মাক—কি কম আই ! সংসাৰতনো আৰু কি নেদেখিম, নুশুনিম ? এনে আচৰিত কথা ! যিজনে পৰৰ দোষ বিলাকো নিজে বুকু পাতি লৈ নিজে নাখাই নবই লঘোনে থাকি পাপৰ পৰাচিত কৰে তেওঁৰ গতি কি হল চাইক।

ছোৱালীটি—আমাৰ মানুহেহে কৰিলে—সেইটো ক'ব মানুহ, কি মানুহ অ ?

মাক—ক'ব মানুহ, কি মানুহ এতিয়াও কব পৰা নাই। যেয়ে হওক —তাৰ ইপুৰী সিপুৰীত গতি নাই। অস্ এনেজনে লোকৰ কি গতি কৰিলা ঈশ্বৰ !

ছোৱালীটি—তই ভালেহে ভাত নাৰান্ধো বুলি মনটো মাৰি আছিলি ? সচাকৈয়ে মা, মোৰো আজি যেন ভোগ লগা নাই, খাবৰো মন নাই যোৱা, বৰ বেয়া লাগিছে। এই কথাত দেউতায়ো খং নকৰে। ভাত নৰন্ধা দেখি ভালহে পাব।

মাক—ইমান পৰে চাগৈ গোটেই পৃথিবীখনেই তল-ওপৰ হৈছে এনে আচৰিত আৰু আচম্বিতে অঘটন ঘটা কথা শুনি। পৃথিবীৰ সকলো মানুহেই মহাত্মাজীক ভাল পায় আৰু শ্ৰদ্ধা কৰে,— তেওঁৰ গুণত। হায়, হায়, পৰৰ কাৰণে পৰি মৰা কেনেজন লোক আছিল ঐ ! দুখীয়াৰ দুখ দেখি নিজেই আঠুৰ মূৰতহে পিন্ধিছিল চুৰিয়াখন। মানুহৰ দুখ, বিপদ, বেখাৰ-আজাৰত সেৱা কৰিবলৈ সকু কালৰে পৰা তেখেতৰ

কেনে আগ্ৰহ! এনেহেন লোক আৰু ক'ত হব? তেখেত দেৱতা আছিল, ঐ দেৱতা!

ছোৱালীটি—মা, তেখেতৰ কথাবোৰ আমি নাজানো নহয়—শুনিবলৈ বৰ মন যায়। তই পিচে পৰে শুনাবিনে?

মাক—তেখেতৰ কথাবোৰ মোৰপৰা কি শুনিবি—মইনো কি জানো আই! বাৰু তোলৈ তেখেতৰ জীৱনী কিতাপ এখন আনি দিম। তই পঢ়িলে নিজেই বুজিবি। সময় পালে আমি দুয়ো একেলগেও পঢ়িম। এতিয়া ৰাতি হৈ আহিল, ভৰি-হাত ধুই শুই থাক গৈ যা। হোৱা কথা হ'ল। আমাৰনো আৰু কি কৰিবৰ শক্তি আছে। শোক বেজাৰ কৰিনো কি কৰিম?

ছোৱালীটি—মই বাৰু শোওঁ গৈ—এটা কথা মা, পৃথিবীত আগেয়ে এনে ঘটনা ঘটিছিলনে?

মাৰ—মই জনাত এনে নিদাৰুণ ঘটনা আজি প্ৰায় দুহেজাৰ বছৰৰ আগেয়ে ঘটিছিল। ঠিক এনে নহলেও, বহুত কথাত মিল আছে। মই বাৰু তোক সেইটো কালিলৈ কম—তই আজি শোগৈ যা।

বাপুজীৰ জীৱন কথাৰ পৰ্ব্বতী

(দ্বিতীয় ছেদ)

পিচদিনা ছোৱালীটিয়ে মাকক ধৰিলে—মা তই কালি কম বোলা কথাটো ক এতিয়া। মাকে কলে, "মই এতিয়া আহৰি পোৱা নাই,—তোক বাক দুপৰীয়া জিৰাওঁতে কম। এতিয়া তই কিতাপ লগে যা। কালিও পঢ়া নাই।"

ছোৱালী—মা, মই আজি অকলে সেই শোৱা কোঠাত নবঁহো। ভয় লাগি আছে। কালিৰ দৰে আকৌ ভূঁইকপ আহে যদি? হেঁ মা, কালি ভূঁইকপটো ডাঙ্গৰকৈ হৈছিল—মোৰ ভয় লাগিছিল অ'।

মাক—কালি ভূঁইকপ নহব কিয় আই? পৃথিবীও যেন পাপ কামৰ ভৰ সহিব নোৱাৰি কঁপি উঠিল। আজি আৰু নাহে—ভয় নাখাবি।

যথাসময়ত দুয়ো লগ হল। মাকেই পোনতে মাত লগালে—"তই যীশুখৃষ্টৰ নাম শুনিছনে?

ছোৱালী—(ছবি এখনলৈ আঙুলিয়াই) সেইখন ছবি তেওঁৰ নহয়নে?

মাক—হয়, হয়, দেখিছনে তেওঁ পেৰেকনিত ওলমি আছে? হাত দুখন আৰু ভৰি দুখনত গজাল মৰা আছে। তেজ বৈ গৈছে।

ছোৱালী—দেখিছোঁ; বৰ বেয়া লাগে দেখি! কিয়নো তেওঁক পেৰেকনিত দি মাৰিলে মা?

মাক—কওঁ শুন। আমাৰ বাপুজীৰ দৰে যীশুখৃষ্টও আছিল পৰৰ কাৰণে পৰি মৰা ধৰণৰ মানুহ। সকলো মানুহ সংসাৰত মিলিজুলি থাকক, কোনেও কাকো হিংসা-খিয়াল, কাজিয়া-পেচাল নকৰিব—এনেবোৰ কথা তেওঁ উপদেশ দি ফুৰিছিল। আৰু কৈছিল সকলোকে ভাই ভাই বুলি ভাবিব লাগে। পশুবিলাকেহে নিজৰ ভিতৰতে হনাহনি কৰি মৰে বা মাৰে। মানুহেও তেনেকৈ নিজৰ ভিতৰতে কটাকটি, মৰামৰি কৰিব নাপায।

যীশুখৃষ্টই মানুহক উপদেশ দিছিল—কাকো হিংসা নকৰিবা। আনে হিংসা কৰিলেও তুমি সহিবা। কোনোবাই তোমাক এখন গালত চৰ এটা মাৰিলে ইখন গালো আগবঢাই পাতি দিবা।

এনেহেন মৰমীয়াল, দীন-দুখীৰ কাৰণে পৰিমৰা আৰু মানুহক ধৰ্ম্মৰ উপদেশ দি ভাল কৰিবলৈ গোটেই দেশ-বিদেশে ফুৰি ফুৰি মানুহৰ কেনেকৈ ভাল হয়, উন্নতি হয় তাকে ভাবি কাম কৰা মানুহজনক ৰোম নগৰীত বিচাৰকৰ আগত হাজিৰ কৰা হ'ল। তেওঁৰ গাত দোষ দিলে অৰ্থাৎ বিচাৰৰ কাৰণ হ'ল—তেওঁ ধৰ্ম্মদ্ৰোহী, ঈশ্বৰদ্ৰোহী আৰু ৰাইজৰো দ্ৰোহী।

ছোৱালী—তেওঁৰ ওপৰতনো গোচৰ কোনে দিছিল মা ?

মাক—শাসক আৰু ধনী সম্প্ৰদায়ৰ মানুহে। তেওঁৰ অপৰাধ যাইকৈ হ'ল—তেওঁ নিজকে ঈশ্বৰৰ সন্তান বুলি ঘোষণা কৰিলে। এইটো হ'ল ঈশ্বৰ নিন্দা। দ্বিতীয় অপৰাধ হ'ল—

তেওঁ ধৰ্ম্মৰ নতুন বাখ্যা কৰি উপদেশ দিবলৈ সাহ কৰিছিল, অৰ্থাৎ চলিত ধৰ্ম্মমতৰ বিৰুদ্ধে প্ৰচাৰ কৰি ধৰ্ম্মদ্ৰোহ আচৰিছিল। তেওঁ মানুহক উপদেশ দিছিল— তোমালোকে পৰস্পৰে বিবাদ নকৰিবা। ওচৰ-চুবুৰীয়াক শত্ৰু বুলি নাভাবিবা। কটা-কটি মৰামৰি কৰিব নাপায়—কাৰণ সকলো একেজনা ঈশ্বৰৰে সন্তান—মানুহ মাত্ৰে ভাই ভাই। ঈশ্বৰৰ অভিপ্ৰায় এনেকুৱাহে, আৰু জানিবা কোনো ধৰ্ম্মৰ ভিতৰতে পাৰ্থক্য নাই। সকলো ধৰ্ম্মই একে ঈশ্বৰকে পোৱাই দিয়ে। দুখীয়াক দান কৰা—তোমাৰ যি আছে বিলাই দিয়া—তেহে স্বৰ্গৰাজ্যলৈ যাব পাৰিবা। ৰোগীক শুশ্ৰূষা আৰু আৰ্ত্তজনক যথাশক্তি সহায় কৰাই মানুহৰ ধৰ্ম্ম। এনেবোৰ কথাই আছিল তেওঁৰ উপদেশ বা ধৰ্ম্মকথা।

ছোৱালী—তই কোৱা কথাবোৰ দেখোন ধৰ্ম্মৰ সাৰ কথা যেনহে লাগে। সিনো আকৌ দ্ৰোহ কৰা কেনেকৈ হ'ল ?

মাক—তোৰ মানতহে সেইয়া ধৰ্ম্মকথা বুলিছ! আচল কথা কি শুন, সেই সময়ৰ দেশৰ শাসক শ্ৰেণীৰ লোক সকল বৰ অনাচাৰী আৰু অত্যাচাৰী হৈ উঠিছিল। তেওঁবিলাকে সদায় নানান ভোগ-বিলাসত মত্ত আছিল। দেশৰ কি অৱস্থা হৈছে তালৈ কানসাৰ নাই। 'পামৰ গালৈ সামৰ' এনে ভাবেই আছিল ধনীলোক সকলোবো। গতিকে প্ৰজাসকলৰ ফালে চাওঁতা নাই। সিবিলাকৰ দুখৰ অন্ত নাছিল। ধৰ্ম্মৰ নামত অধৰ্ম্মৰ প্ৰভাৱ বেছি আছিল। ধৰ্ম্মযাজকসকলে মানুহৰ পৰা টকা-পইচা খাবলৈহে বাট উলিয়াইছিল। প্ৰধান ধৰ্ম্মযাজক জনে

স্বৰ্গ লৈ যাবপৰা "কাকতো" দিব পাৰিছিল ধন দিলে। ধনী যাজক আৰু শাসক সম্প্ৰদায়ৰ এইবোৰ কৰাৰ বাটত যীশুখৃষ্টৰ ধৰ্ম্ম-কথা বোৰ যেন হেঙ্গাৰ দিয়াৰ দৰে হৈছে—আৰু সেইবাবেই গোপনে লগহৈ সকলোৱে সেই মহাপ্ৰাণ যীশুখৃষ্টৰ ওপৰত সকলোৱে গোট পিত খাই দিলে গোচৰ। গোচৰৰ বিচাৰ হ'ল। 'মাছৰ খালৈত বোন্দাৰ সোপাৰ দৰে"—সেই গোচৰ দিয়াৰ গুৰিয়াল যাজক সকলেই বিচাৰক আছিল।

কেইদিনমান বিচাৰৰ ভেকা ডাওনা কৰি শেষত ৰায় দিলে, যীশুখৃষ্টৰ পেৰেঙ্গনিত দি প্ৰাণদণ্ড। সৰহভাগ দুষ্ট স্বভাৱৰ মানুহে যিটো বিচাৰিছিল তাকে পালে। হুকুমহোৱা মাত্ৰে সেই সৌম্য মূৰ্ত্তিৰ ডেকা জনৰ মূৰত কাঁহটৰ মুকুট পিন্ধাই আন এজন নৰ-ঘাটক দস্যুৰ লগত ওচৰা-ওচৰিকৈ পেৰেঙ্গনিত দি প্ৰাণবধ কৰিলে। পেৰেঙ্গনিত তুলি হাতে ভৰিয়ে গজাল মাৰোতে যীশু খৃষ্টই ঈশ্বৰলৈ উদ্দেশ কৰি প্ৰাৰ্থনা কৰিলে, "প্ৰভু, ইবিলাকক ক্ষমা কৰিবা। কাৰণ ইহঁতে যি কাম কৰিছে বুজি পোৱা নাই।" যীশুৰ এই অমৰ অহিংস বাণী জগতত আজিও হিয়াই হিয়াই প্ৰতি-ধ্বনিত হৈ আছিছে।

আজি প্ৰায় দুহেজাৰ বছৰৰ আগৰ কথা এইটো। তেতিয়াও মানুহে মানুহে কেনে হিংসা আছিল? যিজনে পৃথিবীত শান্তিৰ ৰাজ্য পাতিবলৈ আৰু ধৰ্ম্মৰ ভিতৰেদি মানুহক উন্নত ভাবৰ হবলৈ চেষ্টা কৰিছিল তেওঁকে এইদৰে বধ কৰা হ'ল। আৰু চাছোন যা, আজি দুহেজাৰ বছৰৰ পিছতো আমি সেই একে অৱস্থাতে আছোঁ। কিনো উন্নতি হ'ল?

আচলতে মানুহৰ স্বভাৱেই সলনি নহল। বাপুজীক কেনেকৈ হত্যা কৰিলে? আমি আকৌ সভ্যতাৰ যুগ, প্ৰগতিৰ যুগ বুলি বড়াই কৰোঁ। তেতিয়াৰ মানুহৰ যেনে হিংসা ভাব এতিয়াও সেই হিংসা ভাবৰ পৰাহে আমাৰ বাপুজীক হত্যা কৰিলে। সভ্যতা বাঢ়িল ক'ত? কেনে ধৰণৰ সভ্য হৈছো আমি?

বাপুজীয়ে জগতত সত্য আৰু অহিংসাৰ বাণী প্ৰচাৰ কৰিছিল। নিজে সত্যাশ্ৰয়ী আৰু অহিংস আছিল। সেই-কাৰণে তেখেত জগতৰ পূজনীয় হৈছিল। পৰাধীন ভাৰতৰ দুখ দুৰ্দ্দশা দেখি তেখেতেই গুৰি ধৰি অহিংস আন্দোলন চলাই দেশ স্বাধীন কৰিলে। সুচতুৰ ইংৰাজে যাবৰ সময়ত আমাৰ বুকুত মৰ কামৰ মাৰি দেশখন দুভাগ কৰি গ'ল। অখণ্ড হিন্দুস্থান দ্বিখণ্ড হৈ হিন্দুস্থান-পাকিস্থান হ'ল। ফলত দেশত যি হিন্দু-মুচলমানৰ ভিতৰত সাম্প্ৰদায়িক হত্যাকাণ্ড চলিল তই অলপ অলপ জান। ঘাইকৈ হ'ল কলিকতাৰ হত্যাকাণ্ড, নোৱাখালিৰ অত্যাচাৰ—সিকালে বিহাৰ আৰু পঞ্জাবত সাম্প্ৰদায়িক ভীষণ তাণ্ডৱ। বাপুজীয়ে খোজ কাঢ়ি কাঢ়ি সেই উৎপীড়িত মানুহৰ মাজত ঘূৰি শান্তিৰ বাণী শুনাইছিল, মৰমেৰে যি পাৰে সহায় কৰিছিল। জীৱনত কেইবাৰ যে অনশন ব্ৰত কৰি পাপৰ প্ৰায়চিত্ত কৰিলে! এতিয়া এদল মানুহৰ মানত তেওঁ হ'ল হিন্দুধৰ্ম্মৰ দ্ৰোহী। দেশত বোলে তেওঁৰ কাৰণেহে এইবোৰ হবলৈ পালে, অৰ্থাৎ হিন্দুস্থান আৰু পাকিস্থান। গতিকে সততে আৰু নিতৌ

জগতৰ কল্যাণৰ অৰ্থে পতা প্ৰাৰ্থনা সভাৰ মাজতে ডেকা হিন্দু এজনে, সিও আকৌ বামুণৰ ডেকা ল'ৰা এজনে,—বন্দুকৰ গুলিৰে হত্যা কৰিলে। যীশুখৃষ্টৰ তেও এখন বিচাৰ সভা বহিছিল, এওঁৰ আকৌ সিও নহল! মনলৈ ভাব আহে আকাশী যান ওলাই আমি আজিকালি যিটো সভ্যতাৰ চমক্ দেখিছোঁ সকলো মিছা। আমি সেই আদিম অৱস্থাতে আছোঁ। আমাৰ হিংসা, দ্বেষ, লোভ যেন বাঢ়িছেহে। সম্প্ৰদায়ে সম্প্ৰদায়ে হিংসা আছেই; এতিয়া জাতিয়ে জাতিয়ে, এটা জাতিৰ আন এটা জাতিৰ ওপৰত ৰবমটা বোলাবৰ হেপাহ যেন বাঢ়িহে গৈছে। বাপুজীৰ 'অহিংস' মন্ত্ৰ ইয়াৰেই ঘাই ঔষধ।

ছোৱালী—হেঁ মা, বাপুজীয়ে হিন্দু-মুছলমানৰ ভিতৰত মৰামৰি কটাকটি হৈ থাকোঁতেই সেই ঠাই বিলাকত সোমাই ফুৰিব পাৰিছিল? ভয় কৰা নাছিল নহয়?

মাক—বাপুজীৰ মৰিবলৈ ভয় কেতিয়াও নাছিল। মৰিবলৈ ভয় থকা মানুহে পৃথিবীত কেতিয়াও ডাঙৰ কাম বা ভাল কাম কৰিব নোৱাৰে। বাপুজীয়ে জানি শুনিয়েই ১৯৪২ চনত "ভাৰত ত্যাগ" প্ৰস্তাৱৰ লগতে এটা বিধান কৰি দিছিল যে কংগ্ৰেছৰ এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ দেশত এটা "মৃত্যুঞ্জয়ী বাহিনী" গঠিত হব লাগিব। সেই বাহিনীৰ মূল মন্ত্ৰ হব "কাৰ্য্য সাধিম বা মৰিম" (ইংৰাজীত Do or die)। এনে বাহিনী গোটেই দেশতে গঠিত হৈ মৃত্যু ভয় আওকাণ কৰি কাম কৰা যাযেহে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে দেশ

স্বাধীন হ'ল আৰু আগৰ পৰা গুৰিলৈকে সেই যুঁজৰ গুৰি ধৰোঁতা আছিল আমাৰ "বাপুজী" !

এতিয়া এই বাপুজীৰ জীৱন-কথা পাত লুটিয়াই পঢ়ি গলেই সকলো পাবি। কোনো কথা বুজি নাপালে মোক সুধি লবি দেই।

এক

পিতৃপৰিচয় আৰু জন্ম

বোম্বাই প্ৰদেশৰ উত্তৰফালে গুজৰাট। ইয়াৰ ভিতৰত কাথিওয়াড় ৰাজ্যৰ অন্তৰ্গত পোৰবন্দৰ নগৰ—এই নগৰৰ পুৰণি-কলীয়া নাম আছিল সুদামাপুৰী। ইয়াতেই ১৮৬৯ খৃষ্টাব্দৰ ২ৰা অক্টোবৰ তাৰিখে "বাপুজী"ৰ জন্ম হয়। তেখেতৰ পুৰা নাম মোহনদাস কৰমচাঁদ গান্ধী। বৰ্ত্তমান "মহাত্মা গান্ধী" নামে গোটেই পৃথিবীত জনাজাত। অকল জনাই নহয় তেখেতৰ ৰাজনীতি ক্ষেত্ৰতো 'অহিংস' মতবাদ সকলোৰে শ্ৰদ্ধাৰ আৰু অসংখ্য মানৱোচিত গুণৰ কাৰণে পূজ্যৰূপে স্মৰণীয় হৈ সকলো দেশতে সমাদৰ লাভ কৰিছে।

বাপুজীৰ জন্ম গান্ধী পৰিবাৰত। গান্ধীসকল জগতত বণিক, বৈশ্য। কিন্তু ককাৰককাৰো উপৰি তিনি পুৰুষৰ পৰাই এই পৰিয়ালৰ

লোকেই সেই ৰাজ্যত (কাথিওয়াড়) প্ৰধান মন্ত্ৰীৰ কাম কৰি আহিছে। গতিকে বৈশ্যতকৈ ক্ষত্ৰিয় গুণেই সিবিলাকৰ অধিক আছিল। তেওঁবিলাক প্ৰত্যেকেই নিৰ্ভীক, শাসনদক্ষ, সত্যনিষ্ঠ, ধৰ্ম্মভীৰু আৰু দানশীল আছিল। মুঠতে এই পৰিয়ালৰ প্ৰকৃতি আন মানুহতকৈ সদায় ওখ ধৰণৰ আছিল। গতিকে সকলোৱে মান কৰিছিল।

বাপুজীৰ ককাৱকৰ নাম আছিল উত্তমচাঁদ গান্ধী। তেখেতৰ স্বভাৱো আছিল অসাধাৰণ। নিজৰ অধ্যৱসায়, চোকা বুদ্ধি, কৰ্ম্মপটুতা আৰু সদায় সচা কথাত ভৰ দি চলা স্বভাৱৰ গুণত নিচেই তল থাপৰ কামৰ পৰা তেখেত সেই ৰাজ্যৰ দেওয়ান (মন্ত্ৰী) হ'লগৈ। দেওয়ান হৈ দৰমহা সৰহ পাইছিল যদিও আধাখিনি সাধু-সন্ন্যাসীক দান দি বাকীখিনিৰে ডাঙৰ পৰিয়াল পোহ-পাল দিওঁতেই খৰচ হৈছিল। পিচলৈ বিশেষ সম্পত্তি এৰি যাব পৰা নাই।

নিজৰ গুণত উত্তমচাঁদে উন্নতি কৰিলেও লগৰীয়া চাকৰিয়াল সকলে তেখেতক হিংসাৰ চকুৰে চাবলৈ ধৰিলে। কেনেকৈনো তেখেতক বিপদত পেলাব চেলু বিচাৰিবলৈ ধৰিলে। এনেতে এটা সুযোগ ওলাল।

ৰাণাৰ মৃত্যু হোৱাত তেতিয়া ৰাজমাতা ৰূপালিবাই শিশু যুৱৰাজৰ প্ৰতিনিধিৰূপে ৰাজকাৰ্য্য চলাইছিল। অপৰাধ নাথাকিলেও এজন ৰাজভাণ্ডাৰী এই ৰাজমাওৰ কোপ দৃষ্টিত পৰি অপৰাধী বুলি সাব্যস্ত হ'ল। বপুৰীয়ে অইন উপায় নেদেখি উত্তমচাঁদৰ শৰণাপন্ন হ'ল। বিপদৰ কথা জানি-শুনিও উত্তমচাঁদে তেওঁৰ সহৃদয়তা গুণত মানুহজনক অভয় দি নিজৰ ঘৰতে লুকুৱাই ৰাখিলে। ৰাজমাওৰ

কাণত এই কথা পৰিল। হুকুম দিলে মানুহজনক ৰাজ কটোৱালৰ হাতত দিব লাগে। উত্তমচাঁদে সেই আদেশ নামানিলে আৰু বিনয় সহকাৰে প্ৰতিবাদ কৰি মানুহজনক এৰি দিবলৈহে খাটিলে। ইয়াত ৰাজমাওৰ খং দুগুণে বাঢ়িল আৰু হুকুম অমান্য কৰা বাবে উত্তমচাঁদক কঠোৰ শাস্তিৰ ভয় দেখুৱালে। জানি-শুনি তেওঁ সময়মতেই ঘৰৰ পৰা পলাই সাৰিল আৰু বন্দী কৰিবলৈ পঠোৱা সেনাবিলাকে তেওঁৰ ঘৰ ভাঙি ছিঙি, লুট-পাট কৰিলে।

উত্তমচাঁদ পলাই গৈ জুনাগড় ওলাল আৰু তাৰ গুণগ্ৰাহী নবাবৰ আশ্ৰয় ললে। নবাবে দেখি আচৰিত হ'ল যে তেওঁ এতিয়াও সেই অকৃতজ্ঞ ৰাজৰ প্ৰতি অনুৰক্ত আৰু বিশ্বাসী। তেওঁৰ এনে শৰণাগত বৎসল আৰু প্ৰভু-ভক্তি, নিৰ্ভীকতা প্ৰভৃতি গুণৰ পৰিচয় পাই নবাব আকৃষ্ট হ'ল আৰু তেখেতৰ চেষ্টাত ৰাজমাওৰে পোৰবন্দৰলৈ আকৌ তেখেতক মতালে। কিন্তু উত্তমচাঁদে নিজে আৰু সেই কামত নোসোমাল। তেওঁৰ ঠাইত তেখেতৰ পঞ্চম পুত্ৰ কৰমচাঁদক সেই দেওৱান পদত সুমাই দিলে। এই কৰমচাঁদেই আমাৰ বাপুজীৰ পিতা।

কৰমচাঁদক সংক্ষেপ কৰি সকলোৱেই কাবা গান্ধী বুলি মাতিছিল। এওঁ যেতিয়া দেওৱানী পদ পায় তেতিয়া বয়স মুঠেই ২৫ বছৰ আছিল। পিতাৰকৰ দৰে তেখেতৰো বহুত সদগুণ আছিল। তেওঁৰ নিজৰ ওপৰত বিশ্বাস আছিল প্ৰবল। গতিকে কেতিয়াবা কোনোৱে তেখেতৰ কৰ্ত্তব্যত হস্তক্ষেপ কৰিলে সহিব নোৱাৰিছিল। এবাৰ তেনে হস্তক্ষেপৰ ফলত তেওঁ ৰাজকোটলৈ গুছি আহিল আৰু তাৰ ঠাকুৰ চাহেবে ততালিকে তেওঁক ৰাজকাৰ্য্যৰ ভাৰ দিয়ে।

অলপ দিন দক্ষতাৰে কাম চলোৱাৰ পিচত ডেন্‌কনৰ ৰজাই নিজ ৰাজ্য পুনৰ্গঠন কৰিবলৈ মন কৰি ঠাকুৰ চাহেবক কৈ কৰমচাঁদক পাঁচ বছৰলৈ বন্দোবস্ত কৰি নিয়ে। সেই বন্দোবস্তৰ যাই চুক্তি আছিল যে তেখেতৰ কাৰ্য্য পৰিচালনাত যদি ৰজাই হস্তক্ষেপ কৰে তেন্তে তেতিয়াই চুক্তি ভঙ্গ হব, তেখেত গুচি আহিব পাৰিব কিন্তু গোটেই পাঁচ বছৰৰে পূৰা দৰ্ম্মহা দিব লাগিব।

ঘটনাক্ৰমে কেমাহমান কাম কৰাৰ পিচতে চুক্তি ভঙ্গ হয়। কৰমচাঁদে ততালিকে সেই কাম এৰি দি ৰাজকোটলৈ গুচি আহিল। ডেন্‌কনৰ ৰজাই পিচত ক্ষতিপূৰণ স্বৰূপ কেইহাজাৰ মান টকা দিবলৈ বিচাৰিলেও কাবা গান্ধীয়ে গ্ৰহণ নকৰিলে। এনে আছিল তেখেত নিৰ্লোভ আৰু নিস্বাৰ্থ। সেইবাবে পিতাৱকৰ দৰে তেখেতেও বিশেষভাৱে টকা-পইচা লৰা-ছোৱালীৰ কাৰণে এৰি যাব পৰা নাছিল।

পিতাৱকৰ দৰে কৰমচাঁদ গান্ধীৰো প্ৰভু-ভক্তি কম নাছিলা ৰাজকোটৰ সহকাৰী পলিটিকেল এজেণ্টে এদিন কৰমচাঁদ গান্ধীৰ আগতে ঠাকুৰ চাহাবৰ বিপক্ষে এটা বেয়া কথা কৈছিল। চাহাবে ভাবিছিল যে কৰমচান্দে তেওঁৰ কথাতে হয়ভৰ দিব, কিন্তু তাৰ পৰিবৰ্ত্তে তেখেতে তীব্ৰ প্ৰতিবাদ কৰিলে। চাহাবেও খঙেৰে কৰমচান্দক ক্ষমা প্ৰাৰ্থনা কৰিবলৈ আদেশ দিলে। তেখেতে সেই আদেশ পালন নকৰিলে। ইয়াতে চাহাব অতিশয় উগ্ৰ হৈ উঠিল আৰু কৰমচান্দক বন্দী কৰি গছ এজোপাৰ তলত জব্দ কৰি ৰাখিলে। তাতো একো ফল নহল—কৰমচান্দ অচল—অটল। আন উপায় নেদেখি চাহাবে শেহত তেখেতক এৰি দিবলৈ বাধ্য হৈছিল। এনে অদম্য তেজেই বাপুজীৰ পিতৃৰ উপযুক্ত।

আনকালে পঢ়া-শুনা বেছিকৈ নকৰিলেও সাধাৰণ জ্ঞান আছিল তেখেতৰ অসাধাৰণ। তেখেতে তীক্ষ্ণ বুদ্ধিৰে দায়িত্বপূৰ্ণ সকলো ৰাজকাৰ্য্য সহজে মীমাংসা কৰিব পাৰিছিল। আকৌ তেখেত আছিল ধৰ্ম্মপৰায়ণ। নিতে সন্ধ্যা আহ্নিক কৰে, গীতা পাঠ কৰে, এনেকি গীতাখন তেখেতৰ কণ্ঠস্থ আছিল।

তেতিয়াৰ দিনত বহুবিবাহ সমাজত চলিত আছিল। পুতুলীবাঈ তেখেতৰ সুমলীয়া পৰিবাৰ। তেখেতৰ এটি ছোৱালী আৰু তিনটি লৰা—একেবাৰে সৰু লৰাটিয়েই হ'ল আমাৰ মহাত্মাজী।

বাপুজীৰ মাক পুতুলীবাঈ বহুতো সদগুণেৰে সৈতে অসাধাৰণ মহিলা বা গৃহিণী। ঘাইকৈ তেখেতৰ বুদ্ধি আছিল চোকা, মনটো আছিল উদাৰ—দীন দুখীক কৰিছিল মৰম আৰু সবাৰো-উপৰি আছিল ধৰ্ম্মনিষ্ঠা। নিতৌ নিয়মিতৰূপে সেৱা-পূজা, মন্দিৰত দেৱতা-দৰ্শন, সময়তে ব্ৰত আদি পালন কৰিছিল। সুমলীয়া পুতেক হিচাবে বাপুজীলৈ মৰম বেছি থকাত আৰু বাপুজীয়ে মাকক সততে সকলো কামতে লগ নেৰাত সৰুকালতে এই ধৰ্ম্মভাবৰ গুটি অন্তৰত পৰি ক্ৰমে গজি উঠিছিল।

তাতে আকৌ গান্ধী পৰিবাৰৰ সৎ পৰামৰ্শদাতা আৰু শুভাকাঙ্ক্ষী আছিল এজন জৈন সাধু। অহিংস মন্ত্ৰৰ বীজ এখেতৰ পৰাই অঙ্কুৰিত হয় বাপুজীৰ জীৱনত।

মাকৰ ব্ৰত পালনৰ আন এটা নিয়ম আছিল বেলি নেদেখিলে আহাৰ নাখায়। মাতৃভক্ত বাপুজীয়ে সেই সৰুকালতে মাকৰ ব্ৰতৰ কঠোৰতাৰ কাৰণে কিমান যে উদগ্ৰীৱ হৈ দিন কটাইছিল।

অভ্যাসবশতঃ মাকে একেলগে দুই তিনি দিন নোখোৱাকৈ থাকিলেও কষ্ট নাপাইছিল।

শেহলৈ বাপুজীৰ জীৱনৰ কতবাৰ অনশন—মাকৰ পৰা পোৱা উদাহৰণৰ কাৰণেই নে? ব্ৰত কাৰ্য্য পৰাৰ্থে হলে কেনে মহৎ হয়!

নবাকাল

নিচেই সৰুতে বাপুজীৰ পঢ়া-শুনা ঘৰতে হৈছিল। পিতাৱক কৰমচাঁদ পোৰবন্দৰৰ পৰা ৰাজকোটলৈ অহাত লগতে বাপুজীক আনে আৰু পাঠশালাত নাম লগাই দিয়ে। তেতিয়া তেওঁৰ বয়স সাত বছৰ মাথোন। পাঠশালাত পঢ়াৰ দিনত তেওঁ চোকা বুদ্ধিৰ পৰিচয় দিব পৰা নাছিল! এনেকি ধাৰাপাতৰ নেওতা মুখস্থ কৰাই তেওঁৰ পক্ষে টান আছিল।

পাঠশালাৰ পৰা তেওঁক মধ্য ইংৰাজী স্কুলত, আকৌ তাৰ পৰা হাইস্কুলত নাম লগাই দিয়া হয়। ইয়াতেই মাজত পাঁচ বছৰ সময় লাগে। গতিকে হাইস্কুলত নাম লগাবৰ সময়ত তেওঁৰ বয়স হৈছিল তেৰ। মধ্য ইংৰাজী স্কুলত পঢ়া দিনতো তেওঁ পঢ়া-শুনাত মজলীয়া ধৰণৰ ছাত্ৰ আছিল, বৰ চোকা বুদ্ধিৰ লৰা নাছিল। কিন্তু তেওঁৰ আন এটি গুণ দেখা গৈছিল—সেইটি হৈছে—সঁচা কথাত থাকিবলৈ বা

কৰলৈ ধাউতি। এই পাঁচ বছৰ কালৰ কথা সুঁৱৰি তেওঁ আত্মজীৱনীত লিখিছে—"এই অলপ দিনৰ (পাঁচ বছৰ) ভিতৰত মোৰ লগৰীয়া বন্ধু বা শিক্ষক সকলৰ আগত কেতিয়াবা মিছা কথা কৈছিলোঁ বুলি মোৰ মনত নপৰে।" নিচেই সৰু কালৰে পৰা এনেদৰে সত্যৰ প্ৰতি স্বাভাবিক অনুৰাগ সহজে ছাত্ৰ-সমাজত দেখা নাযায়।

হাইস্কুলত পঢ়া কালতো তেওঁ লগৰীয়া লৰাসকলৰ পৰা ফালৰি কাটি ফুৰিছিল; কাৰণ তেওঁৰ স্বভাৱ বৰ লাজকুৰীয়া আছিল। আনকি সহপাঠী সকলৰ লগতে তেওঁ খুব কম কথা কৈছিল। ঘণ্টা বজাৰ আগে আগে শ্ৰেণীত সোমাইছিল আৰু ছুটীৰ ঘণ্টা বাজিলেই কলৈকো নোচোৱাকৈ বেগাবেগি কৰি ঘৰলৈ গুচি আহিছিল। তেওঁৰ পেটে পেটে আন এটা ভয়ো আছিল—জানোচা লগৰীয়া বিলাকে তেওঁক ঠাট্টা-বিদ্ৰূপ কৰে। এফালে লাজ, আনফালে কাণ দুখন আনতকৈ দেখাত ডাঙৰ আছিল। চেহাৰা হিচাবে তেওঁ সুপুৰুষ নাছিল—যদিও নাকটি আছিল দীঘল জোঙা আৰু হাত দুখনো আছিল জোখতকৈ দীঘল।

গুৰুজনৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু ভক্তি সদায় অটুট আছিল। এনেকি কেতিয়াবা গুৰুজনৰ কিবা দোষ ত্ৰুটি চকুত পৰিলেও তালৈ কাণ নিদিছিল—সমানেই শ্ৰদ্ধা কৰি চলিছিল।

হাইস্কুলত পঢ়া দিনত এদিন ইন্স্পেক্টৰ চাহাব আহিল স্কুল চাবলৈ। তেওঁলোকৰ শ্ৰেণীলৈ গৈ চাহাবে পাঁচোটা ইংৰাজী শব্দৰ বানান লিখিবলৈ দিলে। তাৰে ভিতৰত এটা আছিল 'Kettle'। তেওঁ বানানটো শুদ্ধকৈ লিখিব পৰা নাছিল। ওচৰতে শ্ৰেণীৰ শিক্ষকজন আছিল। বানানটো শুদ্ধকৈ লিখিবলৈ তেখেতে ইঙ্গিত

দিলে—নিতান্ত ওচৰৰ লৰাৰ লিখা চাই শুদ্ধকৈ লিখিবলৈ থাৰ দিলে। তথাপি বাপুজীয়ে তেনে কৰাটো বেয়া বুলি জানি নকৰিলে আৰু গোটেই শ্ৰেণীৰ ভিতৰত তেওঁৰ বানানেই ভুল হ'ল, বাকী সকলোৰে শুদ্ধ হ'ল। সৰু লৰা এজনৰ পক্ষে এনে ধৰণৰ আচৰণত আচৰিত নহৈ নোৱাৰি। সাধাৰণ লৰাই যেনে তেনে শুদ্ধ কৰি নাম কৰিবলৈ বিচাৰে। কিন্তু এই কথাত, সেই বুলি তেওঁৰ সেই শিক্ষকৰ প্ৰতি শ্ৰদ্ধা সমানেই থাকিল। বেয়া কথা শিকাইছে বুলি মনত নাভাবিলে। সেই কণ লৰা হৈয়ো নিজে কিন্তু ভাবিলে—লোকৰ চাই লিখাটো বেয়া কথা। বেয়া কাম কৰিলে মইহে সৰু হম বা আনৰ আগত হেয় হম। এই কাম মই নকৰোঁ। সৰুতে বাপুজীৰ চৰিত্ৰবল কেনে আছিল ইয়াৰ পৰাই বুজা যায়।

বাপুজীৰ পিতৃ-মাতৃৰ প্ৰতি ভক্তি বৰ বেছি আছিল। উভয়কে তেওঁ দেৱতাৰ দৰে দেখিছিল আৰু সেইদৰে মান সৎকাৰ কৰি চলিছিল। এসময়ত পিতাৰকে 'শ্ৰবনৰ পিতৃভক্তি' বুলি এখন নাটক কিনি আনিছিল। সাধাৰণতে বাপুজীয়ে বাহিৰা কিতাপ বৰকৈ নপঢ়িছিল—পঢ়িবলৈ সময় নাপাইছিল। কিন্তু এইখন কিতাপৰ নামটো দেখিয়েই পঢ়িলে। পঢ়ি তেওঁ বৰ ভাল পালে। বুঢ়া বাপেক-মাকক শ্ৰবনে হাতত ধৰি কেনেকৈ তীৰ্থলৈ লৈ গৈছে,—কেনেকৈ প্ৰবাসত সেৱা-শুশ্ৰূষা কৰিছে! কিন্তু দৈৱ-বিধানত সেই শ্ৰবন হঠাতে বেমাৰ হৈ মৰি থকাত অন্ধ আশ্ৰয়হীন বুঢ়া মাক-বাপেকৰ হিয়া ভৰা কান্দোনে বাপুজীৰ মনত বৰকৈ খেখাপাত কৰিলে।

তাৰ পিচতে চাৰলৈ সুযোগ পালে হৰিশ্চন্দ্ৰ উপাখ্যানৰ অভিনয়। হৰিশ্চন্দ্ৰ ৰজাৰ সত্য ৰক্ষাৰ কাৰণে স্বীকাৰ কৰা যাবতীয় ত্যাগ—ৰজা

মনৰ বাপুজীৰ মনত কেনেকৈ ভাবৰ ঢৌ তুলিছিল ! শ্ৰৱনৰ পিতৃভক্তি আৰু হৰিশ্চন্দ্ৰৰ সত্যকথা এই দুয়োটা আদৰ্শ বাপুজীৰ জীৱন গঠনত প্ৰধান সহায়ক। সেই কথা তেওঁ নিজে আত্মজীৱনীত লিখি গৈছে।

হাইস্কুলত পঢ়া অৱস্থাতে যেতিয়া বাপুজীৰ বয়স মাথোন তেৰ বছৰ তেতিয়াই তেওঁৰ বিয়া হয়। বাল্য-বিবাহ তেতিয়াৰ দিনত সহজ বুলিয়েই চলিছিল। বিয়াৰ আগতে গান্ধী পৰিবাৰ সকলোৱেই ৰাজকোটৰ পৰা সমুদ্ৰ পাৰলৈ অৰ্থাৎ পোৰবন্দৰলৈ আহিছিল। লগে লগে আহিব পৰা নাছিল কাবা গান্ধী। তেখেতে ছুটী পোৱাত পলম হৈছিল।

মুঠতে এনে বাল্যবিবাহত লৰা-ছোৱালীয়ে মাতিবৰ একো থল নাথাকে আৰু বিয়াৰ অৰ্থকে বা বুজে কি ? সিহঁতৰ ভাল লাগে যে নতুন পোছাক পায়, ঘৰত ধুম-ধাম হয়, খোৱা-লোৱা, গান-বাজনা, সজোৱা-পৰোৱা দেখি খুব আনন্দ। বয়সীয়া সকলেও সিহঁতক সেই কেইদিন বৰকৈ মৰম-চেনেহ কৰে। এয়ে তেওঁলোকৰ পক্ষে মজাৰ কথা ! এই বিয়াৰ প্ৰসঙ্গত মহাত্মাজীয়ে লিখিছে :—

"আমাৰ বিয়াই মোৰ পিতা আৰু খুৰাৰ জীৱনৰ শেষ কাম। সেই কাৰণে শেষ বয়সত ভাল ৰকমে আনন্দ কৰিবৰ কাৰণে একেলগে তিনিজনৰ—মোৰ, মোৰ ওপৰৰ জন ককাইৰ আৰু এজন ককায়েকৰ বিয়া পতা স্থিৰ কৰিলে।"

বিয়াৰ ধুম-ধাম যথেষ্ট হলেও অলপমান এটি ঘটনাত সকলোৰে মনত দুখ লাগিল। আগতে কোৱা হৈছে কাবা গান্ধী যথাসময়ত ছুটীৰ অভাবত ঘৰলৈ আহিব পৰা নাছিল। বিশেষ কাম থকাত

ঠাকুৰ চাহেবে সোনকালে এৰি দিব নোৱাৰিছিল। ৰাজকোটৰ পৰা পোৰবন্দৰলৈ গৰুৰ গাড়ীৰে পাঁচ দিনৰ বাট। বিয়ালৈ তিন দিন থকাত ছুটী দি কাবা গান্ধীক যাতে বিয়াৰ দিনা ঘৰ পায়গৈ এনে ব্যৱস্থাৰে স্বকীয়া যান-বাহন দি পঠালে। বৰ বেগত অহাত বাটতে গাড়ী লুটি খালে। তাতে কাবা গান্ধীয়ে হাত আৰু মূৰত আঘাট পালে। তথাপি বেণ্ডেজ বান্ধিও তেওঁ আহি বিয়াত যোগ দিব পাৰিলেও এই ঘটনাত বহুতে মনত অসন্তোষ পালে।

বিয়াৰ কাৰণে কিন্তু বাপুজীৰ পঢ়া এবছৰ নষ্ট হৈছিল। মাজিউ ককায়েকৰ কিন্তু বিয়াৰ পিচত পঢ়া বন্ধই হ'ল।

যিটি নবছৰীয়া ছোৱালী বাপুজীয়ে বিয়া কৰাই আনিলে তেওঁৰ নাম "কস্তুৰী বাই।" এই কস্তুৰীবায়ো ভাৰতীয় মহীয়সী নাৰীসকলৰ ভিতৰত অন্যতম ৰূপে জনাসমাজত সমাদৃত, কাৰণ গুণ হিচাবে আমাৰ বাপুজীৰ প্ৰকৃত সহধৰ্মিণী হবৰ যোগ্যতা তেখেতে আৰ্জ্জি লৈছিল।

পিচৰ দিনত মহাত্মাজীয়ে ইমান সৰুতে বিয়া হোৱাটো সমৰ্থন নকৰিছিল। সমাজত চলিত এই প্ৰথা বৰং দোষণীয় বুলিহে মন্তব্য কৰিছিল।

বিয়াৰ পিচত বাপুজীয়ে প্ৰথমে অনুভৱ কৰিলে যে কম বয়সৰ ছোৱালী হলেও কোনো কোনো বিষয়ত তেওঁতকৈ কিমান শ্ৰেষ্ঠ। সততে তেওঁ বৰ ভয়াতুৰ আছিল। চোৰ, ভূত বা সাপৰ ভয়ত ৰাতি তেওঁ অকলে বাহিৰলৈ ওলাব নোৱাৰিছিল। কোনো কথাত বাহিৰলৈ আহিব লগা হলে কস্তুৰবাই লগত আহিব লাগিছিল।

কস্তুৰবাইৰ কিন্তু সৰুৰে পৰা মনত একোলৈ ভয় নাছিল। চোৰ-

ডকাইত, সাপ-ভূতলৈ তেওঁৰ অলপো ভয় নাছিল। স্বামীক ভয়ৰ কাৰণে সদায় ধেমালী কথাৰে ঠাট্টা কৰি হাঁহিছিল। তেতিয়াৰ দিনত বাপুজীয়ে পত্নীক শক্তিৰূপেই যেন লাভ কৰিছিল।

পঢ়া-শুনাত বাপুজী বৰ চোকা নহলেও একেবাৰে নিকৃষ্ট ছাত্ৰও নাছিল। কেটামান তলৰ শ্ৰেণীত পুৰস্কাৰো পাইছিল। নিজে পৰিশ্ৰম কৰি পঢ়ি বিয়াৰ বছৰত ৬ মাহতে এবছৰৰ পঢ়া শেষ কৰি প্ৰমোচনো পাইছিল। কিন্তু মনে মনে সকু কালৰে পৰা এটা ভাব আছিল—পঢ়া-শুনা কৰি বিদ্বান হলেই নহয়—স্বভাৱ চৰিত্ৰও ভাল হব লাগে।

সেই কাৰণে কোনো কথাত কেতিয়াবা শিক্ষকে খং কৰিলে বা মাৰিলেও বাপুজীয়ে তাক তলমুৰ কৰি মানি লৈছিল। নিজৰ দোষ ক'ত বিচাৰি চাই নিজে লাজ পাইছিল আৰু নিজেই দুখ অনুভৱ কৰিছিল।

মুখৰ কথাৰে নহয় কামেৰে বাপুজীয়ে সৰু কালৰে পৰা পিতৃ-মাতৃ ভক্ত আছিল। পিতাৰকৰ ভগন্দৰ ৰোগ আছিল। বাপুজীয়ে সদায় পিতাৰকক পৰিচৰ্য্যা কৰিছিল। ৰোগীক শুশ্ৰূষা কৰিবলৈ বাপুজীৰ কোনোদিনেই এলাহ নাছিল। পিতাৰকক সততে সেৱা-শুশ্ৰূষা কৰিব লাগে কাৰণেই স্কুল ছুটী হলেই লৰালৰিকৈ ঘৰলৈ গুচি আহে আৰু সেই কাৰণে কোনো খেল-ধেমালী বা শৰীৰ চৰ্চ্চাত যোগ দিব নোৱাৰে। যেতিয়া লগৰ লৰাই পথাৰত খেল-ধেমালি কৰে তেতিয়া বাপুজীয়ে পিতাৰকক শুশ্ৰূষা কৰে।

খেলা-ধুলাত লৰাবিলাকে বৰকৈ মন নিদিয়া দেখি স্কুলৰ প্ৰধান শিক্ষকে এসময়ত এনে নিয়ম কৰিলে যে স্কুলৰ সকলো লৰাই

ছুটিৰ পিচত (বাধ্যতামূলক ভাবে) নিৰূপিত সময়ত খেল-ধেমালিত যোগ দিবই লাগিব।

এই হুকুমত বাপুজী বিপদত পৰিল। যিহওক কোনোমতে পিতৃ-সেৱা লৰালৰিকৈ শেষ কৰিও তেওঁ ব্যায়ামৰ শ্ৰেণীত যোগ দিলে। এদিন স্কুল বন্ধ আছিল আৰু বতৰ আছিল ডাৱৰীয়া। গতিকে বাপুজীয়ে সময় ঠিক ধৰিব নোৱাৰি বহুত পলমে ব্যায়ামৰ শ্ৰেণীলৈ আহিল।

ব্যায়াম কৰা ঠাই পাইহে তেওঁৰ ভুল ধৰা পৰিল। পলম কৰাত সকলো লৰাই ব্যায়াম শেষ কৰি আগতে ঘৰাঘৰি গ'ল। গতিকে বাধ্য হৈ বাপুজীও ঘূৰি আহিব লগাত পৰিল। সেই দিনা ব্যায়াম শ্ৰেণীত যোগ দিব নোৱাৰিলে।

পিচ দিনা প্ৰধান শিক্ষক মহাশয়ে বাপুজীক হাজিৰা বহীত অনুপস্থিত থকা দেখা পাই মাতি পঠালে আৰু অনুপস্থিতিৰ কাৰণ কি সুধিলে।

বাপুজীয়ে সঁচা কথাকে কলে। তেওঁ কলে যে তেওঁৰ পিতাৰকক শুশ্ৰূষা কৰাত আৰু সময় ঠিক বুজিব নোৱাৰাত শ্ৰেণীলৈ অহাত পলম হৈছিল।

প্ৰধান শিক্ষকে এনে কথা আগেয়ে শুনা নাই। এইকণ লৰাই কি পিতৃ-সেৱা কৰিব? মিছাকৈ এনে উত্তৰ দিবলৈ সাহ কৰা বুলি ভাবি তেওঁ বাপুজীৰ ওপৰত বিৰক্ত হ'ল আৰু দুই অনা জৰিমনা কৰিলে।

এই কথাত বাপুজীৰ মনত বৰ দুখ লাগিল। দুখৰ থাই কথা হ'ল যে তেওঁক মিছলীয়া বুলি অন্যায়কৈ প্ৰধান শিক্ষকে সন্দেহ

কৰিছে। শেষত কিন্তু তদন্ত কৰি চোৰাত সকলো কথা প্ৰকাশ পালে। প্ৰধান শিক্ষক মহাশয়ে বুজিলে যে বাপুজীয়ে কোৱা কথা সকলো সঁচা। তেতিয়া শিক্ষকে নিজে লাজ পালে আৰু জৰিমনা মাফ্ দিলে।

পিচত বাপুজীৰ পিতাৰক কাবা গান্ধীয়েও প্ৰধান শিক্ষক মহাশয়লৈ লিখি জনালে যে স্কুল ছুটীৰ পিচত লৰাটিক তেওঁৰ শুশ্ৰূষাৰ কাৰণে বিশেষ প্ৰয়োজন। এতেকে তাক যেন বাধা দিয়া নহয়।

তেতিয়াৰ পৰা বাপুজীয়ে ব্যয়াম শ্ৰেণীৰ পৰা অব্যাহিত পালে।

তিনি

উচ্চ বিদ্যালয়ত

ব্যায়াম শ্ৰেণীৰ পৰা অব্যাহতি পালে সঁচা, কিন্তু বাপুজীৰ স্বাস্থ্য কেতিয়াও সবল হব নোৱাৰিলে। সদায় তেখেতৰ শৰীৰ ক্ষীণ আৰু দুৰ্ব্বল। কিন্তু এইটোও সঁচা যে তেওঁ ব্যায়াম নকৰিলেও সকলৰে পৰা খোজ কাঢ়ি ফুৰাৰ অভ্যাস আছিল। এই অভ্যাসে তেওঁক সুস্থ ৰাখিছিল। আচলতে তেওঁ পৰিশ্ৰমী আৰু কৰ্ম্মপটুও আছিল, নতুবা পিতৃ-সেৱা কেনেকৈ কৰিব পাৰিছিল?

বাপুজীৰ হাতৰ আখৰ ভাল নাছিল। কাৰণ সৰুতে আখৰ ভাল কৰিব লাগে বুলি ভৱাই নাছিল। পিচত ভাল কৰিবলৈ চেষ্টা কৰিলেও সিমান ভাল নহল আৰু তাৰ বাবে তেওঁ সদায় আপ্‌ছোচ কৰিছিল।

আগৰ দিনত হাইস্কুলৰ ষষ্ঠ মান শ্ৰেণীৰ পৰাই সংস্কৃত পঢ়া আৰম্ভ কৰিব লগা আছিল। পোনতে সংস্কৃত পঢ়িবলৈ ভাল নাপাইছিল। তেওঁ শুনিছিল যে তাতোকৈ ফৰাচী ভাষা শিকা সহজ। আৰু স্কুলৰ শিক্ষক জনৰ ব্যৱহাৰো বৰ ভাল আছিল। গতিকে তেওঁ এদিন গৈ ফৰাচী পঢ়া শ্ৰেণীত গৈ বহিল।

এই কথাত সংস্কৃত পঢ়োৱা পণ্ডিত মহাশয়ে বৰ বেয়া পালে। তেখেতে বাপুজীক বুজাই মিঠা মাতেৰে কলে,—"তুমি যে ডাঙৰ বংশৰ বৈষ্ণৱৰ ঘৰৰ লৰা, এই কথা পাহৰিলা নেকি? তোমাৰ শাস্ত্ৰীয় দেৱভাষা নিশিকিবানে?" তাৰ পিচত সংস্কৃত সাহিত্য আৰু দৰ্শন শাস্ত্ৰৰ অতুল ঐশ্বৰ্য্য আৰু গভীৰ তত্ব-কথা থকা কথা বুজাই দি তেওঁক সাধ্য অনুসৰি পাঠ পঢ়াত সহায় কৰিবলৈ কথা দিলে। বাপুজীয়েও সেইদিনাৰ পৰা সংস্কৃত পঢ়িবলৈ মন দিলে। পৰৱৰ্ত্তী কালত ইয়াৰে ফলত আমি মহাত্মাজীৰ গীতাভাষ্য অমূল্য গ্ৰন্থ দেখা পাওঁ।

বাপুজীৰ ককায়েকৰ এজন সহপাঠী বন্ধু আছিল। এতিয়া তেওঁ আহি বাপুজীৰ সঙ্গ লৈছিল। তেওঁৰ ওপৰত কিন্তু কাৰো ধাৰণা ভাল নাছিল। এনেকি কস্তুৰীবায়েও সন্দেহ কৰি তেওঁৰ লগত ঘুৰিফুৰিবলৈ, লগ নলবলৈ বাৰে বাৰে কৈছিল। বাপুজীয়ে নিজেও জানিছিল যে এওঁ সম্পূৰ্ণ ভাল নহয় তথাপি যেন তেওঁৰ পাল্লত পৰিল।

মাক পুতুলীবাইয়ে ৰবকৈ লৰাটিৰে লগালগি হৈ ফুৰা দেখা পাই সাবধান কৰিও দিলে। বাপুজীয়ে উত্তৰ দিলে যে লৰাটি কেনে সুস্থ আৰু সবল। তেওঁৰ লগত ফুৰিব পাৰিলে তেওঁৰ লাভহে আছে ক্ষতি নাই। বিশেষ তেওঁৰো কিছু সদ্গুণ আছে।

গান্ধী পৰিয়াল চিৰকাল বৈষ্ণব। বংশানুক্ৰমে সিবিলাক নিৰামিষাশী। মাছ-মাংস তেওঁবিলাকে কেতিয়াও নাখায় আৰু পুতুলীবাই বৰ সদাচাৰী আৰু ধৰ্ম্মপৰায়ণ আছিল। এইহেন ঘৰৰ এনে ধৰণৰ মানুহৰ পুতেক গান্ধীক পোনতে মাংস খাবলৈ উচতাবলৈ ধৰিলে।

বন্ধুজনে বাপুজীৰ মনৰ কথা জানি যুক্তি দেখুৱাবলৈ ধৰিলে যে মাংস নাখালে কোনো বলী আৰু সাহসী হব নোৱাৰে। ইংৰাজ জাতিয়ে মাংস বেছিকৈ খায় কাৰণেই সিহঁত ইমান উন্নত আৰু বল আৰু সাহসৰ গুণতে আমাক পৰাধীন কৰিব পাৰিছে। এতেকে যদি আমাৰ জাতিৰ উন্নতি হব লাগে আৰু দেশৰ উদ্ধাৰ কৰিব লাগিলে আমাৰ সকলো মানুহেই মাংস খাই বলী হব লাগিব।

বাপুজীৰ সৰু কালৰে পৰা কিন্তু এই কথাটো বৰকৈ খেলাইছিল। বিদেশী শাসক ইংৰাজক ইয়াৰ পৰা খেদাবই লাগিব। এতিয়া বন্ধুজনৰ পৰা এই কথা শুনি তেওঁ যেন এটা নতুন উপায়হে পালে। এনে পৰামৰ্শত তেওঁ আশ্বস্ত হ'ল আৰু ঠিৰাংকৈ ভাবিলে যে মাংস খালে তেওঁৰ স্বাস্থ্য ভাল হব, গাত যথেষ্ট বল আৰু সাহস হব। এতেকে মাংস খোৱাই ঠিক হ'ল।

বন্ধুজনৰ সহায়ত নৈৰ কাষত মাংস ৰন্ধা হ'ল। বন্ধুজনেই ৰান্ধিলে। দুয়ো খাবলৈ বহিল। বাপুজীৰ কিন্তু প্ৰথম দিনা খাবলৈ মুঠেই ভাল নালাগিল। মাংসবোৰ লেকেটা পালে। তেওঁৰ বমিৰ ভাব হ'ল—সৰহ খাব নোৱাৰি এৰি উঠি গ'ল।

মনত বৰ বিকছিনা ভাব লৈ মাংস খোৱাত ৰাতি বৰ বেয়া সপোন দেখিলে। তেওঁৰ দুপৰীয়া খোৱা ছাগলীৰ মঙহ যেন জীয়াই উঠি বেৰাইছে আৰু পেটৰ পৰা ওলাবলৈ বৰকৈ চেষ্টা কৰিছে। সেই

ৰাতি মুঠৰ ওপৰত তেওঁৰ শোৱাই নহল—চকু মুদ খালেই ভীষণ সপোন দেখি আকৌ চক্ খাই উঠে।

প্ৰথমতে কেদিনমানলৈ এইদৰে মনত বিক্‌ছিনা ভাব লৈ হলেও খাবলৈ ধৰিলে। কাৰণ তেওঁ বল-শক্তি আৰু সাহ আৰ্জিবই লাগিব দেশৰ উদ্ধাৰৰ কাৰণে। খাওঁতে ক্ৰমে তেওঁৰ অভ্যাস হৈ আহিল যদিও এটা ডাঙৰ বাধাই দেখা দিলে। দিনত মাংস খাই পেট ভৰি আহিলে ৰাতি আগৰ সমানে আহাৰ খাব নোৱাৰা হ'ল। মাকে "কিয়নো খাব নোৱাৰা হৈছে সুধিলে মিছা কথা কোৱাৰ বাহিৰে আন উপায় নাছিল। প্ৰায়েই মাকৰ প্ৰশ্নৰ উত্তৰত কব লগাত পৰে "জানো মা কিয় কব নোৱাৰো মোৰ ভোক কমি গৈছে--কিবা পেটৰ অসুখ হৈছে হবলা।"

বাপুজীয়ে ইয়াৰ আগতে মাকক কেতিয়াও এনে মিছা কথা কোৱা নাই, এতিয়া বাধ্য হৈ এনে মিছা কথা কব লগাত পৰা বাবে মনে মনে বৰ অশান্তি বোধ কৰিবলৈ ধৰিলে। তেওঁ ভাবিলে মাক লুকাই মাংস খোৱাত যিমান পাপ হৈছে তাতোকৈ তেখেতৰ আগত মিছা কথা কব লগা হোৱাত বেছি পাপ হৈছে। অৱশেষত এনে অসত্যৰ পৰা ৰক্ষা পাবৰ কাৰণে তেওঁ মাংস খাবলৈ এৰি দিলে।

বাপুজীয়ে আত্মজীৱনীত নিজৰ ভিতৰুৱা দোষবোৰ প্ৰকাশ কৰিছিল। এইদৰে নিজৰ দোষ প্ৰকাশ কৰিবলৈ বাৰু কম নৈতিক সাহস লাগেনে? সেই সৎসাহস তেখেতৰ সৰু কালৰে পৰা যথেষ্ট আছিল। তেওঁ আন এসময়ত আন এজন বেয়া ল'ৰাৰ সঙ্গত পৰি চিগাৰেট খাবলৈ শিকিছিল। ঘৰতো তেওঁৰ খুৰাককে "চেলেক্ত"

খাইছিল। তেখেতে খাই পেলাই দিয়া চেলেউৰ টুকুৰা বিলাক খুটলি দুয়ো বন্ধুয়ে মনে মনে হুপিছিল। সদায় এইদৰে পেলোৱা টুকুৰা পোৱাত টান আৰু ক্ৰমে যেতিয়া অভ্যাস পুৰঠ হ'ল সি হেপাহো নপলায়। গতিকে আন উপায় নেদেখি চিগাৰেট কিনিবলৈ পইচা চুৰ কৰিবলৈ ধৰিলে। চাকৰৰ জেপৰ পইচা চুৰ কৰাৰ বাহিৰে আন ঠাইত পাবলৈকো নাছিল। সিহঁতৰ জেপতো সদায় পইচা নাথাকে। গতিকে বৰ অসুবিধাত পৰিল।

বাপুজীয়ে এতিয়া ভাবিলে যে তেওঁ একেবাৰেই স্বাধীন নহয়। গোটাদিয়েক পইচাৰ কাৰণে কিমান বেয়া কাম কৰিব লগাত পৰিছে. তাকো বেয়া কাম কৰিও পইচা পাবলৈ নাই। এই কথাত মনত বৰ অশান্তি লাগিল আৰু বেজাৰ কৰিবলৈ ধৰিলে। লগৰীয়া জনৰে সৈতে পৰামৰ্শ কৰি স্থিৰ কৰিলে যে এনেকুৱা জীৱন ধাৰণ কৰা মিছা আৰু কোনো সাৰ্থকতাও নাই। এতেকে দুয়ো আত্মহত্যা কৰাটো স্থিৰ কৰিলে।

তেওঁলোকে শুনিছিল যে ধুতুৰাৰ গুটি এবিধ বিহ। সেই বিহ খালে মানুহ মৰে। তেওঁবিলাকেও ধুতুৰাৰ গুটি জোগাৰ কৰিলে আৰু এদিন সন্ধ্যা আপোনঘাতী হবলৈ ওচৰৰে কেদাৰজী মন্দিৰত সোমালগৈ।

মন্দিৰত সোমাই ঘিঁউ চাকিটো ভালকৈ জ্বলাই তাৰ পোহৰত ধুতুৰাৰ গুটি বোৰ উলিয়ালে। কিন্তু খাবলৈ ধৰোঁতেই ভয়ত বুকুখন কঁপিবলৈ ধৰিলে। তাতেই আপোনঘাতী হোৱাৰ ভাব কৰবাৰ্লৈ উৰি গ'ল। তেতিয়া ভাবিলে আপোনঘাতী হম বুলি ভবা যিমান সহজ তাক কামত কৰা সিমান সহজ নহয়। তেওঁবিলাকে মনৰ

দুৰ্ব্বলতা আৰু সাহৰ অভাৱৰ কথা এতিয়া বুজি পালে আৰু হতাশ-ভাবে তাৰ পৰা লাহে লাহে ওলাই আহিল।

ওচৰতে আন এটি মন্দিৰ আছিল। নিজে শান্ত আৰু প্ৰকৃতিস্থ হবৰ মনেৰে দুয়ো সেই ৰামজীৰ মন্দিৰত সোমাল। বাপুজীয়ে নিজৰ এনে দুৰ্ব্বলতাৰ কাৰণে দেৱতাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু তেতিয়াৰ পৰাই চিগাৰেট নাখাবলৈ প্ৰতিজ্ঞা কৰিলে।

আন এটা দুৰ্ব্বলতাৰ কথা বাপুজীয়ে আত্মজীৱনীত প্ৰকাশ কৰিছে। এজন মানুহৰ ওচৰত বাপুজীৰ টকা পঁচিশটা ধাৰ লাগে। বহুত চেষ্টা কৰিও তেওঁ সেই ধাৰ মাৰিব পৰা নাছিল। তাতেই তেওঁৰ মনত বৰ অশান্তি হৈছিল। অৱশেষত উপায় নাপাই তেওঁৰ ককায়েকৰ সোণৰ তাবিজৰ পৰা মনে মনে এদিন এটুকুৰা সোণ কাটি ললে। সেই সোণ বেচি তেও সেই মানুহ জনৰ ধাৰ শোধ কৰিলে।

ধাৰ মাৰিলে যদিও তেও এনে বেয়া কাম কৰিব লগা হোৱাত মনত বৰ অশান্তি বোধ হবলৈ ধৰিলে। ক্ৰমে তেওঁৰ আগতে কৰি অহা বেয়া কামবোৰলৈ মনত পৰিল,—মাংস খোৱা, চিগাৰেট খোৱা, চুৰ কৰা, তাৰ বাবে মিছা কথা কোৱা আৰু এই মিছা কথা কোৱা বাবেই যেন তেওঁৰ মন অনুশোচনাৰে ভৰি উঠিল। কেনেকৈ এনে পাপৰ পৰা উদ্ধাৰ পাব দিনে-ৰাতিয়ে সেয়ে চিন্তা হৈ মনটো ভেই-পুৰি যোৱা যেন অনুভৱ কৰিবলৈ ধৰিলে। এতিয়া শান্তি কেনেকৈ পাব? বহুত ভাবি চিন্তি নিজেই স্থিৰ কৰিলে যে নিজৰ সকলো দোষবোৰৰ কথা লিখি পিতাকক জনাব আৰু তাৰবাবে ক্ষমা প্ৰাৰ্থনা কৰিব।

সেইমতে এখন দীঘলীয়া চিঠিত সকলো কথা লিখি পিতাকক

দিলে। বেমাৰত শোৱা-পাটীত পৰি থকা অৱস্থাতে চিঠিখন হাতে হাতে দি বাপুজী ওচৰত থিয় হৈ থাকিল। তেওঁ ভাবিছিল পিতাৰকে চিঠিখন পাই কিমান খং কৰিব, গালি পাৰিব, হয়তো বা মাৰিবও পাৰে কিম্বা নিজৰ মূৰকে নিজে খুন্দিয়াই অপৰাধী পুতেকৰ দোষ নিজে গাত পাতি লব।

কিন্তু বাপুজীয়ে আচৰিত হৈ দেখিলে পিতাৰকে চিঠিখন পঢ়ি যাওঁতে যাওঁতে অবিৰল ধাৰে তেওঁৰ চকুৰ পানীহে বৈ যাবলৈ ধৰিলে। হাতৰ চিঠিখন সেই চকুৰ পানীৰে তিতি গ'ল আৰু তেনেদৰে তিতা চিঠিখন টুকুৰা টুকুৰকৈ ছিঙি ভাঙ্গি মাটিত পেলাই দিলে। তাৰ অকণমান চিনো নাৰাখিলে। পিতাৰকৰ লগতে তেৰো কান্দিবলৈ ধৰিলে।

পিতাৰকৰ এই নীৰৱ বেদনাত বাপুজীৰ হৃদয় যেন খণ্ড খণ্ড হৈ ভাগি ছিগি যাবলৈ ধৰিলে। প্ৰতিজ্ঞা কৰিলে জীৱনত আৰু কেতিয়াও পাপ-পথত ভৰি নিদিয়ে। ইতিহাসে কব তেওঁৰ এই প্ৰতিজ্ঞা জীৱনৰ শেষ দিনলৈকে পালন কৰা বাবে তেওঁ আজি লোক-সমাজত "মহাত্মা" উপাধি পাইছে। মানুহে দুৰ্ব্বলতাবশতঃ দোষ কৰে কিন্তু জানি তাৰ পৰা সততে আঁতৰ হৈ থাকিব পৰাই মনুষ্যত্ব। দ্বিতীয়তে পিতাৰকৰ এই আচৰণে বাপুজীৰ মনত গভীৰ ভাবে ৰেখা-পাত কৰিলে। দেখা গ'ল, পাপীক পাপৰ বাবে শাস্তি দিবৰ এয়ে উপযুক্ত উপায়। শাস্তি দিয়া বা প্ৰতিশোধ লোৱাতকৈ ক্ষমাহে পাপীৰ ডাঙৰ শাস্তি। ইয়াৰ পৰাই তেখেতে "অহিংসা"ৰ শক্তি তেতিয়াই নিজে অনুভৱ কৰিলে। পাপ কাম কৰা বা পাপ কামৰ চিন্তা কৰা দুয়োটা সমান দোষৰ। আত্মশুদ্ধি নহলে মানুহ 'অহিংস' হব

নোৱাৰে আৰু এই অহিংস বলেই মানুহক সকলো দীনতা আৰু হীনতাৰ পৰা ৰক্ষা কৰে।

এই এটি ঘটনাৰ পৰা বাপুজীয়ে জীৱনত যি শিক্ষা পালে সি কিমান মহৎ। তেওঁ নিজৰ দুৰ্ব্বলতা এতিয়াৰ পৰাই পৰিহাৰ কৰিবলৈ প্ৰতিজ্ঞা কৰিলে। ফলতঃ আমি দেখা পালো ৰাতি অকলে বাহিৰলৈ ওলাবলৈ ভয় কৰা, সভাত থিয় দি এষাৰ কথা কব নোৱাৰা লাজকুৰীয়া বাপুজী শেষত পৃথিবীৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ-শক্তি-সম্পন্ন ইংৰাজ জাতিৰ বিৰুদ্ধে প্ৰত্যক্ষ সংগ্ৰাম কৰি স্বাধীনতা লাভ কৰিবলৈ সক্ষম হ'ল—উপায় আত্মবল প্ৰয়োগ। এয়ে হ'ল আত্মশুদ্ধিৰ ফলত পোৱা অহিংস অসহযোগ আন্দোলন।

চাৰি

ধৰ্ম্মভাবৰ সূচনা—পিতৃ-বিয়োগ

আজি-কালি আমাৰ দেশত যেনেকুৱা শিক্ষা-প্ৰণালী চলি আছে সেইটো ইংৰাজ ৰাজত্বৰ দিনৰে পৰা চলি অহা। এইমতে স্কুল-কলেজত ধৰ্ম্মভাবৰ শিক্ষা দিয়া নহয়। অথচ এইটো সকলোৰে জনা কথা যে ধৰ্ম্মভাব নহলে মানুহৰ নৈতিক বল হোৱা টান। এই নৈতিক বল নহলে কামে-কাজে মানুহ বোলাব পাৰিব কেনেকৈ?

বাপুজীয়ে সৰুকালতে তেওঁৰ পিতৃ-মাতৃৰ পৰাই যথেষ্টৰূপে ধৰ্ম্মভাব লাভ কৰিছিল। মাক পুতুলীবাই আছিল ধৰ্ম্মকৰ্ম্মত বৰ

নিষ্ঠাৱতী। গতিকে মাকৰ পৰাই ধৰ্ম্মানুষ্ঠানবোৰৰ শিক্ষা পাইছিল। মাকৰ লগত প্ৰায়েই নিতে ওচৰৰ মন্দিৰলৈ গৈছিল। পিতাৱক কাবা গান্ধীও বৰ তেজস্বী পুৰুষ আছিল আৰু বুদ্ধিও আছিল বৰ চোকা। সেইবাবে সকলো ধৰ্ম্মৰে মানুহ তেখেতৰ ওচৰত নানা বিষয়ত পৰামৰ্শ বিচাৰি আহিছিল। জৈন, মুছলমান, পাৰ্চী, হিন্দু সকলোৱেই সমানে তেওঁৰ পৰা আদৰ-যত্ন পাইছিল আৰু বহুত সময়ত ধৰ্ম্মৰ কথাও আলচ কৰিছিল। পিতৃভক্ত বাপুজীৰ সেই আলোচনা কৰা কথাবোৰ শুনিবৰ সৌভাগ্য হৈছিল। সেইবোৰ কথা শুনি তেতিয়াৰ পৰাই তেওঁ ধৰ্ম্মভাবাপন্ন হৈ উঠিছিল। সুবিধা পালে বেলেগ বেলেগ ধৰ্ম্মৰ কিতাপ আদিও পঢ়িছিল। তেতিয়াই বাপুজীয়ে বুজি পাইছিল যে সকলো ধৰ্ম্মৰে শিক্ষা আৰু উপদেশৰ সাৰ কথা একে, নামতহে ভেদ মাথোন।

পবিত্ৰ ৰামনামৰ প্ৰতি বাপুজীৰ কেনে শ্ৰদ্ধা-ভক্তি আছিল সেইটো সকলোৱেই জানে। এই দুটি আখৰে বাপুজীক শক্তি আৰু সাহস দুয়োটা জোগাইছিল। সৰুতে শিক্ষা পালে ধাই-মাক ৰম্ভাৰ পৰা। ভূত-পিশাচলৈ বাপুজীৰ ভয় আছিল। ৰম্ভাই শিক্ষা দিলে ৰাম নাম ললে ভূত-পিশাচ থাকিব নোৱাৰে, পলাব। কোনো দুঃখ-কষ্টত পৰি ৰাম নাম ললে তাৰ পৰা উদ্ধাৰ পাব পাৰি। সেই শিক্ষা অনুসৰি বাপুজী সৰুৰে পৰা ৰামনামৰ ভক্ত হ'ল।

তাতে আকৌ সুবিধা হ'ল—বাপুজীয়ে তুলসীদাসৰ ৰামায়ণ পঢ়াত ধৰিলে। তেওঁৰ মতে এই ৰামায়ণ ভক্তি পন্থৰ এখন বহু-মূলীয়া আৰু উৎকৃষ্ট গ্ৰন্থ। পোৰবন্দৰত পিতাৱকৰ লগত থকা দিনত তেওঁ সদায় পিতাৱকৰ লগত 'ৰাম মন্দিৰ'ত সন্ধিয়া ৰামায়ণ

শুনিবলৈ যায়। ৰামায়ণৰ কথাবোৰেই কেনে যেন অমৃত, তাৰ ওপৰত পাঠকজনৰো মাতটি আছিল মিঠা। ছুয়োটা লগলাগি শুনোতা জনৰ মন মুহি পেলাইছিল। শেষৰ জীৱনত এই 'ৰামধুন' নামকে গাবলৈ গোটেই জাতিক তেখেতে শিক্ষা দি গল আৰু প্ৰাৰ্থনা সভাত গুলি খায়ো ' হা ৰাম" বুলিয়েই প্ৰাণত্যাগ কৰিলে।

বাপুজীয়ে লক্ষ্য কৰিলে যে পাদুৰী চাহাব সকলে স্কুলত মাজে মাজে ধৰ্ম্ম সম্বন্ধে বক্তৃতা দিবলৈ আহি হিন্দু ধৰ্ম্ম আৰু দেব-দেবী পূজাৰ কথা লৈ বৰ বেয়াকৈ কুৎসা ৰটে। শ্ৰীকৃষ্ণক লম্পট আৰু চোৰ বুলি গালি পাৰে। তেনে বক্তৃতা এদিন মাথোন শুনিয়েই তেওঁ বৰ বিৰক্ত হ'ল। তেওঁ ভাবিলে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আহি আন ধৰ্ম্মৰ কুৎসা ৰটিলে বৰ বেয়া শুনায় আৰু নিজ ধৰ্ম্মকে বেয়া কৰে। সজলোকে আনৰ সজগুণহে দেখে। সেই কাৰণে তেনে ঠাইৰ পৰা বাপুজী ততালিকে গুছি গ'ল আৰু তেনে বক্তৃতা শুনিবলৈ তেওঁ কেতিয়াও সেই ঠাইলৈ অহা নাছিল।

কিন্তু এই বাপুজীক শেষ জীৱনত বহুতো ধৰ্ম্মপ্ৰাণ খৃষ্টানে যীশু খৃষ্ট বুলিয়েই অভিহিত কৰিছিল। তেওঁক খ্ৰীষ্টধৰ্ম্মৰ আচাৰ্য্য সকলে প্ৰকাশ্যে খৃষ্টধৰ্ম্ম লবলৈ উপদেশ দিছিল। কাৰণ ঈশাৰ যিবোৰ গুণ, যেনে—ক্ষমা, প্ৰেম আৰু সত্যনিষ্ঠা আৰু পৰদুঃখ-কাতৰতা—এই সকলোবোৰ বাপুজীত দেখা গৈছিল। অহিংস শিক্ষাই আছিল খৃষ্টৰ মাই কথা আৰু বাপুজীৰো জীৱনৰ মূলমন্ত্ৰ হ'ল সত্য আৰু অহিংসা।

বাপুজীৰ বয়স তেতিয়া ষোল বছৰ। সেই সময়ত পিতাৰক কাবা গান্ধীৰ ৰোগ হঠাতে বেছি হ'ল। ডাক্তৰে অস্ত্ৰৰে সেই ৰোগ কাটিব লাগিব বুলি উপদেশ দিলে। কাবা গান্ধীয়ে সেই কথাত মত

নিদিলে। এতিয়া ৰোগ ক্ৰমে বেছি হ'ল আৰু বাপুজীয়ে এতিয়া তেওঁক দিনে-ৰাতিয়ে শুশ্ৰূষা কৰিবলৈ ধৰিলে। ৰোগী-শুশ্ৰূষা কৰাত বাপুজীৰ অলপো এলাহ নাছিল। ঘা ডোখৰ ধুই দিয়া, মলম লগোৱা, বেণ্ডেজ বন্ধা, ঔষধ খুউৱা, পথ্য দিয়া, সময়ত বিচনিৰে বিচি দিয়া প্ৰভৃতি সকলো প্ৰকাৰৰ কাম অতি নিষ্ঠাৰে কৰি যাবলৈ ধৰিলে। এইদৰে অৱসৰ নোহোৱাকৈ দিনে-ৰাতিয়ে সেৱা কাৰ্য্যত লগাত বাপুজীৰ স্বাস্থ্যও যেন অলপ বেয়া হ'ল। তথাপি পিতৃ সেৱাত তেওঁৰ অলপো বিৰক্তি নাই বৰং তেওঁ সেৱাৰ সুযোগ পাই যেন নিজকে ভাগ্যবান বুলিয়েই ভাবিছিল।

যিহওক, নবীয়া টান হোৱাৰ খবৰ পাই এদিন বাপুজীৰ এজন খুৰাৰক আহিল। তেওঁ বহুত সময় কাবা গান্ধীৰ লগত কথা-বাৰ্ত্তা পাতিলে। তেওঁ দেখা পালে যে বাপুজীয়ে সততে পিতৃক সেৱা কৰি ক্লান্ত হৈ পৰিছে। সেইদেখি খুৰাৰকে কলে, "মই ইয়াত বহিয়েই আছোঁ। বাপু, যোৱা তুমি অলপ বিশ্ৰাম কৰাগৈ।"

তেখেতৰ কথামতে বাপুজী ভিতৰত শুলেগৈ। কিন্তু টোপনি ধৰোঁ নধৰোঁ হওঁতেই বাহিৰৰ পৰা চাকৰৰ মাত শুনি উঠি আহিল। লৰ মাৰি পিতাৰকৰ বিছনাৰ ওচৰ পাই দেখে সকলো শেষ—পিতাৰক আৰু ইহ জগতত জীৱিত নাই!

পিতাৰকৰ বুকুত মুৰ সুমুৱাই তেওঁ চিঞৰি কান্দিবলৈ ধৰিলে। নিজৰ আৰামৰ কাৰণে শেষ মুহূৰ্ত্তত পিতাৰকক সেৱা কৰিবলৈ নাপাই মনৰ যি দুঃখ সেই শোক আৰু তাপ বাপুজীয়ে গোটেই জীৱনত অনুভৱ কৰিছিল। ইয়াক অপৰাধ বুলি মানি লৈছিল আৰু নিজকে কেতিয়াও তাৰ বাবে ক্ষমা কৰিব পৰা নাছিল।

পাঁচ

কলেজত

কাবা গান্ধীৰ মৃত্যুৰ পিচতো গান্ধী পৰিবাৰ আগৰ দৰেই চলিবলৈ ধৰিলে। মাক পুতুলীবাই আৰু ডাঙৰ ককায়েকে ভাল দৰেই ঘৰ ধৰি চলালে। গতিকে বাপুজীৰ পঢ়াত অলপো ব্যাঘাত নহল। তেওঁ এতিয়া আগতকৈও পঢ়া-শুনাত বেছি মন দিলে আৰু ১৮৮৭ চনত ৰাজকোট বিদ্যালয়ৰ পৰা বাপুজীয়ে প্ৰবেশিকা পৰীক্ষা পাছ কৰিলে। তেতিয়া বাপুজীৰ বয়স ১৭ বছৰ। এই পৰীক্ষা দিবলৈ তেওঁ যাব লগা হৈছিল আহমেদাবাদলৈ আৰু তাকো অকলশৰে। জীৱনত এই প্ৰথম অকলশৰে ঘৰ এৰি বাপুজী বাহিৰলৈ গৈছিল বাধ্য হৈ। তেওঁৰ অনাহক আৰু মিছা ভয় ভাগক, এই ভাবৰ পৰাই মাক পুতুলীবায়ে অকলে যোৱা সমৰ্থন কৰিলে। কস্তুৰীবায়ে কিন্তু পেটে পেটে এই কথাত আমোদ অনুভৱ কৰিছিল। ক্ৰমে এনেকৈ সাহ নাবাঢ়িলে আগলৈ হব কেনেকৈ ?

পৰীক্ষা পাছৰ পিছত কলেজত পঢ়াৰ বিষয়ে আলোচনা হ'ল। কম খৰচত যাতে কলেজত পঢ়া হয় এই কাৰণে ওচৰৰে ভাও-নগৰৰ শ্যামলদাস কলেজত বাপুজী ভৰ্ত্তি হ'ল। নিজেই সেই সময়ৰ কথা প্ৰসঙ্গত লিখিছে যে "শ্ৰেণীত অধ্যাপকে পঢ়াই যোৱা পাঠ তেওঁ ভালদৰে বোধগম্য কৰিব নোৱাৰে। ইয়াৰ বাবে তেওঁ বৰ অসুবিধা বোধ কৰিছিল। তথাপি হতাশ নহৈ পঢ়াত অধিকতৰ মন দি বুজিবলৈ চেষ্টা কৰিছিল।"

কেমাহ মানৰ পিচত কলেজ বন্ধ হ'ল। বাপুজী ঘৰলৈ আহিল। মাকৰ ওচৰত থাকি সময়ত কোনো কামত সহায়তা কৰি বাপুজীৰ দিনবোৰ আনন্দত পাৰ হবলৈ ধৰিলে।

এই সময়তে স্বৰ্গীয় পিতাৰকৰ এজন ব্ৰাহ্মণ বন্ধুৰ লগত বাপুজীৰ দেখা হ'ল। কাবা গান্ধীৰ বন্ধু জনে এদিন গান্ধী পৰিয়ালৰ সকলোকে বহুৱাই লৈ বুজাই কলে যে মোহনদাসে এইদৰে কলেজত পঢ়ি সংসাৰত বিশেষ একো উন্নতি কৰিব নোৱাৰিব। পিতাৰক কাবা গান্ধীৰ দৰে যদি কোনো সম্মানজনক পদ তেওঁ লাভ কৰিবলগীয়া হয় তেন্তে আজিকালিৰ দিনত বিলাতলৈ গৈ বাৰিষ্টাৰ হৈ আহিব লাগে। তেতিয়া হলে সমাজতো সম্মান পাব আৰু টকা-পইচা ঘটিবৰো যথেষ্ট সুযোগ পাব। এতেকে এওঁক বাৰিষ্টাৰী পঢ়াই অনাই ভাল হব। এইদৰে কৈ ঘৰৰ সকলোকে এই কথা ভাল দৰে ভাবি চাবলৈ উদগণি দিলে।

এই কথাটো বাপুজীৰ মনত ভাল লাগিল আৰু সেয়ে কৰ্ত্তব্য বুলি পেটে পেটে ঠিবাং কৰিলে।

এই হিতাকাঙ্ক্ষী বন্ধুজনৰ কথা ঘৰৰ সকলোৱে মন দি শুনিলে। কিন্তু এনে বৈষ্ণৱৰ ঘৰৰ ল'ৰা হৈ সাগৰ পাৰ হৈ বিলাতত পঢ়িবলৈ যাব—পোনতে এইটো এজনেও ভাবিবই নোৱাৰিলে। এফালে সংস্কাৰ, আনফালে টকাৰ অভাৱ—এই দুটা কাৰণত প্ৰস্তাৱটো কোনেও মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰিলে।

ককায়েকে কিন্তু বাপুজীক বৰ মৰম কৰিছিল। তেওঁ বাপুজীৰ মনৰ কথা জানি পোনতে অলপ চিন্তিত হ'ল। এফালে সমাজৰ বান্ধোনৰ কথাও মনত পৰিল। ইফালে ভায়েকৰ ভৱিষ্যৎ উজ্জ্বল

অৱস্থাৰ কথাও ভাবি চালে। শেষত ভায়েকক ধাৰে-ঋণে হলেও টকাৰ সহায় কৰিবলৈ পেটে পেটে স্থিৰ কৰিলে। বাপুজীয়ে নিজেও কেইবা ঠাইতো টকাৰ কাৰণে চেষ্টা কৰিলে। কিন্তু কতো টকাৰ দিহা কৰিব নোৱাৰি হতাশ হব লগাত পৰিলেও তেওঁ মনৰ আশা এৰা নাছিল। অৱশেষত দুয়োৰে চেষ্টাত টকাৰ যোগাৰ হ'ল। কিন্তু মাকৰ বিনা অনুমতিয়ে বাপুজী বিলাতলৈ যায় কেনেকৈ ?

মাকৰ অনুমতি লাভ কৰাই টান হৈ পৰিল। বিলাতৰ আচাৰ-ব্যৱহাৰৰ কথা মাক পুতুলীবাইয়ে বেয়া ৰকমে শুনা আছে। তালৈ গলে মানুহৰ চৰিত্ৰ ভালে ৰখা টান, মানুহ ভাল নহৈ সৰহভাগেই দুৰ্নীতি-পৰায়ণহে হয়—এনেবোৰ কথা শুনি থাকি এতিয়া তেওঁ চেনেহৰ মোহনদাসক তেনেদৰে বেয়া সঙ্গত পৰি বেয়া হবলৈ এৰি দিয়ে কেনেকৈ ? বাপুজীয়ে মাকক নানা কথাৰে বুজাই, নিজৰ জাত আৰু ধৰ্ম্ম ৰক্ষা কৰি চলিম বুলি প্ৰতিশ্ৰুতি দিলে। ল'ৰাৰ সত্য-নিষ্ঠাৰ ওপৰত মাকৰ বিশ্বাস থাকিলেও সহজে অন্তৰৰে সৈতে অনুমতি দিব নোৱাৰিলে।

আগতে উল্লেখ কৰা আছে যে গান্ধী পৰিবাৰৰ এজন জৈন বন্ধু আছিল। তেখেতৰ নাম বেচাৰজী জৈন। বাপুজীৰ নিতান্ত আগ্ৰহৰ কথা জানি এদিন পুতুলীবাইয়ে তেখেতক মতাই আনি অকলে পৰামৰ্শ কৰিলে। তেখেতে সকলো কথা শুনিলে আৰু মোহনদাসৰ সত্যৰ প্ৰতি নিষ্ঠাৰ কথা তেখেতৰ জনা থকাত মাকক উপদেশ দি কলে –"আপুনি ভয় কৰিছে যে আপোনাৰ ল'ৰা বিলাতলৈ গলে তাৰ কিজানি ধৰ্ম্মভ্ৰষ্ট হয় আৰু তেওঁৰ চৰিত্ৰত দোষ ঘটে। মোৰ কথা শুনে যদি তিনিটা কথাত তেওঁক শপত খুৱাই বিলাতলৈ যাবলৈ দিলে মোৰ

বিশ্বাস সেই প্ৰতিজ্ঞা বাপুজীয়ে কেতিয়াও ভঙ্গ নকৰে আৰু যদি পঢ়ি-শুনি বাৰিষ্টাৰ হৈ আহিব পাৰে তেন্তে গোটেই পৰিয়ালৰে পক্ষে ভাল কথা হব। সেই তিনিটা কথা হ'লঃ (১) পৰস্ত্রীক স্পর্শ নকৰোঁ (২) মদ নাখাওঁ (৩) মাংস কেতিয়াও নাখাওঁ। এইদৰে প্ৰতিজ্ঞা কৰাই আপুনি মোহনদাসক বিলাতলৈ যাবলৈ অনুমতি দিয়ক।"

মাকে এই কথাত এটা যেন উপায় দেখা পালে। পুতেকৰ পৰা এই তিনিটা কথাত শপত খুৱাই বিলাতলৈ যাবলৈ অনুমতি দিলে। বাপুজীয়ে মাকৰ ভৰি চুই শপত খাই বৰং খুব ভালহে পালে, কাৰণ এই প্ৰতিজ্ঞাই তেওঁৰ পক্ষে ৰক্ষা-কবচৰ দৰে কাম কৰিব। যিহওক, বাপুজীয়ে ককায়েক, মাক আৰু তেওঁৰ পৰিবাৰ কস্তুৰবাৰ কোলাত এমহীয়া ল'ৰা এটি এৰি ভাল দিন-বাৰ চাই বিলাতলৈ যাবৰ কাৰণে বোম্বাইলৈ ৰাওনা হ'ল। লগত ককায়েক আহিল আগবঢ়াই জাহাজত তুলি দিবলৈ।

আত্মীয় কুটুম্ব সকলোৱেই মুক্তকণ্ঠে বাপুজীৰ বিলাত যাত্রা সমর্থন কৰা নাছিল। তথাপি বাপুজীয়ে নিজৰ ঘৰৰ সকলোৰে আৰু বিশেষতঃ মাকৰ অনুমতি আৰু আশীর্ব্বাদ লাভ কৰি হৃষ্টমনেই বোম্বাই পালেহি। কিন্তু ইয়াতো এটা বাধাই দেখা দিলে।

এইবাৰৰ বাধা সমাজৰ বাধা। বোম্বাই চহৰত প্ৰচাৰ হৈ গ'ল যে এজন বেনিয়া বিলাতলৈ যাবলৈ আহিছে। এই কথাত গোটেই বেনিয়া সমাজ জকি উঠিল, ইতিপূর্ব্বে আমাৰ সমাজৰ কোনেও এনে কাম কৰা নাই—এওঁ কিয় কৰিব? 'সমুদ্ৰ' যাত্ৰা, তাৰ ওপৰত বিলাতলৈ গলে জাত-কুল থাকিবনে? এনে ধৰ্ম্মদ্ৰোহী কাম সহজে কৰিবলৈ এৰি দিব নোৱাৰি। এইদৰে সমাজত এটা

আন্দোলনৰ সৃষ্টি হ'ল আৰু সমাজপতি সকলে এখন সভা পাতিলে আৰু সেই সভাত হাজিৰ হবলৈ মোহনদাসক হুকুম দিলে।

সমাজ বহিল। সমাজে পোনতে কোনো দিনে নকৰা, নোহোৱা-নোপজা কাম কৰিবলৈ বাধা, ধৰ্ম্মৰ দোহাই, স্নেহৰ দাবী, শেহত কটু-কাটব্য কৰি বাপুজীক টলাবলৈ চেষ্টা কৰিলে। কিন্তু সকলো নিষ্ফল। তেওঁ ডাঠ দি কলে "সমুদ্ৰ যাত্ৰা ধৰ্ম্ম-বিৰুদ্ধ কাম নহয়। আৰু মই মাতৃৰ পদ চুই শপত খাই আহিছোঁ— কেতিয়াও ধৰ্ম্ম-বিৰুদ্ধ কাম নকৰো। তদুপৰি মই মাতৃ-আজ্ঞা পাইছোঁ। একেটা নিয়মতে ধৰি থকাটো সমাজৰ জড়তাহে বুজায়।"

এনে যুক্তিসঙ্গত কথাতো সমাজ জিকাৰ খাই উঠিল আৰু তেওঁক সমাজচ্যুত বুলি ৰায় দিলে। বিশেষ যদি সমাজৰ কোনোৱে তেওঁক সহায় কৰে তেওঁবিলাকো দণ্ডনীয় হব আৰু সমাজ-ভুক্তিৰ বাবে পাঁচ সিকি জৰিমনা দিব লাগিব।

গান্ধীজী ইয়াত বিচলিত নহল,—তেও যাবলৈ মন বান্ধিলে আৰু জুনাগড়ৰ ত্ৰ্যম্বক ৰায় নামে উকীল এজনৰ লগত জাহাজৰ একে কেবিনতে উঠি বিলাতলৈ যাত্ৰা কৰিলে। সেইটো ১৮৮৮ খৃষ্টাব্দৰ ৪ঠা চেপ্তেম্বৰ।

মুঠতে বাপুজীয়ে কেমাহমান মাথোন শ্যামলদাস কলেজত পঢ়িবলৈ পাইছিল। অৰ্থাৎ কলেজত প্ৰায় নামটো মাথোন হৈছিল।

... ৰবীন ... যুৱদলৈ ভৱন আৰু পাঠাগাৰ
ক্ৰমাংক ....
তাৰিখ ....
স্থা-ত :-১-৯০

ছয়

বিলাতত

বাপুজীইঁতৰ জাহাজ ক্ৰমে আগবাঢ়িবলৈ ধৰিলে। নিজৰ কোঠাত বহি বহি বাপুজীয়ে দেখিলে ক্ৰমে ভাৰতৰ উপকূল এৰাই জাহাজ মাজ সাগৰত পৰিল। উদাস ভাবে বাপুজীয়ে নিজ দেশৰ ফালে চায়ে থাকিল। মনত পৰিল মাক-ককায়েকৰ কথা—যাৰ কাৰণে এই যাত্ৰা সম্ভৱ হ'ল। আকৌ মনত পৰিল কোলাত কেচুৱাটিৰে নিজ পৰিবাৰৰ মৰা মুখখনি। মনটো গহীন হৈ উঠিল অলপ যেন বিষাদত।

জাহাজত মানুহ বহুত কিন্তু দেশীয় মানুহৰ ভিতৰত মাথোন তেওঁবিলাক দুজনেই। একেই বাপুজী লাজুক তাতে সদায় কম কথা কোৱা স্বভাবেই। এতিয়া বিদেশী মানুহৰ মাজত পৰি কথা-বাৰ্ত্তা প্ৰায় বন্ধই হ'ল।

খাওঁতেও বাপুজীৰ আন এটা অসুবিধা হ'ল। জাহাজত তেওঁক যিবোৰ বস্তু খাবলৈ দিয়ে তাৰ ভিতৰত কোনটো নিৰামিষ? সামিষ নাখাবলৈ তেওঁ কথা দি আহিছে গতিকে নিজৰ কেবিনৰ ভিতৰতে তেওঁ খাবলৈ ললে আৰু যিটো বস্তুত সন্দেহ নহয় তাকেহে খাবলৈ ধৰিলে। অৱশ্যে আহোঁতে লগত বহুতো খোৱা বস্তু অনা বাবে জাহাজত বিশেষ অসুবিধা নহল। প্ৰয়োজন হলেই তাৰ পৰাই খাইছিল।

জাহাজৰ ডেকত যাত্ৰীসকলে নানা ধৰণৰ খেল-ধেমালি, ৰং-তামাচা কৰিবৰ সুবিধা আছিল আৰু সেইমতেই সকলোৱেই নিজ ইচ্ছামতে সদায় ব্যস্ত আছিল। বাপুজীয়ে এই বিলাকত অলপো যোগ নিদিলে। দিলেও ইংৰাজীৰে কথা কব লাগে—জানোচা ইংৰাজী কোৱা ভুলেই হয় বুলি এটা সঙ্কোচো আছিল। গতিকে তেওঁ সততে নিজৰ কেবিনতে আবদ্ধ আছিল—অৱশ্যে নিৰৱতা ভঙ্গ কৰিবলৈ মাথোন আছিল একেজন লগৰীয়া—ত্ৰ্যম্বক ৰায়।

জাহাজ চেপ্তেম্বৰ মাহৰ শেষত গৈ চাউদাম্প্‌টন্ বন্দৰ পালেগৈ। সকলোৱেই নামি যাবলৈ ধৰিলে। বাপুজীয়েও নামি পোনতে ভিক্টোৰীয়া হোটেলত ঠাই ললে। উকীল ৰায় তেতিয়ালৈকে লগত আছিল।

বিলাতলৈ অহাৰ আগতে বাপুজীয়ে ৩।৪ খন পৰিচয়পত্ৰ আনিছিল। তাৰ ভিতৰত ডাঃ প্ৰাণজীৱন মেহতাৰ খনেই বিশেষ উল্লেখযোগ্য। বাপুজী বিলাতলৈ অহা খবৰ তেখেতে আগেয়ে পাইছিল। তেখেতে সেইমতে আহি বাপুজীৰ লগত হোটেলত দেখা কৰিলে।

বাপুজীয়ে তেতিয়াও বিলাতৰ ৰীতি-নীতি, আদব্‌-কায়দাৰ বিষয়ে একেবাৰে একো নাজানিছিল। গতিকে ডাঃ মেহতাই এতিয়া বাপুজীক তাত শিকিব আৰু জানিব লগা কথাবোৰ ক্ৰমে শিকাবলৈ ধৰিলে।

বিলাতৰ হোটেল বা বোৰ্ডিংত থকা বৰ খৰচ সাপেক্ষ। আগেয়ে বাপুজীয়ে এই বিষয়ে একো নাজানিছিল। এতিয়া কেদিনমান থাকিয়েই সেই বিষয়ে গম পালে। ডাঃ মেহতাৰ লগত পৰামৰ্শ কৰি

তেওঁ অতি সোনকালে হোটেল এৰি ভদ্ৰ পৰিবাৰত থাকিবলৈ ইচ্ছা কৰিলে সেইমতেই এঘৰত থকাৰ দিহা হ'ল।

এইদৰে থাকিবলৈ লণ্ডনতেও বাপুজীৰ ঘাইকৈ দুটা কথাৰ কাৰণে অসুবিধা হৈছিল। প্ৰথম তেওঁৰ লাজকুৰীয়া স্বভাৱ, দ্বিতীয় নিৰামিষ আহাৰৰ প্ৰতিশ্ৰুতি। পৰিয়ালত যি আহাৰ খাবলৈ দিয়ে সি নিৰামিষ নহয়। গতিকে মাংস প্ৰভৃতি সৰহকৈ দিয়া আজ্ঞা তেওঁ নাথায়। বাকী যি বস্তু দিয়ে ৰুটি আৰু শাক-পাচলি, তাৰো পৰিমাণ কম। লাজতে মুখ ফুটাই এই কথা কবও নোৱাৰে কাৰণে বহুত দিন আধা পেটি হৈয়ে থাকে। মাজে সময়ে নিৰামিষ হোটেলত খাবলৈকো তাৰো অসুবিধা হ'ল যে তেনে হোটেল প্ৰায়ে পাবলৈ টান। তেওঁৰ থকা ঠাইৰ পৰা বহু দূৰত; বিশেষতঃ খৰচো পৰে বেছি।

বাপুজীৰ এই অসুবিধাৰ কথা কিন্তু লগৰীয়া বন্ধু-বান্ধৱে গম পালে। তেওঁবিলাকে বাপুজীক মাংস খাবলৈ উপদেশ দিলে। স্বয়ং মজুমদাৰেও মাংস খোৱাৰ সপক্ষে বহুত যুক্তি দি বুজালে। একোতে একো নহল; বাপুজীয়ে মাকৰ ওচৰত যি প্ৰতিজ্ঞা কৰি আহিছে সেই প্ৰতিজ্ঞা কোনো কথাত কেতিয়াও ভঙ্গ কৰিবলৈ সন্মত নহল। বাপুজীৰ মাতৃ আজ্ঞাৰ প্ৰতি এই অটল বিশ্বস্ততাত বন্ধুসকলে বৰং দেখা পালে তেওঁৰ একগুঁয়ামি স্বভাৱ। গতিকে সিবিলাকে হতাশ হৈ এই চেষ্টা এৰি দিলে।

মাংস নাখালেই মানুহ খীণাই শুকাই যাব কিম্বা দুৰ্ব্বল হব এইটো বাপুজীয়ে নামানিলেও সেই হিতাকাঙ্খী বন্ধুজনৰ আন এটি কথা মানি ললে। সেইটো হৈছে বিলাতলৈ আহি ইয়াৰ যি শিক্ষণীয় বিষয়, যাৰপৰা ভৱিষ্যতে উপকাৰৰ সম্ভাৱনা আছে সেই

সুযোগ গ্ৰহণ। সুসভ্য ইংৰাজৰ সমকক্ষ ভাবে সকলো আদব-কায়দা শিকিব, পোছাক-পৰিচ্ছদ লব, সমাজত চলিবৰ কাৰণে প্ৰয়োজনীয় আন কামবিলাকো শিকি লব।

সেইমতে পোনতে বোম্বাইত কৰাই অনোৱা পোছাকৰ সলনি ইয়াৰ বণ্ড ষ্ট্ৰীটত নতুন পোছাক কৰাই ললে। নিতে নিজ হাতে দাড়ি-গোঁফ খুৰোৱা কাম কৰি, সুন্দৰ ৰকমে মুৰ আঁচুৰি, নেকটাই বান্ধি, পোছাক পিন্ধি, টুপী লৈ চাহাবৰ সম্পুৰ্ণ অনুকৰণ কৰিবলৈ ধৰিলে।

তেওঁ লক্ষ্য কৰিলে যে ফৰাচী ভাষা নিশিকিলে ইউৰোপৰ আন আন দেশত ফুৰিবলৈ যোৱা বৰ অসুবিধা আৰু প্ৰত্যেক ইংৰাজে ফৰাচী ভাষা শিকে। সেই কাৰণে তেওঁ ফৰাচী ভাষা শিকি, বক্তৃতা আদি দিবলৈকো শিকি পূৰাদমে চাহাব হবলৈ স্থিৰ কৰিলে।

আন ফালে দেখা পালে যে ভদ্ৰঘৰৰ সকলো ডেকাই নাচ-গান শিকে। তেওঁ সেইমতে নাচ শিকিবলৈ স্কুলত ভৰ্ত্তি হ'ল। তিনি পাউণ্ড দামৰ এখন বেহালা কিনি আনি এক শিক্ষয়িত্ৰীৰ ওচৰত বজাবলৈ শিকিলে। শিক্ষক নিযুক্ত কৰি বক্তৃতা দিবলৈ অভ্যাস কৰিবলৈ ধৰিলে। শিক্ষকজনে পোনতে বেল চাহাবৰ Standard Educationist নামে কিতাপ এখন পাঠ্যৰূপে নিৰ্ব্বাচন কৰি দিলে। এইদৰে আমাৰ বাপুজী এতিয়া সম্পুৰ্ণৰূপে 'চাহাব' হ'ল।

কিন্তু এনে বিলাসী চাহাবী জীৱন বাপুজীৰ ভাগ্যত সৰহ দিন নিটিকিল। বেল চাহাবেই এদিন তেওঁৰ চমক ভাঙ্গি কলে "বিলাতৰ সভ্যতা তুমি ভাৰতবৰ্ষলৈ লৈ যাবানে ?"

এই একাষাৰ কথাতে বাপুজীৰ যেন চমক ভাগি গ'ল। তেওঁ ভাবিলে—হয়তো! মই চিৰকাল বিলাতত থাকিবলৈ অহা নাই।

তেন্তে ইয়াৰ আদব-কায়দা, পোছাক-পৰিচ্ছদ, নাচ-গান মোক কেলেই ? বিলাতী ধৰণে বক্তৃতা শিকিলেনো মোৰ কি হব ? বিলাতী নাচ-গানেই বা ভবিষ্যতে কোন কামত আহিব ? এইদৰে ভাবি তেওঁ বিলাতী মোহ এৰি দিবলৈ স্থিৰ কৰিলে। লগে লগে তেওঁ যি উদ্দেশ্যলৈ বিলাতলৈ আহিছে সেই আইন পঢ়িবৰ কাৰণে মন বান্ধিলে।

বাপুজীয়ে আন ফালে হিচাব কৰি দেখিলে যে চাহাব হবৰ কাৰণে তেওঁ যি চেষ্টা কৰিছিল তাত তেওঁৰ খৰচ বহুত হৈছিল। এতিয়া তেওঁৰ সেই মোহ যেতিয়া নষ্ট হৈছে এতিয়া খৰচ কমাবলৈ দিহা কৰিলে। ছাত্ৰ জীৱনৰ যাই কৰ্ত্তব্য পঢ়া-শুনাত মন দিয়াৰ উপৰিও ইংৰাজী ভাল ৰকমে শিকিবৰ কাৰণে মেট্ৰিকুলেচন পৰীক্ষা দিবলৈকো অভিলাষ কৰিলে।

খবৰ কৰি জানিলে যে অক্সফোৰ্ড আৰু কেম্বিজত পঢ়াৰ খৰচ বৰ বেছি। সেইকাৰণে তাত পঢ়িবলৈ মন মেলিব নোৱাৰিলে। কিন্তু আন এজন বন্ধুৰ সহায়ত জানিলে যে লণ্ডনৰ মেট্ৰিক পৰীক্ষা টান হলেও তাত খৰচ কম। বাপুজীয়ে তালৈ ভয় নকৰিলে আৰু লণ্ডনৰ মেট্ৰিক পৰীক্ষাৰ কাৰণেই তৈয়াৰ হবলৈ ধৰিলে।

এই মেট্ৰিক পৰীক্ষা পাছ কৰিব লগা হলে ল্যাটিন ভাষাও শিকিব লাগে আৰু এই ভাষাত ব্যুৎপত্তি থাকিলে বাৰিষ্টাৰী পঢ়াতো বহুত সুবিধা হয়। সেই কাৰণে দুগুণ উৎসাহেৰে ল্যাটিন পঢ়িবলৈ লাগিল।

সক কালৰ পৰা বাপুজী হিচাবী আছিল। অনাহক পয়চা কেতিয়াও খৰচ নকৰে। এতিয়াও দেখা পালে যে লণ্ডনৰ মেট্ৰিক দিবলৈ যিমান টকা লাগে তেওঁৰ তেনে সংস্থান নাই। সেই কাৰণে

তেওঁ থকা ঠাই সলালে। এজন বন্ধুৰ সহায়ত গাৰঁত এটা ঘৰ ভাড়া কৰি ললে। সেই বেহালাখন বেচি তাৰেই ষ্টোভ্ এটা কিনি ললে। এতিয়াৰ পৰা সেই ষ্টোভত নিজেই ৰান্ধি খাবলৈ ধৰিলে। এইদৰে থকাই খোৱাই এতিয়া তেওঁৰ মাহে মাথোন চাৰি পাউণ্ড লাগে। বাপুজীৰ পঢ়াৰ কাৰণে এই উৎসাহ আৰু কষ্ট-সহিষ্ণুতা ছাত্ৰ সমাজৰ নিশ্চয় অনুকৰণীয়।

লণ্ডনৰ মেট্ৰিকুলেচন পৰীক্ষা প্ৰতি ছমাহে হয়। বিশেষ পৰিশ্ৰম কৰি পঢ়িও বাপুজী এবাৰ ফেইল হ'ল। সিও ল্যাটিনতহে ফেইল হ'ল। ইয়াত হতাশ নহৈ আকৌ মন দি পঢ়াত দ্বিতীয়বাৰ মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰিলে।

বাপুজীয়ে যেতিয়া পঢ়াত বিশেষভাবে মন দিছিল সেই সময়ত শ্ৰীমতী এনি বেচাণ্ট আৰু ম্যাডাম ব্লাভাটস্কাইৰ লগত পৰিচয় হয়। সিবিলাকৰ উপদেশ মতে তেওঁ ভগবদ্‌গীতাৰ ইংৰাজী অনুবাদ পঢ়িবলৈ ধৰে। সেই অনুবাদ পঢ়ি তাৰ গভীৰ তত্ব আৰু উদাৰতাৰ নিদৰ্শন আৰু শিক্ষা বুজিব পাৰি অতিশয় আনন্দিত হৈছিল। উত্তৰ জীৱনত "গীতা" তেওঁৰ চিৰসহচৰ ৰূপে ব্যৱহৃত হৈছিল। সকলো ছাত্ৰৰ পক্ষে যে গীতা অপৰিহাৰ্য্য ৰূপেই পঠনীয় এই কথা পিচত বহু ঠাইত বাৰে বাৰে তেওঁ উপদেশ দি গৈছে। এনে সময়তে মেঞ্চেষ্টাৰৰ এজন খৃষ্টান বন্ধুৰ অনুৰোধত তেওঁ বাইবেল পঢ়া আৰম্ভ কৰে। তাৰ Sermon on the Mount পঢ়ি তাৰ যি শিক্ষা আৰু অহিংস উপদেশৰ কথা জানি স্তম্ভিত হৈছিল। অন্যায়ৰ প্ৰতিশোধ অন্যায় নহয় প্ৰেমহে, এনে অপূৰ্ব্ব মহামূল্যবান উপদেশৰ লগত হিন্দুৰ গীতাৰ উপদেশ বিলাকৰ তুলনামূলক ভাবে আলচ কৰিবলৈ সুযোগ

পাইছিল। এই শিক্ষাই বা উপদেশে তেওঁৰ জীবনৰ ওপৰত তেতিয়াই ৰেখাপাত কৰিছিল—পিচৰ কাৰ্য্যাৱলীৰ পৰা সেইটো সহজে বুজিব পাৰি।

বাপুজীৰ উদাৰ হৃদয়ত ইচ্‌লাম ধৰ্ম্মৰ প্ৰতিও কম শ্ৰদ্ধা নাছিল। এই সময়তে তেওঁ ইচ্‌লাম ধৰ্ম্ম সম্পৰ্কীয় কিতাপ পঢ়াতো মন দিলে। তাৰ সাৰাংশ, বিশ্ব-ভ্ৰাতৃত্বৰ উদাৰ, মহান উদ্দেশ্যত বিমোহিত হৈ সকলো ধৰ্ম্মৰ প্ৰতি সমানে আকৃষ্ট হৈ সমন্বয়ৰ ভাব পোষণ কৰিছিল আৰু বহুতো সাধু মহাপুৰুষৰ জীৱন-চৰিত পাঠ কৰিছিল। উত্তৰ কালত ৰাজহুৱা ভাবে অনুষ্ঠিত প্ৰাৰ্থনা সভাত বাপুজীয়ে সকলো ধৰ্ম্মগ্ৰন্থৰ পৰা অংশ বিশেষ পাঠ কৰি শ্ৰদ্ধা দেখুৱাইছিল আৰু যুগৰ প্ৰয়োজনীয়তা অনুসাৰে ধৰ্ম্মজগতত আগবাঢ়িবৰ পথ দেখুৱাই দিছিল।

গীতা পাঠৰ লগে লগে বাপুজীয়ে Light of Asia কিতাপত "বুদ্ধদেৱৰ চৰিত" পঢ়ি তেওঁৰ মনত পৰম তৃপ্তি লাভ কৰে। মানুহৰ কাম্য চৰম সুখ বা আনন্দ লাভৰ পথ এই জীৱনীত আৰু জীৱনৰ কাৰ্য্যাৱলীত বিশেষ ভাবে পৰিস্ফুট হৈ আছে। তেওঁৰ অন্তৰত থকা ভাবৰ মিল এই জীৱনীত দেখা পাই নিতান্ত আকৃষ্ট হৈছিল।

নিৰামিষ আহাৰ সম্বন্ধে বিলাতত বহুতো মনীষীয়ে নানা প্ৰকাৰ গবেষণা কৰিছিল। এনে আহাৰৰ পৰাও যে মানুহৰ দৈহিক আৰু মানসিক শক্তি বাঢ়ে এই কথা প্ৰতিপন্ন কৰিছিল। সিবিলাকৰ যত্নত বিলাতৰ কেইবা ঠাইতো সভা স্থাপিত হৈছিল। সেই সভাত এই নিৰামিষ আহাৰৰ বিষয়েই তৰ্ক বিতৰ্ক আৰু

বক্তৃতা হৈছিল। বাপুজীয়ে প্ৰথমতে এই নিৰামিষ আহাৰৰ বিষয়ে লিখা কিতাপ কেইখনমান পঢ়িলে। পিচত সঙ্ঘৰ প্ৰচাৰ কাৰ্য্যৰ সহায়ক ৰূপে তেওঁ যি গাৱঁত বাস কৰিছিল তাতে নিজে উদ্যোগী হৈ এখন সঙ্ঘ স্থাপন কৰিলে। তাৰ সভাপতি হ'ল চাৰ এড়ুইন আৰণল্ড আৰু সম্পাদক হ'ল বাপুজী স্বয়ং। কিছুদিন এই সমিতিৰ কাৰ্য্য চলাৰ পিচত বাপুজী আন ঠাইলৈ উঠি যোৱাত সংঘও বন্ধ হয়।

ইযাৰ পিচত বাপুজী আন এখন নিৰামিষ ভোজীৰ সভাৰ সদস্য মনোনীত হয়। কিন্তু বহুত কথা কবলৈ থাকিলেও বাপুজায়ে প্ৰকাশ্যে কোনো সভাতে এটিও বক্তৃতা দিব পৰা নাছিল। দিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল—লাজ। এনেকি কাগজত লিখি নিলেও মাত নোলায়--পঢ়িব নোৱাৰে। সেইবুলি তেওঁ সংগঠন শক্তি এতিয়াৰে পৰা দেখাব পাৰিছিল। সম্পাদক হিচাবৰ যি কাম তাক সকলোৰে চকুত পৰাকৈ পৰিপাটী ৰূপেই কৰিব পাৰিছিল।

ইয়াৰ তিনি বছৰৰ পিচত বাৰিষ্টাৰী পাচ কৰি ঘৰলৈ আহিবৰ আগতে সংঘৰ এখনি অধিবেশন পাতি তাত পঢ়িবৰ কাৰণে এটি প্ৰবন্ধ লিখি তাৰো মাত্ৰ ছুশাৰীমান পঢ়িয়েই আৰু পঢ়িব নোৱাৰি আন এজনক দিহে প্ৰবন্ধটো পঢ়ালে, তেতিয়া কোনে অনুমান কৰিব পাৰিছিল যে এইজনা লোকৰ মুখৰ পৰা এশাৰী মাত শুনিবলৈ মানুহ ভৱিষ্যতত কিমান উদ্‌গ্ৰীব হৈ আহিব।

বিলাতত তেওঁ দৈনিক বাতৰি কাকত নিয়মিত ৰূপে পঢ়াৰ অভ্যাস কৰিলে। এইটো অভ্যাস তেওঁৰ ভাৰতবৰ্ষত নাছিল।

দ্বিতীয়তে তেখেতে আইনৰ মূল কিতাপ পঢ়িহে, খৰচি ম্যাৰি ভালকৈ জানিহে পৰীক্ষা পাছ কৰিছিল। আজি কালিৰ দৰে “নোট” পঢ়ি পাছ কৰি অহা নাছিল। তেনেকৈ টীকা পঢ়ি পাছ কৰাটো তেওঁ আত্ম-প্ৰবঞ্চনা কৰা বুলি ভাবিছিল। গতিকে আইনত তেখেতৰ জ্ঞান অতিশয় গভীৰ আছিল।

তেওঁৰ পঢ়া শেষ হ’ল ১৮৯১ চনত। সেই বছৰ ১০ জুন তাৰিখে পৰীক্ষাত পাছ হোৱা খবৰ ওলাল আৰু সবহ পলম নকৰি ১২ জুন তাৰিখেই জাহাজেৰে ভাৰত অভিমুখে যাওনা হ’ল।

সাত

ভাৰতলৈ প্ৰত্যাবৰ্ত্তন

শিক্ষা সাঙ্গ কৰি বাপুজী স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। তেওঁৰ শিক্ষা অকল ‘আইন বিদ্যা’ লাভতে সীমাবদ্ধ নাছিল। আমি ইতিপূৰ্ব্বে দেখা পাইছোঁ যে থিওচোফিকেল চোছাইটীৰ যোগে ধৰ্ম্ম বিষয়ক বহুত কিতাপ পঢ়াৰ আৰু ধৰ্ম্মৰ মূল কথাবোৰ জনাৰ উপৰিও টলষ্টয় আৰু ৰাস্কিনৰ গ্ৰন্থাৱলীয়ে বাপুজীৰ চৰিত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল।

তেতিয়া বাৰিষা। সাগৰৰ ঢৌ প্ৰবল ভাবে উঠি ভীষণ আকাৰ ধৰিলেও বাপুজীয়ে তেনে অৱস্থা চাবলৈ প্ৰায়েই ডেকৰ ওপৰলৈ আহিছিল। সাগৰৰ হেন্দুলনিৰ দৰে তেওঁৰ মনতো কত চিন্তা

কতদিন পিচত আকৌ নিজ পৰিজন, বিশেষতঃ মাতৃ আৰু পুত্ৰ-পত্নীৰ লগত দেখা হব। মাতৃৰ আদেশ পালন কৰি প্ৰাণত কি আত্মপ্ৰসাদ! আৰু তাৰেই মাতৃপদ বন্দনা কৰিবলৈ কি আকুল আগ্ৰহ!

জাহাজ যথাসময়ত আহি এডেন বন্দৰত লাগিল। তাৰ পৰা ভাৰত অভিমুখী হৈ আহোঁতে ডাঙ্গৰ ধুমুহা উঠি জাহাজ ভীষণভাবে দোলাবলৈ ধৰিলে। সেই দোলনি খাই জাহাজৰ যাত্ৰী সকলোৱেই অসুস্থ হ'ল। কিন্তু কি আচৰিত, আমাৰ লেৰেলা বাপুজীৰ একোৱেই নহল; বৰং অবিচলিত ভাবে ডেকৰ ওপৰলৈ আহি আনন্দমনে উত্তাল তৰঙ্গমালা চাবলৈ ধৰিলে।

ভাৰতীয় বন্দৰত জাহাজ আহি লাগিল। বাপুজীক আগবঢ়াই নিবলৈ ডাঙ্গৰ ককায়েক আগৰে পৰা তাত হাজিৰ আছিল। দেখা পায়েই দুই-এটা সাধাৰণ কথাৰ পিচত বাপুজীয়ে মাকৰ খবৰ সুধিলে। মাতৃ-আজ্ঞা পালন কৰোঁতে পোৱা অভিজ্ঞতাৰ কথাবোৰ মাকক কৈ পুনৰ আশীৰ্ব্বাদ পাবৰ একান্ত আশা তেওঁৰ মনত আছিল।

ককায়েকে প্ৰশ্ন শুনি নিজে ধৈৰ্য্য ধৰিব নোৱাৰিলে। চকুৰ পানী বোৱাই, ৰুদ্ধ কণ্ঠেৰে আবেগ সম্বৰণ কৰি মাক পুতুলীবাই যে আৰু ইহ সংসাৰত জীয়াই নাই—জানিবলৈ দিলে। তেওঁ বিলাতত থাকোঁতেই মাক স্বৰ্গী হ'ল। এই কথাত বাপুজীৰ মূৰত যেন বজ্ৰপাত হ'ল। মাকৰ মৃত্যু সংবাদ পাই তেওঁৰ জীৱনৰ আশা-ভৰসা আৰু যত কল্পনা যেন সেই মুহূৰ্ত্তত কলৈ উৰি গ'ল। তেওঁ হতভম্ব হৈ থিয়তে ৰ'ল আৰু অনৰ্গল ধাৰে চকুৰ পানী বৰলৈ ধৰিলে। কিন্তু সেই শোক তেওঁ শীঘ্ৰে দমন কৰিলেও বিশেষ ৰকমে আত্ম-

প্ৰকাশ কৰিবলৈ নিদিলে। মনৰ বল ইমান আছিল যে তেওঁ শোকাবেগ সহজে সহ্য কৰিলে।

বিলাতত থকা সময়ত ডাঃ মেহটাৰ লগত বাপুজীৰ ঘনিষ্ঠ বন্ধুতা হৈছিল। তেৱোঁ বোম্বাই বন্দৰত বাপুজীক আগবঢ়াবলৈ আহিল। পিচত তেওঁ বোম্বাইত কেজনমান বন্ধুৰ লগত পৰিচয় কৰাই দিছিল। ইয়াৰ ভিতৰত এজন আছিল কবি ৰামচন্দ্ৰ। এওঁ নানা সদ্গুণ-সম্পন্ন লোক আছিল। তেওঁ যদিও হীৰা-মাণিকৰ লাখ লাখ টকাৰ ব্যৱসায়ী আছিল তথাপি তেওঁ আছিল সুকবি আৰু পণ্ডিত। ধন-সম্পত্তি থাকিলেও তেওঁৰ তাত আসক্তি নাছিল। তেওঁ ঈশ্বৰ-বিশ্বাসী আৰু নিৰ্লোভী পুৰুষ আছিল। ধৰ্ম্মগ্ৰন্থ পাঠহে তেওঁৰ ঘাই কাম আছিল। বাপুজীৰ জীৱনত এওঁৰ প্ৰভাবেই যথেষ্ট আছিল। এওঁক গুৰুৰ দৰে জ্ঞান কৰিছিল। দক্ষিণ আফ্ৰিকাত থাকোঁতে বাপুজীয়ে এওঁৰ পৰা যথেষ্ট পৰামৰ্শ গ্ৰহণ কৰিছিল। এওঁৰ লগত ধৰ্ম্মালোচনা কৰি বাপুজীৰ বহুত সময় অতিবাহিত হৈছিল। বাপুজীয়ে কৈছিল, "তেখেতৰ দৰে ধৰ্ম্ম কথা কৈ মোৰ মনত আন কোনেও ধৰ্ম্ম ভাবৰ ছাব পেলাব পৰা নাই।" ৰামচন্দ্ৰই সততে বাপুজীৰ জীৱন উন্নততৰ স্তৰলৈ উধাবলৈ তেওঁৰ লক্ষ সত্যৰ সন্ধানেৰে সহায়তা কৰিছিল। আন ঠাইত বাপুজীয়ে নিজে স্বীকাৰ কৰি কৈছে, "ইমানকে কলেই যথেষ্ট হব যে মোৰ জীৱনৰ ওপৰত গভীৰ ৰেখাপাত তিনিজন লোকে কৰিছে—ৰায়চাঁদ ভাই ওৰফে ৰাজচন্দই তেওঁৰ জীৱন্ত সংসৰ্গৰ দ্বাৰা, টলষ্টয়ে তেওঁৰ "বৈকুণ্ঠ তোমাৰ হৃদয়ত" নামৰ গ্ৰন্থেৰে আৰু ৰাস্কিনে তেওঁৰ "আন টু দি লাষ্ট্" ৰচনাৰে।

বাপুজী ৰাজকোটলৈ গৈ দেখা পালে যে তেওঁ বিলাতলৈ যোৱা

কথাটো লৈয়েই তেওঁলোকৰ সমাজ দুদলত বিভক্ত হৈছে। এদলে তেওঁক সমাজভুক্ত কৰিবৰ পক্ষপাতী, আনদলৰ মতে বিলাতলৈ যোৱা বাবে তেওঁ সমাজত পতিত—পংক্তিভুক্ত কেতিয়াও হব নোৱাৰে। যিহওক, ডাঙৰ ককায়েকৰ কথা মানি লৈ বাপুজীয়ে যথাৰীতি গঙ্গাস্নান কৰি পবিত্ৰ হ'ল আৰু নিয়ম অনুসৰি ভোজ-ভাত দি পক্ষ সমৰ্থনকাৰী দলৰে সমাজভুক্ত হ'ল। লিখা বাহুল্য যে বিপক্ষ দলৰ ভিতৰত তেওঁৰ নিচেই আপোন কুটুম্ব মানুহ থকাতো বাপুজী বিচলিত নহৈ তেওঁলোকৰ মানত পতিত হৈয়ে থাকিল। ভিতৰুৱা ভাবেও তেওঁবিলাকৰ লগত তেওঁ কোনো সংশ্ৰৱ নাৰাখিছিল, যদিও দুই একে তেনে কৰিবলৈ গোপনে বিচাৰিছিল।

বিলাতলৈ যোৱাৰ আগতে বাপুজীৰ এটি ল'ৰা হৈছিল। সেই ল'ৰাটি এতিয়া চাৰি বছৰীয়া হৈছে। তাৰ লগৰীয়া হিচাবে আন এজন ভায়েকৰ ল'ৰা এটিও সমনীয়া। দুয়োটাক লৈ বাপুজী বহুত সময়ত ধেমালীত মগ্ন হৈ থাকে। শিশুৰ দৰে সৰলমতি বাপুজী চিৰকালেই শিশু সঙ্গ প্ৰিয় আছিল। শিশু সকলেও বাপুজীক পালে কিবা আকষণত নিজৰ খেলৰ লগৰীয়া বুলি ভাবি সমনীয়াৰ দৰেই ব্যৱহাৰ কৰে। সিহঁতৰ লগত সমানে সদায় বাপুজীৰ সেই অননুকৰণীয় হাঁহিটি।

আঠ

আইনজীৱী

বাপুজী অলপদিন ৰাজকোটত থাকিল। তেওঁৰ বন্ধু-বান্ধৱ সকলে পৰামৰ্শ দিলে যে বোম্বাইলৈ গৈ তাত ওকালতি কৰাই ভাল। সেই কথা তেওঁ মানি ললে আৰু বোম্বাইত ওকালতি আৰম্ভ কৰিলে। চাৰি পাঁচ মাহেও তেওঁ ব্যৱসায়ত বিশেষ একো কৰিব পৰা নাছিল। এনেকি নিজৰ খৰচৰ পইচা কেটাও যেন নোলায়হে। সেইবাবে খৰচ কমাবলৈ তেওঁ ৪৫ মিনিটৰ বাট পৰ্য্যন্ত খোজ কাঢ়ি আদালতলৈ আহে। আহিও বিশেষ লাভ নাই; সৰহখিনি সময় বহি থাকোঁতেই যায়।

ককায়েক ৰাজকোটৰ এজন উকীল। তেওঁ ভায়েকক মোকৰ্দ্দমা গোটাই দিবলৈ সদায় চেষ্টা কৰে। এবাৰ এটা মোকৰ্দ্দমা পালে আৰু ফৰিয়াদি পক্ষই ত্ৰিশ টকা ফিজ দি বাপুজীক উকীল ধৰিলে। বাপুজীৰ জীৱনত এয়ে প্ৰথম মোকৰ্দ্দমা। তেওঁ এই মোকৰ্দ্দমা কেনেকৈ চলাব কি কৰিব সকলো ভাবি-চিন্তি ঠিক কৰি ললে।

কিন্তু মোকৰ্দ্দমা আদালতত উঠাত তেওঁ তাত ঠিয় দি বুজি পালে যে বাৰিষ্টাৰী পাছ কৰিলেও তেওঁৰ স্বভাৱ অলপো পৰিবৰ্ত্তন হোৱা নাই। জেৰা কৰিবলৈ উঠিয়েই অনুভব কৰিলে যে আদালত খন যেন মানুহে-দুনুহে ঘূৰিবলৈ ধৰিছে। তেওঁ একো মাতিবকে নোৱাৰিলে। নিতান্ত লাজ পাই বাহিৰলৈ ওলাই আহিল আৰু

তেওঁৰ মক্কেলক ততালিকে টকাখিনি ঘূৰাই দি উপদেশ দিলে "তুমি আন বাৰিষ্টাৰ ধৰা।"

উপাৰ্জ্জন নোহোৱাকৈ বোম্বাইত থকাও কষ্টকৰ। কি কৰোঁ নকৰোঁ কৰি ভাবোঁতে এদিন বাতৰি কাকত এখনত এটা বিজ্ঞাপন দেখিলে। স্থানীয় হাইস্কুল এখনত ৭৫৲ টকা দৰ্ম্মহাত এজন শিক্ষক লাগে। এনেয়ে থকাতকৈ ইও ভাল বুলি সেই চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিলে। তাৰ পিচত সেই স্কুলৰ হেড্‌ মাষ্টৰৰ লগত দেখা কৰি জানিলে যে তেওঁৰ দৰ্খাস্ত নামঞ্জুৰ হৈছে; কাৰণ তেওঁ গ্রেজুৱেট নহয়।

ইয়াৰ পিচত হতাশ হৈ বাপুজীয়ে বোম্বাই পৰিত্যাগ কৰি ৰাজকোটলৈ ককায়েকৰ লগলৈ আহিল। ককায়েক তাত এজন উকীল। তেওঁৰে সহায়ত আৰু যত্নত বাপুজীৰ ইয়াত অলপ সুবিধা হ'ল। মাহে তিনি চাৰিশ টকা উপাৰ্জ্জন কৰিব পৰা হৈ খোপনি পুতিলে। ক্রমে আৰু উন্নতি হব এনে আশাও হৈছিল কিন্তু ইয়াতো এনে এটা ঘটনা ঘটিল যাৰ বাবে বাপুজী অতিশয় ব্যথিত হ'ল আৰু যেন এক দণ্ডও ৰাজকোটত নাথাকিব এনে উদ্বিগ্ন হ'ল।

সৰু সৰু ৰাজ্যবোৰত আগেয়ে একোজন পলিটিকেল এজেণ্ট চাহাব আছিল। তেওঁলোকৰ ক্ষমতা আছিল অসীম। সেই সেই ৰাজ্যবোৰৰ ৰজা নামতহে আছিল। এসময়ত বাপুজীৰ ককায়েকৰ বিৰুদ্ধে এটা মিছা অপবাদ ওলাল যে তেওঁ সেই ৰাজ্যৰ ৰজাক এটা বেয়া পৰামৰ্শ দিছে। এই কথাত বোলে সেই পলিটিকেল এজেণ্ট চাহাবজন ককায়েকৰ ওপৰত অসন্তুষ্ট হৈছিল। বিলাতত থকা কালত এইজন চাহাব বাপুজীৰ বন্ধু আছিল। গতিকে ককায়েকৰ

ওপৰত হোৱা মিছা অভিযোগৰ বিষয়ে তেওঁক কবলৈ এদিন চাহাবৰ ঘৰলৈ গ'ল। তেওঁ পোন্ধৰ মিনিট মানৰ পিচত বঙলাৰ পৰা ওলাই আহিল যদিও বাপুজীৰ প্ৰতি ব্যৱহাৰত অলপো সৌজন্যতা নেদেখুৱালে। এনেকি বাপুজীয়ে কথাখিনি কৈ শেষ কৰিবলৈ নৌ পাওঁতেই (শুনিবৰ মন নকৰি) বিদায় দিলে।

চিনি-জানি পোৱা বগা চাহাবজনৰ এনে ব্যৱহাৰত বাপুজী অতিশয় ক্ষুব্ধ হ'ল। তেওঁ অপমানিত হৈ ঘূৰি আহিল। এজেণ্টলৈ এখন চিঠি লিখি জনালে যে অতি শীঘ্ৰে যদি তেওঁ ক্ষমা প্ৰাৰ্থনা নকৰে তেনেহলে তেওঁৰ ওপৰত মানহানিৰ মোকৰ্দ্দমা কৰা হব। এই চিঠি পাই চাহাবজন বৰং আগতকৈও উত্তেজিত হৈ জবাব দিলে যে গান্ধীজীয়ে মামলা-মোকৰ্দ্দমা যি মন যায় কৰিব পাৰে (অৰ্থাৎ তেওঁ ক্ষমা নিবিচাৰে)।

বাপুজীয়ে সেই সময়ৰ বোম্বাইৰ নামজ্বলা বাৰিষ্টাৰ চাৰ ফিৰোজ শা মেহটাৰ পৰামৰ্শ গ্ৰহণ কৰিলে। তেওঁ কলে যে এই বিষয়ে মোকৰ্দ্দমা কৰিলে বিশেষ একো ফল নধৰিব। বৰং সকলো ফালৰ পৰা ক্ষতি হবৰ হে সম্ভাৱনা। এতেকে নীৰবে অপমান সহ্য কৰাই ভাল হব। বাপুজীৰ মৰ্ম্মবেদনা ঘটনাক্ৰমে এইদৰে আৰম্ভ হ'ল।

মৰ্ম্মবেদনাৰ ঘাই কথাটো হ'ল যে শাসক আৰু শাসিতৰ মাজত যি সম্বন্ধ সি কেনে কুৎসিৎ আৰু ভয়ানক সি স্পষ্টৰূপেই তেওঁৰ চকুত পৰিল। এইজনা চাহাবেই বিলাতত (ব্যৱহাৰত) এক আৰু শাসক হিচাবে ইয়াত এক ?

ৰাজকোটত থকাত বাপুজীয়ে আকৌ এই চাহাবজনৰ এজলাচতে সৰহখিনি মোকৰ্দ্দমা পৰিচালনা কৰিব লগাত পৰে। নকৰিলেও

উপাৰ্জ্জনৰ বাট বন্ধ হয় অথচ এওঁৰ পৰা আঁতৰ হবলৈ বাপুজীৰ-ৰৰ ইচ্ছা হ'ল। ইয়াৰ পিচত কোন সাতেনো তেওঁৰ আদালতত মোকৰ্দ্দমা চলাব ?

মনৰ এনে অশান্তিৰে বাপুজী সৰহদিন ৰাজকোটত থাকিব লগা নহল। দৈবপ্ৰেৰিত ভাবে হঠাতে এদিন ককায়েকে এখন চিঠি পালে। সেই চিঠিত খবৰ আছিল যে দক্ষিণ আফ্ৰিকাৰ প্ৰিটোৰিয়া চহৰত দাদা আৱদুল্লা কোং নামে এখন ডাঙৰ দোকানৰ এটা জটিল আৰু ডাঙৰ মোকৰ্দ্দমা সংক্ৰান্ত কথাত বাপুজীক বাৰিষ্টাৰ নিয়োগ কৰিব খোজে। তাৰ বাবে সকলো সুবিধা আৰু খৰচ-পাতি দিবলৈকো প্ৰতিশ্ৰুতি দিয়া আছিল। কামটোও এদিনীয়া নহয়, এবছৰৰ চুক্তিত যাব লাগে।

এনে সুযোগ বাপুজীয়ে এৰি নিদিলে। তেওঁ যাবলৈ স্থিৰ কৰিলে আৰু সকলোৰে অনুমতিক্ৰমে ১৮৯৩ খৃষ্টাব্দত আকৌ স্বদেশ আৰু স্বজন এৰি থৈ দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰিলে।

ন

দক্ষিণ আফ্ৰিকাত

বাপুজী বাৰিষ্টাৰী কৰিবলৈ দক্ষিণ আফ্ৰিকালৈ আহিল। যাৰ পক্ষ সমৰ্থন কৰিবলৈ বাপুজী আহিল সি এটা কোম্পানী—নাম দাদা আৱদুল্লা এণ্ড কোং। ইবিলাকৰ ভাৰতৰ পোৰবন্দৰ আৰু দক্ষিণ আফ্ৰিকাৰ নাটালত ডাঙৰ ব্যৱসায় আছিল। প্ৰতিপক্ষ হল দঃ

আফ্রিকাৰে প্রিটোৰিয়া চহৰৰ বিখ্যাত ব্যৱসায়ী শেঠ তৈয়ব হাজি খাঁ মহম্মদ। এই দুই ব্যৱসায়ীৰ ভিতৰত ৬।৭ লাখ টকাৰ এটা ডাঙৰ দেওৱানী মোকৰ্দ্দমা লাগিল। সেই মোকৰ্দ্দমাত বাদীপক্ষ দাদা আব্দুল্লা কোংৰ পক্ষ লৈয়েই আহিল বাপুজী এপ্রিল মাহত জাহাজেৰে। সেই জাহাজেই ১৮৯৩ চনৰ মেই মাহৰ শেষৰ ফালে পালেহি নাটালৰ বন্দৰ ডাৰ্বান।

জাহাজখন বন্দৰত লগাৰ লগে লগেই দলে দলে নানা ৰকমৰ পোছাক পিন্ধি মানুহ জেটীত হাজিৰ হ'ল। বাপুজীক অভ্যৰ্থনা কৰিবৰ কাৰণে শেঠ আব্দুল্লা নিজে বন্দৰলৈ আহিছিল। উপস্থিত হোৱা লোকসকলৰ ভিতৰত ইউৰোপীয় (চাহাব) লোকো বহুত আছিল। বাপুজীয়ে লক্ষ্য কৰিলে যে চাহাব সকলৰ ওচৰত আমাৰ ভাৰতীয় মানুহ ঠিয় হবৰো যেন যোগ্যতা নাই আৰু এনে পাৰ্থক্যটো মনত পেলাই দিয়াও যেন তেওঁলোকৰ এটা কাম। মুঠতে সিবিলাকৰ (চাহাবৰ) মানত ভাৰতীয় মানুহৰ আকৌ সম্মান কিহৰ?

বাপুজী জাহাজৰ পৰা নামোতে চাহাবসকলে ঘূৰি ঘূৰি তেওঁৰ ফালে চাইছিল; কাৰণ তেওঁৰ পোছাকত অলপ বিশেষত্বও আছিল। একেই ভাৰতীয় পোছাক, তাৰ ওপৰত আছিল পাগুৰী। পিচত এই পাগুৰীৰ পৰাই বাপুজীৰ আচল দুৰ্ভোগ ঘটিল।

নাটাল পাবৰ দুই তিন দিন পিচতে তেওঁক শেঠ আব্দুল্লাই ডাৰ্বানৰ আদালতলৈ লৈ গ'ল। তালৈ নি তেওঁক তাৰ বহুতো মানুহৰ লগত চিনাকি কৰি দিয়াৰ পিচত নিজৰ এটৰ্নীৰ ওচৰতে বাপুজীক বহিবলৈ দিলে আৰু নিজেও বহিল।

ঠিক সময়ত হাকিম আদালতলৈ আহিল। ইফালে সিফালে

চাওঁতে বাপুজীৰ ওপৰত চকু পৰিল। অলপ সময় তেওঁৰ ফালে চাই হাকিমে বাপুজীক পাগুৰীটো খুলি থবলৈ আদেশ দিলে।

বাপুজী আচৰিত হ'ল আৰু দুঃখিত হ'ল। তেওঁ পাগুৰী সোলকাবলৈ আপত্তি কৰিলে আৰু প্ৰতিবাদ স্বৰূপ আদালত কোঠাৰ পৰা ওলাই গুচি আহিল।

আব্দুল্লা শেঠে পিচত জনালে যে একমাত্ৰ মুছলমানি পোছাক পিন্ধা মুছলমানকহে মূৰত পাগুৰি ৰাখিবলৈ দিয়ে, তাৰ বাহিৰে আন কোনো ভাৰতীয় মানুহেই মূৰত কোনো পাগুৰি প্ৰভৃতি আবৰণ ৰাখিব নোৱাৰে আদালতৰ ভিতৰত।

ভাৰতীয় লোক সকলৰ প্ৰতি এনে অন্যায় আচৰণ আৰু আদেশৰ বিৰুদ্ধে, বিশেষতঃ বাপুজীৰ নিজৰ লগত মেজিষ্ট্ৰেটৰ সৈতে যি ঘটনাটো ঘটিল সেই সকলো কথা বৰ্ণনা কৰি, বহুলাই লিখি বাতৰি কাকতত প্ৰকাশ কৰিবলৈ দিলে। এই কথা লৈ বেলেগ বেলেগ খবৰৰ কাগজৰ মাজত বিতণ্ডা আৰম্ভ হ'ল। ইয়াৰ বাবে বাপুজী অতি সোনকালে দক্ষিণ আফ্ৰিকাৰ ভিতৰত জনাজাত হৈ পৰিল। বহুতে কিন্তু তেওঁক 'অবাঞ্ছিত অতিথি' আখ্যা দিলে তেতিয়া।

এইদৰে বাপুজীৰ জীৱনত সংঘৰ্ষৰ সূত্ৰপাত হয়। ইয়াৰ পৰাই তেওঁৰ জীৱনত ভবিষ্যতৰ কৰ্ম্মৰ সূচনা আৰু পৰিচয় বা খ্যাতিৰ সূত্ৰপাত হ'ল।

ছয়

প্ৰিটোৰিয়া

ঘিটো মোকৰ্দ্দমাৰ কাৰণে বাপুজী দক্ষিণ আফ্ৰিকালৈ যাব লগাত পৰিছিল সেই মোকৰ্দ্দমাৰ পক্ষ দুটা তাৰে দুটা বেলেগ বেলেগ ঠাইত কৰা ব্যৱসায় কোম্পানী। বাদী পক্ষ-দাদা আবদুল্লা এণ্ড কোংৰ ব্যৱসায় আছিল নাটালত আৰু বিবাদী পক্ষ শেঠ তৈয়ব হাজি খাঁ মহম্মদৰ ব্যৱসায় আছিল ট্ৰান্সভালৰ অন্তৰ্গত প্ৰেটোৰিয়াত। নাটাল ইংৰাজৰ অধীনত কিন্তু ট্ৰান্সভাল হ'ল বুয়ৰ অধিকৃত ৰাজ্য। নাটালৰ ৰাজধানী মাৰিজবাৰ্গ আৰু ট্ৰান্সভালৰ ৰাজধানী প্ৰিটোৰিয়া। মোকৰ্দ্দমাৰ অনুষ্ঠান হ'ল ট্ৰান্সভালৰ ভিতৰত। গতিকে মোকৰ্দ্দমাৰ বিচাৰ হ'ব তাৰে ৰাজধানী প্ৰিটোৰিয়াৰ আদালতত।

বাপুজী দক্ষিণ আফ্ৰিকা পাবৰ ৭।৮ দিনৰ পিচতে মোকৰ্দ্দমাৰ কামত প্ৰিটোৰিয়ালৈ যাবৰ প্ৰয়োজন হ'ল। সেই অনুসাৰে তেওঁ প্ৰথম শ্ৰেণীৰ টিকট এখন কিনি ডাৰ্বানত ৰেলত উঠিল।

ৰাতি ন বজাত ৰেলখন নাটালৰ ৰাজধানী মাৰিজবাৰ্গ ষ্টেচন পালে। সেই সময়ত চাহাব যাত্ৰী এজন বাপুজী থকা কোঠাটোত সোমায়েই তেওঁক দেখি যেন বিৰক্তি বোধ কৰিলে আৰু ভতালিকে ভাব পৰা ওলাই আহিল।

অলপ সময়ৰ পিচতে সেই যাত্ৰীজন লগত কেইজনমান ৰেলৰ কৰ্ম্মচাৰী লৈ কোঠাত সোমাল। তাৰে প্ৰধান কৰ্ম্মচাৰীজনে

বাপুজীৰ কাষলৈ চাই কলে "আপুনি এই কামৰাত যাব নোৱাৰে। আপ এটা কামৰাত যাব লাগিব, নামি আহক।" বাপুজীয়ে আপত্তি কৰি কলে যে তেখেতক প্ৰথম শ্ৰেণীৰ যাত্ৰী আৰু ডাৰ্বানৰ পৰা ইয়াত আহিবলৈ দিয়া হৈছে।

বগা ৰেল কৰ্ম্মচাৰীজনৰ খঙ্গে মূৰৰ চুলিৰ আগ পালেগৈ। কলা ভাৰতীয়ৰ ইমান সাহ,—প্ৰতিবাদ কৰে আমাৰ কথাত! টাঙ্ক মুৰাকৈ কলে "আপুনি এই কোঠাত কোনো মতেই যাব নোৱাৰে। ইয়াৰ পৰা নামি যাবই লাগিব। আপুনি নিজ ইচ্ছা মতে যদি নামি নাযায়, তেন্তে পুলিচৰ দ্বাৰায় নমাই দিয়া হব।"

"যাক, তাকে কৰক, মই নিজে ইয়াৰ পৰা নামি নাযাওঁ।" বুলি বাপুজীয়েও সমানে খঙেৰেই কলে।

ফল স্বৰূপে অতিশয় ডাঙৰ ঘটনা হ'ল। বৰ ডাঙৰ গাৰে পুলিচৰ কনিষ্টবল এটা মাতি আনি তাৰ হতুৱাই বাপুজীক গাড়ীৰ পৰা নমাই দিলে। লগৰ বস্তুবোৰ দলিয়াই মাটিলৈ যেনি পায় তেনি পেলাই দিবলৈ ধৰিলে। নিৰুপায় হৈ বাপুজী সেই ৰাতিটো সেই ষ্টেচনৰ বিশ্ৰাম কোঠাত জাৰত কঁপি কঁপি বহি থাকিল। তেনেদৰে বহি থকা অৱস্থাত বাপুজীৰ মনলৈ কত ভাব আহিল। বৰ্ণ-বিদ্বেষৰ নমুনা দেখি আতঙ্কিত হ'ল। ভাবিলে ইয়াত ভয় খাই স্বদেশলৈ ঘূৰি যোৱা উচিত হব, নাইবা এই বিষেৰ ব্যাধি সমূলি ধ্বংস কৰিবলৈ চেষ্টা কৰা যাব? ভয়ত পলোৱা কাপুৰুষতা হব। গতিকে যিমান কষ্ট বৰণ আৰু সহ্য কৰি হলেও বৰং ইয়াৰ আওঁৰাবলৈ জোৰ মনে মনে প্ৰতিজ্ঞা কৰিলে।

মনে মনে এইদৰে থিৰ কৰি প্ৰিটোৰিয়ালৈ যাবৰ কাৰণে প্ৰিয়ন্ত

গাড়ালৈ অপেক্ষা কৰিলে। বাতিপুৱা হলত তেওঁ আব্দুল্লা শেঠলৈ এখন টেলিগ্ৰাম কৰি সকলো জনালে আৰু ৰেলওৱে প্ৰধান কৰ্ম্ম-চাৰীলৈ সকলো ঘটনা বৰ্ণনা কৰি টেলিগ্ৰামৰ যোগেই প্ৰতিকাৰ প্ৰাৰ্থনা কৰিলে।

ৰেলৰ কৰ্ত্তৃপক্ষই ইয়াৰ একো ব্যৱস্থা নকৰিলে। ভাৰতীয় লোকৰ বিপক্ষে এনে ঘটনা তাৰ কাৰণে নতুন একো নহয়। গতিকে সেই বিষয়ে মন-কাণ দিবৰ কোনো প্ৰয়োজন আছে বুলি কৰ্ত্তৃপক্ষই নাভাবিলে।

যিহওক, পিচ দিনা সন্ধিয়াৰ সময়ত গাড়ী পাই বাপুজী আকৌ প্ৰিটোৰিয়ালৈ যাত্ৰা কৰিলে। তালৈ যাবৰ হলে চাৰ্লচটাউন ৰেল ষ্টেচনত নামি কিছুমান বাট ঘোৰাৰ গাড়ীৰে যাব লাগে। কিন্তু সেই ঘোৰাৰ গাড়ীৰ ভিতৰত শ্ৰেণী বিভাগ আছিল। বাপুজীৰ প্ৰথম শ্ৰেণীৰ টিকট থকাত গাড়ীৰ ভিতৰত ড্ৰাইভাৰৰ ওচৰতে বহি যাবৰ অধিকাৰ আছিল। কিন্তু ইয়াতো গাড়ীৰ বিশালকায় কণ্ডাক্টাৰ জনে বাপুজীক ভিতৰত বহিবলৈ নিদিলে। বাহিৰৰ আসন এখনত বহিবলৈ দিলে আৰু নিজে বাপুজীৰ নিৰ্দ্দিষ্ট আসনত ভিতৰত সোমাই বহিল।

বাপুজীয়ে ইয়াত কোনো আপত্তি নকৰাকৈ মনে মনে সহি-মৰাহি বহি যাবলৈ ধৰিলে। কিন্তু অলপ সময়ৰ পিচতে কণ্ডাক্টাৰ-জনৰ চুৰুত খাবৰ মন যোৱাত বাহিৰত বহিবৰ প্ৰয়োজন হ'ল। তেওঁ ড্ৰাইভাৰৰ পা-দানিৰ ওচৰত ময়লা থৈলা এটা পাৰি তাতে বাপুজীক বহিবলৈ দিলে।

বাপুজীয়ে এইবাৰ আপত্তি কৰিলে। প্ৰথম শ্ৰেণীৰ টিকট থকাৰ

থলতো এইদৰে অ'ত ত'ত ঠাই সলাই থাকিব লগা হোৱাত বাপুজীৰ ধৈৰ্য্য হেৰাল আৰু উঠি যাবলৈ সন্মত নহল।

বগা চামৰাৰ কণ্ডাক্‌টাৰ জনৰ জীৱনত বোধহয় এনে অভিজ্ঞতা এয়ে প্ৰথম। গতিকে বাপুজীৰ প্ৰতিবাদ সহ্য কৰিব নোৱাৰি খঙত একোনাই হৈ ঘোচা মাৰিবলৈ ধৰিলে আৰু গাড়ীৰ পৰা বগৰাই পেলাবলৈ চেষ্টা কৰিলে।

বাপুজীয়ে তথাপি তাৰ কথামতে চলিবলৈ মান্তি নহল। প্ৰাণক টাকি গাড়ীৰ হাতোৰাত ধৰি ওলমিয়েই যাবলৈ ধৰিলে। ইয়াৰ ওপৰতো বাপুজীৰ ওপৰত অত্যাচাৰ চলা দেখি আন এজন সহযাত্ৰী চাহাবৰ সহ্য নহল। তেওঁ কণ্ডাক্‌টাৰ জনক বাধা দিলে। বাধ্য হৈ সি এৰি দিলেও খঙত কোপাই-জোপাই নানা কটু কথা কবলৈ ধৰিলে। এইদৰে অশেষ নিৰ্য্যাতন সহ্য কৰি বাপুজী প্ৰিটোৰিয়া পালেগৈ।

প্ৰিটোৰিয়া পায়ো লাঞ্ছনাৰ শেষ নাই। আকৌ এটা নতুন লেঠা ওলাল। ক'লা ভাৰতীয় মানুহক কোনো হোটেলত থাকিবলৈ ঠাই দিব নোখোজে। ইটো সিটো হোটেল ঘূৰি ঘূৰি হায়ৰাণ। শেষত এঠাইত আমেৰিকান চাহাবৰ দ্বাৰা পৰিচালিত এটা হোটেলত ঠাই পালে যদিও সৰ্ত্ত হ'ল যে তেওঁ থকা কোঠাতে খাব লাগিব—ৰাজহুৱা ভাৱে খোৱা টেবিলত খাব নোৱাৰে। বাপুজী নিৰুপায় হৈ সেই আশ্ৰয়দাতা জনৰ কথাকে মানি ললে।

তেনেভাবৰ সৰ্ত্ত দিবৰ কাৰণটো অতি বিনয় কৰি হোটেলৰ মালিকজনে পিচত বুজাই দিলে যে হোটেলত বাস কৰা মানুহ সকলোবেই হ'ল ইংৰাজ। এজন ক'লা ভাৰতীয়ক খোৱা ঘৰত দেখি যদি সিবিলাকে কিবা অসদ্ব্যৱহাৰ কৰে তেন্তে বৰ বেয়া কথা হ'ব।

কিন্তু তাৰ পিচত খাবৰ অলপ আগতে সেই হোটেলৱালাজন আহি বাপুজীক জনালে যে উপস্থিত আলহী সকলৰ মতামত তেওঁ ইতিমধ্যে ললে। ইচ্ছা কৰিলে তেখেতে খোৱা ঘৰত সিবিলাকৰে একে লগেও খাব পাৰে। তাত কোনেও আপত্তি নকৰে।

এই কথাত গান্ধীজীয়ে ভাল পালে। খোৱাৰ ঘৰত সকলোৱে সৈতে একেলগে খাই সেই ৰাতিটো তাত কটালে। পিচদিনা দাদা আব্দুল্লাৰ উকীল মিষ্টাৰ এ, ডব্লিউ, বেকাৰৰ লগত দেখা কৰিলে। তেওঁ অতিশয় সদাশয় আৰু ধৰ্ম্মভীৰু লোক আছিল। তেখেতে বাপুজীক আদৰেৰে গ্ৰহণ কৰি থকা ঠাই বিচাৰি ওলাল। ছুয়ো ঘূৰি পকি এজনী ছুখীয়া কটিৱালীৰ ঘৰত থাকিবলৈ দিহা কৰি ললে। ধনৰ বিনিময়ত হলেও যাহওক তেওঁ তাতে আশ্ৰয় পালে।

এঘাৰ

নাটাল ইণ্ডিয়ান কংগ্ৰেছ

বাপুজী শিক্ষিত লোক, বাৰিষ্টাৰ—বিলাত-ফেৰত। তেওঁৰ পোচাক-পৰিচ্ছদ, চলন-ফুৰণ, আদব-কায়দা, কথা-বাৰ্ত্তা নিশ্চয় ভদ্ৰলোকৰ পৰিচায়ক। এওঁৰেই দক্ষিণ আফ্ৰিকাৰ ঠায়ে ঠায়ে এনে লঘু-লাঞ্ছনা ভোগ কৰিব লগাত পৰিছিল। গতিকে দক্ষিণ আফ্ৰিকাৰ কথা জানিবৰ কাৰণে আমাৰ আগ্ৰহ হবই। তাৰ সাধাৰণ ভাৰতীয় সকলৰ কথা অতি চমুকৈ এই খিনিত অলপ কওঁ।

দক্ষিণ আফ্ৰিকা আচলতে আছিল কাফ্ৰিবিলাকৰ দেশ। 'জোৰ যাৰ মুল্লুক তাৰ' বুলি এটা কথা আছে। সেইমতে নিৰীহ কাফ্ৰিবিলাকতকৈ পোনতে বল বেছি হ'ল ওলন্দাজসকলৰ, তাৰ পিচতে ইংৰাজৰ। গতিকে এতিয়া দক্ষিণ আফ্ৰিকা খন হ'ল ইংৰাজৰ।

দেশখনৰ জলবায়ু ভাল আছিল। মাটি আছিল সাৰুৱা, খেতি কৰিলে শস্য হয় প্ৰচুৰ। আহল বহল সুন্দৰ ঠাই আছিল ঘৰ সাজি বাস কৰিবলৈ। গতিকে ই শীঘ্ৰেই ইংৰেজৰ উপনিবেশ স্বৰূপ হৈ উঠিল। কিন্তু হাবি-জঙ্গল ভাঙ্গি, বাট-পথ তৈয়াৰ কৰি, খেতিৰ মাটি উলিয়াই, চহৰ পাতিবলৈ দিহা কৰি লবলৈ তাত মানুহৰ শক্তি লগা হ'ল প্ৰচুৰ। সুবিধা পালে মানুহে পৰৰ মূৰত হাত ফুৰাই খোৱাৰো অভ্যাস আছে চিৰকালেই। বিশেষ স্থানীয় জুলুবিলাকে খেতিৰ কাম নাজানিছিল। গতিকে চকু পৰিল খেতি-প্ৰধান দেশ ভাৰতবৰ্ষলৈ। ভাৰতৰ মানুহে খেতি কৰিব জানে ভাল, কামো কৰিব ভালদৰে। সিহঁতক আমদানি কৰি অনা হওক বুলি সিদ্ধান্ত কৰিলে ইংৰাজসকলে।

সেই সিদ্ধান্ত মতে কাম কৰিবলৈকো বিশেষ অসুবিধা নাছিল। বিদেশী শাসক হিচাবে ইংৰাজী ভাৰত চৰকাৰ আছিলেই। সিবিলাকৰ সহায়ত ভাৰতৰ লোক সকলক নানা প্ৰলোভন দেখুৱাই "গিৰমিটিয়া কুলি" হিচাবে নি কাম কৰাই লবলৈ অসুবিধা একো নহল।

ভাৰতীয় মানুহ বিলাকক বেলেগ প্ৰদেশৰ পৰা "গিৰমিটিয়া কুলি" হিচাবে তালৈ নিয়া হ'ল। এই গিৰমিটৰ ম্যাদ আছিল পাঁচ বছৰ। এই পাঁচ বছৰৰ ভিতৰত কোনো কাৰণতে কোনেও গৰাকীৰ হাতৰ পৰা এৰাই আহিব নোৱাৰে। এনেদৰে "গিৰমিট" লিখি দিবৰ পৰিবৰ্ত্তে এই বনুৱা সকলৰ মালিকে থকা-খোৱাৰ

খৰচৰ উপৰি মাহে এক পাউণ্ড (তেতিয়া চৌদ্ধ টকা) দৰ্ম্মহা পাইছিল। ভাৰত চৰকাৰে নাটাল চৰকাৰক এনে চুক্তিবদ্ধ কৰিছিল যে সেই বনুৱাসকলক তাত স্থায়ীভাবে বসতিৰ দিহা কৰি দিব।

মুঠতে এইকেৰা সুবিধাকে লৈ ভাৰতৰ পৰা হাজাৰ হাজাৰ বনুৱা দক্ষিণ আফ্রিকালৈ আহে। ইয়াৰ অলপ দিন পিচতে বেপাৰ কৰিবৰ মনেৰে তালৈ বোম্বাইৰ মুছলমান আৰু পাৰ্চী ব্যৱসায়ী মানুহ আহিল। এই সকল ব্যৱসায়ীয়ে সুবিধা ঠাই পাই অতি সোনকালে উন্নতি কৰিলে আৰু ক্রমে তাত এখন উপনিবেশ স্থাপিত হ'ল।

এতিয়া ইউৰোপীয় আৰু ভাৰতীয় ব্যৱসায়ী লোকৰ ভিতৰত প্রতিযোগিতা আপোনা-আপুনি হবলৈ ধৰিলে। ভাৰতীয় সকলৰ অভাব কম, আড়ম্বৰ নাই। কিন্তু ইউৰোপীয় ব্যৱসায়ী সকলৰ অভ্যাস তেনে সৰল ধৰণৰ নহয়। গতিকে প্রতিযোগিতাত ভাৰতীয়সকলক বলে নোৱাৰা হ'ল। এই কথাটো ইউৰোপীয়সকলে পোনতে বুজিব পৰা নাছিল। যি সকল লোকক তেওঁলোকৰ নিজৰ সুখৰ কাৰণে আমদানি কৰি আনিলে, এতিয়া তেওঁলোকেই বোজাৰ দৰে হৈ পৰিল। গতিকে এই ভাৰতীয়সকলক কেনেকৈ দক্ষিণ আফ্রিকাৰ পৰা বাহিৰ কৰি খেদাব পাৰে সেয়েহে তেওঁলোকৰ চিন্তা হ'ল।

এনে কথা পেটত ৰাখি এতিয়া ভাৰতীয়সকলক নানা ৰকমে আৰু প্রতিপদে লাঞ্ছনা কৰিবলৈ ধৰিলে। ভাৰতীয় মাত্রেই "কুলি" আখ্যা পালে। লক্ষপতি ভাৰতীয় "কুলি-বণিক", শিক্ষিত ভাৰতীয় "কুলি শিক্ষক", ভাৰতীয় গাওঁ "কুলি গাওঁ" বুলি জনাজাত হ'ল।

ব্যৱহাৰতো হ'ল অতিশয় বিষম। অলপ ইফাল সিফাল বা কিবা কামত ব্যতিক্রম কৰিলে মাৰ-ধৰ কৰে; মানী মানুহক উপেক্ষা আৰু

প্ৰথম শ্ৰেণীৰ টিকট কিনিলেও কেৱল সেই শ্ৰেণীত যাবলৈ নিদিয়ে ; এনেকি বাটত যাওঁতে “ফুট-পাথেদি” যাব নোৱাৰে, নামি যাব লাগে ইত্যাদি ৰকমে ভাৰতীয় লোকসকলৰ প্ৰতি যি ব্যৱহাৰ, বৰ্ত্তমান যুগত বিশেষতঃ সুসভ্য ইংৰাজৰ পৰা এনে ব্যৱহাৰ নিশ্চয় কলঙ্কৰে ছবি বা কথা।

দক্ষিণ আফ্ৰিকাৰ ট্ৰান্সভাল, নাটাল আৰু অৰেঞ্জ ফ্ৰি ষ্টেট এই তিনি ঠাইতে ভাৰতীয় সকলৰ উপনিবেশ আছিল। বাপুজী যাবৰ আগতে ফ্ৰি ষ্টেটৰ গবৰ্ণমেণ্টে ভাৰতীয় সকলক খেদাই দিলে। তেওঁলোকে যি সম্পত্তি তেজক পানী কৰি উপাৰ্জ্জন কৰিছিল সেই সম্পত্তি বা বেপাৰ-বণিজ এৰি গুছি আহিবলৈ বাধ্য হ'ল। এতিয়া তেওঁ গৈ দেখে যে ট্ৰান্সভাল আৰু নাটালৰ পৰাও ভাৰতীয় সকলক খেদাই দিবলৈ ইউৰোপীয়সকলে তলে তলে আয়োজন কৰি আছে।

প্ৰিটোৰিয়া পাই বাপুজীয়ে দেখা পালে যে ভাৰতীয়সকলৰ কাৰণে তাত মান-মৰ্য্যাদা নাই আৰু তেওঁলোকৰ কাৰণে কোনেও অলপো নাভাবেই। তদুপৰি ভাৰতীয়সকলক যি অভদ্ৰ ব্যৱহাৰ কৰে আৰু ক'লা ভাৰতীয় বুলি বৰ্ণ-বিদ্বেষৰ চূড়ান্ত ঘিণ আৰু বিদ্বেষ কৰে তাৰ অন্ত নাই।

এনে অৱস্থা দেখি বাপুজী অতিশয় ব্যথিত হ'ল। জাতীয় মান-সম্মান ৰক্ষাৰ নিমিত্তে প্ৰবাসী ভাৰতীয়সকলৰ ভিতৰত এটা সংঘ স্থাপন কৰিলে। ইমান দিনে ছেদেলি-ভেদেলি হৈ পৰি থকা ভাৰতীয় লোকসকলে এজন উপযুক্ত নেতা পালে আৰু তেওঁৰ তলত একেলগ হৈ বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে ইউৰোপীয়সকলৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ সংকল্প কৰিলে। সিবিলাকে স্থিৰ কৰিলে উপযুক্ত

কর্ত্তৃপক্ষৰ ওচৰত ভাৰতীয় অভিযোগবিলাক যথাৰীতি দাঙ্গি ধৰি তাৰ প্ৰতিকাৰ প্ৰাৰ্থনা কৰিব।

ইতিমধ্যে বাপুজীয়ে ইয়াতো যি অভিজ্ঞতা লাভ কৰিলে তাত মৰ্ম্মাহত নহৈ নোৱাৰিলে। ৰাতি ন বজাৰ পিচত কোনো ভাৰতীয়ই বাহিৰত ফুৰিব নোৱাৰে। কাৰোবাৰ বিশেষ দৰকাৰ থাকিলে আগেয়েই কৰ্ত্তৃপক্ষৰ অনুমতি পত্ৰ লব লাগে। কোনো চাহাবৰ চাকৰে ৰাতি ওলাব লাগিলেও গৰাকীৰ পৰা লিখাই নিব লাগিছিল।

বাপুজীৰ সদায় পুৱা ফুৰা অভ্যাস। তাতো এদিন পুৱা প্ৰেচিডেণ্ট ক্ৰুমাৰৰ ঘৰৰ ওচৰেদি যোৱা বাটেদি ফুৰোঁতে বুয়ৰ জাতিৰ পাহাৰাৱালা এটাই বাপুজীক গোৰ মাৰি ফুট-পাথৰ পৰা পেলাই দিলে। বাপুজীয়ে আৰু লাঞ্ছনা সহিবৰ আগতে হঠাতে তেওঁৰ ইংৰাজ বন্ধু বেট্‌স্ আহি সেই ঠাইত উপস্থিত হ'ল। বাপুজীৰ দুৰ্দ্দশা দেখি তেখেতে সেই পাহাৰাৱালাটোক ধমক দি আঁতৰাই দিলে। পিচত বাপুজীক কলে যে আপুনি ইয়াৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰক, মই সাক্ষী দিম।

কিন্তু বাপুজীয়ে প্ৰতিশোধ লোৱা ভাবেৰে মোকৰ্দ্দমা নকৰিলে, নীৰৱে সেই অপমান সহ্য কৰিলে।

বাপুজীয়ে আচলতে জাতীয় অপমানৰ কাৰণেহে চিন্তিত হৈছিল, নিজৰ কাৰণে নহয়। কিন্তু তাৰ বিৰুদ্ধে প্ৰকাশ্যভাবে থিয় দিবৰ সুযোগো তেখেতে পোৱা নাই। যি কামত তেওঁ আহিছে সেই কাম পিচ পেলাই আন কাম হাতত লোৱা বেয়া হব বুলি নিজেই স্থিৰ কৰিলে আৰু যি সত্ত্ব স্থাপন কৰিছিল তাৰ কাম আমৰ

হাতত ভাগ কৰি বিলাই দিলে। ভাবিলে দুটা ডাঙৰ কাম একেলগে হাতত ললে এটাও ভালদৰে কৰিব নোৱাৰিব।

গতিকে বাপুজীয়ে মোকৰ্দ্দমাৰ কথাতহে বিশেষ মন দিলে। দুয়োটা ভাৰতীয় কোম্পানী হোৱাত আপোছে মিট্‌মাট্‌ কৰাৰ ইচ্ছা বাপুজীৰ তলে তলে মনত ৰবকৈ খেলিছিল। তেওঁৰ সেই চেষ্টা এবছৰৰ পিচত ফলিয়ালে। আপোছে মোকৰ্দ্দমা মিটমাট হ'ল। বাপুজীয়ে মনত খুব শান্তি অনুভব কৰিলে।

এতিয়া তেওঁ প্ৰিটোৰিয়াৰ পৰা আকৌ নাটালৰ ডাৰ্বানলৈ ঘূৰি আহিল আৰু সোনকালে স্বদেশলৈ ঘূৰি যাবলৈ আয়োজন কৰাত মন দিলে।

ইয়াৰ ভিতৰতে বাপুজীৰ নাম দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সমাজত ভালদৰে জনাজাত হৈ পৰিল। তেওঁৰ স্পষ্টবাদিতা, সাহস আৰু সৰল জীৱন-যাপন দেখি সকলো মুগ্ধ হৈছিল। গান্ধীজী স্বদেশলৈ যাবগৈ বুলি শুনি সকলোৱে মনে মনে বেয়া পাইছিল আৰু সকলোৱে মিলি তেওঁক বিদায় ভোজ দি সম্বৰ্দ্ধনা জনাবলৈ দিহা কৰিলে আৰু সেই ভোজলৈ নিমন্ত্ৰণ কৰিলে।

দক্ষিণ আফ্ৰিকাত প্ৰবাসী গণ্য-মান্য বহুতো ভদ্ৰলোক গোট খালে। তেনেতে তাৰ ভিতৰৰে এজনে বাপুজীৰ হাতত "নাটাল মাৰকিউৰি" নামে এখন বাতৰি কাকত দিলে।

বাপুজীয়ে পঢ়ি জানিব পাৰিলে যে নাটাল গভৰ্ণমেণ্টে আইন সভাৰ যোগে এখন আইন পাছ কৰাৰ খুজিছে। সেইখন আইনত পৰিণত হলে ভাৰতীয় সকলৰ স্বাৰ্থ বিশেষভাৱে ব্যাহত হব— ব্যৱস্থাপক সভালৈ ভাৰতীয় সকলে আৰু কোনো প্ৰতিনিধি

নিৰ্ব্বাচন কৰি পঠাব নোৱাৰিব। সেয়ে হলে তাত এতিয়া যি কণ সুবিধা আছে তাৰো মুধা মৰে।

তাত গোটখোৱা লোকসকলে বাপুজীক অনুৰোধ কৰিলে যে তেখেত যেন আৰু কিছুদিন তাতে থাকে আৰু নাটাল গভৰ্ণমেণ্টৰ বিদ্বেষমূলক এই প্ৰচেষ্টাত যথাশক্তি বাধা দি ভাৰতীয় সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে যেন যত্নবান হয়। বাপুজী এই কথাত সন্মত হ'ল আৰু সাম্প্ৰতিকৰ বাবে স্বদেশলৈ যোৱা স্থগিত ৰাখিলে।

বাপুজীয়ে গভৰ্ণমেণ্টৰ দুৰভিসন্ধিপূৰ্ণ প্ৰচেষ্টাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি এখন দৰখাস্ত লিখিলে আৰু তাত ভাৰতীয় মানুহৰ চহী দিয়ালে। এই চহী সংগ্ৰহ কৰিবলৈ এদল স্বেচ্ছাসেৱক নিযুক্ত কৰা হৈছিল।

যথাৰীতি আৰু যথাস্থানত এই দৰ্খাস্তখন দিয়া হ'ল কিন্তু দুঃখৰ কথা যে তাত কোনো ফল নধৰিলে। যথাসময়ত ভাৰতীয় সকলৰ স্বাৰ্থ-বিৰোধী আইন পাছ হ'ল।

সকলোৱে তেতিয়া বাপুজীক তাতে কিছুদিন অন্ততঃ থাকিবলৈ অনুৰোধ জনালে; কাৰণ তেওঁলোকৰ বিশ্বাস যে একমাত্ৰ গান্ধীয়েহে ইংৰাজৰ বিপক্ষে থিয় দি ভাৰতীয় সকলৰ হৈ সংগ্ৰাম চলাবলৈ সমৰ্থ। সেইমতে ১৮৯৪ চনত দাদা আব্দুল্লাৰ ঘৰতে এখন মহতী সভাত "নাটাল ইণ্ডিয়ান কংগ্ৰেছ"ৰ জন্ম হ'ল, আৰু সেই কংগ্ৰেছৰ প্ৰথম সম্পাদক হল গান্ধীজী।

দক্ষিণ আফ্ৰিকালৈ আহোঁতে গান্ধীজীৰ লগত দাদা আব্দুল্লাৰ যি চুক্তি আছিল এতিয়া তাৰ ম্যাদ অন্ত হ'ল। বাপুজীয়ে এতিয়া ইয়াত থাকিবৰ হলে উপাৰ্জ্জনৰ বাট মুকলি কৰি লৈ সেই আইন ব্যৱসায়তে

মনপুতি ধৰিব লাগিব। কোনো কোনো বন্ধুৱে গান্ধীজীক জনসেৱক হিচাবে মাহে কিছু দৰ্মহা দিবলৈকো প্ৰস্তাৱ কৰিলে কিন্তু গান্ধীজীয়ে গ্ৰহণ কৰিবলৈ অসম্মত হ'ল ; কাৰণ তেওঁৰ মতে জনসেৱা কৰি তাৰ বিনিময়ত ফুটা কড়ি এটা লোৱাও অসঙ্গত। তেতিয়া স্থিৰ হ'ল যে বাপুজীয়ে আইন ব্যৱসায় কৰিব আৰু ভাৰতীয় সকলে তেখেতক বাৰিষ্টাৰ নিযুক্ত কৰিব।

গান্ধীজী এই ব্যৱস্থাত উৎসাহী হৈ বাৰিষ্টাৰী কৰিবলৈ আবেদন কৰিলে। কিন্তু স্থানীয় ইংৰাজ বাৰিষ্টাৰ সকলে ইয়াত বাধা সৃষ্টি কৰিলে। সৌভাগ্যবশতঃ বিচাৰপতিয়ে গান্ধীজীৰ আইন ব্যৱসায় কৰাত একো দোষ দেখা নাপাই বাৰিষ্টাৰ সকলৰ বাধা নামানি গান্ধীজীক বাৰিষ্টাৰী কৰিবলৈ অনুমতি দিলে। অলপ দিনৰ ভিতৰতে গান্ধীজীয়ে বাৰিষ্টাৰীতো যথেষ্ট খ্যাতি আৰু প্ৰতিপত্তি লাভ কৰিলে।

বাৰিষ্টাৰী কৰিলেও বাপুজীয়ে "নাটাল ইণ্ডিয়ান কংগ্ৰেছ"ৰ যি কাম তালৈ একেবাৰে পিঠি দিয়া নাছিল। ভাৰতীয় সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ইংৰাজ সকলৰ অন্যায়ৰ বিৰুদ্ধে আন্দোলন কৰাই ইয়াৰ মাই লক্ষ্য আছিল আৰু সেইমতে কাম কৰিছিল।

এনে সময়তে এটা ঘটনাৰ ফলত তাত থকা বনুৱাসকলো কংগ্ৰেছৰ সাহায্যৰ পক্ষপাতী হৈ উঠিল আৰু নেতা হ'ল গান্ধীজী।

বালাসুন্দৰম্ নামে এজন মাদ্ৰাজী বনুৱা এদিন গান্ধীজীৰ ওচৰলৈ আহিল। সি আছিল এজন ইংৰাজৰ "গিৰমিটীয়া কুলি"। অতি অলপ দোষতে সেই মালিক ইংৰাজ জনে তাক বৰকৈ মাৰ-ধৰ কৰিলে। তেতিয়াও তাৰ মুখৰ পৰা তেজ ওলাইছে, গোটেই গাতে

কৰাৰ দাগ আৰু ঘা, তদুপৰি পিন্ধা কাপোৰ কানিবোৰ তেজেৰে ৰাঙলি!

তাৰ এনে শোচনীয় অৱস্থা দেখি গান্ধীজী অতিশয় বিচলিত হ'ল। তেতিয়া বালাসুন্দৰমৰ হৈ পুলিচত দৰ্খাস্ত দিলে। তাৰ পিচত বালাসুন্দৰমৰ সেই কাঠচিতীয়া মালিক জনলৈ লিখিলে, "যদিহে তেওঁৰ গিৰমিট আন এজনৰ নামে দিবলৈ ৰাজী হয় তেতিয়া হলে তেওঁৰ বিৰুদ্ধে কৰা মোকৰ্দ্দমা এৰি দিব।"

এই কথাত সেই মালিক ৰাজী হ'ল। এনে নিষ্ঠুৰ মালিকৰ হাতৰ পৰা বালাসুন্দৰম্ মুকলি হ'ল আৰু এজন মৰমিয়াল মালিকৰ লগত চুক্তি কুলি হৈ কামত সোমাল।

ইয়াৰ পৰাই সকলো বন্ধুৱাই বুজিলে যে আপদে বিপদে কংগ্ৰেছেই তেওঁবিলাকৰ একমাত্ৰ বন্ধু আৰু সকলো অভাৱ-অভিযোগ কংগ্ৰেছৰ ওচৰতে কৰা উচিত। গতিকে গান্ধীজী তথা কংগ্ৰেছৰ ওচৰলৈ নিতে অভিযোগ আহিবলৈ ধৰিলে। এইদৰেই কংগ্ৰেছৰ প্ৰতিপত্তি বাঢ়ি গ'ল আৰু অনতিপলমে কংগ্ৰেছ ভাৰতীয় জাতীয় প্ৰতিষ্ঠানত পৰিণত হল। আফ্ৰিকাত ছেদেলি-ভেদেলি হৈ থকা ভাৰতীয় সকল এতিয়াৰ পৰা এজনৰ নেতৃত্ব আৰু একেটা প্ৰতিস্থানৰ তললৈ আহিল।

তিনি বছৰ কংগ্ৰেছৰ চেক্ৰেটাৰী হিচাবে গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত থাকি কাম চলালে আৰু "নাটাল ইণ্ডিয়ান কংগ্ৰেছ"ক এটা শক্তিশালী প্ৰতিস্থান ৰূপে গঢ় দি ১৮৯৬ খৃষ্টাব্দত ভাৰতলৈ আহিবলৈ মন কৰিলে।

গান্ধীজীৰ আদমজী মিঞা খান নামে এজন সহকৰ্ম্মী বন্ধু আছিল।

তেখেতেই গান্ধীজীৰ ঠাইত কংগ্ৰেছৰ সম্পাদক নিযুক্ত হ'ল। শুভদিনত গান্ধীজীয়ে ভাৰত অভিমুখে জাহাজত উঠি যাত্ৰা কৰিলে।

জাহাজতো গান্ধীজীয়ে সময়ৰ সদ্ব্যৱহাৰ কৰিছিল। এই সময়তে তেওঁ মাদ্ৰাজী আৰু উৰ্দ্দু ভাষা শিকিবলৈ ধৰে। চৌবিছ দিন জাহাজত অহাৰ পিচত তেওঁ নিজ দেশত পদাৰ্পণ কৰিলে।

বাৰ

স্বদেশৰ পৰা পুনৰ আফ্ৰিকা

দক্ষিণ আফ্ৰিকাৰ বাপুজীৰ কীৰ্ত্তি-কাহিনীবোৰ ইতিমধ্যেই ভাৰতবৰ্ষত প্ৰচাৰিত হৈছিল। সেইকাৰণে তেওঁ আহি ভাৰতবৰ্ষ পোৱাৰ লগে লগে জনসাধাৰণ আনন্দিত হৈ উঠিল আৰু বেলেগ বেলেগ ঠাইত অভ্যৰ্থনা কৰিবলৈ আয়োজন কৰিলে।

বহুত দিনৰ পিচত লৰা-তিৰোতাৰ লগলৈ আহিলেও তেওঁ একে ঠাইতে সৰহ দিন থাকিব পৰা নাছিল। বোম্বাই, পুনা, মাদ্ৰাজ, কলিকতা প্ৰভৃতি ঠাইত সভা-সমিতি হ'ল আৰু তাত যোগ দিবলৈ তেওঁ যাব লগাত পৰিল। তেওঁ সেই সভাবিলাকত নিজৰ তিক্ত অভিজ্ঞতা আৰু দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় সকলৰ অৱস্থা বৰ্ণনা কৰি জনালে। বেলেগ বেলেগ ঠাইত তেওঁ মুখিয়াল লোকসকলক লগ-ধৰি দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকসকলৰ অৱস্থা নিজ

অভিজ্ঞতাৰ কথাবে বুজাই কৈছিল। ঠায়ে ঠায়ে যাওঁতে বাতৰি কাকতৰ সম্পাদক সকলক লগ ধৰি সকলো কথা কৈ সেইবোৰ বিষয়ত জনমত গঠন কৰিবৰ কাৰণে প্ৰচাৰৰ বাবে অনুৰোধ কৰিছিল। এইদৰে বোম্বাইত চাৰ ফিৰোজ শ্বাহ মেহতাৰ লগত, পুণাত লোকমান্য গঙ্গাধৰ তিলক আৰু গোপাল কৃষ্ণ গোখেলৰ লগত, কলিকতাত চাৰ সুৰেন্দ্ৰনাথ বেনাৰ্জ্জী আৰু শ্ৰীবিপিনচন্দ্ৰ পালৰ লগত দেখা দি পৰিচিত হয় আৰু সকলো কথা জনায়।

বাপুজীক অভ্যৰ্থনাৰ কাৰণে মাদ্ৰাজত যি ৰাজহুৱা সভা হৈছিল তাত তেওঁ বালাসুন্দৰমৰ ঘটনাটো সবিস্তাৰে বৰ্ণনা কৰিলে। তাৰ পৰাই সকলোৱে বুজিব পাৰিলে দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ সম্প্ৰদায়ে ভাৰতীয় সকলক কেনেকৈ ব্যৱহাৰ কৰে। তাৰ পিচত পুণা, বোম্বাই, কলিকতা প্ৰভৃতি ঠাইতো বাপুজীয়ে বক্তৃতাৰে দক্ষিণ আফ্ৰিকাত তেওঁৰ যি অভিজ্ঞতা সেই বিষয়ে বুজাই সবিস্তাৰে কলে। কাগজে-পত্ৰয়ো প্ৰবন্ধ লিখিলে। এইদৰে দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় লোকসকলৰ দুখ-দুৰ্দ্দশাৰ কাহিনী শুনি ভাৰতত তুমুল ক্ষোভৰ সঞ্চাৰ হ'ল আৰু তাৰ বিৰুদ্ধে তীব্ৰ জনমত গঢ়ি উঠিল।

সিকালে দক্ষিণ আফ্ৰিকাৰ শ্বেতাঙ্গ সমাজতো বাপুজীৰ বিৰুদ্ধে আন্দোলন উগ্ৰ হৈ উঠিছিল। ৰয়টাৰৰ বাতৰি যোগনিয়াৰে প্ৰকাশ কৰিলে যে “গান্ধীজী ভাৰতলৈ আহি প্ৰচাৰ কৰি ফুৰিছে যে নাটালৰ ভাৰতীয় সকলক চাহাব সকলে ভীষণ মাৰধৰ কৰে আৰু লুটপাটো কৰে, পশুৰ দৰে ব্যৱহাৰো কৰে। তথাপি তেওঁলোকক এনেদৰে বধা হৈছে যে এনে অত্যাচাৰৰ প্ৰতিবিধান কৰিবলো নোৱাৰেই, প্ৰতিকাৰ পাবলো উপায় নাই।” ৰয়টাৰৰ এনে বাতৰি পঢ়ি নাটালৰ চাহাব

মহলৰ ভিতৰত চাঞ্চল্যৰ সৃষ্টি হয় আৰু সভাসমিতি পাতি তাৰ তীব্ৰ প্ৰতিবাদ কৰে। মুঠতে গান্ধীজীৰ প্ৰতি সিখিলাকৰ বিদ্বেষ তীব্ৰ হৈ উঠে।

এই যাত্ৰাত বাপুজী ভাৰতবৰ্ষত মাথোন ছমাহ মানহে থাকিবলৈ পালে। এনেতে নাটালৰ পৰা ভাৰতীয় অধিবাসীসকলে সোনকালে তেখেত বিশেষ কাৰণত ঘূৰি যাব লাগে বুলি জৰুৰী বাতৰি পঠালে। বাপুজীয়ে অনুমান কৰিলে যে তাত তেওঁৰ উপস্থিতিৰ বিশেষ প্ৰয়োজন, নহলে এনেদৰে তেওঁক কিয় মাতিব। গতিকে পলম নকৰি শীঘ্ৰে যোৱাই উচিত বুলি তেওঁ তালৈ যাবলৈ সিদ্ধান্ত কৰিলে।

এইবাৰ তেওঁ লগত নিজৰ পৰিবাৰ কস্তুৰীবাই আৰু সৰু লৰা দুটিকো ললে। দাদা আব্দুল্লা শেঠৰ নতুনকৈ লোৱা "কুৰলেণ্ড" নামৰ জাহাজত যোৱাৰ সকলো দিহা কৰি তাতে উঠিল আৰু সেই ১৮৯৬ চনৰ ডিচেম্বৰ মাহৰ ১৮ তাৰিখে ডাৰ্বান বন্দৰ আহি পালে।

ডাৰ্বানৰ এটৰ্ণি জেনেৰেল মিঃ এসকম্বে চাহাবে জানিলে যে গান্ধীজী জাহাজৰ পৰা নমা মাত্ৰকে ইউৰোপীয় চাহাব সকলে পাৰিলে তেওঁক বধ কৰিব। সেইকাৰণে তেওঁ চৰকাৰৰ পৰা এনে হুকুম কৰাই জাহাজৰ কাপ্তেনলৈ খবৰ পঠালে যে গভৰ্ণমেণ্টৰ হুকুম নহয় মানে জাহাজ বন্দৰত লাগিব নোৱাৰে। সেই অনুযায়ী "কুৰলেণ্ড" কেইবা দিনো পানীৰ মাজতে থাকিব লগাত পৰিছিল।

চাহাব সকলৰ গান্ধীজীৰ বিপক্ষে উত্তেজিত মনোভাবৰ কথা ডাৰ্বানৰ প্ৰায় সকলোৱেই জানিছিল। গতিকে গান্ধীজীৰ পক্ষৰ লোকসকল সতৰ্ক আছিল। কেইটামান দিনৰ পিচত কাপ্তেনৰ পৰ্য্যন্ত আপত্তিত গভৰ্ণমেণ্টে জাহাজ বন্দৰত লগাবলৈ হুকুম দিলে।

আগৰে পৰা আলচি ঠিক কৰা মতে গান্ধীৰ পৰিবাৰ আৰু লগৰ লৰা দুটিক আগতে নমাই লৈ যোৱা হ'ল আৰু বন্ধু মিঃ রুস্তমজীৰ ঘৰতে ৰাখিবৰ দিহা হ'ল। মিঃ লাফ্টন এজন উকীল আৰু গান্ধীজীৰ বন্ধু। তেওঁৰ পৰামর্শত আৰু সহায়ত গান্ধীজীক সন্ধ্যা সময়ত নমাই নিবৰ কথা আছিল। কিন্তু তেনে চোৰাংকৈ নামিবলৈ বাপুজীয়ে অস্বীকাৰ কৰিলে। তেওঁৰ মতে সেইটো কাপুৰুষতাৰে পৰিচয় হয় আৰু দোষ স্বীকাৰ কৰাও বুজায়। তেওঁ বিপদৰো সম্মুখীন হৈ নিজৰ নির্দোষীতা দেখুৱাবৰ কাৰণে আবেলিতে জাহাজৰ পৰা নামিবৰ কথা খাতাং ভাবে জনালে।

মানুহৰ সংখ্যা তেতিয়া কমিছে। মিঃ লাফ্টনে গান্ধীজীক লগত লৈ জাহাজৰ পৰা নামি আগুৱাই যাবলৈ ধৰিলে। অলপ সময়ৰ পিচতে তাত তেতিয়াও গোট খাই থকা মানুহে গান্ধীজীক চিনি পালে। ভতালিকে চাৰিওকালে চিঞৰ-বাখৰ লগাই তেওঁক আক্রমণ কৰিবলৈ আগ বাঢ়িল। অকল মিঃ লাফ্টনে কি কৰিব? পোনতে তেওঁকে গৰা মাৰি ধৰি আঁতৰাই নিলে। ইফালে যেয়ে যিমান পাৰে গান্ধীজীক মাৰিবলৈ আৰম্ভ কৰিলে। চৰ, ঢোচা, ভুকু, কিলৰ উপৰিও পঁচা কণী গালৈ মাৰি, ইটাৰ চপৰা দলিয়াই নগুৰনাগুৰ কৰিবলৈ ধৰিলে। গান্ধীজী মৰাৰ দৰে মাটিতে বাগৰি পৰিল।

এনেতে যেন দৈব প্রেৰিত ভাবেই সেই ঠাইত হঠাতে মিচেচ্ আলেকজেণ্ডাৰ, পুলিচ চুপাৰিন্টেণ্ডেণ্টৰ পৰিবাৰ ফুৰিবলৈ সেই বাটেই আহি এনে কাণ্ড দেখি তৎক্ষণাৎ গান্ধীজীক ৰক্ষা কৰিবৰ কাৰণে নিজৰ ছাতিটো মেলি ঢাকি ধৰিলে আৰু নিজেও এনেভাবে গান্ধীজীক আগুৰি ললে যে তেওঁক আঘাত নকৰাকৈ গান্ধীজীক

একো কৰিব নোৱাৰে। এনে সময়তে খবৰ পাই পুলিচ চাহাব নিজেও বহুতো চিপাহী লগত লৈ তেওঁক ৰক্ষাৰ কাৰণে সেইখিনি পায়হি। পুলিচ চাহাবে অতি কৌশলেৰে গান্ধীজীৰ প্ৰাণ এই যাত্ৰাটো ৰক্ষা কৰি দিলে। সেই কৌশল আন একো নহয়—ছদ্মবেশ পিন্ধালে গান্ধীজীক—চিপাহীৰ পোছাক। নতুবা ইমানবোৰ মানুহৰ মাজৰ পৰা কেজনমান চিপাহীয়ে একৰাই নিয়ে কেনেকৈ ?

মুঠতে মিঃ আলেকজেণ্ডাৰ আৰু তেখেতৰ সহধৰ্ম্মিনৰী মহাপ্ৰাণতাৰ কাৰণে এইবাৰলৈ বাপুজীৰ জীৱন সেই দুৰ্দ্দান্ত আক্ৰমণকাৰী সকলৰ হাতৰ পৰা ৰক্ষা পৰিল।

এই বাতৰি প্ৰকাশ হৈ ওলোৱাত চাৰিওফালে চঞ্চল হৈ উঠিল। সেই সময়ৰ ভাৰতমন্ত্ৰী মিঃ চেম্বাৰলেনেও এনে ঘটনাত দুঃখ প্ৰকাশ কৰিলে আৰু আক্ৰমণকাৰী সকলৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ নাটাল গভৰ্ণমেণ্টক নিৰ্দ্দেশ দিলে। ইফালে মিঃ লাফ্‌টন আৰু মিঃ এচ্‌কম্বেয়ো গান্ধীজীক আক্ৰমণকাৰী সকলৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰিবলৈ উপদেশ দিলে। গান্ধীজীয়ে উত্তৰ দিলে, "মই কাৰো বিৰুদ্ধে কোনো মোকৰ্দ্দমা নকৰোঁ। মোক যদি সবল ভাবে কবলৈ দিয়ে তেন্তে মই কওঁ যে ইয়াৰ বাবে দেশৰ নেতৃ-স্থানীয় লোকসকল আৰু আপনালোকেই দোষী। ইচ্ছা কৰা হলে আপোনালোকৰ দেশৰ মানুহক ঠিক বাটেদি পৰিচালনা কৰিব পাৰিলেহেঁতেন ; কিন্তু তাকে নকৰি আপোনালোকেও ৰয়টাৰৰ খবৰকে বিশ্বাস কৰিছিল আৰু মনে মনে ভাবিছিল যে মই যথাৰ্থতে সেই অতিৰঞ্জিত কথাবোৰ কৈছিলোঁ। মোৰ দৃঢ় বিশ্বাস যে আচল সত্য কথা প্ৰকাশ হলে তেওঁলোকে তেওঁলোকৰ কামৰ বাবে নিজেই দুঃখিত হব।"

শেহত গান্ধীজীৰ অনুমানেই সঁচা হ'ল। "নাটাল এড্ভাৰ্টাই-জাৰ" কাকতৰ এজন প্ৰতিনিধি এদিন গান্ধীজীৰ লগত দেখা কৰিবলৈ আহি তেওঁৰ আটাইবোৰ বক্তৃতা আৰু প্ৰবন্ধৰ নকল দেখুৱালে। তেতিয়া কাৰো বুজিবলৈ বাকী নাথাকিল যে ৰয়টাৰৰ বাতৰিত বহুতো জোৰা দিয়া কথাৰে ভৰি আছিল।

এই প্ৰতিনিধিজনৰ যহতে ডাৰ্বানৰ শ্বেতাঙ্গ সমাজে সকলো কথাৰ প্ৰকৃত তথ্য বুজি পালে। তদুপৰি তেওঁবিলাকে শুনিলে যে কৰ্তৃপক্ষৰ অনুৰোধতো গান্ধীজীয়ে আক্ৰমণকাৰী সকলৰ বিপক্ষে প্ৰতিশোধ লবলৈ কোনো পন্থাকে অবলম্বন কৰিবলৈ অস্বীকাৰ কৰিলে। এই কথাত সকলো আচৰিত হ'ল। এতিয়া তেওঁবিলাকে নিজৰ ভুল ধাৰণা আৰু গৰ্হিত আচৰণৰ কাৰণে নিজে লাজ পালে আৰু অনুতাপত নিজৰ মন দহি যাবলৈ ধৰিলে। আনকালে এনেকুৱা নতুন আচৰণত তেওঁৰ সহজে ইমান কষ্ট আৰু অপমান সহিব পৰা শক্তি দেখি তেওঁলোকৰ বিস্ময়ৰ সীমা নাথাকিল।

গান্ধীজীৰ এই চৰিত্ৰবল আৰু নৈতিক আদৰ্শই শ্বেতাঙ্গসকলৰ চকু মুকলি কৰিলে। চৰিত্ৰবলৰ ঘাই কথা হ'ল ক্ষমা আৰু ধৈৰ্য্য আৰু অসাধাৰণ মহত্বই হল—অহিংসা।

তেৰ

বুয়ৰ যুদ্ধত—ৰাজভক্তি

মহৎলোকৰ থাই গুণ হ'ল—সিবিলাকে যি কাম কৰে তাক ধন-প্ৰাণ দি ভালদৰে খৰচি মাৰি কৰে। একালে যেনেকৈ ভাৰতীয় সকলৰ ওপৰত প্ৰবাসী ইংৰাজ সকলৰ যি বিদ্বেষ আৰু ঘৃণাভাব বা অত্যাচাৰ তাৰ পৰা মুক্ত কৰিবলৈ বাপুজীৰ আপ্ৰাণ চেষ্টা, তেনেকৈ সেই ইংৰাজ সকলৰ দুৰ্দ্দিনতো তেওঁ সিবিলাকক যথাসাধ্য সহায় কৰিবলৈ থিয় হোৱাই কৰ্ত্তব্য বুলি স্থিৰ কৰিলে। সেৱাপৰায়ণ অন্তৰত শত্ৰু-মিত্ৰ বুলি কোনো ভেদ জ্ঞান নাথাকে বুলি কিতাপত পঢ়া আদৰ্শৰ কথা এতিয়া বাপুজীয়ে হাতে-কামে দেখুৱালে। এই কথাত বেছিকৈ আচৰিত হৈছিল তেতিয়ালৈকে বিপক্ষ আৰু বেলেগ ভাব লৈ থকা তাৰ প্ৰবাসী ইংৰাজসকল।

দক্ষিণ আফ্ৰিকাৰ ট্ৰান্সভাল আৰু অৰেঞ্জ ফ্ৰি ষ্টেট তেতিয়াও বুয়ৰ সকলৰ অধীনত আছিল। নানা কাৰণত এওঁবিলাকৰ লগত ইংৰাজ সকলৰ মনোমালিন্য ঘটে। পৰাক্ৰমী ইংৰাজ সকলে এনে কথাত বিষম পালে আৰু ইংৰাজী ১৮৯৯ চনত বুয়ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এয়ে বুয়ৰ যুদ্ধ। দেশত যুদ্ধৰ অৱস্থা অতিশয় বিপদ বুলিয়েই গণ্য হয়। গতিকে যুদ্ধ ঘোষণা কৰি ইংৰাজেই আক্ৰমণকাৰী হলেও ইয়াৰ ফলত ঘৰে ঘৰে অশান্তি, পদে পদে বিপদৰ সূচনা হ'ল; ধনী-দুখীয়া, ডাঙৰ-সৰু সমানে বিপায় অৱস্থাত পৰিল।

এই বিপন্ন অৱস্থাত গান্ধীজীয়ে ৰাজভক্ত প্ৰজা হিচাবে নিজ কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিবলৈ অলপো সময় নললে। নাটাল ইংৰাজৰ অধীন। গতিকে ইংৰাজৰ প্ৰজা হৈ তেওঁ যি পাৰে এই বিপদত সহায় কৰাকে স্থিৰ কৰিলে। গান্ধীজীৰ অতীত তিতা অভিজ্ঞতা পাহৰি এতিয়া বিপন্নক সহায় কৰা নীতি অনুসৰণ কৰাই শ্ৰেষ্ঠ বিবেচনা কৰিলে। বিশেষকৈ আৰু এটা কথাই বাপুজীৰ মনত খেলাইছিল। সেইটো হৈছে, সকলোৱেই ভাৰতীয় মানুহক ভীৰু আৰু অকামিলা বুলি অন্তৰে অন্তৰে উপেক্ষা কৰিছিল। এই ছেগতে তেওঁ ভাৰতীয় মানুহৰ কৰ্ম্মকুশলতা দেখুৱাবলৈ পেটে পেটে পঙ্গাও মিছা নহয়।

সেই অনুযায়ী তেওঁ এটা "স্বেচ্ছাসেৱক বাহিনী" গঠন কৰিলে—এই বাহিনীয়ে যুদ্ধত আহত সৈন্য সকলৰ শুশ্ৰূষা কৰাৰ আৰু মৰিলে সৎকাৰ কৰাৰ ব্যৱস্থা হাতত ললে। এই বাহিনীত বাপুজীয়ে নিজে অধ্যক্ষতা কৰিবলৈ ওলাল আৰু সকলো আয়োজন সম্পূৰ্ণ কৰি বৃটিচ সেনাধ্যক্ষৰ ওচৰলৈ আবেদন জনালে; কাৰণ তেখেতৰ বিনা হুকুমে যেয়ে সেয়ে যুদ্ধ ক্ষেত্ৰলৈ যাব নোৱাৰে, কাম কৰাৰটো কথাই নাই। এই আবেদন পাই সেনাধ্যক্ষই পোনতে গ্ৰাহ্য নকৰিলে; কাৰণ ভাৰতীয় সাধাৰণ মানুহে যুদ্ধৰ কি জানে? এনে দল গলে সহায় নহৈ কিজানি আকৌ বোজাৰ দৰেহে হয়বা বুলি পেটে পেটে সেনাপতিৰ শঙ্কা আছিল। কিন্তু গান্ধীজীয়ে প্ৰথম প্ৰত্যাখ্যানত হতাশ নহৈ চেষ্টা কৰিলে আৰু শেষত সেই চেষ্টা ফলৱতী হ'ল। আবেদন গ্ৰাহ্য হ'ল। সেৱা বাহিনীয়ে কাম কৰাৰ সুযোগ পালে।

সেইমতে গান্ধীজীয়ে ১১০০ কৰ্ম্মী লৈ যুদ্ধক্ষেত্ৰৰ আহত সৈন্য সকলক শুশ্ৰূষাত আত্মনিয়োগ কৰিলে। নিজ প্ৰাণৰ মমতা তুচ্ছ কৰিও এই বাহিনীয়ে যুদ্ধক্ষেত্ৰৰ মাজৰ পৰা আহত আৰু মৃত সৈন্য সকলক বিচাৰি আনিব লাগে। গান্ধীজীৰ পৰিচালনাত সেৱা বাহিনীয়ে সাহস, ক্ষিপ্ৰতা আৰু কৰ্ম্মপটুতাৰ পৰিচয় দিব পাৰিছিল। এই যুদ্ধত যে কিমান ভাৰতীয়ই প্ৰাণ হেৰুৱাইছিল তাৰ সীমা-সংখ্যা নাই। এই দুৰ্দ্দিনত দক্ষিণ আফ্ৰিকাৰ ইংৰাজ সকলে কিন্তু বৰ্ণ-বিদ্বেষ পাহৰি ভাৰতীয় সকলক সমানে সন্মান দেখুৱাবলৈ কুণ্ঠিত হোৱা নাছিল। সেৱা দলৰ দুঃসাহসিকতা আৰু কৰ্ম্মকুশলতাৰ কথা প্ৰত্যক্ষদৰ্শী চাহাবসকলে বহুদিন পিচলৈকো মুক্তকণ্ঠে স্বীকাৰ কৰিছিল। কোৱা বাহুল্য যে গান্ধীজী প্ৰমুখ লোকসকলৰ কাৰ্য্যত সন্তুষ্ট হৈ বৃটিচ চৰকাৰৰ পৰা সোণৰ পদক উপহাৰ দিছিল।

এই বুয়ৰ যুদ্ধ পুৰা তিনি বছৰ চলিল। গান্ধীজীয়েও এই সুদীৰ্ঘ কাল সেৱা দল লৈ সেৱা-শুশ্ৰূষাৰ কামত আত্মনিয়োগ কৰিলে। শেহত ইংৰাজৰেই যুদ্ধত জয় হ'ল। ফলত ট্ৰান্সভাল আৰু অৰেঞ্জ ফ্ৰি ষ্টেটত ইংৰাজৰ আধিপত্য প্ৰতিষ্ঠিত হ'ল। গান্ধীজীৰ সেৱা-যত্নৰ অকৃত্ৰিমতা দেখা পাই তেওঁৰ অন্তৰৰ পৰিচয়ো সকলোৱে পালে আৰু কিছু পৰিমাণে বৰ্ণ-বিদ্বেষভাৱ ইংৰাজ সকলৰ মনৰ পৰা পাতলা যেন বোধ কৰা গ'ল।

এতিয়া কিঞ্চিত নিশ্চিন্ত হ'ল আৰু ১৯০১ খৃষ্টাব্দত তেওঁ ভাৰতলৈ ঘূৰি আহিল আৰু বোম্বাইত আইন ব্যৱসায় আৰম্ভ কৰিলে।

সেই বছৰ মিঃ দীনশ্বা ওৱাচাৰ সভাপতিত্বত কলিকতাত কংগ্ৰেছৰ

অধিবেশন বহিছিল। গান্ধীজী সেই অধিবেশনত যোগ দিবলৈ কলিকতালৈ গৈছিল।

মহাত্মাজীয়ে প্ৰথমে ভাৰতত কংগ্ৰেছ মহাসভাত যোগ দিয়া বিষয়ে আত্মজীৱনীত—লিখিছে "কংগ্ৰেছ বহিল ; মণ্ডপৰ গাম্ভীৰ্য্যপূৰ্ণ দৃশ্য, স্বেচ্ছাসেৱক সকলৰ শাৰিপতা আৰু মঞ্চৰ ওপৰত ৰাষ্ট্ৰ-গুৰু সকলক দেখি মই অভিভূত হলোঁ। এনে মহতী সভাত মোৰ ঠাই ক'ত বুলি সঙ্কোচ বোধ কৰিলোঁ। সভাপতিৰ অভিভাষণ এখন কিতাপ আছিল—তেতিয়াই গোটেই খন পঢ়া শেষ নহল—অলপমান মাথোন পঢ়িলোঁ।"

বাপুজীয়ে দক্ষিণ আফ্ৰিকাৰ বিষয়ে এটা প্ৰস্তাব দাঙ্গি ধৰিব লগা আছিল। সেই প্ৰসঙ্গত লিখা আছে—"প্ৰতিটো প্ৰস্তাব দাঙ্গি ধৰোঁতে দীঘলীয়া বক্তৃতা দিছিল আৰু সকলো বক্তৃতা ইংৰাজীত দিছিল। প্ৰতিজন লোকেই নামজ্বলা লোক। এনে তুৰ্য্যধ্বনিৰ মাজত মোৰ ক্ষীণ স্বৰ শুনা যাবনে? ৰাতি বেছি হৈ যোৱাৰ লগে লগে মোৰো যেন বুকুৰে ধপ্ ধপ্ কৰি উঠিছিল। মোৰ যেন কবলৈ সাহেই নাই।" অলপ পিছতে গোখেলৰ অনুৰোধত সভাপতিয়ে অনুমতি দিলে আৰু বাপুজীয়ে কঁপি কঁপি প্ৰস্তাবটো পঢ়ি শুনালে। সমৰ্থন কৰি মিঃ গোখেলেইহে বক্তৃতা দিলে। সৰ্ব্বসম্মতিক্ৰমে প্ৰস্তাবটো গৃহিত হ'ল বুলি ঘোষণা কৰিলে। আফ্ৰিকাবাসী ভাৰতীয়ৰ প্ৰতি অনুগ্ৰহ প্ৰদৰ্শন আৰু তাৰ চৰকাৰৰ কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদেই প্ৰস্তাবৰ মাই কথা আছিল। কংগ্ৰেছত যোগদান কৰি ঘূৰি আহি বোম্বাই পাওঁতেই বাপুজীয়ে নাটালৰ ভাৰতীয় অধিবাসী সকলৰ পৰা আকৌ এখন টেলিগ্ৰাম পালে।

কথা হ'ল—সেই সময়ত মিঃ চেম্বাৰলেন আহিছিল দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় সকলৰ অভাব অভিযোগৰ অনুসন্ধান কৰিবলৈ। সকলোৱেই ভাবিলে যে গান্ধীজীৰ দৰে উপযুক্ত লোক নহ'লে তেওঁলোকৰ পক্ষৰ অভাব অভিযোগবোৰ আনে উপযুক্ত ৰকমে উত্থাপন কৰিব নোৱাৰিব। গতিকে সকলোৱেই যুক্তি কৰি আকৌ সেইজন বিপদৰ বন্ধুলৈকে খবৰ পঠাবলৈ দিহা হ'ল।

সিফালে কিন্তু গান্ধীজীয়ে এইবাৰ ভাবিছিল যে দক্ষিণ আফ্ৰিকালৈ যাবলৈ আৰু প্ৰয়োজন নহব। এইবাৰ কিছুদিনলৈ শান্তিৰ আশা কৰিছিল আৰু বোম্বাই হাইকোৰ্টত বাৰিষ্টাৰী কৰিবলৈ আৰম্ভ কৰিছিল। এনে সময়ত আকৌ সেই পুৰণি বন্ধুসকলৰ পৰা জৰুৰী আহ্বান আহিল। সেই আহ্বাননো উপেক্ষা কৰে কেনেকৈ? গতিকে ১৯০২ চনৰ মাৰ্চ্চ মাহত তেওঁ আকৌ তৃতীয় বাৰ দক্ষিণ আফ্ৰিকালৈ যাওনা হ'ল। এইবাৰ কিন্তু তেওঁ সোনকালে ঘূৰি অহাৰ আশাত লগত পৰিবাৰ আদি কাকো নিনিলে।

চৌদ্ধ

ট্ৰান্সভালত

দক্ষিণ আফ্ৰিকা পাই গান্ধীজীয়ে নাটালৰ ভাৰতীয় সকলৰ পক্ষ সমৰ্থন কৰি মিঃ চেম্বাৰলেনৰ লগত সাক্ষাত কৰিলে। কিন্তু ইয়াৰ পিচত ট্ৰান্সভালৰ ভাৰতীয় বন্ধুসকল যেতিয়া তেওঁৰ সাহায্যপ্ৰাৰ্থী হ'ল তেতিয়াই বাধাৰ সৃষ্টি হ'ল।

অর্থাৎ ট্রান্সভালৰ চাহাবসকলে আপত্তি কৰি কলে যে স্থানীয় ভাৰতীয় বাসীন্দাৰ বাহিৰে আন ঠাইৰ পৰা অহা কোনো ভাৰতীয় লোকে মিঃ চেম্বাৰলেনৰ আগত ভাৰতীয় সকলৰ পক্ষ হৈ কোনো দাবী জনাব নোৱাৰিব। এই আপত্তিৰ বিপক্ষে কোনো চেষ্টা কৰিও গান্ধীজী কৃতকাৰ্য্য নহ'ল—তেওঁ আৰু চেম্বাৰলেনৰ লগত দেখা কৰিব নোৱাৰিলে।

কথাৰ গতি দেখি ট্রান্সভালৰ ভাৰতীয়সকলে বাপুজীক তাতে থাকিবলৈ অনুৰোধ জনালে। তেওঁবিলাকে ভাবিছিল যে তেওঁবিলাকৰ অভিযোগ যথাস্থানত নিবেদন কৰিবলৈ গান্ধীজীৰ বাহিৰে আন উপযুক্ত লোক নাই। সকলোৰে সেই আগ্রহ বাপুজীয়ে অস্বীকাৰ কৰিব নোৱাৰিলে। তেওঁ জোহান্সবাৰ্গত বাৰিষ্টাৰী কৰিবলৈ আৰম্ভ কৰিলে। স্থানীয় ভাৰতীয় সকলৰ স্বাৰ্থ আৰু সম্মান সংৰক্ষণৰ উদ্দেশ্যে তাত এখন সমিতি প্রতিষ্ঠা কৰিলে,—তাৰ নাম দিলে— "ট্রান্সভাল বৃটিচ ইণ্ডিয়ান এচোচিয়েছন।"

ইয়াৰ উপৰিও তেওঁ ভাবিলে যে বিদেশত ভাৰতীয় সকলৰ এখন নিজৰ বাতৰি কাকত থকাও বাঞ্ছনীয়। নতুবা তেওঁবিলাকৰ অভাৱ অভিযোগবিলাক জনাবৰ আন সহজ উপায় নাই।

তেনেতে এটা সুযোগো ওলাল। তেওঁ নাটালত এখন ছপাখানা কিনিলে আৰু অলপদিনৰ ভিতৰতে "ইণ্ডিয়ান অপিনিয়ন" নাম দি এখন বাতৰি কাকত ইংৰাজী, গুজৰাটী, হিন্দী আৰু তামিল ভাষাত ডাৰ্বানৰ পৰা প্রকাশ কৰিবলৈ ব্যৱস্থা কৰিলে। এই কাগজৰ সম্পাদক নিযুক্ত হল মিঃ এম, এইচ, নজৰ।

১৯০৪ খৃষ্টাব্দত উক্ত কাকতখন প্রকাশৰ আগে আগে মহামতি

মিঃ পোলক চাহাবৰ লগত বাপুজীৰ পৰিচয় হয়। এই পোলক চাহাব জাতত ইহুদী। তেওঁ বৰ উদাৰ আৰু সৰল প্ৰকৃতিৰ মানুহ আছিল। ভাৰতীয় সকলৰ কাৰণে তেওঁ ইতিমধ্যে অশেষ কষ্ট ভোগ কৰিছিল। তেওঁৰ মন আছিল উন্নত আৰু বুদ্ধি আছিল বৰ চোকা। তেওঁ বাপুজীক দেখা পায়েই তেখেতক অসাধাৰণ ব্যক্তিত্ব থকা লোক বুলি চিনিব পাৰিলে। দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হ'ল। পোলকৰ বিয়াত বাপুজীয়েই 'বৰকৰ্ত্তা' হৈছিল। সস্ত্ৰীক পোলক জোহান্সবাৰ্গত গান্ধীজীৰ ঘৰত বাস কৰিছিল। গান্ধীজীৰ যাই উদ্দেশ্য আছিল— সকলো জাতিৰ ভিতৰত পৰস্পৰে পৰস্পৰৰ প্ৰতি সহানুভূতি সম্পন্ন হব লাগে আৰু এনে ঘনিষ্ঠতাৰ পৰাহে ভাবৰ প্ৰকৃত আদান হব পাৰিব।

যিহওক "ইণ্ডিয়ান অপিনিয়ন" (ভাৰতীয় সকলৰ মতামত) কাকতখন ইবিলাক সকলোৰে চেষ্টাতো সুপ্ৰতিষ্ঠিত হব পৰা নাছিল আৰু পৰিচালনাৰ খৰচ বহুত বেছি পৰিমাণ হোৱা দেখা গৈছিল। ইয়াৰ কাৰণ অনুসন্ধান কৰিবলৈ বাপুজী স্বয়ং ডাৰ্বানলৈ ৰাওনা হ'ল।

ৰেল ষ্টেচনত ৰেলত উঠাৰ পিচতে পোলক চাহাবে তাত পঢ়ি যাবলৈ ইংৰাজ লিখক ৰাস্কিনৰ "আন টু দি লাষ্ট" কিতাপখন দিয়ে। ৰেলত যাওঁতে বাপুজীয়ে এই কিতাপখন বৰ মনোযোগেৰে পঢ়িছিল। এই কিতাপখনৰ উপদেশ বিলাকে বাপুজীৰ মন-প্ৰাণ বৰকৈ আকৰ্ষণ কৰিলে। তেওঁ সহজ সৰল গাৱঁলীয়া জীৱন যাপন কৰিবলৈ যেন ব্যগ্ৰ হৈ উঠিল। মানস চকুৰ আগত ভাহি উঠিছিল গাওঁৰ শান্তিপূৰ্ণ সুন্দৰ ছবিখনি! তাৰ তুলনাত চহৰৰ কৃত্ৰিম পশ্চাদনুকৰণপ্ৰিয় অৰ্থহীন জীৱন তুচ্ছ। স্বাৱলম্বী হৈ গাওঁত নিজে খেতি কৰি আহাৰ

সংগ্ৰহ কৰি সৰল জীৱন যাপনৰ মাজেদি ঈশ্বৰ চিন্তা কৰি অমৃতময় জীৱন লাভৰ আকাঙ্ক্ষা যেন মনত খেলাবলৈ ধৰিলে!

তদুপৰি চহৰত থাকি কাগজ চলালে খৰচ বেছিকৈ হবই। বিশেষতঃ কাগজ চলোৱা নীতি বা উদ্দেশ্যও ভাল হোৱা নাই। কেৱল ভাৰতীয় সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা কৰা হিচাবেহে কাগজখন চলোৱা হৈছে। গতিকে ইউৰোপীয় সম্প্ৰদায়ৰ লগত মনোমালিন্য হোৱা নিশ্চয় স্বাভাৱিক। ইয়াৰ দ্বাৰা উভয় সম্প্ৰদায়ৰ মাজত তিক্ততা বঢ়াবৰহে ব্যৱস্থা হৈছে। বাপুজীৰ লক্ষ্য মিলা-প্ৰীতি স্থাপন কৰি উভয় সম্প্ৰদায়ৰ মাজৰ পৰা বিদ্বেষ ভাব দূৰ কৰাহে। তেতিয়াহে শান্তি লাভ সম্ভব হব আৰু উভয় পক্ষৰে উন্নতি হব। এই কাম কৰিবৰ কাৰণে গাওঁ অঞ্চলহে সুবিধা।

ভাবি চিন্তি চাই বাপুজীয়ে যিটো কামকে কৰ্ত্তব্য বুলি ঠাৱৰ কৰে, সেইমতে কাম কৰিবলৈ অহোপুৰুষাৰ্থ কৰে। কোনো বাধা বিঘিনি বা অসুবিধা তেওঁ নামানে। মনতে ভাবি ঠিক কৰা মতে তেওঁ এতিয়া চহৰ এৰি গাওঁত থাস কৰিবলৈ স্থিৰ কৰিলে আৰু সেইমতে চেষ্টাৰ ফলত ডাৰ্বানৰ পৰা বাৰ-তেৰ মাইল দূৰত ফিনিক্স নামে এখন ঠাইত এশ একৰ মাটি কিনি ললে। তাৰ নাম দিলে "টলষ্টয় ফাৰ্ম"। বাপুজীয়ে নিজৰ কাৰণে দুই একৰ মাটি ৰাখি বাকীখিনি তাত বসতি কৰিবলৈ ইচ্ছা কৰা মানুহৰ মাজত ভগাই দিলে।

টলষ্টয় ফাৰ্ম্মত বহুা বহুা ভাৰতীয় আৰু ইউৰোপীয় লোকৰ বসতি কৰিবলৈ মাটি দিলে। সকলো মিলি সি এখন উপনিবেশৰ দৰে হ'ল। তাৰ কৰ্ম্মীসকলৰ জীৱন নিৰহঙ্কাৰ আৰু শিক্ষাব্ৰতীৰ

দৰে পালন কৰিবলৈ নিয়ম কৰা হ'ল। আধ্যাত্মিক উন্নতি কৰিবলৈ সকলো লোকেই ইয়াত সুযোগ পালে।

সেই উপনিবেশৰ অধিবাসী সকলৰ লৰা-ছোৱালীবিলাকে পঢ়িবৰ কাৰণে তাত বিদ্যালয় স্থাপন কৰা হ'ল। গান্ধীজীয়ে নিজে সেই বিদ্যালয়ত সক লৰা-ছোৱালী বিলাকক ধেমালিৰ ছলেৰে নানা শিক্ষা দিয়ে। শিশু মন জয় কৰাত গান্ধীজী পাকৈত। শিশুৰ দৰে সৰল মনৰ গান্ধীজীৰ শিশু-প্ৰীতি বৰ বেছি। সিহঁতৰ লগত থাকি আৰু খেল-ধেমালি কৰি বাপুজীয়ে বৰ ভাল পাইছিল। যাৰবেদা জেলত থাকোঁতে সবৰমতি আশ্ৰমৰ লৰা-ছোৱালীবিলাকলৈ লিখা চিঠিবিলাক শিশু সাহিত্যৰ অমূল্য সম্পদ। টলষ্টয় ফাৰ্ম্মত অকল যে খেতি-বাতিহে কৰা হৈছিল এনে নহয়। তাত কাঠৰ কাম কৰিবলৈকো শিকোৱা হৈছিল। কাঠকটা, কাঠ কলা আৰু খৰম আদি তৈয়াৰ কৰা হৈছিল। গান্ধীজীয়ে নিজ হাতে কাঠৰ কাম কৰিছিল। ১৯১৪ খৃষ্টাব্দত দক্ষিণ আফ্ৰিকাৰ জেনেৰেল স্মাট্‌সক গান্ধীজীয়ে ফাৰ্ম চাবলৈ মাতিছিল। সময়ৰ অভাৱত তেখেত আহিব নোৱাৰিলে। গান্ধীজীয়ে এজোৰ খৰম উপহাৰ স্বৰূপ পঠাই দিলে তেখেতলৈ আৰু জেনেৰেল চাহাবে অতি আদৰ কৰি তাক গ্ৰহণ কৰিলে।

১৯০৪ খৃষ্টাব্দত জোহান্সবাৰ্গত থকা ভাৰতীয় লোকসকলৰ মাজত হঠাতে প্লেগ বেমাৰ আৰম্ভ হ'ল। চাওঁতে চাওঁতে সি মহামাৰী ৰূপে গোটেই ঠাইতে বিয়পি পৰিল। গান্ধীজীয়ে বাৰে বাৰে মিউনিচিপালিটিক আবেদন কৰা থলতো কোনো খবৰকে নকৰিলে। হতভগীয়া ভাৰতীয় লোকসকলক নিজৰ ভাগ্যকে খিয়াবলৈ এৰি দিলে।

গান্ধীজীয়ে তেতিয়া নিষ্ক্রিয় দর্শক ৰূপে চাই থাকিবলৈ অপাৰগ হ'ল। তেওঁ স্বেচ্ছাসেৱক দল এটি গঠন কৰি লৈ ৰোগীক শুশ্রূষা কৰিবলৈ ধৰিলে। লগে লগে যাতে সেই ৰোগ বেছিকৈ বিয়পিব নোৱাৰে তেনে প্রতিষেধক ব্যৱস্থাও হাতত ললে। সেৱা ভাৱৰ পৰা প্ৰাণ ঢালি কাম কৰাৰ ফলত ৰোগৰ প্ৰকোপ শাম কাটি আহিল। গান্ধীজীৰ এনে হৃদয়বত্তাৰ পৰিচয় পাই পিচত চৰকাৰ-পক্ষ আৰু মিউনিচিপালিটি উভয় পক্ষৰ পৰা অভিনন্দন জ্ঞাপন কৰিছিল।

প্লেগ থামি যোৱাৰ পিচত বাপুজী আকৌ নিজ উপনিবেশ ফিনিক্সলৈ ঘূৰি আহিল। ইয়াতেই তেওঁ সেৱাভাবৰে শান্তিৰে সৈতে জীৱনৰ বাকী কেইটা দিন নিয়াব পাৰিব বুলি আশা কৰিছিল। কিন্তু একাধাৰে শান্তিৰ জীৱন তেওঁৰ জীৱনত নাছিল। আকৌ তেওঁৰ সন্মুখত নতুন কৰ্ম্মক্ষেত্ৰই দেখা দিলে।

নাটালত আফ্রিকাৰ আদিম অধিবাসী কাফ্রীবিলাকৰ সংখ্যা বেছি আছিল। অসভ্য বুলি ইংৰাজসকলে এওঁলোকক ঘিনৰ চকুৰে চাইছিল। ইয়াৰ পৰাই মাজে মাজে সংঘৰ্ষ হয়। ফলত কাফ্রী-বিলাকেই কষ্ট ভোগে, বহুত সময়ত প্ৰাণ পৰ্য্যন্ত নাশ পায়। ইংৰাজৰ লগত কাফ্রীবিলাকৰ সদ্ভাব মুঠেই নাছিল। গতিকে ইংৰাজৰ সভ্যতাৰ প্ৰতি ইবিলাকৰ এটা বিতৃষ্ণাৰ ভাব আছিল। অপৰ পক্ষে ইংৰাজে সিহঁতক হাতৰ মুঠিলৈ আনিবলৈ চেষ্টা কৰি বিফল হয়।

এনে পৰিস্থিতিৰ মাজত এসময়ত এই সংঘৰ্ষই বিদ্রোহ আকাৰ ধাৰণ কৰে। এয়ে জুলু বিদ্রোহ নামে' খ্যাত। ইংৰাজৰ শক্তিশালী ফৌজৰ আগত জুলু বিলাকে সৰহদিন তিষ্ঠিব নোৱাৰিলে। বন্দুকৰ

গুলিত বহুত মানুহ হতাহত হবলৈ ধৰিলে। আহত জুলুবিলাকক চাওঁতা কোনো নথকাত এইবাৰ গান্ধীজীয়ে এই অসভ্য জুলুবিলাকক শুশ্ৰূষা কৰিবলৈ আগৰ দৰে স্বেচ্ছাসেৱক বাহিনী গঠন কৰি কাম আৰম্ভ কৰিলে।

গান্ধীজীৰ সেৱা কাৰ্য্য দেখি কাফ্ৰীবিলাক আচৰিত হ'ল। আগেয়ে তেওঁবিলাকে ভাবিছিল সুসভ্য জাতিৰ কাম দুৰ্ব্বলক বধ কৰা। এতিয়া সেৱা পাই সেই ভাব আতঁৰিল আৰু মহাত্মা গান্ধীক একমাত্ৰ বন্ধু বুলি গ্ৰহণ কৰিলে। দলে দলে তেওঁবিলাক গান্ধীজীৰ অনুৰক্ত হৈ উঠিল।

জুলু বিদ্ৰোহ দমন হ'ল। নাটালত নতুন চৰকাৰ প্ৰতিষ্ঠিত হল। চৰকাৰে দেখিলে বিদ্ৰোহৰ লগত গান্ধীজীৰ সংশ্ৰৱ আছে। তেওঁবিলাকে ভাবিলে ভাৰতীয় বিলাকেই এই জুলুবিলাকৰ মাজত ইংৰাজ বিদ্বেষ ভাব জগাই তুলিছিল। এই ভাবিয়েই ভাৰতীয় বিলাকক আফ্ৰিকাৰ পৰা উলিয়াই খেদিবৰ কাৰণে নতুন বিধান হাতত ললে। সেয়ে "এচিয়াটিক ৰেজিষ্ট্ৰেচন এক্ট্" প্ৰনয়ণৰ প্ৰয়োজনীয়তাৰ গুৰি কথা।

জুলু বিদ্ৰোহৰ সময়ত সেৱা কাৰ্য্যলৈ যাবৰ আগতে বাপুজীয়ে অনুভৱ কৰিলে সৰ্ব্বসাধাৰণৰ সেৱা কাৰ্য্যত আত্ম নিয়োগ কৰা লোকৰ পক্ষে সংসাৰ ধৰ্ম্মপালন বা বহু সন্তানৰ জনক হলে সি বাধা সৃষ্টি কৰে। সম্পূৰ্ণ নিৰুদ্বেগ চিত্তে বা একাগ্ৰতিয়াকৈ কাম কৰিব নোৱাৰি। বাপুজীয়ে যি কামকে কৰে তাক পূৰ্ণভাৱে কৰে, কোনো ৰকমৰ কপটাচাৰ তাত নাথাকে। সেই কাৰণে এতিয়া তেওঁ ব্ৰহ্মচৰ্য্য ব্ৰত পালনৰ সঙ্কল্প কৰে। তেওঁৰ সন্তত্বে যেনে নিয়ম আৰু অভ্যাস

সেইমতে নিজৰ পৰিবাৰৰ মতামত গ্ৰহণ কৰিলে। নিতান্ত হাঁহিমুখে কস্তুৰীবায়ে বাপুজীক জনালে "মই সহধৰ্ম্মিনী—আপোনৰ কাৰ্য্যত সহায় কৰা মোৰ ধৰ্ম্ম—বাধা জন্মোৱা নহয়।' গতিকে সংসাৰী হৈও, চাৰিটি লৰাৰ পিতা-মাতা হৈও এতিয়াৰ পৰা দুয়ো ব্ৰহ্মচাৰী।

এনে ব্ৰহ্মচাৰী ব্ৰত গ্ৰহণ নকৰাহেতেন বাপুজীৰ জীৱন সাধনাই কোন বাট ললেহেঁতেন কোনে জানে ?

ব্ৰহ্মচৰ্য্য শক্তি সঞ্চয়ৰ কাৰণে এটা উপায় মাথোন। ইয়ালৈ লাগে ইন্দ্ৰিয় সংযম। বাপুজীয়ে সহজে ইতিপূৰ্ব্বে পৰা এই কথা উপলব্ধি কৰি কায়-মন-বাক্য তিনিওৰো সংযম সাধনা কৰি আছিল। তেখেতে আহাৰ বিষয়ত কিমান পৰীক্ষামূলক ভাবে চেষ্টা কৰি মতামত প্ৰকাশ কৰিছিল। চিত্তক সংযত কৰিব লগা হলে আহাৰৰ বিষয়ে বিচাৰ কৰা প্ৰয়োজন। আহাৰৰ প্ৰভাবে আমাৰ মনৰ ওপৰত ক্ৰিয়া কৰে। তেখেতে সহজপাচ্য আৰু পুষ্টিকৰ আহাৰ খাইছিল। সপ্তাহত এদিন দেখা-শুনাকৈ বাক্সংযম কৰিছিল। নিজ পৰিবাৰৰ লগত শৰীৰ সম্বন্ধ ১৯০৬ চনৰ পৰা পৰিত্যাগ কৰিছিল। তেতিয়াহে প্ৰকৃত ভালপোৱা উভয়ৰ ভিতৰত গঢ়ি উঠে বুলি তেখেতৰ দৃঢ় অভিমত আছিল।

পাৰিবাৰিক জীৱনত বাপুজীয়ে সহজ সৰল জীৱন যাপন কৰিলেও বৰ পৰিচ্ছন্ন আৰু পৰিপাটী আছিল। পৰিচ্ছন্নতা পবিত্ৰতাৰ বাহ্য ৰূপ। সকলোৰে প্ৰতি সমান প্ৰীতি বাপুজীৰ আজন্ম স্বভাৱ। এই বাপুজীয়ে এতিয়া নিজৰ জীৱন সৰ্ব্বপ্ৰকাৰে সংযম আৰু শক্তি সঞ্চয়স্বৰূপ ব্ৰহ্মচৰ্য্যৰ যোগে যাপন কৰিবলৈ ধৰি সত্যৰ প্ৰয়োগ ৰাজনীতি ক্ষেত্ৰতো প্ৰসাৰলৈ অগ্ৰসৰ হ'ল। শক্তিমান নহলে মহৎ

কাৰ্য্য সাধন অসম্ভৱ; বাপুজীৰ জীৱন মহৎ কাৰ্য্যৰ কাৰণে আগৰে পৰা তৈয়াৰ হৈ অহা জীৱন।

যিহওক, ইং ১৯০৬ চনত ট্ৰান্সভাল গভৰ্ণমেণ্টে "এসিয়াটিক ৰেজিষ্ট্ৰেচন এক্ট" নামে এখন আইনৰ খচৰা তৈয়াৰ কৰি প্ৰচাৰ কৰিলে। এই আইনৰ ফলত ভাৰতীয় সকলৰ জীৱনত এক নতুন বিপৰ্য্যয় আৰম্ভৰ সূচনা কৰিলে। সেইমতে নতুনকৈ কোনো ভাৰতীয় মানুহ ট্ৰান্সভালত সোমাব নোৱাৰিব আৰু আগৰে পৰা যিসকল আছে সিবিলাকেও ৰেজিষ্ট্ৰিভুক্ত হব লাগিব। পকা বহীত চহী কৰি টীপ দি যেন চোৰ বা দাগী মানুহৰ দৰে তাত বাস কৰিব লাগিব।

এই কথাত ভাৰতীয়সকলে অপমান বোধ কৰিলে আৰু গোটেই সমাজ জিকাৰ খাই উঠিল। ততালিকে এখন ডাঙৰকৈ সভা পাতি সেই প্ৰস্তাবিত আইনৰ প্ৰতিবাদ কৰা হ'ল আৰু গান্ধীজীয়ে সকলোকে একমুঠ হৈ ইয়াৰ বিৰুদ্ধে থিয় দিবলৈ উপদেশ দিলে।

বাপুজীৰ উপদেশৰ মূল কথা আছিল "নিষ্ক্ৰিয় প্ৰতিৰোধ" বা "সত্যাগ্ৰহ"। শান্তিপূৰ্ণ ভাবে থাকি সেই আইনৰ বিধানমতে যেন কোনেও চহী নকৰে বা টীপ নিদিয়ে। মানুহ হৈ নিজে নিজৰ অসন্মান কিয় মাতি আনিম কিম্বা দাগি হম? সত্যাগ্ৰহৰ মূল কথা এয়ে।

আইন অমান্য কৰিবলৈ সকলোৱেই শপত খাই প্ৰতিজ্ঞাবদ্ধ হ'ল। তথাপি শান্তিপ্ৰিয় বাপুজীয়ে এতিয়াও কোনো সংঘৰ্ষৰ হাত এৰাবৰ আশা কৰি লগত কেইজনমান লোক লৈ বিলাতলৈ যাত্ৰা কৰিলে। তেওঁ আশা কৰিছিল যে এনে জঘন্য আইনত যাতে সম্ৰাটে সম্মতি

জ্ঞাপন নকৰে, সেইবাবে তাত আন্দোলন কৰি বাধা দান কৰাই যাই কথা আছিল।

বাপুজীৰ কিন্তু যাবতীয় শান্তিপূর্ণ প্রতিবোধ আবেদন-নিবেদন অগ্রাহ্য হ'ল। ১৯০৭ চনত সম্রাটৰ সম্মতি লাভ কৰি সেইখন আইনত পৰিণত হ'ল। বর্ণ বিদ্বেষৰ দৰে এটা হীন মনোবৃত্তিৰ পৰিচয় সুসভ্য ইংৰাজৰ ভিতৰতো পাই গান্ধীৰ অন্তৰ ব্যথাৰে ভৰি পৰিল।

দক্ষিণ আফ্রিকাৰ ট্রান্সভালত শান্তিপূর্ণ "নিষ্ক্রিয় প্রতিবোধ" আন্দোলন পূৰাদমে আৰম্ভ হ'ল। কোনো ভাৰতীয়ই ৰেজিষ্ট্রী বহীত নাম নিলিখালে, কোনোৱেই টীপ চহী নিদিলে। চৰকাৰৰ দমন নীতিও ইয়াৰ বিৰুদ্ধে উগ্র হৈ উঠিল। দলে দলে ভাৰতীয় মানুহ জেললৈ যাব লগা হ'ল। নেতা হিচাবে গান্ধীজীও এই দমন নীতিৰ গৰাহৰ পৰা হাত সাৰিব নোৱাৰিলে। ১৯০৭ চনৰ শেহ ভাগত কেজনমান কৰ্মীৰে সৈতে বাপুজীও গ্রেপ্তাৰ হল আৰু লগে লগে কাটেকত সোমাল।

এইদৰে কিছুদিন আন্দোলন চলিল। এতিয়া গভৰ্ণমেণ্টে বুজি পালে যে দমননীতিৰ ফলত সমস্যাৰ সমাধান নহয়। সকলো প্রকাৰ পীড়ন অগ্রাহ্য কৰি ভাৰতীয় লোকসকলে আইন অমান্য বজায় ৰাখিলে। আন উপায় নেদেখি গভৰ্ণমেণ্টৰ ফালৰ পৰা গান্ধীজীলৈ এটি প্রস্তাব পঠোৱা হ'ল যে সেইবাৰৰ কাৰণে ভাৰতীয় সকলে যদি আইন অমান্য আন্দোলন স্থগিত ৰাখে আৰু আইনৰ বিধান অনুযায়ী নাম ৰেজিষ্ট্রী কৰায় তেনেহলে অতি শীঘ্রে আইনখন প্রত্যাহাৰ কৰা হব—উঠাই লোৱা হব।

গভৰ্ণমেণ্টৰ পক্ষৰ পৰা স্বয়ং জেনেৰেল স্মাট্‌সে গান্ধীজীক প্ৰতিশ্ৰুতি দিছিল, গতিকে সেই কথা অবিশ্বাস কৰিবলৈ একো কথা নাছিল। গতিকে গান্ধীজীৰ উপদেশ অনুযায়ী আন্দোলন স্থগিত ৰখা হ'ল আৰু বহুতেই নাম ৰেজিষ্ট্ৰী কৰি আইনৰ মৰ্য্যাদা ৰক্ষা কৰিলে।

কিন্তু কথা দিয়ামতে জেনেৰেল স্মাট্‌সে আইনখন উঠাই নললে। আগ পিচ চাই গান্ধীজীয়ে আকৌ আইন অমান্য আন্দোলন প্ৰবৰ্ত্তন কৰিব লগাত পৰিল। চৰকাৰেও আকৌ দমন-নীতি চলাবলৈ কুণ্ঠা বোধ নকৰিলে। ফলত বহুত ভাৰতীয় লোক দুনাই জেললৈ যাব লগা হ'ল। ইয়াৰ ভিতৰত বাপুজী দুবাৰো জেললৈ যাব লগাত পৰিছিল। আন্দোলন সমানভাবে চলি থাকিল। বাপুজীয়ে শেষৰ বাৰ জেলৰ পৰা ওলাই বিলাতলৈ গ'ল।

বাপুজীয়ে বিলাতত আকৌ এই আইনৰ বিপক্ষে আন্দোলন কৰিবলৈ ধৰিলে। তেওঁৰে নিৰ্দ্দেশত মিঃ পোলকে ভাৰতবৰ্ষতো একে সময়তে এই জঘন্য আইনখনৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে। উভয় দেশতে লগে লগে জনমত গঠিত হবলৈ ধৰিলে।

ভাৰতত মিঃ পোলকৰ চেষ্টাত স্বৰ্গীয় গোপাল কৃষ্ণ গোখেলৰ প্ৰত্যক্ষ সাহায্য লাভ কৰিলে। উভয়ৰে যত্নত ভাৰত গভৰ্ণমেণ্টে এতিয়াৰ পৰা "গিৰমিটীয়া" বণুৱা দক্ষিণ আফ্ৰিকালৈ পঠাবলৈ অসম্মত হ'ল। এই কথাত দক্ষিণ আফ্ৰিকাৰ গভৰ্ণমেণ্ট চিন্তিত হল। কিন্তু সেই মৰ-কামোৰ নেৰিলে। নিজ দেশত পূৰ্বাক্ৰমে দমননীতি চলাই থাকিল।

বৰং গেলাত টেঙা দিয়া হিচাবে তাত এটা নতুন কৰ বহুৱালে।

ইয়াৰ ফলত প্ৰত্যেক ভাৰতীয় মানুহে গাই পতি বছৰি তিনি পাউণ্ড (৪৫৲ টকা) কৰ শোধাব লগাত পৰিল। ফলত আন্দোলন আৰু তীব্ৰ হৈ উঠিল,— সকলোৱেই টাক্স্ দিবলৈ অস্বীকাৰ কৰিলে।

ট্ৰান্সভালত এডোখৰ নিষিদ্ধ ঠাই আছিল। তালৈ কোনো ভাৰতীয় মানুহ যাব নোৱাৰে—মানা। গান্ধীজীয়ে লগত দুহেজাৰ সত্যাগ্ৰহী মতা—মাইকী মানুহ লৈ তাত সোমাল। ইয়াতে তেওঁক বন্দী কৰিলে আৰু পিচত আকৌ ফাটেকত দিলে।

ইয়াৰ পাচৰ পৰা আইন অমান্য আন্দোলন ক্ৰমে প্ৰবল হবলৈ ধৰিলে। ফলত দলে দলে মানুহ জেললৈ যাব লগা হ'ল। জেল সত্যাগ্ৰহীৰে ভৰি গ'ল। এনে অৱস্থাত গভৰ্ণমেণ্টৰো মনত শান্তি আৰু ধৈৰ্য্য হেৰাব লগাত পৰিল।

এই অৱস্থাত আকৌ উপস্থিত হল বনুৱা ধৰ্ম্মঘট। কুঁহিয়াৰ খেতিৰ বনুৱাবিলাকৰ ডাঙৰ অসন্তোষৰ ফলত তেওঁলোকেও ধৰ্ম্মঘট কৰিবলৈ ধৰিলে। ধৰ্ম্মঘট নিৰুপদ্ৰৱ থাকিলেও বনুৱাবিলাকক এশেকা দিবলৈ সৈন্যদল আহিল চৰকাৰৰ হুকুমত ছত্ৰেভঙ্গ কৰাবলৈ। কিন্তু বনুৱাবিলাক একমুঠ হ'ল। আন উপায় নেদেখি সেই নিৰস্ত্ৰ বনুৱাৰ ওপৰত গুলি চলালে। বহুতো বনুৱা সেই গুলিৰ আঘাতত মৰিল—মাটি তেজেৰে ৰাঙলী হৈ গ'ল।

এনে নিদাৰুণ হত্যাকাণ্ডৰ কথা জানিব পাৰি ভাৰতৰ বৰলাট লৰ্ড হাৰ্ডিঞ্জ অতিশয় দুঃখিত হ'ল। ভাৰতীয় সকলৰ প্ৰতি এই নিৰ্ম্মম ব্যৱহাৰৰ তদন্ত কৰিবলৈ "সলোমন কমিছন" নামে এটা কমিছন গঠিত হ'ল।

নিয়মিত তদন্তৰ পিচত কমিছনৰ ৰায় প্ৰকাশিত হ'ল। কমিটিৰ

সভ্য কেইজন একমত হৈ অত্যাচাৰৰ বিৰুদ্ধে মত প্ৰকাশ কৰিলে। ইয়াৰ ফলত দক্ষিণ আফ্ৰিকাত প্ৰবৰ্ত্তন থকা আপত্তিজনক প্ৰায় আটাইবোৰ আইনকে উঠাই লবলৈ গভৰ্ণমেণ্ট বাধ্য হ'ল। ফলতঃ গান্ধীজীৰ নিষ্ক্ৰিয় প্ৰতিৰোধ আন্দোলন কৃতকাৰ্য্য হ'ল আৰু তাৰ জয় ঘোষিত হ'ল। কাৰাৰুদ্ধ সত্যাগ্ৰহীসকল মুক্ত হ'ল। বহুদিন বহুৰকমে নিৰ্য্যাতন ভোগ কৰাৰ পিচত দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় মানুহৰ মুখত হাঁহিৰ ৰেখা বিৰিঙি উঠিল। জগতৰ আগত এটা নতুন পথৰ সন্ধান স্পষ্টভাবে ফুটি উঠিল—শান্তিপূৰ্ণ ভাবেও মানুহৰ ভিতৰৰ দ্বন্দ মিটাব পাৰি, মাথোন লাগে সত্যত প্ৰতিষ্ঠা তথা মনোবল।

ইয়াৰ পিচত গান্ধীজী ভাৰতবৰ্ষলৈ ঘূৰি আহিবলৈ মন কৰিলে আৰু সেইমতে আয়োজনো কৰিছিল। এনেতে শুনিলে যে মহামতি গোখেল ইংলণ্ডত টান নৰীয়াত শয্যাগত—এনেকি মৃত্যুও হব পাৰে। তেওঁ সকলো এৰি গোখেলক চাবলৈ বিলাতলৈ যাত্ৰা কৰিলে।

গোখেল ক্ৰমে সুস্থ হৈ উঠিল। গান্ধীজীয়ে এতিয়া আকৌ ভাৰতলৈ আহিবলৈ ঠিক ঠাক কৰিলে। এনেতে ৪ আগষ্ট ১৯১৪ খৃষ্টাব্দত জাৰ্ম্মানীৰ বিৰুদ্ধে ইংৰাজে যুদ্ধ ঘোষণা কৰে। লগে লগে গোটেই দেশতে যুদ্ধৰ কাৰণে প্ৰস্তুতিৰ চঞ্চলতা দেখা গ'ল।

গান্ধীজীয়ে ৰাজভক্ত প্ৰজা হিচাবে নিজৰ কৰ্ত্তব্য স্থিৰ কৰিলে। নিজৰ নৈতিক দায়িত্ব বুজি লৈ বিপন্ন ইংৰাজৰ পক্ষে সাধ্যমতে সাহায্য কৰিবলৈ স্থিৰ কৰিলে। সেইমতে তেওঁ লণ্ডনত এটা ভাৰতীয় 'এম্বুলেন্স কোৰ' স্থাপন কৰে। ভাৰতীয় সকলক ইয়াত যোগ দি যুদ্ধত ইংৰাজক সহায় কৰিবলৈ আহ্বান জনায়।

আত্মজীৱনীত তেখেতে লিখিছে—"ইংলণ্ডৰ দুৰ্দ্দিনত আমি সুযোগ লৈ আমাৰ কোনো দাবী উত্থাপিত কৰা অযুগুত।"

পোনতে গান্ধীজীয়ে ৮০ জন স্বেচ্ছাসেৱক লৈ "এম্বুলেন্স"ৰ কাম আৰম্ভ কৰি ইংৰাজৰ পক্ষে সহায়তা কৰে। পোনতে অৱশ্যে এই পৰিচালনাৰ ভাৰ এজন ইংৰাজৰ ওপৰত দিবলৈ ধৰাত কৰ্ত্তৃপক্ষৰ লগত মতভেদ হ'ল। গান্ধীজীয়ে ডাঠ দি প্ৰতিবাদ কৰাত আৰু সকলোৱেই পদত্যাগ কৰিবলৈ ওলোৱাত যানিবা গান্ধীজী বা ভাৰতীয়ৰ দ্বাৰাই পৰিচালনাৰ দায়িত্ব থাকিল। সেই বাহিনীয়ে আন্তৰিকতাৰে কাম কৰাত পিচত বৰং যথেষ্ট সুনাম অৰ্জ্জন কৰিলে। যুদ্ধত আহত হোৱা সৈন্যসকলক শুশ্ৰূষা কৰাই ইবিলাকৰ ঘাই কাম আছিল।

অলপ দিনৰ ভিতৰতে গান্ধীজী অসুস্থ হ'ল। হস্পিতালত চিকিৎসাধীন থাকি অলপ ভাল হওঁতেই ডাক্তৰৰ পৰামৰ্শমতে ভাৰতলৈ ঘূৰি আহিবলৈ বাধ্য হ'ল। সেই মতে তেওঁ ১৯১৫ চনৰ ৯ জানুৱাৰী তাৰিখে ভাৰতলৈ অহাৰ মুখত ভাৰতীয় ছাত্ৰসকলৰ ভিতৰত ফ্ৰন্সতো এটা "এম্বুলেন্স বাহিনী" গঠন কৰি দি আহে। কৰ্ত্তব্যপৰায়ণতাত বাপুজী ইমান দূৰলৈকে তৎপৰ আছিল।

লিখা বাহুল্য যে গান্ধীজীৰ এই সেৱা কাৰ্য্যৰ পুৰস্কাৰ স্বৰূপ ১৯১৫ খৃষ্টাব্দত মহামান্য সম্ৰাটে তেওঁক "কাইজাৰ-ই-হিন্দ" সোণৰ পদক উপহাৰ দিছিল।

নবীন চন্দ্ৰ বৰদলৈ ভৱন
নং ....
তাং ....

[illegible] স্বদেশত

কপালত জয় তিলক লৈ বাপুজী স্বদেশ পালেহি। দক্ষিণ আফ্ৰিকাত থকা কালত ভাৰতীয়সকলৰ কাৰণে কৰা কাৰ্য্যাৱলী সমূহ স্বদেশবাসী লোকসকলে নিতৌ লক্ষ্য কৰি আছিল। বাপুজীৰ নতুন ধৰণৰ কাৰ্য্যপ্ৰণালী ভালদৰে সকলোৱে হৃদয়ঙ্গম তেতিয়াই কৰিব নোৱাৰিলেও ফলাফল দেখি বিস্ময় আৰু তবধ মানিছিল। লগে লগে সকলোৱেই তেওঁৰ কৰ্ম্মকুশলতা আৰু সাহসৰ প্ৰশংসা কৰিছিল। ভাৰতীয় লোকসকলে এতিয়া যেন বাপুজীক নিজৰ মাজত পাবলৈ আকাঙ্ক্ষা কৰিছিল।

গতিকে তেওঁ আহি পাবৰ বাতৰি প্ৰকাশ হোৱাৰ লগে লগেই ভাৰতৰ বিভিন্ন ঠাইত অভ্যৰ্থনাৰ আয়োজন হবলৈ ধৰিলে। বোম্বাই আহি পোৱাৰ লগে লগে তেওঁক সাদৰ অভ্যৰ্থনা জনোৱা হল। তাতে প্ৰথম বিৰাট ৰাজহুৱা সভা পাতি বাপুজীক অভ্যৰ্থনা জনোৱা হয় আৰু সেই সভাৰ সভাপতিত্ব কৰিছিল মহামতি গোখেলে নিজে। দক্ষিণ আফ্ৰিকাত তেওঁৰ যি সাফল্য তাৰ বাবে যি হৃদয়বত্তা আৰু সাহসৰ পৰিচয় দি নিজৰ মৰ্য্যাদা স্থাপনৰ দিহা কৰিব পাৰিলে তাৰ বাবেই যে এই সম্বৰ্দ্ধনা সভাপতিয়ে বুজাই দিলে।

বোম্বাইৰ আৰু কেইবা ঠাইতো সেইদৰে সম্বৰ্দ্ধনা জনোৱা হল। বাপুজীয়ে জানিলে যে তেওঁৰ পৰিবাৰবৰ্গ শান্তিনিকেতনত আছে। তালৈ যাবলৈ ঠিক কৰোঁতেই মহামতি গোখেলৰ যোগে জানিলে যে বোম্বাইৰ গভৰ্ণৰে তেওঁক দেখা পাব খোজে। সেইমতে বাপুজীয়ে গভৰ্ণৰৰ লগত সাক্ষাৎ কৰিলে। উভয়ৰ ভিতৰত সহৃদয়তাৰেই কথা-

বাৰ্ত্তা হ'ল। প্ৰসঙ্গক্ৰমে বাপুজীয়ে অঙ্গীকাৰ কৰি কলে যে ভৱিষ্যতে চৰকাৰৰ বিৰুদ্ধে কোনো আন্দোলন কৰিব লগা হলে পোণতে চৰকাৰ পক্ষৰ উৰ্দ্ধতন বিষয়াক জনাই হে তেওঁ কোনো কাম কৰিব।

মহামতি গোখেলৰ আনন্দ আৰু গৌৰৱৰ কথা যে বাপুজীয়ে তেওঁক ৰাজনীতি ক্ষেত্ৰত গুৰু মানি লৈছে। যেই হলেও গোখেলে কিন্তু গান্ধীজীৰ দক্ষিণ আফ্ৰিকাৰ কাৰ্য্য-কলাপবোৰ বৰ আগ্ৰহেৰে লক্ষ্য কৰিছিল। ভাৰতবৰ্ষ আহি পোৱাৰ লগে লগে বাপুজীক সতৰ্ক কৰি কৈছিল তেওঁ যেন অন্ততঃ এবছৰৰ আগতে কোনো ৰাজনৈতিক মতবাদ প্ৰকাশ নকৰে। বাপুজীয়ে সেই উপদেশ স্বীকাৰ কৰি লৈছিল আৰু কৈছিল অন্ততঃ ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান ঠাই বিলাকলৈ গৈ সকলো কথা খৰচি মাৰি নজনাকৈ কোনো কাম হাতত নলয়। তেতিয়াই গোখেলে জানিছিল যে ৰাজনীতি ক্ষেত্ৰত গান্ধীজীয়েই তেওঁৰ একমাত্ৰ উত্তৰাধিকাৰী হব।

যিহওক, বোম্বাইৰ কাম শেষ কৰি তেওঁ পুনালৈ গল। পুনাৰ পৰা ৰাজকোট আৰু এই ৰাজকোটৰ পৰা আহিল শান্তিনিকেতনলৈ। বিশ্বকবি ৰবীন্দ্ৰনাথৰ লগত (যাক তেওঁ পিচত "গুৰুদেৱ বুলি সম্বোধন কৰিছিল) কিছুদিন থাকি বিশ্ৰাম লবলৈ তেওঁ ইচ্ছা কৰিছিল। এনেতে কেদিনমান পিচত শুনিলে যে পুনাত মহামতি গোখেলৰ মৃত্যু হৈছে। তেওঁ ততালিকে তাৰপৰা পুনালৈ গুচি আহিল।

গোখেলৰ মৃত্যুৰ পিচত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা তেওঁলৈ আহ্বান আহিবলৈ ধৰিলে। সেইমতে গোটেই ১৯১৫ চনটো তেওঁ ভাৰতৰ বিভিন্ন ঠাইত ঘূৰিলে আৰু এনে কি গোটেই ব্ৰহ্মদেশতো ঘূৰিব লগতে পৰে। এভিয়াৰ পৰাই তেওঁ বেলত তৃতীয় মানুহৰ

লগত তৃতীয় শ্রেণীত যাতায়াত কৰিছিল। এইদৰে ফুৰি থাকোঁতে তেওঁ এতিয়াৰ পৰাই নিজৰ অভিনব পন্থা সত্য আৰু অহিংসাৰ বাৰ্ত্তা প্ৰচাৰ কৰিবলৈ ধৰিলে।

তাৰ পিচত আগলৈ এই নতুন ভাব গ্ৰহণ কৰি কাম কৰিব পৰাকৈ কৰ্মীদল গঠনৰ উদ্দেশ্যে নিজ প্ৰদেশ গুজৰাটৰ অন্তৰ্গত আহমেদাবাদত এখন সত্যাগ্ৰহ আশ্ৰম প্ৰতিষ্ঠা কৰিলে। এই আশ্ৰমৰ শিক্ষাৰ ঘাই কথা হ'ব, দেশসেৱা। চাৰি বছৰ বয়সৰ পৰা যেই সেই মতা-তিৰোতাই এই আশ্ৰমত ভৰ্ত্তি হ'ব পাৰে আৰু খৰচপাতি দিয়াৰো একো ধৰা-বন্ধা নিয়ম নাছিল। অৰ্থাৎ নীচেই দুখীয়া মানুহো মন কৰিলে ইয়াত থাকি শিক্ষা লব পাৰিছিল। এই শিক্ষাৰ সাৰ কথা আছিল—আত্মত্যাগ, পৰোপকাৰ আৰু দেশসেৱা। আশ্ৰমবাসী সকলে নিজৰ নিজৰ সকলো কাম নিজে কৰি স্বাবলম্বী হ'বলৈ অভ্যাস কৰিব লাগিছিল—সেইমতে পাল পাতি বন্ধা, ঠাই চাফা কৰা, নিজৰ কাপোৰ ধোৱা, বাচন মাজা, পায়খানা পৰিষ্কাৰ ৰখা ইত্যাদি। তদুপৰি প্ৰতি সভ্যই সত্যপালন, বাক্ সংযম, অহিংস হ'বলৈ কথাই-কামে অভ্যাস কৰিব লাগিছিল। লগতে স্বদেশী ব্ৰত গ্ৰহণ আৰু সত্য পালনত নিৰ্ভীকতা অবলম্বন কৰিবলৈকো প্ৰতিজ্ঞা-বদ্ধ হ'ব লাগিছিল। মুঠতে আশ্ৰমৰ ডাঙৰ সৰু সকলো কাম নিজে এই আশ্ৰমবাসী সকলেই কৰিব লাগিছিল।

দেখা যায় পৰবৰ্ত্তী কালত আশ্ৰমত শিক্ষা পোৱা এই সকল কৰ্মীয়েই গান্ধীজীৰ অনুবৰ্ত্তী হৈ কাম কৰিছিল আৰু হাতে কামে নতুন পদ্ধতিৰে কাম চলাই সেই মতবাদৰ ভেটী সুদৃঢ় কৰি তুলিছিল।

বাপুজীয়ে এতিয়া ভাৰতৰ বিভিন্ন ঠাইত ফুৰি বিভিন্ন শ্ৰেণীৰ

অৱস্থাৰ মাজেদি বিভিন্ন সমস্যাৰ সংস্পৰ্শলৈ আহিছিল। দেশত ৰাজনৈতিক স্বাধীনতা লাভৰ কাৰণে (তেতিয়াৰ দিনত শাসন ব্যৱস্থাত ভাৰতীয়ৰ সমধিক অংশ পাবৰ কাৰণে) বেলেগ বেলেগ দল তেতিয়াই দেখা দিছিল। বাপুজীয়ে এইবিলাক অৱস্থা আৰু মতবাদৰ তথ্য ভালদৰে জানিবলৈ চেষ্টা কৰিছিল মাথোন।

বঙ্গদেশত তেতিয়া বিপ্লবী দলৰ প্ৰাধান্য। ৰাজনৈতিক গগণ এই দলৰ কাৰ্য্যকলাপত বিভীষিকাৰে পৰিপূৰ্ণ। বিপ্লবীদলৰ মতে স্বাধীনতা লাভৰ কাৰণে অত্যাচাৰী শাসকবৰ্গ হত্যা কৰাৰ বাহিৰে আন উপায় নাই। সেই কাৰণে সেই সময়ত প্ৰায় ঘনাই হত্যাকাণ্ড চলিছিল। বিদেশৰ ৰক্তপাত বিনে স্বদেশৰ মুক্তি আশা কৰা বলিয়ালি বুলি সেই দলৰ দৃঢ় অভিমত আছিল। তেওঁবিলাকৰ আদৰ্শ আছিল গ্যাৰিবল্ডী, ম্যাটচিনি আৰু ৰুচ দেশৰ নিহিলিষ্ট সম্প্ৰদায়। বৃহৎ স্বাৰ্থৰ কাৰণে হত্যা তেওঁলোকে দোষৰ বুলি নাভাবে। বৰং সেই সময়ত বঙ্গদেশত এনে অৱস্থা যে এই বিপ্লবী-দলৰ বিৰুদ্ধে কোনেৰে বিৰুদ্ধ মতবাদ প্ৰকাশ কৰিব নোৱাৰিছিল। আৰু কোনোৱে কৰিলেও তেওঁৰ জীৱনটো হাতত লৈহে তাকে কৰবলৈ সাহ কৰিব পাৰিছিল।

এনে অৱস্থাৰ মাজত গান্ধীজী কলিকতা পালেগৈ ১৯১৫ চনৰ মাৰ্চ্চ মাহত। তাৰ কলেজ স্কোয়াৰৰ ষ্টুডেন্ট্‌চ্ হলত এখন ডাঙৰ সভা হৈছিল। সেই সভাত গান্ধীজীয়ে এটা বক্তৃতা দিছিল। তাৰ সাৰ মৰ্ম্ম এয়ে আছিল—

"এই বিলাক ডকাইতি বা হত্যাকাণ্ডৰ যি ধুম পৰিছে ই সম্পূৰ্ণৰূপে বিদেশী ভাবধাৰাৰ অনুকৰণ মাথোন।.........ইতিহাসেই

প্ৰমাণ কৰে যে নৰহত্যাৰ পৰা কোনো উপকাৰ নহয়। এইদেশৰ যি ধৰ্ম্ম-আৰ্য্য হিন্দু ধৰ্ম্ম তাৰ মূল মন্ত্ৰই হল হিংসা পৰিত্যাগ বা প্ৰাণীবধ নকৰা। হিন্দুধৰ্ম্মৰ শিক্ষামতে দুষ্কৃতিকাৰীকো ঘিন কৰিব নাপায়—বধ কৰাটো দূৰতে থাওক।"

বাপুজীৰ এনে স্পষ্ট আৰু সাহসিক উক্তিৰ ফলত তেতিয়াৰ দিনত বহু ঠাইত ডেকা সমাজৰ মাজত তুমুল বাক্-বিতণ্ডাৰ সৃষ্টি হৈছিল। তেওঁবিলাকৰ দৃঢ় ধাৰণাৰ উপৰত এনে ধৰণৰ স্পষ্টোক্তি আৰু প্ৰতিবাদত পোনতে নিশ্চয় চাঞ্চল্যই দেখা দিব। কিন্তু কি অসাধাৰণ ক্ষীণকায় লোকজনৰ সাহস! যিটো সত্য বুলি বুজিব তাৰ বাবে প্ৰাণ দিবলৈ পৰ্য্যন্ত অকুণ্ঠচিত্ত!

এতিয়াৰ পৰা মানুহৰ মনলৈ চিন্তা আহিল—তেন্তে বিনা ৰক্তপাতেও আমি মুক্ত হব পাৰিম বিদেশী শাসনৰ বান্ধোনৰ পৰা? বাপুজীৰ এই প্ৰথম হিংসাপথৰ বিৰুদ্ধে প্ৰকাশ্য ঘোষণা।

তেখেতৰ স্পষ্ট কথা যে—অসৎ উপায়ৰ দ্বাৰা কোনো মহৎ কাম সাধন কৰিব নোৱাৰি। উপায় আৰু উদ্দেশ্যৰ মাজত সামঞ্জস্য থাকিব লাগে। বহুতে ভাবিছিল যেনে তেনে প্ৰকাৰেই কাৰ্য্যসাধন সম্ভৱ। গান্ধীজীৰ মতে সেইটো কেতিয়াও নহয়। হিংসাই হিংসা বঢ়াব—দূৰ কৰাব নোৱাৰে। প্ৰেমহে হিংসাৰ ঔষধ। আমি সম্মানজনক পন্থা অবলম্বন কৰি আমাৰ লুপ্ত সম্মান বা হৃত সম্মান উদ্ধাৰ কৰিব লাগিব। অসৎ উপায়ৰ দ্বাৰা নহব।

এই উক্তিত গোটেই ভাৰত যেন পুলকিত হৈ উঠিল। অতীত বদ্ধমূল সংস্কাৰ জাগ্ৰত হৈ পথৰ সন্ধান যেন কিঞ্চিৎ উজলি উঠিল। মানুহে নতুন পথৰ সন্ধান পালে।

সোঁতা

১৯১৫ চন

বাপুজীৰ প্ৰকৃত মহত্বৰ পৰিচয় ভাৰতীয় লোক সমাজে এতিয়াও ভালকৈ বুজিব পৰা নাছিল। এই চনতে তেওঁৰ যাৱতীয় ভৱিষ্যত জীৱনৰ কৰ্ম্মৰ বীজ যেন ৰোপিত হৈছিল। সেইবোৰ কথা আৰু কামৰ প্ৰকৃত মৰ্ম্ম তেতিয়াই মানুহে বুজিব পৰা নাছিল। পিচত কাৰ্য্যক্ষেত্ৰত পৰাতহে তাৰ মহত্ব উপলব্ধি কৰিবলৈ সকলোৰে পক্ষে সহজ হৈছিল।

বাপুজীয়ে আগতে উল্লেখ কৰা "সৱৰমতি আশ্ৰম" স্থাপন আৰু বঙ্গদেশেও বিপ্লববাদৰ বিপক্ষে মতবাদ স্পষ্টভাবে প্ৰকাশ কৰি ভবিষ্যৎ বিৰাট কৰ্ম্মসূচীৰ পাতনি মেলিলে। অৰ্থাৎ গুপ্ত সমিতিয়ে ৰাজনৈতিক মুক্তি সাধন কৰিব নোৱাৰে এই মতৰ কাৰণে তেখেতে আশ্ৰম স্থাপন কৰি দেখা শুনাকৈ কৰ্ম্মী সংগ্ৰহ কৰি শিক্ষাৰ ব্যৱস্থা কৰিলে।

এপ্ৰিল মাহত মাদ্ৰাজত এখন ভোজ সভাত তেতিয়াৰ এডভোকেট জেনেৰেল অনাৰেব্‌ল্ মিঃ কৰবেটৰ অনুৰোধত গান্ধীজীয়ে এটা বক্তৃতা দিছিল। সেই বক্তৃতাটোৱেও সকলোৰে মনত বিস্ময় সৃষ্টি কৰিছিল। বাপুজীয়ে তেতিয়া কৈছিল,—"মই লক্ষ্য কৰিছোঁ যে বৃটিছ সাম্ৰাজ্যৰ কিছুমান আদৰ্শ আছে যিবিলাক মই ভাল পাওঁ। সেই আদৰ্শৰ ভিতৰত এটা হল এই যে বৃটিছ সাম্ৰাজ্যৰ প্ৰত্যেক জন প্ৰজাৰ নিজৰ বিবেক বুদ্ধিমতে কৰ্ম্ম পদ্ধতিৰ পূৰ্ণ স্বাধীনতা আছে।

আপোনালোকে সম্ভৱতঃ জানে যে মই কোনো গভৰ্ণমেণ্টকে

ভাল নাপাওঁ আৰু মই বহুত বাৰ কৈছোঁ যে যি গভৰ্ণমেণ্টে খুব কম ভাবে শাসন কৰে সেই গভৰ্ণমেণ্টই উৎকৃষ্ট। মই ভাবোঁ বৃটিছ সাম্রাজ্যত শাসিত হবৰ সম্ভাবনা মোৰেই আটাইতকৈ কম। গতিকে বৃটিছ সাম্রাজ্যৰ মই এজন পৰম শত্রু।"

বাপুজীৰ বক্তৃতাৰ এই কেষাৰ কথাও কেনে স্পষ্ট আৰু মিছাও নহয় বা ভালৰি বোলাবলৈ কোৱাও নহয়। চিন্তাৰ স্বাধীনতা বা বিবেক বুদ্ধি অনুসাৰে কাম কৰিবৰ তথা, "বিদ্রোহ কৰিবৰ" স্বাধীনতা বৃটিছ সাম্রাজ্যত থকাটো সঁচাই। সেইবাবে তাৰে আশ্রয় প্রয়োজন হলে ভবিষ্যতে লবৰ ইঙ্গিতো ইয়াত লুকাই আছে। বিশেষতঃ তেওঁ সত্যাশ্রয়ী বা নিষ্ক্রিয় প্রতিৰোধকাৰী হিচাবে তেওঁৰ শাসিত হবৰ সম্ভাৱনা খুব কম। সঁচা কথা। সত্যাশ্রয়ীক কোনে শাসন কৰিব পাৰে? কৰিলেও বা কিমানকণ? তাৰ প্রমাণ দক্ষিণ আফ্রিকাত দেখাই গৈছে। দুই এটা গুণ থকাত সাম্রাজ্যৰ ধ্বংস কামনা তেওঁ পিচৰ জীৱনটো কেতিয়াও কৰা নাই। গতিকে এই জীৱনী নিশ্চয় সামঞ্জস্যপূর্ণ,—কামে-কথাই সদায় মিল।

সেই সময়ত শিক্ষিত ভাৰতীয় লোকসকলে নিজৰ দেশৰ কৃষ্টি আৰু সাধনাৰ বিপর্য্যয়ৰ কাৰণে বিদেশী ইংৰাজ শাসকসকলক দায়ী কৰিছিল। সত্যাশ্রয়ী বাপুজীৰ এই কথা মনত লগা নাছিল। তেওঁ মাদ্রাজত "ইয়ংমেনচ্ ক্রিশ্চিয়ান এচোচিয়েচন" অনুষ্ঠানৰ এখন সভাত দিয়া বক্তৃতাৰ পৰা সেইটো স্পষ্ট বুজা যায়। সেইখন সভাত সভাপতি আছিল মিঃ শ্রীনিবাস শাস্ত্রী। তেওঁ কৈছিল,—"মই এইটো এক মুহূর্ত্তৰ কাৰণেও বিশ্বাস কৰিব নোৱাৰোঁ যে তোমালোকে যদি গ্রহণ নকৰা তেন্তে কোনো শাসক জাতিয়ে কোনো বিদেশী কৃষ্টি

তোমালোকক আনি দিব পাৰে। কোনো শাসক জাতিয়ে তেনেকুৱা কোনো কৃষ্টি আমাৰ আগত স্থাপন কৰিলেও আমাৰ নিজৰ এনে শক্তি আছে যাৰ বলেৰে শাসক জাতিক প্ৰত্যাখ্যান নকৰাকৈও তেওঁবিলাকৰ কৃষ্টি প্ৰত্যাখ্যান কৰিব পাৰি।"

ইয়াৰ পৰা বাপুজীয়ে শিক্ষিত সমাজৰ নিজৰ দুৰ্ব্বলতাৰ কথা স্পষ্টভাবে প্ৰকাশ কৰিলে। লগতে মন কৰিলে বুজা যাব যে তাৰ প্ৰতিকাৰৰ পথৰ ইঙ্গিতো কৰিলে। সেয়ে অহিংস অসহযোগ বা বৰ্জ্জন নীতি।

এই ইং ১৯১৫ চনতে ভৱিষ্যতৰ বৃহৎ আন্দোলন অস্পৃশ্যতা বৰ্জ্জনৰ পথ কেনেকৈ তৈয়াৰ কৰিলে চাওক। নিকপকপিয়া হিন্দু সমাজৰ কেন্দ্ৰ মাদ্ৰাজৰ মায়াবৰম্ চহৰত গান্ধীজীয়ে সামাজিক সংস্কাৰ সাধনৰ উদ্দেশ্যে এটা বক্তৃতা দিছিল। তাৰ এটা অংশ পাঠ কৰিলেই বুজা যাব যে বাপুজীয়ে বহুত দিন আগৰ পৰা আমাৰ মাজত হৰিজন সকলৰ অস্পৃশ্য অৱস্থা দেখা পাই কিমানখিনিলৈকে অস্বস্তি বোধ কৰিছিল।

তেওঁ কৈছিল, "ভাৰতৰ বাহিৰত থাকিও মই হিন্দুধৰ্ম্ম সম্বন্ধে যিকেবা বুজিব পাৰিছোঁ, সেইমতে মই ভাবোঁ যে প্ৰকৃত হিন্দুধৰ্ম্মৰ ভিতৰত "অস্পৃশ্য" বুলি এটা কথা নাই। আমি যে আমাৰ সমাজৰ এটা ডাঙৰ অংশ এইদৰে অস্পৃশ্য কৰি ৰাখিছোঁ ই নিশ্চয় অসাৰ্থক। এওঁবিলাক যদি হিন্দুধৰ্ম্মৰ পক্ষে নিতান্ত দৰকাৰী এটা অংশ হয় অৰ্থাৎ সদায় এই অস্পৃশ্য বুলি কিছুমান জাত থাকি যাব লগা হয় তেন্তে মই বৰং গোটেই হিন্দুধৰ্ম্মৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিম।

মায়াৱৰমৰ ব্ৰাহ্মণসকলে "পাৰিয়া" বিলাকক সমান চকুৰে চাব

পাৰিবনে ? তেওঁবিলাকে যদি পাৰিম বুলি কয় আৰু লগতে আপত্তি কৰে যে আন জাতৰ মানুহেহে ৰাজী নহব বা তেনেদৰে সমান চকুৰে নাচাব, সেইকথা মই একেবাৰেই বিশ্বাস কৰিব নোৱাৰিম।”

বাপুজীয়ে সহজে বুজি পাইছিল যে এইদৰে এটা বক্তৃতা দিয়েই যুগ যুগ ধৰি সমাজত চলি অহা আচাৰ আঁতৰ কৰিব বা গুচাব নোৱাৰিব। কিন্তু আন সংস্কাৰকসকলৰ দলেই চলিত ভুলৰ বিৰুদ্ধে বাণী প্ৰচাৰ কৰি পোনতে মানসিক জগতত এটা চিন্তাৰ ঢৌ তুলি দিয়াই ইয়াৰ ঘাই উদ্দেশ্য আছিল।

বাপুজীৰ জীৱনৰ আন এটি প্ৰবীন কীৰ্ত্তি—খদ্দৰ প্ৰচাৰ। সিও এই সময়তে আৰম্ভ হৈছিল। বঙ্গ বিভাগৰ প্ৰতিবাদ কল্পে আমাৰ দেশত প্ৰথম “স্বদেশী আন্দোলনৰ” সূত্ৰপাত হয়। ইয়াৰ কাৰ্য্যক্ৰম দুটা আছিল, বিদেশী-পণ্য বৰ্জ্জন আৰু স্বদেশী দ্ৰব্য গ্ৰহণ। বিপ্লবাত্মক আন্দোলনৰ আগত ই ৰবকৈ গা কৰি উঠিব পৰা নাছিল। বিশেষতঃ ১৯১১ চনত যেতিয়া বঙ্গচ্ছেদ ৰদ হল তেতিয়াৰ পৰা এই আৰম্ভকীয় আন্দোলনৰ গতি-বেগ একেবাৰে কমি গল। বাপুজীয়ে এই কথাটো আগৰ পৰা লক্ষ্য কৰি আছিল। এতিয়া অলপমান মাথোন তাঁতশাল বহুৱাই স্বদেশী শিল্পৰ পুনৰুদ্ধাৰৰ চেষ্টা কৰা দেখি তেওঁ ৰবং তীব্ৰভাবে আক্ৰমণ কৰি কৈছিল।—

“মই শুনিছোঁ যে এহেজাৰ মান তাঁতশাল বহুৱা হৈছে। নেতা-সকলৰ পক্ষে ই বিশেষ গৌৰবৰ কথা একো নহয়। সেই এক হাজাৰ তাঁত যদি অকল ভাইসকলৰ অভাৱ দূৰ কৰিবলৈকে ব্যস্ত থাকে তেন্তে তাঁতৰ সংখ্যা দুগুণ কৰি বঢ়াই লোৱা উচিত। তেতিয়া হলে আপোনালোকৰ সকলো বস্ত্ৰাভাৱ আপোনালোকৰ নিজৰ মানুহেই

আঁতৰাই দূৰ হ'ব আৰু ফলত দেশত কোনো ৰকম দাৰিদ্ৰতাই নাথাকিব। মই আপোনালোকক আৰু আপোনালোকৰ সভাপতি মহোদয়ক সোধোঁ,—তেখেতৰ নিজৰ সাজ-পোছাকৰ কাৰণে বিদেশী বস্তুৰ ওচৰত কিমানলৈকে ঋণী অৰ্থাৎ গাত কিমানখিনি বিদেশী কাপোৰ আছে? যদি তেখেতে কয় যে তেখেতে যথেষ্ট চেষ্টা কৰিও স্বদেশী পোছাক পিন্ধিব পৰা নাই আৰু সেই কাৰণেহে এনে বিদেশী কাপোৰৰ পোছাক পিন্ধিব লগতে পৰিছে—তেন্তে তেখেতৰ ভৰিৰ তলত বহি এইটো মই নতুনকৈ শিক্ষা লব লাগিব। মই আজি যিবোৰ শিক্ষা-লাভ কৰিব পাৰিছোঁ সেইটো হৈছে এই যে অলপো সৰহীয়া খৰচ নকৰাকৈয়ে মই নিজক স্বদেশী কাপোৰেৰে সজাব পাৰোঁ—অৰ্থাৎ স্বদেশী কাপোৰ নিজ হাতে তৈয়াৰ কৰি পিন্ধিব পাৰোঁ।"

এই কথাৰ পৰাই বুজা যায় যে বাপুজীৰ স্বদেশী শিল্প তথা কুটীৰ শিল্পৰ কাৰণে আগ্ৰহ কিমান গভীৰ আছিল আৰু এই শিল্পোদ্ধাৰৰ উপযোগীতা সম্বন্ধে ধাৰণা কেনে আছিল।

দেখা যায় বাপুজীৰ চিন্তাধাৰাত এটা বিশেষত্ব আছিল। যেই বিষয়ৰে কথা নহওক আগেয়ে নিজে তাক ভালদৰে উপলব্ধি কৰিহে পিচত পৰক বুজাবলৈ চেষ্টা কৰিছিল। গতিকে তেওঁৰ কথাই মানুহৰ মনত পোনপটীয়াকৈ আঘাত কৰিছিল, আৰু নতুন পথৰ পোহৰ দেখুৱাই শ্ৰোতাক খুহি পেলাব পাৰিছিল।

এইদৰেই এই ইং ১৯১৫ চনতে যেন বাপুজীৰ কৰ্ম্মময় জীৱনৰ ভেটী প্ৰতিষ্ঠিত হৈছিল আৰু লগতে ভাৰতৰ ভাগ্যৰ পক্ষে মাহেন্দ্ৰক্ষণ স্বৰূপ হৈছিল।

সোতৰ

চম্পাৰণ, খয়ৰা আদি সত্যাগ্ৰহ

ৰাজনীতি ক্ষেত্ৰত গুৰু বুলি মানি লোৱা মহামতি গোখেলৰ পৰামৰ্শ আখৰে আখৰে পালন কৰি বাপুজীয়ে ভাৰতবৰ্ষৰ সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা ভালদৰে বুজি লবলৈ চেষ্টা কৰিলে আৰু আগৰ অধ্যায়ত আলচ কৰা মতে ভৱিষ্যত কৰ্ম্মপন্থাৰ আঁচনিৰ আভাস যেন ৰাইজৰ চিন্তাৰ ভিতৰলৈ আনিব পৰাকৈ ঠায়ে ঠায়ে বেলেগ বিষয়ৰ কথা নিজ অভিনৱ পদ্ধতিৰ মাজেদি প্ৰকাশ কৰিলে। ইয়াতেই ভাৰতীয় জনসাধাৰণ তেওঁৰ প্ৰতি ক্ৰমে আগতকৈও বেছি ৰকমে আকৰ্ষিত হবলৈ ধৰিলে। তেওঁৰ পৰা যেই কোনো সৰু ডাঙৰ সমস্যাৰ সমাধান সহজে হব বুলি বিশ্বাস হোৱাত সকলো ফালৰ পৰাই এই সময়ত তেওঁলৈ আহ্বান আহিবলৈ ধৰে, বিশেষকৈ আহিবলৈ ধৰে চম্পাৰণৰ পৰা। সেই সময়ত চম্পাৰণত নীলখেতি কৰা প্ৰজাসকলৰ ওপৰত ইংৰাজ ব্যৱসায়ীসকলে বৰ অত্যাচাৰ কৰিছিল আৰু সম্প্ৰতি সেই অত্যাচাৰ চৰমত উঠিছিল।

চম্পাৰণ সত্যাগ্ৰহ সম্পৰ্কে বাপুজীয়ে নিজে মাৰ্কিন সাংবাদিক লুই ফিচাৰৰ আগত যিদৰে বৰ্ণনা কৰিছিল ইয়াত সংক্ষেপে তুলি দিলেই সহজে গোটেইটো কথা বুজা যাব। তেওঁ কৈছিল,—"১৯১৪ চনৰ পৰা ১৯১৮ চনলৈকে মই এক হিচাবে ৰাজশক্তিৰ অনুগত আছিলোঁ, বোলা যাব পাৰে। কিন্তু প্ৰকৃততে তেনে নহয়। ১৯১৮ চনতে মই কৈছিলোঁ যে ভাৰতত ইংৰাজৰ শাসন বিদেশী শাসন। এই শাসন

আমাৰ দেশৰ পৰা নোহোৱা কৰিবই লাগিব। ইংৰাজসকলৰ ভাৰত এৰি যোৱা কথাটো মোৰ মনত কেতিয়াৰ পৰা খেলাইছিল, আপোনাক কওঁ। ১৯১৬ চনৰ কথা। মই তেতিয়া লক্ষ্ণৌত কংগ্ৰেছৰ কাম কৰি আছিলোঁ। মোৰ ওচৰলৈ এজন খেতিয়ক আহিল। তেওঁ ভাৰতৰ আন আন খেতিয়কৰ দৰেই দুখীয়া আৰু শুকান উৰান। তেওঁ কলে মোৰ নাম ৰাজকুমাৰ শুক্ল; মই চম্পাৰণৰ পৰা আহিছোঁ। আমাৰ জিলাৰ সকলো মানুহে আপোনাক নিবলৈ মোক পঠাইছে। তাৰ পিচত তেওঁ মোক তাৰ খেতিয়ক সকলৰ দুখ-দুৰ্দ্দশাৰ কথা কলে আৰু লক্ষ্ণৌৰ পৰা কেশমান মাইল দূৰৈ চম্পাৰণলৈ যাবলৈ অনুৰোধ কৰিলে। তেওঁ মোক এনেদৰে অনুনয় বিনয় কৰি কবলৈ ধৰিলে যে শেহত মই যাম বুলি কথা দিলোঁ। তেওঁ মোৰ পৰা নিৰ্দ্দিষ্ট তাৰিখ বিচাৰিলে। মই তেওঁক কোনো তাৰিখ দিব নোৱাৰিলোঁ। তাৰ পিচতো মই ভাৰতৰ বহুত ঠাইত ঘূৰি ফুৰোঁ। ৰাজকুমাৰে কিন্তু মোৰ পিচ ললে। মই যতে ৰওঁ ৰাজকুমাৰো তাতে ৰয়; ১৯১৭ চনৰ আৰম্ভনিৰ কালে মই কলিকতালৈ যাওঁ। ৰাজকুমাৰো কলিকতালৈ আহিল। শেষত তেওঁ মোক চম্পাৰণলৈ যাবলৈ বাধ্য কৰিলে। চম্পাৰণত নীলৰ খেতি হয়। মই থিৰ কৰিলোঁ যে মই হাজাৰ হাজাৰ খেতিয়কৰ লগত কথা পাতিম; কিন্তু অপৰপক্ষৰ কথাও বিবেচনা কৰিবৰ কাৰণে মই বৃটিছ কমিছনাৰৰ লগতো দেখা কৰিম। মই যেতিয়া কমিছনাৰৰ লগত দেখা কৰিবৰ কাৰণে অনুমতি বিচাৰিলোঁ তেখেতে দেখাটো নকৰিলেই বৰং অতি শীঘ্ৰে চম্পাৰণ এৰি যাবলৈ মোক হুকুম দিলে।

মই তেখেতৰ হুকুম নামানি হাতীত উঠি এখন গাওঁত সকল

ফুৰিবলৈ ধৰিলোঁ। এজন চিপাহীয়ে চম্পাৰণ এৰি যাবলৈ মোক এখন ১৪৪ ধাৰাৰ বলত নোটিচ দিলে। মই য'ত আছিলোঁ পুলিচে ধৰি তালৈকে লৈ আহিল। তাত মই আইন অমান্য কৰিবলৈ সিদ্ধান্ত কৰিলোঁ। মই (কমিছনাৰক) জনাই দিলোঁ যে মই চম্পাৰণ নোৰোঁ। মোৰ থকা ঠাইৰ চাৰিওফালে বহুত মানুহ গোট খালে। সেই অসংখ্য মানুহ নিয়ন্ত্রন কৰিবৰ কাৰণে মই পুলিচক সহায় কৰিলোঁ। পুলিচৰ লগত মোৰ এটা সোহাৰ্দ্দ্য ভাব জন্মিল। (কিন্তু বাপুজীক গ্ৰেপ্তাৰ কৰি হাজোতলৈ নিলে আৰু নিৰূপিত তাৰিখত আদালতত হাজিৰ কৰালে।)

চম্পাৰণত সেই এটা মোৰ জীৱনৰ স্মৰণীয় দিন। মোক আদালতত হজিৰ কথা মাত্ৰকে গভৰ্ণমেণ্টৰ ফালৰ এটৰ্নীয়ে মেজিষ্ট্ৰেটৰ ওচৰত দৰ্খাস্ত দিলে যে সেইদিনালৈ যেন মোকৰ্দ্দমা মুলতুবি ৰখা হয়। কিন্তু মই কলোঁ যে মোকৰ্দ্দমা চলোক। মই প্ৰকাশ্যে ঘোষণা কৰিব খুজিছিলোঁ যে চম্পাৰণ এৰি যাবলৈ মোক যি আদেশ দিয়া হৈছে মই সেইটো অমান্য কৰিছোঁ। মই এটৰ্নিক কৈছিলোঁ যে মই ইয়াৰ অৱস্থা জানিবৰ কাৰণে আহিছোঁ। গতিকে মই বৃটিছৰ আইন অমান্য কৰিব লগাত পৰিছে। মই বৃটিছৰ আইনতকৈও আন এক উচ্চতৰ আইনৰ নিৰ্দ্দেশত কাম কৰিছোঁ। সেই নিৰ্দ্দেশ হৈছে মোৰ বিবেকৰ নিৰ্দ্দেশ। ইংৰাজৰ বিৰুদ্ধে এয়ে মোৰ প্ৰথম আইন অমান্য আন্দোলন। মই এই নীতিটোকে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিলোঁ যে মোক আমাৰ দেশৰ কোনো ঠাই এৰি যাবলৈ কবৰ অধিকাৰ ইংৰাজৰ নাই। "চৰকাৰে" (নিজৰ উকিল) মোক বাৰে বাৰে অনুৰোধ কৰিলে মই যেন নিজৰ দোষ স্বীকাৰ

নকৰোঁ; অৱশেষত মেজিষ্ট্ৰেটে মোকৰ্দ্দমা বন্ধ কৰি দিলে অৰ্থাৎ উঠাই ললে। আইন অমান্য আন্দোলন জয়ী হল। ভাৰতক বিদেশী নাগপাশৰ পৰা মুক্ত কৰিবৰ এয়ে পদ্ধতি বুলি মই তেতিয়াৰ পৰাই স্থিৰ কৰিলোঁ।

বাপুজীয়ে নীলখেতিৰ বিষয়ে আগতে একো নাজানিছিল। বঙ্গদেশৰ পৰা বহুত আগতে নীলখেতি উঠি যায়। কিন্তু ১৯১৭ চনলৈকে বিহাৰ প্ৰদেশৰ ঠায়ে ঠায়ে বিশেষকৈ চম্পাৰণত সেই খেতি ভালকৈয়ে হৈ আছিল। এই বিষয়ে আত্মকথাত বাপুজীয়ে লিখিছে,—"চম্পাৰণ আগৰ দিনত জনক ৰজাৰ স্থান আছিল। তাত আজিকালি আমগছৰ বাগিচাৰে ভৰা। ১৯১৭ চনলৈকে তাত বহুত নীলৰ খেতিও হৈছিল। নিজৰ মাটিৰ প্ৰতি বিঘাত তিনি কঠা হিচাবে মাটিত খেতিয়ক সকলে নীল খেতি কৰি দিবৰ নিয়ম আছিল। আৰু সেই খেতি কৰিছিল মালিক হিচাবে ঠায়ে ঠায়ে থকা নীলকৰ চাহাবসকলৰ কাৰণে। ইয়াকেই বোলা হৈছিল "তিনিকঠীয়া প্ৰথা।"

মই এইটো স্বীকাৰ কৰিব লাগিব যে মই তেতিয়ালৈকে চম্পাৰণৰ নাম-ঠিকনা একোকে নাজানিছিলোঁ আৰু তাত যে নীল খেতি হয় তাকো নাজানিছিলোঁ। নীলৰ পেকেট কৰবাত কেহেবাত দেখিছোঁ কিন্তু সি যে চম্পাৰণত তৈয়াৰ হয় সেইটো নাজানিছিলোঁ।"

যিহওক বাপুজীয়ে মেজিষ্ট্ৰেটৰ আগত স্পষ্টভাবে ঘোষণা কৰি কলে যে "জনসাধাৰণৰ প্ৰতি দায়িত্ববোধ লৈ মই ইয়ালৈ আহিছোঁ। গতিকে সেই দায়িত্ব পূৰণ নকৰাকৈ মই ইয়াৰ পৰা নাযাওঁ। তাৰ বাবে কৰ্তৃপক্ষৰ যেনে ইচ্ছা কৰিব পাৰে। শাস্তি দিলেও তাক গ্ৰহণ কৰিবলৈ বাধ্য আছোঁ।"

মোকৰ্দ্দমাৰ বিচাৰ সেইদিনাই শেষ হলেও ৰায় মুলতুবী ৰাখিলে। নতুন ধৰণৰ অৱস্থাত পৰি মেজিষ্ট্ৰেটে চৰকাৰৰ ওচৰলৈ সকলো কথা লিখি জনালে। কৰ্তৃপক্ষই মোকৰ্দ্দমা আগতে উল্লেখ কৰা মতে বন্ধ ৰাখিবলৈ উপদেশ দিলে। লগতে খেতিয়কসকলৰ ওপৰত নীলকৰ চাহাব সকলে কেনে ধৰণৰ অত্যাচাৰ উৎপীড়ন কৰিছে বা তেওঁবিলাকৰ আৰ্থিক অৱস্থা কেনেকুৱা তদন্ত কৰিবলৈ এটি কমিটি গঠন কৰি দিলে আৰু সেই কমিটিত গান্ধীজীকো এজন সদস্যৰূপে মনোনীত কৰিলে।

কমিটিয়ে তন্ন তন্ন কৰি তদন্ত কৰিলে। গান্ধীজীয়ে কমিটিৰ লগত নিতান্ত নিৰপেক্ষ ভাবে দুমাহ তদন্ত কৰাৰ পিচত সিবিলাকে একমত হৈ যি ৰিপোৰ্ট দিলে সেইটো গভৰ্ণমেণ্টে মানি ললে। ফলতঃ ১৯১৭ চনতে আইন এনেকৈ পৰিবৰ্ত্তন হৈ গল যে নীল খেতিয়ক সকলৰ বহুদিনীয়া অত্যাচাৰৰ পৰা খেতিয়ক সকল মুক্ত হল। তদুপৰি কমিটিৰ ৰিপোৰ্টত এইটোও ৰায় দিছিল যে নীলকৰ চাহাবসকলে অন্যায় ভাবে খেতিয়ক সকলৰ পৰা টকা আদায় কৰিছে আৰু যি দাদন লগোৱা টকা কোনো দিনে উছল নহয় সেই টকা ৰেহাই দিয়া হলেও অন্যায় ভাবে লোৱা টকাৰ নিৰ্দ্দিষ্ট অংশ দুখীয়া খেতিয়কে ফেৰত পাবলৈ হুকুম হল এইদৰেই বহুদিনৰ পৰা চলি অহা অত্যাচাৰৰ পৰা দুখীয়া খেতিয়কসকল মুক্ত হল।

১৯১৭ চনৰ কংগ্ৰেছ অধিবেশন কলিকতাত হৈছিল। তাত বাপুজীয়ে যোগদান কৰিলে। চম্পাৰণত থকা সময়ত বাপুজীয়ে খেতিয়ক সকলৰ মাজত কেইখনমান স্কুল পাতি দিছিল। এতিয়া সেই অঞ্চলতে আৰু কিছুদিন থাকিবৰ ইচ্ছা বাপুজীৰ আছিল।

কিন্তু এনেতে আকৌ গুজৰাট প্ৰদেশৰ অন্তৰ্গত খয়ৰা জিলাৰ পৰা আহ্বান আহিল। বাপুজী তালৈ যাবলৈ বাধ্য হল।

সেই বছৰ খয়ৰা জিলাত গোটেই এলেকাতে খেতি নহল। মানুহৰ খাবলৈ নাই—হাহাকাৰ অৱস্থা। গুজৰাট প্ৰদেশত এটা নিয়ম আছিল যে যি বছৰ মাটিত চাৰি ভাগৰ এভাগ খেতিও নহব সেই বছৰ ৰাইজে খাজনা মাফ পাব। খেতিয়ক সকলৰ হাতত এনে প্ৰমান আছিল যে সেই বছৰ খেতি চাৰি অনাও নহল। কিন্তু চৰকাৰী কৰ্ম্মচাৰী সকলে সেই কথা বিশ্বাস নকৰি খাজনা আদায় কৰিবলৈ হুকুম কৰিলে। মানুহৰ খাবলৈকে নাই, খাজনা দিয়ে কেনেকৈ? কিন্তু চৰকাৰ পক্ষই ৰাইজৰ কোনো আপত্তিলৈ কানসাৰ নকৰি নিৰ্ম্মমভাবে খাজনা আদায়ৰ দিহা কৰিলে। চৰকাৰ পক্ষৰ নিষ্ঠুৰ ভাবে খাজনা আদায়ৰ চেষ্টাত মানুহৰ মাজত হাহাকাৰ উঠিল। গেলাৰ ওপৰত টেঙ্গাৰ দৰে খাজনাৰ হাৰ আকৌ বঢ়াইহে দিলে। তেতিয়া আৰু ৰাইজৰ ধৈৰ্য্যৰ সীমা হেৰাল। উপায়ান্তৰ হৈ ৰাইজে গান্ধীজীৰ আশ্ৰয় প্ৰাৰ্থনা কৰিলে। ৰাইজৰ এনে দুখ-কষ্টৰ কথা শুনি বাপুজী মনে মনে থাকিব পাৰেনে? তেওঁ তেওঁবিলাকৰ মাজলৈ আহিল।

বাপুজীয়ে ৰাইজৰ কথা শুনিলে। দুখ-দুৰ্গতি নিজ চকুৰে দেখিলে। তেওঁ চৰকাৰৰ ওচৰত আবেদন কৰিলে, ৰাইজসকলক এই বছৰৰ কাৰণে খাজনা মাফ দিয়া হওক বুলি। সিবিলাকৰ সেই আবেদন অগ্ৰাহ্য কৰি চৰকাৰে বৰং দুখীয়া ৰাইজৰ সম্পত্তি বাজেয়াপ্ত কৰি খাজনা আদায় কৰিবলৈ ধৰিলে।

অৱশেষত আন উপায় নোহোৱাত বাপুজীয়ে ৰাইজক সত্যাগ্ৰহ

কৰিবলৈ পৰামৰ্শ দিলে! অত্যাচাৰ আৰু উৎপীড়ণত নিৰ্য্যাতিত ৰাইজে এইবাৰ মুক্তকণ্ঠে ঘোষণা কৰি জনালে যে তেওঁলোকে কোনোমতেই খাজনা নিদিয়ে।

এই ঘোষণাৰ লগে লগে প্ৰজাসকলৰ ওপৰত অত্যাচাৰ আৰু বাঢ়ি উঠিল। গৰু-ছাগলী কাঢ়ি নি বেচি পেলায়, সম্প.ত্ত বাজেয়াপ্ত কৰে, কোনো ঠাইত মানুহকে ঘৰৰ পৰা উলিয়াই খেদাই দিয়ে। ইমান অত্যাচাৰতো ৰাইজ একমুঠ হৈ অটল থাকিল—কোনেও খাজনা নিদিলে। ইফালে গান্ধীজীৰ আহ্বানত তিনি দিনৰ ভিতৰত প্ৰায় ৬৫০০ জন ডেকা সত্যাগ্ৰহী হাজীৰ হল। দেশত হুলস্থুল। কিন্তু ৰাইজৰ এক কথা—"খাজনা দিবলৈ নাই—এতিয়া দিব নোৱাৰোঁ—যি কৰা কৰা।"

অৱস্থাৰ গুৰুত্ব বুজি বোম্বাই গভৰ্ণৰে এই বিষয়ত হস্তক্ষেপ কৰিলে। জিলাৰ শাসনকৰ্ত্তাক দুৰ্ভিক্ষ থাকে মানে খাজনা আদায় কৰিব নালাগে বুলি নিৰ্দ্দেশ দিলে। খাজনাৰ কাৰণে বাজেয়াপ্ত কৰা সম্পত্তি ৰাইজক ঘূৰাই দিলে। সত্যাগ্ৰহ জয়যুক্ত হল।

সেই একে সময়তে আহমেদাবাদত কাপোৰৰ মিলৰ মালিক আৰু তাত কাম কৰা বনুৱাৰ ভিতৰত মনোমালিন্য ঘটিছিল। কাৰণ ঘাইকৈ আছিল বনুৱাসকলৰ বেতন বৃদ্ধি আৰু আন দুই এটা সুবিধা পাবৰ কাৰণে কৰা আন্দোলন লৈ। মিলৰ মালিক সকলে বনুৱাসকলৰ কোনো আবেদন শুনিবলৈ অগ্ৰাহ্য কৰে। গতিকে উভয় পক্ষৰ ভিতৰত বিদ্বেষ ভাব জাগি উঠে।

বনুৱাসকলে অকলে বলে নোৱাৰি বাপুজীৰ সহায় বিচাৰিলে। বাপুজীয়ে পোনতে বনুৱাসকলৰ মাজত এটা "সঙ্ঘ" স্থাপন কৰিলে।

এই সঙ্ঘৰ যোগে তেওঁবিলাকে সকলো কাৰ্য্য পৰিচালনা কৰিব এনে দিহা হল। সুখৰ কথা এই "শ্ৰমিক সঙ্ঘ" এতিয়াও আছে আৰু মালিক আৰু বনুৱাৰ মাজৰ সম্পৰ্ক ভালভাবেই আগৰ দৰে ৰক্ষা কৰি চলিছে।

তাৰ পিচত বাপুজীয়ে মালিক সকলক এখন 'সালিছ' বহুৱাই উভয় পক্ষৰ দাবীৰ বিষয়ে অনুসন্ধান কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু মালিকসকলে "সালিছ" বহুৱাবৰ যুক্তি মানি নললে। এতিয়া আন উপায় নেদেখি বাপুজীয়ে বনুৱাসকলক ধৰ্ম্মঘট কৰিবলৈ পৰামৰ্শ দিলে। ধৰ্ম্মঘট কৰিবৰ আগতে গান্ধীজীয়ে গোটাদিয়েক সৰ্ত্ত পালনৰ বাবে বনুৱাসকলক উপদেশ দিয়ে আৰু তেওঁলোকেও সেই সৰ্ত্ত পালিবলৈ স্বীকাৰ কৰে। সৰ্ত্ত কেইটা হল—শান্তিভঙ্গ নকৰিবা; যদি কোনো বনুৱা কামলৈ যাব খোজে যাবলৈ দিবা; (ধৰ্ম্মঘটৰ সময়ত) খুজি নাখাবা; ধৰ্ম্মঘট, নিজৰ দাবী পূৰণ নহয় মানে দৃঢ়ভাবে চলাবা; যদিহে কাৰোবাৰ খৰচ নোহোৱা হয় খাবৰ জোখায়, আন ঠাইত পইচা ঘটা কাম কৰি পোহপাল গৈও ধৰ্ম্মঘট চলাবা।

এৰৈকচ দিন ধৰ্ম্মঘট চলিল। ইয়াৰ ভিতৰতে কৰ্ত্তৃপক্ষৰ অত্যাচাৰ আৰু অনাহাৰত তেওঁবিলাক দুৰ্ব্বল হৈ পৰিছিল। তদুপৰি মিলৰ মালিক সকলেও বনুৱাৰ মাজত বিভেদ সৃষ্টি কৰি তেওঁবিলাকৰ ধৰ ভাঙ্গিবলৈ চেষ্টা কৰিছিল। ইয়াৰ ফলত বনুৱাসকলে নিজৰ প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে আৰু ক্ৰমে কামত যোগ দিবলৈ ধৰিলে। ধৰ্ম্মঘটৰ মৰ্য্যাদা বহুতো পৰিমাণে নষ্ট হল।

গান্ধীজী এই অৱস্থাত অতিশয় ব্যথিত হল। এবাৰ প্ৰতিজ্ঞা কৰি সেই প্ৰতিজ্ঞা ভঙ্গ কৰাতকৈ মৃত্যু শ্ৰেয়। ইয়াকে থিৰ কৰি

বন্মুৱাসকলৰ সেই দোষ নিজৰে বুলি তেওঁ গাত পাতি ললে আৰু সেইমতে ঘোষণাৰ দ্বাৰা সকলো বুজাই প্ৰকাশ কৰি নিজে 'অনশন ব্ৰত' আৰম্ভ কৰিলে।

দৃঢ়ভাবৰ এই ঘোষণা বাণী শুনি আৰু বাপুজীয়ে তেওঁলোকৰ দুৰ্ব্বলতাৰ কাৰণে অনশন কৰাত বন্মুৱাসকলৰ মাজত নতুন শক্তিৰ যেন বিদ্যুৎ সঞ্চাৰ হল। তেওঁবিলাকৰ যেন লুপ্ত সাহস, বীৰ্য্য আৰু শক্তি আকৌ লাভ কৰি দুনাই ধৰ্ম্মঘট কৰিবলৈ ধৰিলে। ফলতঃ এইবাৰ মালিকসকলে বন্মুৱাৰ লগত আপোছ কৰিবলৈ বাধ্য হল,—তেওঁবিলাকৰ (বন্মুৱা) দৰ্ম্মহা বঢ়াই পালে। এই সত্যাগ্ৰহো জয়যুক্ত হল। বাপুজীয়ে এইবাৰ অনশন ছদিন কৰিব লগা হৈছিল। উল্লেখযোগ্য যে—চম্পাৰণ সত্যাগ্ৰহৰ সময়ত বাবু ৰাজেন্দ্ৰপ্ৰসাদৰ লগত বাপুজীৰ ঘনিষ্ঠতা জন্মে; আৰু এই বন্মুৱা ধৰ্ম্মঘটৰ সময়ত বল্লভভাই পেটেলৰ লগত বন্ধুতা হয়। পিচলৈ ইবিলাক দুয়ো বাপুজীৰ আমৰণ সহকৰ্ম্মী আছিল।

ওঠৰ

—প্ৰথম মহাযুদ্ধ—

১৯১৪ চনৰ মাজ ভাগৰ পৰাই প্ৰথম মহাযুদ্ধ আৰম্ভ হৈছিল। ইয়াত ঘাই প্ৰতিদ্বন্দী আছিল ইংৰাজ আৰু জাৰ্ম্মান। আৰম্ভতে ইংৰাজে ভাৰতবৰ্ষৰ প্ৰতি বিশেষ চকু নৰখাকৈ নিজৰ বাহুবলেৰেই যুদ্ধ চলাইছিল। কিন্তু ক্ৰমে মিত্ৰশক্তিৰ পক্ষে যুদ্ধৰ গতি বেয়াৰ

ফালে আহিবলৈ ধৰিলে। তেতিয়া ইংৰাজে অৱস্থা বুজি সকলোৰে পৰা সাহায্য বিচাৰিবলৈ বাধ্য হৈছিল। এতিয়া "ভয়াতুৰ" বুলি ঘিণৰ চকুৰে চোৱা ভাৰতীয়সকলৰ পৰাও সৈন্য সংগ্ৰহৰ প্ৰয়োজন হল। ভাৰতীয় সৈন্য যুদ্ধক্ষেত্ৰলৈ পঠোৱাও হল। তথাপি আৰু সৈন্যৰ প্ৰয়োজন। আন হাতে ভাৰতীয় সৰ্ব্বসাধাৰনৰ পৰা সহায় পাবৰ উপায় কি চিন্তা কৰিব লগাত পৰিল। এতিয়া ধন আৰু জন উভয়কে লগাত পৰিল ৰাইজৰ পৰা।

ইংৰাজ সকলে ভালদৰেই জানিছিল যে ইমান দিনে ভাৰতৰ প্ৰতি যেনেদৰে ব্যবহাৰ কৰি অহা হৈছে তাত ভাৰতীয় সকলৰ মানত এই শাসনৰ বিৰুদ্ধে বিদ্বেষ ভাব পূৰ্ণভাবেই আছে। গতিকে যদিহে জননায়ক সকলৰ আশ্ৰয় লোৱা নাযায় তেতিয়া হলে যথোচিত সাহায্য পোৱা নাযাব।

এইদৰে ভাবি ১৯১৪ চনত দিল্লীত "যুদ্ধ সান্মিলন" নামে এখন সভা পাতিলে আৰু সেই সভালৈ বাপুজীক নিমন্ত্ৰণ জনালে। এতিয়া ইংৰাজ শাসক সকলে ভালদৰে বুজিলে যে গান্ধীজীৰ প্ৰতিপত্তি যথেষ্ট বাঢ়িছে ভাৰতীয়সকলৰ মাজত। "যুদ্ধ সম্মিলনলৈ" নিমন্ত্ৰণ পাই যেতিয়া জানিলে যে লোকমান্য তিলক, মিচেছ এনিবেছান্ত আৰু মহম্মদ আলীক নিমন্ত্ৰণ কৰা নাই, বাপুজীয়ে তাত যোগ দিবলৈ অস্বীকাৰ কৰিলে। কিন্তু ভাইচৰয়ে নিজে নিতান্ত অনুৰোধ কৰি নিমন্ত্ৰণ জনোৱাত তেওঁ অস্বীকাৰ কৰিব নোৱাৰিলে। তেওঁৰ সৰল মনত খেলালে বিপন্ন শত্ৰুক সাহায্য কৰা মানবতাৰ ধৰ্ম্ম। গতিকে শেহত তেওঁ তাত যোগ দিলে।

অকল যোগ দিয়াই নহয় বিপন্ন ইংৰাজক সাহায্যৰ কাৰণে যেন

সুস্পষ্ট ভাবে সমূহ ৰাইজলৈ আহ্বান জনালে। তাতেই তেওঁৰ উদাৰ হৃদয়ৰ মহত্ব আৰু সৰলতা প্ৰকাশ পাইছিল। তেওঁ কৈছিল, "এই সঙ্কট সময়ত মই ভাৰতবৰ্ষৰ প্ৰতিজন শক্তিমান লোককে বৃটিছ সাম্ৰাজ্যৰ কাৰণে বলিদান কৰিবলৈ আহ্বান জনাইছোঁ। মই জানো একমাত্ৰ এই কামৰ দ্বাৰাই আমাৰ দেশ সাম্ৰাজ্যৰ অতিপ্ৰিয় অংশীদাৰ ৰূপে পৰিগণিত হব পাৰিব আৰু জাতি বিদ্বেষ একেবাৰে নাথাকিব।

এইদৰে কৈয়েই তেওঁ ক্ষান্ত থকা নছিল। কামতো ইংৰাজৰ সাহায্যাৰ্থে নানা ঠাইত সৈন্য সংগ্ৰহৰ চেষ্টা কৰি ঘূৰি ফুৰিছিল। ইয়াৰ অলপ আগতে খয়ৰা জিলাত সত্যাগ্ৰহ আন্দোলন কৰি কৃতকাৰ্য্য হৈ যোৱাৰ পিচত এতিয়া আহি তাত এখন সভা পাতিলে। উদ্দেশ্য হল যুদ্ধৰ কাৰণে সৈন্য সংগ্ৰহ। তাত তেওঁ যি বক্তৃতা দিছিল তাৰ অলপমান কথা অবগতিৰ কাৰণে ইয়াত তুলি দিয়া হল। তেওঁ কলে—"ইয়াৰ আগতে আপোনালোকে কাৰ্য্যতঃ দেখুৱাইছে যে গভৰ্ণমেণ্টৰ বিৰুদ্ধে কেনেকৈ শান্তিপূৰ্ণ ভাবে যুঁজ কৰি সিবিলাকৰ সম্মানত আঘাত নকৰাকৈও আপোনালোকে নিজৰ সম্মান অক্ষুণ্ণ ৰাখিব পাৰিছিল। মই এতিয়া আকৌ আপোনালোকৰ আগত এনে এটা সুযোগ আগবঢ়াইছোঁ য'ত আপোনালোকে প্ৰমাণ কৰিব পাৰিব যে গভৰ্ণমেণ্টৰ বিৰুদ্ধে যদিচ এদিন যুঁজ কৰিছিল কিন্তু সিবিলাকৰ বিৰুদ্ধে কোনো শত্ৰুতাৰ ভাব আপোনালোকৰ অন্তৰত নাই আৰু আগেয়েও নাছিল।"

এইদৰে বাপুজীয়ে সাম্ৰাজ্য ৰক্ষাৰ কাৰণে দেশৰ ডেকা সমাজক উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰাত তেওঁ বহুতো ঠাইত বহুতৰ চোকা সমালোচনা সহিব লগাত বা তাৰ ব্যাখ্যা দিব লগাত পৰিছিল।

কিন্তু তেওঁৰ আচল মনোভাব আছিল আন ৰকম। আমাৰ বহুদিনৰ জড়তা ত্যাগ কৰি অন্ততঃ ডেকা সকলে সাহসি জীৱন লাভৰ কাৰণেই এনে সুযোগ গ্ৰহণ কৰক এই ভাবটোও তেওঁৰ অন্তৰত আছিল। আচলতে প্ৰকৃত কৰ্ম্মশক্তি ভাৰতৰ পৰা যেন তেতিয়া বিলুপ্ত হৈছিল।

বাপুজীয়ে পোনপটীয়াকৈ এই বিষয়ে নিজৰ মত প্ৰকাশ কৰি কৈছিল,—"আমি আমাক ৰক্ষাৰ কাৰণে যিমান দিন ইংৰাজৰ মুখাপেক্ষী থাকিম, মিলিটাৰী বা সৈন্য হবৰ ভয় আমাৰ যিমান দিন নাভাগিব, তিমানদিনলৈকে আমি ইংৰাজৰ সমকক্ষৰূপে গণ্য হব নোৱাৰিম। গতিকে এতিয়া আমালোকে অস্ত্ৰ শিক্ষা আৰু দেশ ৰক্ষাৰ ক্ষমতা অৰ্জ্জন কৰা উচিত।"

বাপুজীৰ ঐকান্তিক চেষ্টাত বহুতো ভাৰতীয় ডেকাই ইংৰাজ জাতিক সাহায্য কৰিবলৈ সাহসেৰে আৰু বিক্ৰমেৰে ৰণক্ষেত্ৰত জপিয়াই পৰিছিল। এইদৰে প্ৰায় দহ লক্ষ ভাৰতীয় সৈন্যই প্ৰাণ দি ইংৰাজৰ সন্মান আৰু অস্তিত্ব ৰক্ষাত সহায়তা কৰিছিল। দান আৰু ভাৰতৰ ধন ভাণ্ডাৰৰ পৰা সাহায্যৰূপে কত কোটী টকাও এই যুদ্ধৰ কাৰণে ব্যয় কৰা হল।

বাপুজীৰ এই আশা পূৰ্ণ হোৱা দেখা গৈছিল। যুদ্ধক্ষেত্ৰত ভাৰতীয় সৈন্যই কৃতকাৰ্য্যতাৰে মিত্ৰপক্ষৰ সন্মান ৰক্ষা কৰিলে। ফ্লাণ্ডাৰ্চৰ যুদ্ধক্ষেত্ৰত ভাৰতীয় সেনাৰ বীৰত্বই মিত্ৰপক্ষৰ সেই বাৰৰ জয়ৰ ঘাই কাৰণ। এই কথা মিত্ৰপক্ষই নিজেই স্বীকাৰ কৰে।

এইদৰে ধনে-জনে যুদ্ধত সহায়তা কৰি ভাৰতবৰ্ষই স্বাভাবিকতে আশা কৰিছিল যে ইংৰাজ সকলে এইবাৰ ভাৰতক দায়িত্বশীল শাসন পদ্ধতি দিবলৈ কুণ্ঠিত নহব। তেতিয়াৰ প্ৰধানমন্ত্ৰী মিঃ লয়েড

জর্জ্জেও ভাৰতক 'স্বায়ত্ব শাসন' দিবৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু ফলিতাৰ্থত ১৯১৮ চনৰ নবেম্বৰত যুদ্ধ শেষ হোৱাৰ পিচত বিপদৰ পৰা মুক্ত হৈ ইংৰাজ গভৰ্ণমেন্টে ভাতৰক কৃতজ্ঞতাস্বৰূপ যি উপহাৰ দিলে তাৰ বৰ্ণনা হাজাৰ হাজাৰ ভাৰতীয়ৰ তেজেৰে লিখা আছে ইতিহাসত—ৰাওলাট আইন আৰু জালিওৱানাবাগৰ নৃশংস হত্যাকাণ্ড!

১৯১৯ খৃস্টাব্দৰ পৰা বাপুজীয়ে ইংৰাজী ভাষাত "ইয়ং ইণ্ডিয়া" আৰু হিন্দীত "নৱজীৱন" পত্ৰিকা প্ৰকাশ কৰিবলৈ ধৰে আৰু তাৰ সম্পাদকৰ কামৰ দায়িত্ব নিজে গ্ৰহণ কৰে। পিচলৈ এই দুখন কাকতৰ যোগেই অহিংস অসহযোগ আন্দোলনৰ গতি বিধি বাপুজীয়ে নিয়ন্ত্ৰণ কৰিছিল।

উনৈছ

অসহযোগ আন্দোলনৰ সূচনা

জাৰ্ম্মাণ যুদ্ধত (প্ৰথম মহাসমৰ) মিত্ৰপক্ষৰ জয় হল। এই জয়ত ভাৰতৰ অবদান যথেষ্ট আছিল। যুদ্ধক্ষেত্ৰত ভাৰতীয় সৈন্যৰ শৌৰ্য্যৰ কথা, পটুটাৰ কথা বিদেশী সেনানায়ক সকলেও স্বীকাৰ কৰিছিল। তত্ৰাচ "যাৰ যহত শাঁখ সেন্দুৰ"—তাক 'ৰাওলাট আইনৰ' লাড়ু যাচিলে লগে লগে?—আৰু যুদ্ধ শেষ হওঁতে হওঁতে কিয় দিব লগা হল? ভাৰতীয় নেতাসকলে কংগ্ৰেছ মুছলীম লীগৰ যোগে যুদ্ধত ইংৰাজক সহায়তাকে কৰিছিল—বিৰোধিতাৰো কথা নাছিল? তেন্তে এনে অসম্ভৱ ৰকমৰ কঠোৰ আইনৰ ৰচনা কিয়

তৈয়াৰ কৰি বুটিছ শাসক শ্ৰেণীয়ে আভুৱা ভৰা ৰূপে ৰাইজৰ মতামত জানিবলৈ প্ৰয়াস পাইছিল? ইটো দেখা শুনা বিশ্বাসঘাটকতা ভাৰতৰ প্ৰতি!

এই কথাত বাঙালী এটা প্ৰবচনলৈ মনত পৰিল—"চাবা আপন বাঁচা।" ইংৰাজৰ এই 'আপোন বচাবলৈকে' চেষ্টাৰ এটা ৰূপ,—এই 'ৰাওলাট আইন'। এইখন আইনৰ ঘাই কথা হল ভাৰতৰ জাগি অহা জাতিয়তাবোধ ৰুদ্ধ কৰা, গুপ্ত ষড়যন্ত্ৰৰ যোগে বিপ্লব সৃষ্টি কৰি স্বাধীনতালাভৰ চেষ্টা ব্যৰ্থ কৰা। সুচতুৰ ইংৰাজ শাসকসকলে দেখা পাইছিল যে ভাৰতত নৰমপন্থী দলৰ প্ৰাধান্য নাই। এতিয়া যিটো দলৰ হাতত ভাৰতৰ প্ৰকৃত শক্তি, সেই দল হল জাতীয়তাবাদী দল। সাময়িকভাবে কংগ্ৰেছৰ ভিতৰত সম্প্ৰতি উভয়দলৰ মিল হলেও ই সৰহ দিন নাথাকে। এই উঠি অহা উগ্ৰপন্থী আৰু অগ্ৰগামী দলটো কেনেকৈ দমন কৰিব পাৰি?

দমননীতিৰ বলেৰে ভাৰতক দমাই ৰাখি চিৰকাল তাৰ ওপৰত প্ৰভুত্ব বজায় ৰাখিবলৈকে চৰকাৰৰ এনে আঁকোৰ গোজালি প্ৰয়াস! ইয়াত কাকো খাতিৰ বাতিৰ নাই, দমন কৰিবই লাগিব। নতুবা ৰাজ্য যে নাথাকে!

কিন্তু আন হাতে 'মণ্টেগু চেম্‌ছফোৰ্ড' প্ৰস্তাবিত আইনৰ খচৰাৰ দ্বাৰা এটা দলক সন্তুষ্ট কৰি ৰাখাৰো চেষ্টা চলিল। ইয়াৰ দ্বাৰা ভাৰতক স্বায়ত্ব শাসনৰ অধিকাৰ দিবলৈ প্ৰয়াস কৰা হৈছে বুলি ঘোষণাও কৰিলে। গতিকে দেখা যায় এহাতে দমন, আন হাতে "দিল্লীকা লাড্ডু" স্বৰূপ ১৯৩৫ চনৰ ইণ্ডিয়া এক্ট্। এই ভেদনীতিয়েই আছিল ইংৰাজ ৰাজত্বৰ মূল তত্ত্ব।

ৰাওলাট বিলখনৰ দ্বাই কথা হল যে যি কোনো মানুহকে বিনা বিচাৰে অনির্দ্দিষ্ট কাললৈ ফাটেকত বন্দী কৰি ৰাখিব পাৰিব। ব্যক্তি স্বাধীনতা হৰণৰ ইয়াতকৈ কি কঠোৰ বিধান হব পাৰে ?

এই বিলৰ খচৰা হোৱাৰ লগে লগে গোটেই ভাৰতবৰ্ষ জিকাৰ খাই উঠিল! এনেকি শ্ৰীনিবাস শাস্ত্ৰী আৰু পণ্ডিত মদন মোহন মালব্যৰ দৰে লোকেও ইয়াৰ বিৰুদ্ধে ঘোৰ আপত্তি কৰি ইয়াক 'মৰ্য্যদাহানীকৰ' আখ্যা দিবলৈকো কুণ্ঠাবোধ নকৰিলে। আৰু মন্তব্য কৰিলে যে ইয়াৰ পৰা বিষম অশান্তিৰ সৃষ্টি হব।

বাপুজী তেতিয়া ৰোগ শয্যাত। ভালদৰে ওলাই সোমাই ফুৰিব পৰা হোৱা নাই। সেই অৱস্থাত তেওঁক আইনৰ খচৰাখন দেখুৱা হল! বাপুজী নিতান্ত স্তম্ভিত হল! অতিশয় ব্যথিত হৈ তেতিয়াই শয্যা ত্যাগ কৰি আৰু সেই গাৰেই চাৰিওফালে ঘূৰি মতামত জানি লৈ তাৰ গঢ় দিবলৈ চেষ্টা কৰিলে। যাতে এই খচৰাখন আইনত পৰিণত নহয় তাৰ বাবেও যত্ন কৰিলে,—এই বিষয়ে সকলোকে সচেতন কৰিলে। তেওঁ তেতিয়াই এইটো স্থিৰ কৰি সকলোকে তৈয়াৰ হৈ থাকিবলৈ অনুৰোধ জনাই প্ৰকাশ্যে কলে,—"এই খচৰা আইনত পৰিণত হলে আইন অমান্য কৰিবই লাগিব। সেইদৰে অমান্য কৰাৰ আগতে যি প্ৰতিশ্ৰুতি দিব লাগিব বাপুজীয়ে তাৰো খচৰা ইতিমধ্যেই তৈয়াৰ কৰিলে। প্ৰতিশ্ৰুতিৰ দ্বাই কথা হল :—

"বিলখন আইনত পৰিণত হলে যেতিয়ালৈকে তাক প্ৰত্যাহাৰ কৰি লোৱা নহয় তেতিয়ালৈকে আমি শান্তিপূৰ্ণভাবে এই আই আইন অমান্য কৰিম ; আমি এইটোও প্ৰকাশ কৰি জনাওঁ যে এই সংগ্ৰামত আমি সত্যৰ অনুসৰণ কৰিম ; কাৰো প্ৰাণ বা সম্পত্তি অনিষ্ট নকৰো।

এনে প্ৰতিশ্ৰুতিৰে সত্যাগ্ৰহীদল তৈয়াৰ হবলৈ ধৰিলে। একালে যেনেকৈ বিলখনৰ বিৰুদ্ধে প্ৰবল জনমত গঠিত হৈ বিৰুদ্ধ মত প্ৰকাশ হবলৈ ধৰিলে তেনেকৈ গভৰ্ণমেণ্টেও যেনে তেনে প্ৰকাৰে বিলখন পাছ কৰাই আইনত পৰিণত কৰিবলৈ উঠি পৰি লাগিল।

মুঠতে ইমান বাধাৰ ওপৰতো বিলখন পাছ হৈ আইনত পৰিণত হল। লগে লগে চাৰিওফালৰ পৰা প্ৰতিবাদ হবলৈ ধৰিলে— বিক্ষোভ প্ৰদৰ্শন হবলৈ ধৰিলে। ভাৰতত অশান্তিৰ সূত্ৰপাত হবৰ (ৰাজনৈতিক কাৰণত) ইয়েই প্ৰকৃততে প্ৰথম।

এতিয়া কি পন্থা লোৱা যাব স্থিৰ কৰিবলৈ বাপুজী পোনতে গ'ল মাদ্ৰাজলৈ। তাত বিজয় ৰাঘবাচাৰী আৰু চক্ৰবৰ্ত্তী ৰাজা-গোপালাচাৰীৰ লগত আলোচনা কৰিলে। ইবিলাকৰ লগত আলোচনা কৰি স্থিৰ হল যে পোনতে গোটেই দেশ ব্যাপি হৰতাল পালন কৰিয়েই এই আইনৰ প্ৰতিবাদ কৰা হব। দিন ঠিক হল ৩০ মাৰ্চ্চ। বাপুজীয়ে জনালে যে— "সত্যাগ্ৰহ সংগ্ৰাম আত্মশুদ্ধিৰ সংগ্ৰাম অৰ্থাৎ ধৰ্ম্মযুদ্ধ। এইযুদ্ধ আৰম্ভ কৰাত পোনতে আমাৰ শুচি হোৱা প্ৰয়োজন। এতেকে সেইদিনা সকলোৱে উপবাসে থাকিব আৰু নিজৰ নিজৰ কাম-কাজ বন্ধ ৰাখিব অৰ্থাৎ বাপুজীয়ে হৰতাল কেনেকৈ কৰিব লাগে আৰু তাৰ উদ্দেশ্য কি লগতে ৰাইজক বুজাই দিলে। আগেয়ে এই "হৰতাল" শব্দ বা তাৰ প্ৰয়োগৰ কথা কোনেও নাজানিছিল।

এই কৰ্ম্মসূচীমতে গোটেই ভাৰতবৰ্ষতে একেদিনাই হৰতাল পালনৰ কথা স্থিৰ হল আৰু পোনতে তাৰিখ ধাৰ্য্য হৈছিল ৩০ মাৰ্চ্চ। কিন্তু অলপ অসুবিধাৰ কাৰণে এই হৰতালৰ তাৰিখ

এসপ্তাহ হোঁহকাই ৬ এপ্রিল কৰা হল। এই হৰতাল পালন আৰু পৰিচালনাৰ বাবে বাপুজী বোম্বাইলৈ গল। হৰতাল পালনৰ দিন পিচুৱাই যোৱা খবৰ দিল্লীত নোপোৱাত সেই ৩০ মাৰ্চ্চ তাৰিখেই হৰতাল পালিত হল। তাৰ হৰতাল নিৰুপদ্ৰব ভাবেই ভালদৰে পালিত হৈছিল আৰু হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে সমানে যোগ দিছিল। আবেলি সময়ত স্বামী শ্ৰদ্ধানন্দজীয়ে জুম্মামচ্‌জিদৰ চোতালত হোৱা ডাঙৰ সভাত ৰাওলাট আইনৰ প্ৰতিবাদ কৰি বক্তৃতা দিছিল।

দিল্লীৰ হৰতাল অতি কৃতকাৰ্য্যতাৰে আৰু নিৰুপদ্ৰব ভাবে পালিত হোৱাত আৰু হিন্দু-মছলমানৰ ভিতৰত একগোট ভাব দেখি ইংৰাজ শাসকৰ মনত যেনে ভয় লাগিল তেনে ক্ষিপ্তও হল। গতিকে ৰেলষ্টেচনৰ ফালে যোৱা শোভাযাত্ৰীসকলৰ বাট আগচি ধৰিলে পুলিচে আৰু সেই দল ভঙ্গি দিবলৈ অন্যায় ভাবে গুলি চলালে। নিৰস্ত্ৰ শোভাযাত্ৰীসকলৰ ভিতৰত বহুতো হতাহত হল। দিল্লীতেই প্ৰথমে পুলিচৰ জুলুম বা পুলিচৰ অত্যাচৰ আৰম্ভ হল। আকৌ কিছু গোলমাল হল লাহোৰ আৰু অমৃতসৰত।

ছয় এপ্ৰিলৰ দিনা গোটেই ভাৰতবৰ্ষতে নিৰুপদ্ৰব ভাবেই হৰতাল পালিত হল। এতিয়াৰ পৰাই ভাৰতীয় জনসাধাৰণৰ ওপৰত বাপুজীৰ প্ৰভাৱ দেখি শাসক সকল চিন্তিত হল। ৰাজনীতি ক্ষেত্ৰত এতিয়াৰ পৰাই বাপুজীয়ে পূৰাপূৰি ভাবে প্ৰৱেশ কৰিলে। বোম্বাইত তেওঁৰ নেতৃত্বত হৰতাল কৃতকাৰ্য্যতাৰে পালিত হল। তাৰ পিচতে স্বাভাবিকতে দিল্লীৰ ঘটনাত চঞ্চল হৈ বাপুজী সেই অভিমুখে ৰাওনা হৈ আহোঁতেই বাটতে ৰেলত তেওঁক পুলিচে গ্ৰেপ্তাৰ কৰি আকৌ বোম্বাইলৈ ঘূৰাই পঠালে।

গান্ধীজীৰ গ্ৰেপ্তাৰৰ সংবাদ পাই গোটেই ভাৰততে ডাঙৰ বিক্ষোভ দেখা দিলে। বোম্বাইত সশস্ত্ৰ পুলিচে পায়ুধুনিত সমবেত হোৱা জনতাক সঙ্গীনৰ খোচেৰে ছত্ৰভঙ্গ কৰি দিলে। আহমেদাবাদত হল শ্ৰমিক বিক্ষোভ। তাত এজন চাৰ্জ্জেন্টক হত্যাকে কৰি পেলালে। ফলত তাত সামৰিক আইন জাৰি হৈ জুলুম আৰম্ভ হল। নাডিয়াত ৰেল লাইন তুলি পেলাবৰে চেষ্টা হল। পাঞ্জাবতো হল বহুতো দাঙ্গা-হাঙ্গামা। বেছিকৈ হল অমৃতসৰত—তাত লুট-পাট, ঘৰ জ্বলোৱা আৰু ঠায়ে ঠায়ে খুনা-খুনিও হল।

পঞ্জাব গভৰ্ণৰ মাইকেল ডাযাৰৰ নিৰ্দ্দেশ ক্ৰমে সেনাধ্যক্ষ জেনেৰেল ডায়াৰে তেওঁৰ সৈন্য-সামন্ত লৈ ১১ এপ্ৰিলৰ দিনা ৰাতিয়েই গোটেই অমৃতসৰ চহৰখন ঘেৰাও কৰি পেলালে। সৈন্যৰ উপদ্ৰৱত মানুহ ত্ৰস্তমান। যি হওক ১৩ এপ্ৰিলত আছিল স্থানীয় পৰ্ব্বদিন। সেই পৰ্ব্বদিনত আগৰ দৰে বহুতো মানুহ জালিয়ানাবাগৰ পথাৰত গোট খাইছিল। তালৈ লৰা-তিৰোতা, বুঢ়া-ডেকা সকলো মানুহেই গৈছিল। কোনো ৰকমৰ বিক্ষোভ দেখুৱা তেওঁলোকৰ সপেনেৰো অগোচৰ কথা আছিল। লগতে কিন্তু সম্প্ৰতি দেশত যেনে ৰাজনৈতিক অৱস্থা হৈছে তাত কি কৰা কৰ্ত্তব্য এই কথা আলচ কৰিবৰ কথা আছিল।

ইকালে আগৰ দিনা ৰাতি হেনো ডায়াৰে সভা-সমিতি, শোভাযাত্ৰা আদি নিষেধ কৰি নোটিচ জাৰি কৰিছিল। সেই নোটিচ চক্ৰান্ত ক্ৰমে ভালদৰে বিলি হোৱা নাছিল—গতিকে মানুহে সেই নিষেধাজ্ঞাৰ কথা নাজানিছিলেই। পুণ্য উৎসৱত সচৰাচৰ নিয়ম অনুসৰি মানুহে যোগ দি'ছিল। ইয়াকে আইন-অমান্য কৰিছে বুলি

ধৰি লৈ জেনেৰেল ডায়াৰে সৈন্য সামন্ত লৈ সেই জালিয়ানাবাগ ঘেৰাও কৰিলে। কোনো কথা-বাৰ্ত্তা নাই, সাবধান বাণীও নাই হঠাৎ গুলি আৰম্ভ কৰিলে। মেছিনগান বহুৱাই প্ৰায় দহ মিনিট কাল অজস্ৰ গুলি বৰ্ষণ কৰা হ'ল। সেই ঠাইডোখৰো আছিল ইটাৰ দেৱালেৰে ঘেৰা—তাত মুঠেই এটি সৰু বাট আছিল। কাৰো কোনো ফালে পলাবৰ উপায় নাই। সেই বাটৰ মুখতো মেছিনগান! খন্তেকৰ ভিতৰতে হাজাৰ হাজাৰ হিন্দু, মুছলমান, শিখ, লৰা-তিৰোতা, ডেকা-বুঢ়াৰ তেজেৰে জালিয়ানাবাগ ৰাঙলি হৈ গ'ল! কিমান যে মানুহ মৰিল তাৰ সীমা সংখ্যা নাই। চৰকাৰি ভাবেই প্ৰকাশ যে চাৰি শ নিহত হল আৰু এহেজাৰ আহত হ'ল। গুলি বৰ্ষণ হৈছিল ১৬০০ ৰাউণ্ড!

এনে বীভৎস হত্যাকাণ্ড কৰিয়েই চৰকাৰ পক্ষ ক্ষান্ত নহ'ল। তাত সামৰিক আইন জাৰি কৰা হ'ল। নিৰস্ত্ৰ জনতাৰ ওপৰত আকাশৰ পৰাও বোমা পেলাবলৈ ধৰিলে। দেশৰ নেতৃস্থানীয় লোকসকলকো ধৰি নি সামৰিক আদালতত অভিযুক্ত কৰি কত লাঞ্ছনা কৰিলে! মাইকী মানুহৰ ওপৰতো পাশৱিক অত্যাচাৰ হ'ল বহুত ঠাইত, বহুত ভাবে। পঞ্জাবত সংবাদ পত্ৰৰ কণ্ঠৰোধ কৰা হ'ল। তাত কৰা নৃশংস অত্যাচাৰ-উৎপীড়নৰ বাতৰি প্ৰকাশ হ'ব নোৱাৰিলে; বাহিৰৰ মানুহে এনে অত্যাচাৰৰ বাতৰি পিচতহে শুনিলে। সেই বিৱৰণ প্ৰকাশ হওঁতে লাজত গোটেই সভ্যজগত তলমুৱা হ'ল!

কিন্তু জেনেৰেল ডায়াৰৰ দম্ভ সমানেই বৰ্ত্তি থাকিল। 'হাণ্টাৰ কমিটি' বহি এই অত্যাচাৰৰ তদন্ত কৰিলে। বিচাৰত ডায়াৰ চাহাবক

৯

কোনো দোষ দেখা নাপালে। বৰং পূৰা পেঞ্চন আৰু পুৰস্কাৰ পাই সসম্মানে বিলাতত ফস্তি মাৰি থাকিলগৈ। বিলাতৰ হাউচ অব লৰ্ডছেও ডায়াৰৰ কাৰ্য্য সমৰ্থন কৰিলে। ইংৰাজ জাতিৰ নিৰপেক্ষ বিচাৰৰ পৰিচয় জগতে এইবাৰ ভালদৰে দেখা পালে !

ভাৰতৰ অন্তৰাত্মাক কিন্তু শেলে এইবাৰ ভালকৈয়ে বিন্ধিলে। গোটেই ভাৰতত বিস্ময়পূৰ্ণ ঘৃণা, বিদ্বেষ আদি ভাবৰ উদয় হল আৰু এতিয়াহে নিজৰ অসহায় অৱস্থাৰ কথা ভালদৰে উপলব্ধি কৰিলে— চকু এইবাৰ মুকলি হল।

জালিওৱালানাবাগৰ নৃশংস হত্যাকাণ্ড সম্পৰ্কে জেনেৰেলৰ নিজৰ স্বীকাৰোক্তিৰ পৰাই তাৰ বীভৎসতাৰ বিষয়ে অনুমান কৰিব পাৰি। প্ৰশ্নোত্তৰ প্ৰসঙ্গত তেখেতে নিজে স্বীকাৰ কৰি কৈছিল যে তাতোকৈ কম গুলি বৰ্ষণ কৰিও জনতা ছত্ৰভঙ্গ কৰি দিব পাৰিলেহেঁতেন, কিন্তু তেনে কৰা নহল। গুলি খোৱাৰ পিচত আকৌ ঘূৰি আহি যাতে কোনেও তেখেতক উপহাস কৰিব নোৱাৰে সেই বাবেই সেই দিনা ভালদৰে গুলি চলোৱা হৈছিল। আন এজনৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে 'সিমানতে গুলি বাৰুদ শেষ নোহোৱা হলে গুলি আৰু চলালেহেতেন।' কি ভয়াবহ এই স্বীকাৰোক্তি।

বে-চৰকাৰি ভাবে কংগ্ৰেছৰ পৰাও এখন তদন্ত কমিটি পাতিছিল। মহাত্মা গান্ধী আৰু চিত্তৰঞ্জন দাসে বহু পৰিশ্ৰমেৰে সেই তদন্ত কমিটিৰ কাম চলাইছিল। সেই অৰ্থে বহুতো গাওঁত ফুৰি তেওঁ যি পাইছিল সেই সম্পৰ্কে আত্মজীৱনীত এইদৰে লিখিছিল,— "মানুহৰ ওপৰত কৰা অত্যাচাৰৰ বিষয়ে অনুসন্ধান কৰিবলৈ আমি যিমান আগ বাঢ়িলোঁ—তাত দেখা পালোঁ চৰকাৰি অৰাজকতা,

কৰ্ম্মচাৰী সকলৰ নৃশংসতা আৰু অভাবনীয় স্বেচ্ছাচাৰৰ কথা শুনি দুঃখিত হলোঁ। পাঞ্জাব যৰপৰা আটাইতকৈ সৰহ সংখ্যক চিপাহী সংগৃহীত হয়, তাৰ মানুহে কেনেকৈ এনে অত্যাচাৰ নীৰবে সহ্য কৰিলে, এইটো মোৰ মনত তেতিয়া আচৰিত যেন লাগিছিল, এতিয়াও লাগি আছে।"

মুঠতে তেতিয়া ৰাওলাট আইনৰ বিৰোধীতালৈ পাহৰি সমগ্ৰ ভাৰতৰ মানুহে যেন এই অন্যায় ভাবে কৰা নৰহত্যাৰ বিপক্ষে বিক্ষুব্ধ হৈ উঠিল আৰু সকলোৰে আগত দেশৰ নেতাৰূপে ঠিয় দিলে আমাৰ গান্ধীজী।

তেওঁ পোনেই গল অমৃতসৰলৈ। তাত ঘটনা থলি চালে আৰু তদন্ত কমিটিৰ কাম চলালে। তাৰ পিচত দিল্লীলৈ আহি হিন্দু আৰু মছলমানৰ মিলিত সভাত যোগদান কৰিলে আৰু সকলোকে এনে কাৰ্য্যৰ প্ৰতিবাদ স্বৰূপ 'অসহযোগ আন্দলনত' যোগ দিবলৈ আহ্বান জনালে।

হিন্দুয়ে যেনেকৈ ধনে-জনে যুদ্ধত বৃটিছক সহায় কৰাৰ ফল স্বৰূপে পালে "ৰাওলট আইন" মছলমান সকলেও পালে "খিলাফৎ অপসাৰন।"

মছলমান সকলে তুৰস্কৰ চুলতানক "খলিফা" বুলি মানে। খলিফা মানে ধৰ্ম্মগুৰু। প্ৰথম মহাযুদ্ধত পোনতে তুৰস্কই ইংৰাজৰ ফলীয়া হৈ যুদ্ধ কৰিছিল। কিন্তু পিচত জাৰ্ম্মানীৰ ফলীয়া হল। যুদ্ধত জাৰ্ম্মানী হাৰিল। গতিকে তুৰস্কৰ চুলতানক গদিচ্যুত কৰা হল বৃটিছৰ প্ৰৰোচনাত। তুৰস্কৰ দেশখন কেইবাটাও ভাগত ভগায়ো লৈছিল কেইবাটাও শক্তিৰ মাজত। চুলতানৰ ওপৰত হস্তক্ষেপ

কৰাত মছলমান সকলে ধৰ্ম্মৰ ওপৰত হাত দিয়া হৈছে বুলি আপত্তি কৰিলে। এই আপত্তিৰ নামেই হ'ল "খিলাফৎ আন্দোলন।"

মছলমান সকলে দেহে কেহে এই খিলাফত্ আন্দোলনত যোগ দিলে। হিন্দু-মছলমান একগোট হৈ কাম কৰিবৰ সুচল ওলাল আৰু বাপুজীয়ে সেই সুযোগ পূৰ্ণ মাত্ৰাই ব্যৱহাৰ কৰিলে।

খলিফাৰ অধিকাৰ খৰ্ব্ব কৰাত মছলমানসকলে অপমান বোধ কৰিলে আৰু প্ৰতিকাৰৰ দাবীয়েই "খিলাফত্ আন্দোলনৰ" ৰূপ লৈছে। বাপুজীয়ে মছমানৰ এই আন্দোলন ভাৰতীয় মাত্ৰৰে আন্দোলন বুলি মানি ললে। বাপুজীয়ে তেতিয়াৰ বৰলাট লৰ্ড চেমছ্ ফোৰ্ডলৈ এইদৰে লিখিছিল—"যদি মছলমানসকলৰ দুঃসময়ত মই তেওঁবিলাকৰ ওচৰত ঠিয় নহওঁ, তেন্তে আমি ভাৰতমাতাৰ অযোগ্য সন্তান। তেওঁবিলাকে বিচাৰে যে তুৰস্কক যেনে কোনো ৰকমৰ দণ্ড দিয়া নহয়; তেওঁলোকৰ অন্তৰত আঘাট দিয়া উচিত নহয়। মই যিমান দূৰ জানো ভাৰতৰ হিন্দু আৰু মছলমান দুয়ো একেলগে বৃটিছ শাসক-সকলৰ ন্যায়পৰায়নতা আৰু সত্যৰক্ষাৰ প্ৰতি বিশ্বাস হেৰুৱাইছে।"

অৱস্থাত পৰি হিন্দু-মছলমান একগোট হৈ বৃটিছৰ বিৰুদ্ধে গোটবন্ধা বিদ্বেষ বা ঘিনভাব লৈ ঠিয় দিলে। বৰ্ত্তমান পৰিস্থিতিত কেনেভাবে কাম আৰম্ভ কৰিব লাগে স্থিৰ কৰিবৰ কাৰণে কংগ্ৰেছৰ বিশেষ অধিবেশন পাতিলে। ঠাই, ঠিক হ'ল কলিকতা, দিন, চেপ্তেম্বৰ মাহ আৰু সভাপতি নিৰ্ব্বাচিত হ'ল পাঞ্জাব কেশৰি লালা লাজপত ৰায়।

এই সভাতে বাপুজীয়ে সম্মিলিত দেশবাসীৰ আগত জন্মভূমিৰ লুপ্ত গৌৰৱ উদ্ধাৰ কৰিবলৈ সুপ্ত চেতনাত আঘাত কৰি দাভি ধৰিলে

অসহযোগৰ আহ্বান। যি বিধানে আমাক প্ৰতিনিয়তে বিপথগামী কৰে, মনুষ্যত্ব লাভত অন্তৰায় হয়, দেখি শুনি বা জানি তেনে বিধানৰ লগত সহযোগ আত্মঘাতী। এই ব্যৱস্থাৰ হাত এৰাই আমি অহিংসভাবে অন্তৰত কোনোৰকমৰ প্ৰতিশোধ ভাব নৰখাকৈ নিজে ভাল হবলৈ, মুক্ত হবলৈ চেষ্টা কৰা দেশবাসী মাত্ৰৰে যে কৰ্ত্তব্য সেই অধিবেশনত বুজাই দিলে। দেশ-বাসীয়ে এনে যুক্তিপূৰ্ণ কথা অতি সাদৰে সমৰ্থন কৰিলে। বাপুজীৰ প্ৰস্তাৱেই বহুতো বিতণ্ডাৰ পিচত গৃহীত হল। বাক—বিতণ্ডাত কথাটোৰ আঁহ প্ৰকাশ পায় গতিকে সি বহুত সময়ত উপযোগী হয়। আলোচনাই বিষয়টো খৰচি মাৰি বুজাত সহায়তা কৰে। বাপুজীৰ বক্তৃতাবোৰ এই আলোচনা পৰ্য্যায়-ভুক্ত। পোনপটীয়াকৈ মানুহৰ অন্তৰত কথাটো খেলাই যায়।

কুৰি

অসহযোগ আন্দোলন

কংগ্ৰেছৰ বুৰঞ্জীত ১৯২০ চনটো নতুন যুগ প্ৰবৰ্ত্তনকাৰী বছৰ আৰু তাৰ নায়ক, আমাৰ বাপুজী। বহুতে এতিয়াৰ পৰাই "গান্ধী যুগ" বুলি কবলৈ ধৰিলে। বাপুজীৰ প্ৰস্তাৱত কংগ্ৰেহ মহাসভাত যি কাৰ্য্যসূচী গৃহিত হৈছিল, সেই কাৰ্য্যসূচীয়েই 'অহিংস অসহযোগ' নীতি। সেই কাৰ্য্যসূচীমতে স্থিৰ হল:—(১) চৰকাৰি উপাধি এৰি দিব লাগে, অবৈতনিক চাকৰি, মিউনিচিপাল,

জিলাবোৰ্ড বা লোকেলবোৰ্ডৰ মনোনীত সভ্যপদ ত্যাগ কৰিব লাগে। (২) চৰকাৰি স্কুল-কলেজ বৰ্জ্জন কৰিব লাগে। (৩) আইন-আদালত বৰ্জ্জন কৰিব লাগে; চৰকাৰি চাকৰিও এৰিব লাগে। (৪) চৰকাৰি কোনো অনুষ্ঠান যেনে দৰবাৰ, লেভি, গবৰ্ণৰ আদিক মতা কোনো আমোদ অনুষ্ঠানত বা চাহখোৱা মেল আদিত যোগ নিদিব। (৫) বিলাতী বস্তু এৰিব লাগে—বিশেষকৈ কাপোৰ। তাৰ পৰিবৰ্ত্তে নিজ হাতে সূতা কাটি, কাপোৰ বৈ নিজে লব লাগে। (৬) কাউঞ্চিল বা এচেম্ব্‌লিলৈ সভ্যপদ প্ৰাৰ্থী নহব অৰ্থাৎ বৰ্জ্জন কৰিব। (৭) সৈন্য, কেৰাণী বা কুলী হৈ কোনো মেচোপটেমিয়ালৈ নাযাব।

গান্ধীজীৰ প্ৰস্তাব আৰু তাৰ কাৰ্য্যসূচী গ্ৰহণৰ ফলত দেশত এটা আলোড়নৰ সৃষ্টি হল। মানুহৰ মনত নতুন উদ্দীপনা জাগ্ৰত হল। ইয়াৰ প্ৰকৃত তথ্য বুজিবলৈ সময় লাগিল যদিও গান্ধীজীয়ে বুজাই কলে, "বহুকাল পৰাধীনতাৰ ফলত আমি নিজৰ ভৰিত ঠিয় দিবলৈ পাহৰিলোঁ। আমাৰ সকলো বিষয়তে পৰমুখাপেক্ষিতা। ইয়েই দাস সুলভ স্বভাৱ। আমাৰ খোৱা-পিন্ধাৰ বস্তুৰ কাৰণেও পৰমুখাপেক্ষি হলে মনুষ্যত্ব কত থাকিব! আমাৰ আত্মশুদ্ধিৰ প্ৰয়োজন। এই কাৰ্য্যসূচী পালন কৰিলে আমি আত্মশুদ্ধ হব পাৰিম—স্বাধীন হবৰ যোগ্যতা লাভ কৰিম। যোগ্যতা নহলে মানুহে উন্নত অৱস্থা পাব কেনেকৈ? দাস গুছি অৰ্থাৎ পৰৰ হুকুম বা বিধানত চলিব লগা গুচিবলৈ আমাক যি শক্তি লাগিব সেয়ে আত্মশুদ্ধিৰ শক্তি।"

এতিয়াৰ পৰা বাপুজী সম্পূৰ্ণভাবেই ৰাজনীতি ক্ষেত্ৰত প্ৰবেশ কৰিলে। আত্মকথাত এই বিষয়ে তেওঁ লিখিছে, "সত্যৰ সাধনাই

মোক ৰাজনীতি ক্ষেত্ৰলৈ টানি আনিলে। ধৰ্ম্মৰ লগত ৰাজনীতিৰ কোনো সম্বন্ধ নাই বুলি যি কয় তেওঁ ধৰ্ম্ম সম্বন্ধে একো নাজানে; এই কথা কবলৈ যেনেকৈ মোৰ কোনো সঙ্কোচ বোধ নহয় তেনেকৈ অবিনয় প্ৰকাশ কৰাও নহয়। আত্মশুদ্ধি নহলে ধৰ্ম্মও পালন কৰিব নোৱাৰি। বহু কষ্টেৰে সাধনাৰ দ্বাৰা এই শুদ্ধি লাভ কৰিব লাগে; শুদ্ধি আৰু পবিত্ৰতাৰ অধিকাৰী হবৰ হলে চিন্তা, বাক্য আৰু কৰ্ম্মত সম্পুৰ্ণৰূপে অনাসক্ত হোৱা প্ৰয়োজন। সেইকাৰণে অনবৰত চেষ্টা কৰা থলতো মই এই শুদ্ধি আৰু পবিত্ৰতা লাভ কৰিব পৰা নাই। সেইকাৰণে জগতৰ প্ৰশংসাত মই গৌৰব অনুভব নকৰোঁ। আচলতে সি মোক আঘাতহে দিয়ে। অস্ত্ৰ বলেৰে পৃথিবী জয় কৰাতকৈ চঞ্চল ৰিপুক জয় কৰা বৰ বেছি দুঃসাধ্য বুলি মোৰ মনে ধৰে।"

সেই বছৰ কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন বহিল নাগপুৰত। কলিকতাৰ বিশেষ অধিবেশনত গৃহীত হোৱা "অহিংস অসহযোগ" প্ৰস্তাবৰ আলোচনাত যথেষ্ট উত্তেজনাৰ সৃষ্টি হৈছিল। কিন্তু প্ৰায় সৰ্ব্বসম্মতিক্ৰমেই মহাত্মাজীৰ অহিংস অসহযোগ প্ৰস্তাব গৃহীত হল আৰু সেই প্ৰস্তাবানুযায়ী কৰ্ম্মসূচীও গৃহীত হল।

গোটেই ভাৰতবৰ্ষত ক্ৰমে ক্ৰমে এই প্ৰস্তাবৰ প্ৰতিক্ৰিয়া স্বৰূপ বিপুল উৎসাহেৰে অধিকাংশ মানুহে কাৰ্য্যক্ৰম গ্ৰহণ কৰিলে। পোনতে স্বাভাবিকতে স্কুল-কলেজ বৰ্জ্জন কৰি ছাত্ৰ সমাজ ওলাল, উকীলে আদালতত ওকালতি কৰিবলৈ এৰিলে; বহুতে চৰকাৰি উপাধি ত্যাগ কৰিলে। ৰাইজে আদালত বৰ্জ্জন কৰিলে। ছাত্ৰসকলৰ পঢ়াৰ কাৰণে ঠায়ে ঠায়ে জাতীয় স্কুল স্থাপিত হল, গাওঁ-পঞ্চায়ত পাতি সাধাৰণ বিবাদ-বিসম্বাদ মিটাবলৈ ধৰিলে। বিলাতী কাপোৰ

বৰ্জ্জন কৰি নিজে সূতা কাটি কাপোৰ বৈ লবলৈ ধৰিলে। দেশত যেন এটা নতুন প্ৰাণৰ স্পন্দন অনুভূত হল। মহাত্মাজীয়ে "তিলক স্বৰাজ ফণ্ড্" নামে আন্দোলন পৰিচালনা কৰিবলৈ এককোটী টকা তোলাৰ দিহা কৰিলে। এমাহৰ ভিতৰত গোটেই ভাৰতৰ পৰা এই প্ৰস্তাবিত এককোটী টকা উঠিব লাগে বুলি তেওঁ ঘোষণা কৰিলে। প্ৰত্যেক প্ৰদেশে এই টকা তোলাৰ কাৰণে নিৰূপিত অনুপাত উলিয়াই ভাগ কৰি দিহা কৰি ললে। নিৰূপিত সময়ত সেই টকা সংগৃহীত হল। আনদেশৰ মানুহে এই কথাটোত বিস্ময় মানিলে—স্বৰাজৰ কাৰণে এককোটী টকা এমাহত উঠিল! ইয়াৰ পৰা বুজা গল, মানুহৰ স্বৰাজ লাভলৈ আগ্ৰহ কিমান?

খ্যাতি, প্ৰতিপত্তি থকা দেশৰ মুখিয়াল লোক সকলে মহাত্মাৰ কাৰ্য্যপ্ৰণালীত আস্থা ৰাখি সৰ্ব্বান্তঃকৰণে যোগ দিলে। মহাত্মাজীয়ে কলে "যদিহে কংগ্ৰেছৰ কাৰ্য্যসূচী মতে ৰাইজে ঠিক মতে কাম কৰে তেন্তে এবছৰৰ ভিতৰতে আমি স্বৰাজ লাভ কৰিম।" এই উৎসাহবাণী দেশবাসীয়ে সৰল ভাবেই গ্ৰহণ কৰি দেহে—কেহে কাৰ্য্যসূচীমতে কাম কৰিবলৈ ধৰিলে।

ঘাইকৈ তিনিটা কথাত ৰাইজে জোৰ দিলে—খদ্দৰ প্ৰচলন, বিলাতী কাপোৰ আৰু বস্তুবৰ্জ্জন, ৰাগীয়াল বস্তু কানি, ভাং, মদ বৰ্জ্জন। সেই অৰ্থে কাপোৰৰ দোকান, মদ, ভাং, কানিৰ দোকানত পিকেটিং কৰিবলৈ ধৰিলে। ফলত কানি-ভাং বহুত কমিল। বিলাতৰ কাপোৰৰ কলৰ ঘাই আড্ডা মেঞ্চেষ্টাৰৰ কল বন্ধ হব লগাত পৰিল। গাৱেঁ গাৱেঁ নতুনকৈ নেওঠনি আৰু যঁতৰৰ মাত শুনাৰ দিহা হল। সূতা কটা অভ্যাস মানুহে আকৌ নতুনকৈ আৰম্ভ কৰিলে।

বহুতো চাকৰিয়ালে চাকৰি এৰিলে। দেশত এটা নতুন ভাবৰ স্মৃষ্টি হল। এনেতে গভৰ্ণমেণ্টৰ পক্ষই ভাবিলে যে ৰাজভক্ত ভাৰতীয় প্ৰজাই এই সময়ত যদি এজন ৰাজ-পৰিবাৰৰ লোকক দেখা পায় হয়তো বা এই অসহযোগৰ ভাব এৰেই। এনে ভাবি সিবিলাকে ডিউক অব কনটক (ৰজাৰ খুৰাৱক) ভাৰতলৈ অনাৰ দিহা কৰিলে।

সেই অনুসাৰে ১৯২১ চনৰ ৮ জানুৱাৰী তাৰিখে তেখেত ভাৰতলৈ আহিল। কিন্তু ফল একো নহল। ওলোটা ফল হিচাবে আকৌ হৰতাল পালন কৰি দেশবাসীয়ে নিজৰ মনৰ বিক্ষোভ হে তেখেতক জ্ঞাপন কৰিলে। চৰবাৰৰ উদ্দেশ্য সিদ্ধি নহল।

অসহযোগ আন্দোলন গান্ধীজীৰ নিৰ্দ্দেশ মতেই চলিবলৈ ধৰিলে। এই সময়ত ৰাইজৰ পৰা ভাল সহাঁৰি পোৱা হৈছিল। তথাপি গান্ধীজী সদায় আপোছ মীমাংসা কৰাৰ পক্ষেই আছিল। সেইমতে তেওঁ লৰ্ড ৰিডিং ভাইচৰয়ৰ লগত নিজে উপযাচি দেখা কৰি আপোছৰ চেষ্টা কৰিলে। কিন্তু ভাইচৰয়ে গান্ধীজীক ভালদৰে গ্ৰহণ নকৰিলে। মীমাংসা একো নহল—অসহযোগ আন্দোলন সমান ভাবেই চলি থাকিল।

ভাৰতৰ এই ৰাজনৈতিক পৰিস্থিতিত ইংলণ্ডৰ শাসক মণ্ডলী চিন্তিত হৈ উঠিল। ভাৰতক শান্ত কৰাৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। এইবাৰ স্বয়ং যুৱৰাজক ভাৰতলৈ আনি ৰাইজক আশ্বস্ত কৰাৰ কথা স্থিৰ হল। সেই অনুযায়ী যুৱৰাজ ১৭ নবেম্বৰ তাৰিখে বোম্বাই পালেহি। জনসাধাৰণৰ পক্ষৰ পৰা তেখেতক কোনো সম্বৰ্দ্ধনাই জনোৱা নহল। আগৰে পৰা ঘোষণা কৰা মতে সম্পূৰ্ণভাবে হৰতাল পালন কৰা হল। বোম্বাই নগৰ জন-শূন্য যেন

বোধ হল। কিন্তু এইবাৰ হৰতাল নিৰুপদ্ৰব নহল। ট্ৰাম-বাছ জ্বলাই দিয়া, দোকান পাট লুট কৰা আৰু শেষত চাহাবী পোছাক পিন্ধা মানুহক বাটে-পথে আক্ৰমন কৰাত গভৰ্ণমেণ্টে মিলিটাৰী চিপাহী আমদানি কৰিলে। অৱস্থা যেতিয়া ভয়াবহ হৈ উঠিল মিলিটাৰীয়ে শান্তি স্থাপনৰ কাৰণে গুলি চলাব লগাত পৰে। ফলতঃ বহুতো হতাহত হল।

এই কথাত গান্ধীজী অতিশয় ব্যথিত হল আৰু সেই হতাহত হোৱা লোকসকলৰ বাবে দায়িত্ব নিজে কান্ধ পাতি লৈ প্ৰায়শ্চিত্ত স্বৰূপ আমৰণ অনশন ব্ৰত আৰম্ভ কৰিলে।

গান্ধীজীৰ এনে সিদ্ধান্তত গোটেই দেশবাসী চঞ্চল হৈ উঠিল। তেওঁক এনে সৰ্ব্বনশীয়া ব্ৰতৰ পৰা কেনেকৈ নিৰস্ত কৰিব পাৰি লগৰীয়া নেতাসকলে উপায় চিন্তা কৰিবলৈ ধৰিলে। পণ্ডিত মতিলাল, চিত্তৰঞ্জন দাস, পণ্ডিত মদনমোহন মালব্য, মহম্মদ আলী প্ৰভৃতি হিন্দু-মছলমান নেতৃস্থানীয় লেকসকলে লগ লাগি চিন্তা কৰি গান্ধীজীক লগ ধৰিলে আৰু যুটীয়া ভাবে হিন্দু-মছলমান উভয় সম্প্ৰদায়েই বন্ধু ভাবে বাস কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াত গান্ধীজীয়ে ব্ৰত ভঙ্গ কৰিলে।

ইয়াৰ পিচত পণ্ডিত মদনমোহন মালব্যৰ মধ্যস্থতাত গান্ধীজীয়ে লৰ্ড ৰিডিংৰ লগত সাক্ষাৎ কৰিলে, আপোচ কিবা হব পাৰেনে আলোচনা কৰিবলৈ। ফলিতাৰ্থত কিন্তু ভাইচৰয়ৰ মনোভাব তেতিয়াও সম্পূৰ্ণ আপোছ বিৰোধী আছিল। কিন্তু আপোছৰ চেষ্টা এইদৰে বাৰে বাৰে বিফল হোৱাত বাপুজীয়ে বেয়াও নাপাইছিল আৰু হতাশো নহৈছিল।

২৪ ডিচেম্বৰ তাৰিখে যুবৰাজ আহিল কলিকতালৈ। ইয়াত হৰতাল এনে সম্পূর্ণৰূপে পালন কৰা হৈছিল যে ৰাতি ৰাজআলিত চাকিৰ পোহৰ পৰ্য্যন্ত নাছিল। এনে কৃতকাৰ্য্যতাৰে হৰতাল পালনত বৃটিছ শাসকসকলৰ চমক ভাগিল। এতিয়াৰ পৰা পূৰাদমে দমননীতি চলাবলৈ তলে তলে চৰকাৰ পক্ষই সিদ্ধান্ত কৰিলে।

চৰকাৰে প্ৰবৰ্ত্তন কৰা দমননীতিৰ ফলত যিকোনো প্ৰকাৰ পিকেটিং কৰা আইন বিৰুদ্ধ হল; স্বেচ্ছাসেৱকদল বে-আইনী বুলি ঘোষিত হল। লগতে কংগ্ৰেছ সভাও বে-আইনী ঘোষিত হল। ফলতঃ হাজাৰ হাজাৰ কৰ্ম্মী ফাটেকলৈ গল। নেতাসকলকো ক্ৰমে ক্ৰমে নানা অপৰাধত সাব্যস্ত কৰি জেলত ভৰালে। লিখা বাহুল্য যে "অসহযোগৰ" নিয়মমতে আদালত বৰ্জ্জন কৰা নীতি অনুযায়ী কোনেও বিচাৰত অংশ নলৈছিল অৰ্থাৎ পক্ষ সমৰ্থনকাৰী কোনো কাম নকৰিছিল। কাজেই চৰকাৰ পক্ষৰ শাস্তি দিয়াত কোনো অসুবিধা নাছিল।

দমননীতি প্ৰয়োগৰ চৰম অৱস্থাত সেই বছৰ আহমেদাবাদত কংগ্ৰেছৰ অধিবেশন বহিল। সেই অধিবেশনত গান্ধীজীক আইন অমান্য আন্দোলন কৰিবলৈ অনুমতি দি সেই কাৰ্য্য পৰিচালনা কৰিবলৈ তেওঁক "সৰ্ব্বময় কৰ্ত্তা" (Dictator) পাতি দিলে। দেশৰ বৰ্ত্তমান পৰিস্থিতিত গান্ধীজীৰ ওপৰতে আন্দোলনৰ সম্পূর্ণ ভাৰ দিয়াৰ বাহিৰে আন উপায়ো নাছিল কংগ্ৰেছৰ।

এতিয়াৰ পৰা গান্ধীজীয়ে দেশবাসীক নতুত কি পথৰ নিৰ্দ্দেশ দিয়ে জানিবলৈ অধীৰ আগ্ৰহেৰে প্ৰতিক্ষা কৰি বল।

এঘাৰ

আইন অমান্য আন্দোলনৰ সূচনা

কংগ্ৰেছ এতিয়া ভাৰতৰ ভিতৰত বৃহত্তম ৰাজনৈতিক প্ৰতিষ্ঠান। তেতিয়া ইয়াৰ ভিতৰত প্ৰাণশক্তিদায়ক কেন্দ্ৰ হৈছিল মহাত্মা গান্ধী। তেৱেঁই প্ৰথমে চহৰৰ অলপ সংখ্যক মাথোন শিক্ষিত লোকৰ মাজৰ পৰা কংগ্ৰেছ অনুষ্ঠানক দেশৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গাওঁৰ মানুহৰ মাজত কাম কৰি তেওঁলোকৰ পৰা সক্ৰিয় সহযোগ বিচাৰিলে। আন্দোলনৰ প্ৰভাৱ এতিয়া গাওঁ চহৰ উভয়তে সমানে অনুভূত হল। আচলতে কিন্তু গাওঁতহে কাম হল বেছিকৈ। দেশ ক্ৰমে জাগি উঠিল। ৰাজনৈতিক কি অৱস্থাত পৰি আছে সকলোৱে ক্ৰমে যেন বুজিবলৈ ধৰিলে। কি অৱস্থা হোৱা ভাল বা উচিত তালৈকো ক্ৰমে চকু মুকলি হবলৈ ধৰিলে প্ৰচাৰ কাৰ্য্যৰ ফলত। বাপুজীৰ স্বাভাবিক অথচ নিজ জাতীয় বিশেষত্বপূৰ্ণ কৰ্ম্মপন্থা গ্ৰহণত সমূহ ৰাইজৰ অসুবিধা নাছিল; মাত্ৰ কৰ্ম্মবিমুখ স্বভাৱেইহে ইয়ালৈ যি অন্তৰায় আছিল। এই অন্তৰায় গুচাবলৈদেশৰ স্বেচ্ছাসেৱক হিচাবে ওলোৱা ডেকা কৰ্ম্মীদলৰ অক্লান্ত পৰিশ্ৰমৰ আৱশ্যক হৈছিল আৰু দেশে সেই সেৱা পাইছিল। সকলো প্ৰদেশৰ ডেকাদল দেশৰ স্বাধীনতাৰ কাৰণে (তেতিয়াৰ স্বৰাজৰ) উঠি পৰি লাগিল। কোনোৰকম দমন নীতিয়ে তেওঁলোকক কৰ্ম্মচ্যুত কৰিব নোৱাৰিলে।

কংগ্ৰেছৰ গতিকে এতিয়া দায়িত্ব বৰ গধুৰ। এনে দায়িত্ব এতিয়া দেশবাসীৰ পক্ষৰ পৰা গান্ধীজীত প্ৰথম অৰ্পিত হল; তেওঁ চিন্তা

কৰিবলৈ ধৰিলে। নিজৰ অন্তৰাত্মাৰ পৰা তেওঁ আহ্বান আৰু পথৰ সন্ধান বিচাৰিলে। তেওঁ স্থিৰ কৰিলে চৰকাৰ পক্ষৰ দমন নীতিৰ ফলত কৰা অত্যাচাৰলৈ ভয় কৰিলে দেশৰ কাম নহব। গতিকে সেই অত্যাচাৰ উৎপীড়ন উপেক্ষা কৰি আইন অমান্য আন্দোলন প্ৰবৰ্ত্তন কৰাকে স্থিৰ কৰিলে। তাৰ পিচত চিন্তা হল এই আন্দোলন কোন ঠাইত সফলভাৱে চলাব পৰা যাব? কাৰ্য্যৰ ফলাফল চাই গুজৰাট প্ৰদেশৰ "বৰদৌলি" তালুকতে এই আন্দোলন প্ৰবৰ্ত্তন কৰা স্থিৰ হল। প্ৰথমে "খাজনা বন্ধকে" আন্দোলনৰ কাৰ্য্যক্ৰম হিচাবে স্থিৰ কৰি সেইমতে ৰাইজৰ মাজত প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰি ৰাইজক প্ৰস্তুত কৰিবলৈ ধৰিলে। দেশৰ চকু এইবাৰ ঘাইকৈ পৰিল বৰদৌলি তালুকৰ কাৰ্য্যৰ ফালে; তাৰ নেতৃত্ব লৈছিল বল্লভ ভাই পেটেলে।

সত্যাগ্ৰহত লুক-ঢাক একো কথা নাই। গতিকে প্ৰতিপক্ষক আগতে নজনোৱাকৈ গান্ধীজীয়ে কেতিয়াও কোনো আন্দোলন আৰম্ভ নকৰে। সেইমতে তেওঁ বৰলাট লড ৰিডিংলৈ এখন চৰম পত্ৰ দি তেওঁৰ নিজৰ কাৰ্য্যক্ৰমৰ কথা জনাই দিলে। সেই চৰম পত্ৰত ইতিপূৰ্ব্বে কৰা দাবীকে পুনৰায় দাবী কৰিলে যে (১) অসহযোগ আন্দোলনত যি সকল অহিংস কৰ্ম্মীক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হৈছে তেওঁবিলাকক মুক্তি দিব লাগিব। (২) সংবাদ পত্ৰৰ স্বাধীন মত প্ৰকাশৰ ক্ষমতা দিব লাগে। (৩) সম্প্ৰতি যিসকলৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে, বা জৰিমনা আদায় কৰা হৈছে তাক ঘূৰাই দিব লাগে। লগতে তেওঁ লিখিলে যে চৰকাৰ পক্ষই আইন বিগৰ্হিত অত্যাচাৰ কৰা দেখি, বিশেষতঃ যেনে অত্যাচাৰ ইতিপূৰ্ব্বে কোনেও কৰাৰ কথা ইতিহাসত নাই, মই আইন অমান্য আন্দোলন

কৰিবলৈ বাধ্য হৈছোঁ। মোৰ এই বিবৃতি প্ৰকাশৰ সাত দিনৰ ভিতৰত যদি আপুনি মোৰ দাবী পূৰণৰ ঘোষণা কৰে তেনে মই এই আন্দোলন স্থগিত ৰাখিবলৈ নিৰ্দ্দেশ দিম।"

ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখে লৰ্ড ৰিডিংৰ পৰা যি উত্তৰ পোৱা গল তাত ৰাজপুৰুষৰ ক্ষমতাৰ গৰ্ব্ব আৰু কঠোৰ হাতেৰে শাসনৰ ধমক হে প্ৰকাশ পালে। গতিকে বাপুজীৰ পক্ষে বৰদোলি তালুকত ব্যাপক আইন অমান্য আন্দোলন কৰাৰ বাহিৰে আন উপায় আৰু নাছিল।

এনেতে ১৪ ফেব্ৰুৱাৰী তাৰিখে বিহাৰৰ চৌৰিচৌৰাত এক বিষম কাণ্ড ঘটিল। কিছুমান সেচ্ছাসেৱক, বহুতো উন্মত্তপ্ৰায় হৈ উঠা মানুহৰে লগলাগি স্থানীয় পুলিচৰ থানা ঘৰত জুই লগাই দিলে আৰু সেই জুইত পুলিচ কৰ্ম্মচাৰী, চিপাহী ধৰি নি পেলাই দি মাৰিলে। তাৰ বাহিৰে আনৰকমৰ অত্যাচাৰ কৰিও মুঠতে বাইচজন পুলিচক হত্যা কৰা হল। দমননীতিৰ প্ৰতিক্ৰিয়া মানুহৰ মাজত হিংসাৰ আকাৰে চৌৰি চৌৰাত প্ৰকাশ পালে।

এই নিৰ্ম্মম হত্যাকাণ্ডৰ কথা শুনি বাপুজী মৰ্ম্মাহত হল। দুখে-বেজাৰে তেওঁ ৰাইজে কৰা সেই অপৰাধ নিজে মুৰ পাতি ললে? ততালিকে 'বৰদোলিত' কৰিব খোজা আইন অমান্য আন্দোলন বন্ধ ৰাখিবলৈ নিৰ্দ্দেশ দিলে আৰু এই অন্যায় কৰ্ম্মৰ প্ৰায়শ্চিত্ত স্বৰূপ তেওঁ নিজে পাঁচ দিন অনশন ব্ৰত পালন কৰিলে।

এঠাইত ঘটা এই ঘটনাতে বাপুজীয়ে "দেশ এতিয়াও অসহযোগ আন্দোলনৰ উপযুক্ত হোৱা নাই" বুলি কৈ আন্দোলনত ভপত হৈ উঠা দেশ জুৰি আবহাওৱাত চেঁচা পানী ঢলাত বহুতে বেয়া পালে।

দেশত এই বিষয় লৈ বহুতো বাক্-বিতণ্ডা হল। বহুতে অসন্তোষ প্ৰকাশ কৰিলে। ইমানখিনিলৈকে আন্দোলন আগবঢ়াটো হঠাতে তাক বন্ধ কৰি দিয়া উচিত হোৱা নাই বুলি বহুতৰে মত হলেও কংগ্ৰেছ ৱাৰ্কিং কমিটিত বাপুজীয়ে বন্ধ কৰা কাৰ্য্য সমৰ্থন কৰি প্ৰস্তাব গ্ৰহণ কৰিলে। এনেকি জেলৰ ভিতৰৰ পৰা পণ্ডিত মতিলাল নেহেৰু, লালা লাজপত ৰায় প্ৰভৃতি নেতাসকলে গান্ধীজীলৈ আপত্তি কৰি চিঠি লিখিলে। গান্ধীজীয়ে সেই কথা নামানিলে। পিচত ফলতঃ দেশ জুৰি এটা অৱসাদৰ ভাব দেখা গল।

বাপুজীয়েও নিজে যে এনে পন্থা লব লগা হোৱাত সন্তোষ পাইছিল এনে নহয়, কিন্তু সম্প্ৰতিকৰ কাৰণে নিজৰ কৰ্ম্মপন্থা পৰিবৰ্ত্তন কৰিলে। তেওঁ সবৰমতি আশ্ৰমলৈ গল আৰু তাত কুটীৰ শিল্প, খদ্দৰ প্ৰচাৰ আৰু গাওঁ সংস্কাৰৰ কামত আত্মনিয়োগ কৰিলে। ৰাজনীতি ক্ষেত্ৰৰ দায়িত্ব দেখাতে পণ্ডিত মতিলাল নেহেৰু, চিত্তৰঞ্জন দাস আদিৰ ওপৰতে পৰিল।

গোটেই দেশতে কিন্তু বাপুজীৰ ক্ৰমে বাঢ়ি অহা প্ৰভাব দেখি বিশেষতঃ চৌৰিচৌৰাত ঘটা ঘটনাত বিলাতৰ কৰ্ত্তাসকলো বিচলিত হৈ উঠিল। বাপুজীক কেনেকৈ জব্দ কৰিব পাৰি চেলু বিচাৰিলে।

তেওঁৰ পৰিচালিত "ইয়ং ইণ্ডিয়াত" গোটাদিয়েক প্ৰবন্ধ ৰাজদ্ৰোহ-মূলক বুলি দোষ ধৰা পেলালে আৰু মাৰ্চ্চ মাহৰ ১০ তাৰিখে সবৰমতি আশ্ৰমতে বাপুজীক গ্ৰেপ্তাৰ কৰি আনিলে। ১৮ মাৰ্চ্চ তাৰিখে চেচন জজ মিঃ ক্ৰমফিল্ডৰ আদালতত তেওঁক হাজিৰ কৰা হল।

অসহযোগৰ কৰ্ম্মসূচীমতে আইন আদালত বৰ্জ্জননীতি অনুযায়ী

কোনো কৰ্ম্মীয়েই কোনো মোকৰ্দ্দমাত অংশ গ্ৰহণ নকৰে। বাপুজীৰ ওপৰত কৰা মোকৰ্দ্দমতে ফৰিয়াদী পক্ষৰ সুবিধাৰ কাৰণে তেওঁ এটা বিবৃত্তি দাখিল কৰিলে। তাত লিখিলে,—"এড্‌ভোকেট জেনেৰেলে মোৰ ওপৰত যিবিলাক অভিযোগৰ কথা কৈছে মই সকলোবোৰকে স্বীকাৰ কৰিছোঁ, চৌৰিচৌৰাৰ নৃশংস হত্যাকাণ্ড বা বোম্বাইত যি অত্যাচাৰ অনুষ্ঠিত হৈছে সেইবোৰৰ পৰাও (দোষৰ) মই নিজক কোনোমতেই আঁতৰ কৰিব নোৱাৰোঁ।"

জজেও ৰায়ত তিনটা প্ৰবন্ধৰ কাৰণে দোষী সাব্যস্ত কৰি প্ৰতিটোৰ কাৰণে ২ বছৰকৈ মুঠ ৬ বছৰ ফাটেকৰ ৰায় দিলেও অপৰাধী সাব্যস্ত কৰোঁতেও যথেষ্টৰূপে বাপুজীক প্ৰশংসা কৰিলে। আদালত ঘৰ লোকাৰণ্য। পৃথিবীৰ ইতিহাসত এনে নতুন ধৰণৰ বিচাৰ আৰু শাস্তি বিৰল। দোষীক প্ৰশংসা কৰি গুৰুতৰ শাস্তিৰ কথা ইতিহাসত আছেনে?

ছবছৰ ফাটেকত দিলেও বাপুজী কিন্তু দুবছৰ নৌ পূৰা হওঁতেই ফাটেকৰ পৰা খালাচ পালে। তেওঁৰ ৰোগ হল আৰু সেই সময়ত খালাচ দিয়াই উচিত ভাবি চৰকাৰে খালাচ দিলে ১৯২৪ খৃষ্টাব্দৰ ফেব্ৰুয়াৰী মাহত। সেই চনৰ বাপুজীৰ জন্মদিনত আমেৰিকাৰ বিশপ হোম্‌চে মন্তব্য কৰি কৈছিল "মহাত্মাজী পৃথিবীত বৰ্ত্তমান সকলো মানুহতকৈ শ্ৰেষ্ঠ।"

ফাটেকৰ পৰা বাহিৰলৈ আহি বাপুজী অলপ দিনৰ ভিতৰতে ৰোগমুক্ত হল। কিন্তু দেশৰ ফালে চকু দি তেওঁ ৰাজনীতি-ক্ষেত্ৰ হিসাবে যি পৰিবৰ্ত্তন দেখা পালে তাত অতিশয় ব্যথিত হল। দেখা পালে ৰাজনীতি ক্ষেত্ৰত দলাদলি আৰৌ হিন্দু-মছলমানৰ ভিতৰত

সাম্প্ৰদায়িক বিদ্বেষ। গতিকে তাৰ প্ৰতিকাৰ বিচাৰি তেওঁ সবৰমতি আশ্ৰমৰ শান্তি-শীতল পৰিবেশৰ মাজত থাকি হৰিজনৰ উন্নতি, অস্পৃশ্যতা বৰ্জ্জন, খাদি প্ৰচাৰ, কুটীৰ শিল্পৰ পুনৰুদ্ধাৰ প্ৰভৃতি কাৰ্য্যত আত্মনিয়োগ কৰিলে।

মানসিক শান্তি লাভৰ কাৰণে বাপুজীয়ে এই কৰ্ম্ম পদ্ধতি ললেও ১৯২৪ চনৰ চেপ্তেম্বৰ মাহত হিন্দু-মুছলমানৰ ভিতৰত কেইবাঠাইত ভয়ানক দাঙ্গাহাঙ্গামা হল। কত মানুহৰ প্ৰাণহানি, কতৰ সম্পত্তি হানি আৰু কতলোকৰেই বা মান-মৰ্য্যাদা হানি হল তাৰ হিচাব নাই। বাপুজী ইয়াত অতিশয় বিচলিত হৈ এই পাপৰ প্ৰায়শ্চিত্ত স্বৰূপ একৈছ দিনলৈ অনশন ব্ৰত পালন কৰিম বুলি ঘোষণা কৰিলে আৰু সকলো সম্প্ৰদায়কে এনে অত্যাচাৰৰ পৰা বিৰত হবলৈ আবেদন কৰিলে। তেওঁ জনালে—"মই সকলো সম্প্ৰদায়ৰ মুখিয়াল লোকসকলক, আনকি ইউৰোপীয় সকলকো শ্ৰদ্ধাৰে মিনতি কৰি জনাওঁ যে এনে ধৰ্ম্মহীন আৰু মানবতাহীন কাৰ্য্যকলাপৰ বা বিবাদৰ অন্ত পেলাবলৈ সকলো শক্তি লগ হওক। আমাৰ হৃদয় সিংহাসনৰ পৰা ঈশ্বৰ যেন বিচ্যুত হৈছে, আহক সকলোৱে আকৌ আমাৰ হিয়াত তেওঁৰ আসন স্থাপন কৰোঁ।"

প্ৰথমতে কেদিনমানলৈ এই আবেদনৰ প্ৰতিক্ৰিয়া নহলেও সকলোৱেই ক্ৰমে বাপুজীক মৃত্যুৰ মুখৰ পৰা বচাবলৈ যত্ন কৰিলে। অনশনত তেওঁৰ অৱস্থা বেয়া হৈছিল। শেষত যেতিয়া মুখিয়াল হিন্দু আৰু মুছলমান মিলি প্ৰায় তিনিশ লোকে মিলনৰ অঙ্গীকাৰ আৰু উভয় সম্প্ৰদায়ৰ মাজত সম্ভাৱ স্থাপনৰ চেষ্টাৰ প্ৰতিশ্ৰুতি লিখিতভাৱে দিলে তেতিয়াহে তেওঁ অনশন ভঙ্গ কৰিলে।

ইয়াৰ পিচত তেওঁৰেই সেই বছৰ বেলগাওঁত বহা কংগ্ৰেছ অধিবেশনত সভাপতিত্ব কৰে। সভাপতি হিচাবেও তেওঁ ৰাজনৈতিক দলাদলিত উদ্বেগ প্ৰকাশ কৰে, হিন্দু-মুছলমানৰ ভিতৰত মিল হবলৈ আবেদন জনায়, খদ্দৰ প্ৰচলন, অস্পৃশ্যতা বৰ্জ্জন আৰু হৰিজনৰ উন্নতি সাধনৰ ওপৰত জোৰ দিয়ে।

সেই বছৰেই তেওঁ ৰাজনীতি ক্ষেত্ৰৰ পৰা বাহিৰ ওলায় আৰু হিন্দু-মুছলমানৰ ঐক্য আৰু খদ্দৰ প্ৰচাৰত আত্মনিয়োগ কৰে। সেই বছৰেই তেওঁ "নিখিল ভাৰত কাটুনি (সূতাকটা) সঙ্ঘ" স্থাপন কৰে। এই বেলগাওঁ কংগ্ৰেছতে দেশবন্ধু প্ৰবৰ্ত্তিত স্বৰাজ পাৰ্টিৰ কাৰ্য্য-পদ্ধতিয়েই কংগ্ৰেছৰ ৰাজনৈতিক কৰ্ম্মসূচী বুলি গৃহীত হয়।

বাপুজীয়ে এতিয়া ঘোষণা কৰি কলে, "লোকমান্য তিলকে 'স্বৰাজ আমাৰ জন্মস্বত্ব' বুলিছিল। মই সেই স্বৰাজ লাভ কৰিবলৈকে জন্মিছোঁ আৰু এই জীৱনতে তাক লাভ কৰিব বিচাৰোঁ।"

বাইচ

স্বাধীনতা আন্দোলন

বাপুজীয়ে ভাৰতৰ ভাগ্য জৰিডাল হাতত লৈ স্বৰাজ লাভৰ বাবে যি ঘোষণা কৰিলে সেই ঘোষণামতে কেনেকৈ কাম কৰাব পাৰিব তাৰে সাধনাত সবৰমতি আশ্ৰমৰ নিৰ্ম্মল পৰিবেশৰ মাজত নিজক নিমগ্ন ৰাখিলে। প্ৰায় চাৰি বছৰ কাল এইদৰে চলাৰ পিচত দেশৰ

ৰাজনৈতিক পৰিস্থিতিত- পুনৰায় যি বিপৰ্য্যয় দেখা দিছিল তাত তেওঁ আকৌ প্ৰতক্ষ্য হস্তক্ষেপৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। ঋষিৰ শান্ত ভাবৰ সাধনা ত্যাগ কৰি দেশৰ ভাগ্য নিয়ন্ত্ৰণৰ কাৰণে সাৰথিৰূপে আকৌ দুৰ্ব্বাৰ, বিপদ-সঙ্কুল, অশান্ত ৰাজনীতি ক্ষেত্ৰৰ যুদ্ধ-কোলাহলৰ মাজত প্ৰৱেশ কৰিলে।

সবৰমতি আশ্ৰমত থকা কালতো বাপুজীয়ে জাতিৰ (অগ্ৰগতিৰ কাৰণ স্বৰূপ) কল্যাণৰ কাৰণে, শক্তিলাভৰ কাৰণে গঠনমূলক কামত লাগি থাকি দেশবাসীৰ আগত কৰ্ম্মৰ আদৰ্শ জ্বলন্তৰূপে দাঙ্গি ধৰিছিল। কংগ্ৰেছৰ পৰা আঁতৰত থাকিলেও তেওঁক কেতিয়াও কোনো কথাতে নেতাসকলে তথা কংগ্ৰেছে উপেক্ষা কৰিব পৰা নাছিল। বৰং তেওঁৰ অভিমতৰ মৰ্য্যাদা এতিয়া বহুলাংশে বাঢ়িছিল হে; যেহেতু কোন বছৰ কংগ্ৰেছৰ অধিবেশনত কোন সভাপতি হোৱা উচিত হব ইয়াকো পৰ্য্যন্ত স্থিৰ কৰি দিবলৈ তেওঁৰ ওপৰতেই নিৰ্ভৰ কৰিছিল। তেৱোঁ অৱস্থা বুজি, প্ৰয়োজন বুজি উগ্ৰ-পন্থী, মধ্য-পন্থী লোকৰ নাম সভাপতি পদৰ কাৰণে গোপনে ইঙ্গিত কৰি দিছিল।

এই অৱসৰতে কিন্তু বৃটিছ শাসকসকলে ভাবিছিল যে সম্প্ৰতি দলাদলিৰ মাজত দুৰ্ব্বল ভাৰতক হেঁচা দি আৰু দুৰ্ব্বল কৰিব পাৰিলে পুনৰায় মূৰ দাঙ্গিব নোৱাৰিব। সেইভাবে নতুন আইন কৰি ভাৰতক শোষণৰ মাজেদি দুৰ্ব্বল কৰিবলৈ, "কাৰেঞ্চি বিল," "ষ্টীল প্ৰটেক্চন বিল" প্ৰভৃতি আইন প্ৰণয়ন কৰিলে। ১৯২৭ চনতে ভাৰতক শাসন ক্ষমতা বঢ়াই দিবৰ উপযোগীতা সম্বন্ধে তদন্ত কৰিবলৈ "চাইমন কমিছন" গঠিত হল। তাত কোনো ভাৰতীয়কে

লোৱা নহল। আনৰ কথাকে নালাগে নৰমপন্থী দলেও এই কথাত বিষম পালে। কিন্তু শেষলৈকে ফল একো নহল। ভাৰতীয়ৰ ঠাই নহল তাত।

আনফালে দেখা যায় যে এই কালছোৱাৰ ভিতৰতে (১৯২৬—২৭ চনত) "ওৱার্কার্চ এণ্ড পেজেণ্ট্চ্ পার্টি"ৰ কর্ম্মতৎপৰতা আৰু "ট্রেড ইউনিয়ন কংগ্রেছৰ" কর্ম্মতৎপৰতাৰ ভিতৰেদিয়েই দেশৰ সংগ্রাম-শক্তিয়ে আত্মপ্রকাশ কৰিলে। ১৯২৮ চনত দেশময় শ্রমিক আন্দোলন আৰু ধর্ম্মঘটৰ ভিতৰেদি তাৰ চিন দেখা গল। এই সন্থায়ো "চাইমন কমিছন" বর্জ্জন কৰিবলৈ স্থিৰ কৰিলে। এনে সময়তে পণ্ডিত জৱহৰলাল নেহেৰু বিলাতৰ পৰা শিক্ষা সাঙ্গ কৰি আহিল আৰু তেখেতেও চোচিয়েলিষ্ট হিচাবে ৰাজনীতি ক্ষেত্রত যোগ দিলে। সুভাষ বসুয়েও আহি দেখা দিলে "ট্রেড ইউনিয়ন"ৰ আগভাগত।

দূৰদৃষ্টি-সম্পন্ন বাপুজীয়ে এই শক্তিৰ যথেষ্ট পৰিচয় পালে আৰু ১৯২৯ চনত নিজে কংগ্রেছৰ সভাপতি হবলৈ অস্বীকাৰ কৰি পণ্ডিত জৱহৰলাল নেহেৰুক সভাপতি পদৰ বাবে উপযুক্ত লোক বুলি ঘোষণা কৰি স্থাপন কৰিলে। তেওঁ কলে "তেওঁ কোনো উগ্র মতবাদ গ্রহণ নকৰে, কাৰণ তেওঁ জ্ঞানত নম্র আৰু কর্ম্মবিষয়ত অভিজ্ঞ বা তৎপৰতা থকা লোক। তেওঁৰ হাতত সমগ্র জাতি নিৰাপদ।"

বিদেশী শাসনে দেশৰ প্রকৃত উন্নতি হবলৈ নিদিয়ে বা আমি যি বিচাৰোঁ নাপাওঁ। এতেকে তেনে শাসনৰ পৰা আমি মুক্ত হব বিচাৰোঁ। সেই মুক্তিত 'স্বৰাজ' শব্দই কি বুজায়? আমিও ৰাইজক

কওঁতে এই শব্দটো প্ৰয়োগ কৰিছিলোঁ—“আমাক স্বৰাজ লাগে বুলি।” কিন্তু এই স্বৰাজ বুলিলে কি বুজায়? ইয়াতেই আমাৰ মাজত বহুতো মতবাদ দেখা যায়—নানাজনে তাৰ নানা অৰ্থ কৰে। গতিকে কংগ্ৰেছে এই ‘স্বৰাজ’ শব্দৰ দ্বাৰা ভাৰতে কি বিচাৰে সেইটো নিৰ্ণয় কৰিবলৈ পণ্ডিত মতিলাল নেহেৰুক মুখ্য কৰি এটি কমিটি পাতি দিলে। সেই কমিটিৰ ৰিপোৰ্ট ১৯২৮ চনত প্ৰকাশিত হল। সিবিলাকে ‘স্বৰাজ’ মানে বৃটিছ ডমিনিয়নৰ দৰে শাসন-প্ৰণালী লাভকে ‘স্বৰাজ’ বুলি সংজ্ঞা সুপাৰিচ কৰিলে। নিজৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰিও শাসন কাৰ্য্যত বৃটিছ কমন্‌ওৱেল্‌থৰ দৰে “স্বৰাজ”কে বিচাৰিছিল।

এইটো কিন্তু ডেকা উগ্ৰ-পন্থী কৰ্ম্মীদলৰ মনঃপুত নহল। ১৯২৭ চনৰ মাদ্ৰাজৰ কংগ্ৰেছ অধিবেশনতে শ্ৰীনিবাস আয়েঙ্গাৰে পণ্ডিত জৱহৰলালৰে যুক্তি কৰি ‘স্বৰাজ’ শব্দৰ অৰ্থ পূৰ্ণ স্বাধীনতা লাভ বুলি ব্যাখ্যা কৰিলে। তাৰ দ্বাৰা স্বৰাজ লাভৰ পিচত বৃটিছৰ লগত কোনো ৰফা কৰা নহব এই ভাব ব্যক্ত হল। বাপুজীয়ে কিন্তু এতিয়াই অৰ্থাৎ দেশ তাৰ বাবে যোগ্য নোহোৱাকৈ, যোগ্যতাৰ বাবে নিজ কৰ্ম্মৰ দ্বাৰা প্ৰস্তুত নোহোৱাকৈ, এনে আদৰ্শবাদৰ কথা মুখৰ কথা মাথোনৰ দৰে প্ৰকাশ কৰাত তেওঁ ‘ইয়ং ইণ্ডিয়া’ কাকতত তীব্ৰ মন্তব্য প্ৰকাশ কৰিলে। তেওঁ লিখিলে—

“মই এইটো লক্ষ্য কৰিছোঁ যে আমাৰ ভিতৰৰ বহুতে আজি-কালি দায়িত্বহীন ভাবে কথা কোৱা এটা অভ্যাসত পৰিণত হৈছে আৰু নিয়মানুবৰ্ত্তিতা পাহৰিই আমাৰ স্বভাব হৈ পৰিছে। যোৱা বছৰ যি স্বাধীনতাৰ প্ৰস্তাব অগ্ৰাহ্য কৰা হল, এই বছৰ প্ৰায় কোনো বাধা নোহোৱাকৈয়ে সি গৃহীত হল। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত দোষ

নাই যদিও মোৰ বোধেৰে ইয়াক ততাতৈয়া কৰি আৰু ভালদৰে নভবা-নিচিন্তাকৈ গ্ৰহণ কৰা হৈছে। এনে ধৰণৰ প্ৰস্তাব বছৰে বছৰে গ্ৰহণ কৰি কংগ্ৰেছে নিজৰ মূল্যহে কমাইছে যেহেতু এইটো জনা কথা যে এই প্ৰস্তাব কাৰ্য্যকৰী নহয়। এনে প্ৰস্তাব গ্ৰহণ কৰি আমাৰ শক্তিহীনতাৰ পৰিচয় দিওঁ; সমালোচকৰ হাঁহিয়াতৰ পাত্ৰ হওঁ আৰু বিৰুদ্ধবাদীয়ে কৰে অৱজ্ঞা।”

১৯২৮ চনত কলিকতা কংগ্ৰেছৰ সভাপতি নিৰ্ব্বাচিত হল পণ্ডিত মতিলাল নেহেৰু আৰু তেতিয়া সাধাৰণ সম্পাদক আছিল পণ্ডিত জৱহৰলাল। কংগ্ৰেছৰ আগে আগে সৰ্ব্বদলীয় কনফাৰেঞ্চ এখনো হল। তাতো “নেহেৰু ৰিপোৰ্ট” অগ্ৰাহ্য নহল। কিন্তু কংগ্ৰেছ মহলত দেখা দিলে প্ৰবল মতবাদ। জৱহৰলালজীইতৰ যুক্তি খণ্ডন কৰা টান হল। দেখাত সকলোৱেই—“পূৰ্ণস্বাধীনতা” লাভৰে পক্ষপাতী হল। মহাত্মাজীয়েও এইবাৰ এই কথাত হয়ভৰ দিলে। কিন্তু এইটো স্থিৰ হল যে যদিহে বৃটিছ গভৰ্ণমেণ্টে এতিয়াৰ পৰা এবছৰৰ ভিতৰত ভাৰতীয় সকলৰ হাতত শাসন ক্ষমতা হস্তান্তৰ কৰে তেন্তে আমি ঔপনিবেশিক স্বায়ত্ব-শাসনকে গ্ৰাহ্য কৰি লম। নতুবা আমাৰ কাৰ্য্য হব ‘পূৰ্ণ স্বাধীনতা’ লাভৰ লক্ষ্য। সেই মৰ্ম্মেই কংগ্ৰেছত প্ৰস্তাব গৃহীত হল।

ইংৰাজে এই বছৰৰ ভিতৰত একো নকৰিলে। গতিকে ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছত পূৰ্ণ স্বাধীনতা লাভেই কংগ্ৰেছৰ আদৰ্শ বুলি প্ৰস্তাব সৰ্ব্বসম্মতিক্ৰমে গৃহীত হল। মহাত্মাজীয়েই এই প্ৰস্তাব দাঙি ধৰিছিল আৰু এতিয়াৰ পৰা মহাত্মাজীয়ে আকৌ কংগ্ৰেছত প্ৰত্যক্ষ যোগদান দিবলৈ বাধ্য হল।

এই অধিবেশনতে পূৰ্ণ স্বাধীনতা হলে ৰাইজে কি কি অধিকাৰ পাব সেইটো স্থিৰ হল। চৌব্ধ দফাৰে সৈতে ৰাইজৰ “মৌলিক অধিকাৰ”ৰ কথা ঘোষণা কৰা হল। ২৬ জানুৱাৰী তাৰিখে এই প্ৰস্তাব মৌলিক অধিকাৰে সহিতে গৃহীত হৈছিল। গতিকে তাৰ পিচৰ পৰাই এই দিনটো “স্বাধীনতা দিবস” হিচাবে কংগ্ৰেছ প্ৰবৰ্ত্তিত প্ৰতিজ্ঞা সহিতে প্ৰতি বছৰে পালন কৰা হৈছিল। এটা দিন আছিল, যেতিয়া এই “স্বাধীনতা দিবস” পালনো চৰকাৰ পক্ষৰ পৰা বাধা আছিল।

তেইচ

ডাণ্ডি যাত্ৰা

এবছৰৰ আগতে যি বাপুজীয়ে “স্বাধীনতা লাভেই কংগ্ৰেছৰ আদৰ্শ” বুলি লোৱা প্ৰস্তাবৰ বিপক্ষে ‘ইয়ং ইণ্ডিয়া’ কাকতত তীব্ৰ কটাক্ষ কৰি বিপৰীত মন্তব্য কৰিছিল এবছৰৰ পিচতে সেই বাপুজীয়েই সেই প্ৰস্তাবৰ সমৰ্থক হে নালাগে নিজে তাৰ প্ৰস্তাবকেই হ’ব লগাত পৰিল। কাৰণ তেওঁ তাৰ বাবে দেশৰ জনসাধাৰণৰ আগ্ৰহ ইতিমধ্যে দেখা পালে।

কিন্তু কংগ্ৰেছৰ কৰ্ম্মপন্থা নিৰ্দ্ধাৰণৰ অদ্বিতীয় কৰ্ণধাৰ হিচাবে বাপুজীয়েই চিন্তা কৰি ভৱিষ্যৎ কৰ্ম্মসূচী স্থিৰ কৰিব লগাত পৰিল।

বিশেষতঃ ১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে প্ৰথম স্বাধীনতা দিবস পালন কৰা হল। অসহযোগ আন্দোলন পৰিচালনা কৰিবলৈ তেখেতক পুনৰায় গোটেই ভাৰ দিলে কংগ্ৰেছে।

শত্ৰুক সতৰ্ক নকৰাকৈ বাপুজীয়ে কেতিয়াও আচম্বিতে আক্ৰমন নকৰে। সেই কাৰণে ১৯৩০ চনৰ ৪ মাৰ্চ্চ তাৰিখে বাপুজীয়ে সেই সময়ৰ ভাইচৰয় লৰ্ড আৰউইনলৈ এখন চৰম পত্ৰ দিলে। তাত মুখ্যতঃ তলত লিখা দাবী কেইটা আপোছ কৰাৰ কাৰণে আগবঢ়ালে, যেনে :—(১) মদৰ ব্যৱহাৰ তুলি দিব লাগিব (২) মাটিৰ খাজনা আধা কমাই দিব লাগিব (৩) লোণ আইন উঠাই দিব লাগিব (৪) সৈন্য-সামন্তৰ খৰচ কমাব লাগিব (৫) চাকৰিয়ালৰ উচ্চ হাৰৰ দৰ্ম্মহা কমাব লাগিব (৬) ৰাজনৈতিক বন্দীক মুক্তি দিব লাগিব আৰু লাগি থকা মোকৰ্দ্দমাবোৰ তুলি লব (৭) আগ্নেয়াস্ত্ৰ আইন ৰদ কৰি ব্যৱহাৰৰ অনুমতি দিব লাগিব (৮) চি. আই. ডি. বিভাগ বন্ধ কৰিব লাগিব।

চৰম পত্ৰত তেওঁ আৰু জনালে যে ১১ মাৰ্চ্চৰ ভিতৰত যদি তেওঁৰ আবেদনে লাট চাহাবৰ হৃদয়ত কোনোৰূপে ৰেখাপাত নকৰে (অৰ্থাৎ গুৰুত্বৰ নাপায়) তেন্তে তেওঁৰ আশ্ৰমৰ সহকৰ্ম্মীসকলক লৈ আইন অমান্য আন্দোলন আৰম্ভ কৰিব আৰু পোন প্ৰথমে তেওঁ "লোণ আইন" ভঙ্গ কৰিবৰ কাৰণে অভিযান চলাব; কাৰণ দুখীয়া ভাৰতবাসীৰ কাৰণে এই আইনেই আটাইতকৈ যুক্তিহীন।

বাপুজীয়ে বৰলাটৰপৰা ইয়াৰ যি প্ৰত্যুত্তৰ পালে তাৰ মৰ্ম্ম হল যে আইন নামানিলে যি ফল হব সেইটো কবই নালাগে। বিশেষতঃ লিখিলে, "আপুনি এনে পথ বাছি লৈছে যাৰ ফলত আইন ভঙ্গতো

হ’বই আৰু সৰ্ব্বসাধাৰণৰ ভিতৰত যে শান্তি ভঙ্গ হ’ব তাত কোনো সন্দেহ নাই।”

১২ মাৰ্চ্চ তাৰিখে আইন অমান্য কৰিবলৈ যাত্ৰা কৰাৰ কথা। ১১ তাৰিখে হাজাৰ হাজাৰ মানুহৰ সৈতে সবৰমতি নদীৰ পাৰত যি সভা হৈছিল তাত কঠোৰ সঙ্কল্প প্ৰকাশ কৰি বাপুজীয়ে কলে, “আমাৰ বিষয়বস্তু সুদৃঢ়; আমাৰ কৰ্ম্মপন্থা অতি পবিত্ৰ আৰু ঈশ্বৰ আমাৰ সহায়। সত্যাগ্ৰহীয়ে সত্য বিসৰ্জ্জন নিদিলে পৰাজয় হ’ব কেনেকৈ? কালিৰ পৰা আমাৰ যি যুঁজ আৰম্ভ হ’ব সেই যুঁজৰ সফলতাৰ কাৰণে মই প্ৰাৰ্থনা কৰোঁ।”

লোণ আইন অমান্য কৰিবলৈ বাপুজীৰ কৰ্ম্মপন্থা দেখাত বৰ সংক্ষেপ আছিল। সবৰমতি আশ্ৰমৰ পৰা ডাণ্ডি উপকূল প্ৰায় দুশ মাইল বাট। আশ্ৰমৰ বচা বচা ৭৯ জন স্বেচ্ছাসেৱক লগত লৈ দিনে ৮।১০ মাইল কৰি খোজ কাঢ়ি যাব। আৰু সমুদ্ৰ উপকূলৰ লোণ গোট খাই থকা অথচ আইনমতে আনিব নোপোৱা ঠাইৰ পৰা লোণ (বিনা হুকুমে) আনিব।

আৰু ভাৰতৰ গোটেই ঠাইতে লোন আইন অমান্য কৰা অসম্ভৱ। গতিকে তেনে ঠাইত মদ, কানি, ভাংৰ দোকানত আৰু বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰিব, খদ্দৰ প্ৰচলনত জোৰ দিব, য’ত পাৰে ‘বন আইন’ (Forest Laws) ভঙ্গ কৰিবলৈ নিৰ্দ্দেশ দিলে।

১২ মাৰ্চ্চ, ১৯৩০ চন—লোণ আইন অমান্য কৰিবলৈ ডাণ্ডি যাত্ৰা আৰম্ভ কৰাৰ দিন। পুৱাতে আশ্ৰমৰ সেৱকদল সহ বাপুজী তৈয়াৰ হৈ ওলাল। বাপুজীৰ কপালত জয় তিলক পিন্ধাই দিয়া

হল আৰু শুভক্ষণত মঙ্গল উৰুলি ধ্বনিৰ মাজত সেৱকদলসহ বাপুজীয়ে ডাণ্ডি অভিমুখে যাত্ৰা কৰিলে। মনৰ কি বল! প্ৰবল পৰাক্ৰান্ত সশস্ত্ৰ গভৰ্ণমেণ্টৰ বিৰুদ্ধে কেইজনমান নিৰস্ত্ৰ স্বেচ্ছাসেৱক লগত লৈ গান্ধীজীৰ এই ঐতিহাসিক অভিযান পোনতে বহুতে হাঁহি উৰুৱাই দিছিল। বিলাতৰ কাকত বিলাকেও ব্যঙ্গচিত্ৰ উলিয়াই কত মস্কৰা! কিন্তু এই যাত্ৰাৰ পিচত আন্দোলনে কেনে আকাৰ ধাৰণ কৰি পৃথিৱী কঁপাই তুলিলে কোনে নাজানে?

খোজ কাঢ়ি যাওঁতে বাপুজী দিনে ৬ মাইলৰ কম আৰু ১০ মাইলৰ বেছি বাট যোৱা নাছিল। যাওঁতে বাটত বহুতো নৰ-নাৰীৰ সমাবেশ হৈছিল। বাপুজী য'ত য'ত থাকি গৈছিল তাত প্ৰাৰ্থনাও হয় আৰু সভাও হয়। সভাত ৰাইজৰ কৰ্ত্তব্যৰ কথা, আইন অমান্য আন্দোলনৰ গুৰি কথা আৰু ইয়াৰ সাৰ্থকতাৰ কথা বাপুজীয়ে বুজাই দিয়ে। ক্ৰমে দেশত আন্দোলনৰ মাত্ৰা বাঢ়ি আহিবলৈ ধৰিলে। বিভিন্ন জিলা কংগ্ৰেছ কমিটিবিলাকে সুবিধা বুজি কাম কৰিবলৈ প্ৰস্তুত হৈ বল।

এইদৰে বাপুজী গোটেই মাৰ্চ্চ মাহ গৈ এপ্ৰিলৰো ৭ দিন পাৰ হোৱাত ৫ তাৰিখে সাহিয়াল সৈনিক সকলক লৈ ডাণ্ডিৰ সাগৰ উপকূলত উপস্থিত হল।

পিচ দিনা পুৱা গা ধুই প্ৰাৰ্থনা শেষ কৰি বাপুজীয়ে নিষিদ্ধ সাগৰৰ পাৰৰ পৰা কিছু লোণ নিজ হাতত তুলি লৈ লোণ আইন ভঙ্গ কৰিলোঁ বুলি ঘোষণা কৰিলে। তেখেতৰ লগৰীয়াসকলেও নেতাৰ দৃষ্টান্ত অনুসৰণ কৰি (বিনা হুকুমে) লোণ সংগ্ৰহ কৰিলে। তাৰ পিচত তাৰ পাৰতে নিজে লোণ তৈয়াৰ কৰিবলৈ ধৰিলে।

ইমান দিনে যি লোণ আইনৰ বলত মানুহে পাৰিও লোণ তৈয়াৰ কৰিব নোৱাৰিছিল অৰ্থাৎ আইনৰ বাধা আছিল এতিয়া এইদৰে পোন প্ৰথমে সেই আইন ভঙ্গ কৰি লোণ তৈয়াৰ কৰিবলৈ সাহসী হল।

বাপুজীয়ে এতিয়া ঘোষণা কৰি কলে যে—"যি সকল লোকে স্বদেশৰ হকে শাস্তি আৰু লাঞ্ছনা মূৰ পাতি লবলৈ প্ৰস্তুত আছে তেওঁবিলাকে এইদৰে লোণ আইন অমান্য কৰিব পাৰে আৰু তেওঁ-বিলাকে সুবিধামতে ভাৰতৰ যি কোন ঠাইতে লোণ তৈয়াৰ কৰিবৰ অধিকাৰী।"

এই ঘোষণামতে গোটেই ভাৰততে লোণ আইন অমান্যৰ কাৰণে হুৱা-দুৱা লাগি উঠিল; বঙ্গ, উৰিষ্যা আৰু মাত্ৰাজৰ সাগৰৰ পাৰত অসংখ্য মানুহে লোণ তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিলে। দেশত তোলপাৰ লাগি গল। আমাৰ দেশতো যত লোণৰ পুং আছিল তাত লোন কৰিবলৈ লাগি গল।

এপ্ৰিল মাহৰ শেষৰ ফালে গান্ধীজীয়ে ঘোষণা কৰিলে যে তেওঁ এইবাৰ ৬ই মে' তাৰিখে ধৰ্ষনাত থকা চৰকাৰি লোণৰ গুদাম আক্ৰমণ কৰিব। এইবাৰ কিন্তু গভৰ্ণমেণ্ট নীৰবে নাথাকিল। ৫ তাৰিখেই ৰাতি ১২½ বজাত সুৰাটৰ সত্যাগ্ৰহী শিবিৰত শুই থকা সময়ত মহাত্মাজীক গ্ৰেপ্তাৰ কৰি নি যাৰবেদা জেইলত কাৰাৰুদ্ধ কৰি ৰখা হয়। বিচাৰৰ প্ৰহসন এইবাৰ নহল অৰ্থাৎ বিনা বিচাৰে কাৰাৰুদ্ধ হল। কিমান দিনলৈ ফাটেক হল তাৰো দিন-বাৰ একো নিৰূপিত নহল।

তেওঁক গ্ৰেপ্তাৰ কৰিব বুলি আগতে জানিয়েই বাপুজীয়ে

দেশবাসীৰ প্ৰতি এইদৰে বাণী প্ৰকাশ কৰিছিল,—"স্বাৰ্থত্যাগ নকৰাকৈ স্বৰাজ লাভ হলেও সি কেতিয়াও বৰ্ত্তি নাথাকিব ; গতিকে বাইজে বহুতো স্বাৰ্থত্যাগ কৰিব লাগিব। কিন্তু যথাৰ্থ স্বাৰ্থত্যাগ মানে নিজে ইচ্ছা কৰি দুখ কষ্ট সহ্য কৰাৰ বাহিৰে আন একো নহয়। আনৰ প্ৰাণ বধ নকৰি (আমি) নিজ প্ৰাণ দিবলৈ প্ৰস্তুত হব লাগিব। * * * সম্প্ৰতি আত্মসন্মান আৰু ভাৰতৰ যথাসৰ্ব্বস্ব নিৰ্ভৰ কৰিছে এই এমুঠি লোণৰ ওপৰতে। মোক গ্ৰেপ্তাৰ কৰিলেও ৰাইজ বা মোৰ সহকৰ্ম্মীসকলে ভয় খোৱা উচিত নহব।"

বাপুজীক গ্ৰেপ্তাৰ কৰাৰ বাতৰি পিচদিনা পুৱাই চাৰিওফালে প্ৰচাৰিত হল। লগে লগে হৰতাল আৰম্ভ। এই হৰতালত খেতিয়ক, বণুৱা, কলত কাম কৰা মানুহ, কৰ্ম্মচাৰী সকলোৱেই যোগ দিলে। সকলো ঠাইতে নিৰুপদ্ৰব ভাবেই হৰতাল পালিত হল। দেশত এতিয়াৰ পৰা আৰু কোবেৰে আন্দোলন আৰম্ভ হল। চৰকাৰেও এইবাৰ কোঢ়ামুঠিয়াকৈ দমন কৰাত লাগিল। কথা নাই বতৰা নাই "মৃদু লাঠিৰ কোব", গ্ৰেপ্তাৰ, সম্পত্তি বাজেয়াপ্ত, বহিষ্কাৰৰ নোটিচ, খানাতল্লাচ, জেইললৈ পঠোৱা—এনেকি মূৰত গান্ধী টুপিটো হলেই তেওঁ অপৰাধী। শাস্তি যাৰ যেনে মন যায়। কত কৰ্ম্মীক (ভয় খুৱাবলৈ) মটৰত তুলি লৈ গৈ ১০।১৫ মাইল আঁতৰত অসময়ত এৰি দিয়ে। বপুৰিইঁতে খোজ কাঢ়ি হায়ৰাণ হব লাগে। ইত্যাদি নানা তৰহৰ শাস্তি আৰম্ভ হল। কিন্তু এইবাৰ চৰকাৰৰ যেনে টান মুঠি কৰ্ম্মীবো তেনে কৰ্ত্তব্যৰ প্ৰতি দৃঢ়তা।

কস্তুৰীবাঈ গান্ধীয়ে এই সময়ত প্ৰকাশ্যে সকলোকে ভৰসা কৰি কলে, "বাপুজীক আমাৰ মাজৰ পৰা আঁতৰাই নিলেও ভাৰতৰ

স্বাধীনতালাভৰ কাৰণে কৰা এই আন্দোলন অলপো ব্যাহত নহব।” তেখেতে দেশৰ মাতৃজাতিক বিলাতী কাপোৰ বৰ্জ্জনৰ কাৰণে উপদেশ দিলে আৰু আইনব্যৱসায়ীসকলক দেশৰ হকে কাম কৰিবলৈ আহ্বান জনালে।

সৰোজিনী নাইডুৱে ধৰ্ষণা সত্যাগ্ৰহত আগভাগ ললে। তেখেতে ঘোষণা কৰিলে, “মহাত্মা গান্ধীক প্ৰবল পৰাক্ৰান্ত বৃটিছ জাতিয়ে ৰাতি মনে মনে গ্ৰেপ্তাৰ কৰিলে আৰু বিনা বিচাৰে ফাটেকত দিলে। ইয়াৰ পৰাই মহাত্মাজীৰ প্ৰতি তেওঁবিলাকৰ শ্ৰদ্ধাহে প্ৰকাশ পাইছে।” অৰ্থাৎ মহাত্মাজীৰ কাৰণে ইমান ভয় হৈছিল যে বে-আইনী ভাবেহে তেখেতক বন্দ কৰিবলৈ সাহ কৰিলে ইমান ক্ষমতা থকা ৰাজশক্তিয়ে। এই নাইডুৱেও প্ৰকাশ্যে আন্দোলনত যোগ দি দুগুণ উৎসাহেৰে কাম আৰম্ভ কৰিলে।

অধিকাংশ ঠাইতে বাপুজীৰ উপদেশ অনুসাৰে শান্ত আৰু সংযত থাকি আন্দোলন চলালেও ঠায়ে ঠায়ে তাৰ ব্যতিক্ৰম হৈছিল। বোম্বাই এলেকাৰ শোলাপুৰ অঞ্চলৰ মানুহে চৰকাৰৰ দমননীতিত নিতান্ত উত্তেজিত হৈ ছখন পুলিচ থানা জুই লগাই পুৰি পেলালে। কলিকতাৰ ওচৰৰ পঞ্চাননতলাত ৰেল লাইন তুলি দি পৰ্য্যন্ত হৰতাল পালন কৰিবলৈ বাধ্য কৰা হৈছিল। বিপ্লৱীসকলেও এইসময়ত অত্যাচাৰ কৰা ৰাজকৰ্ম্মচাৰীসকলক সুবিধা পালেই হত্যা কৰিছিল। এইসময়তে বিখ্যাত “চট্টগ্ৰাম অস্ত্ৰাগাৰ ডকাইতি” বিপ্লৱ ঘটে। সশস্ত্ৰ ডেকাসকলে অতৰ্কিতে সামৰিক আৰু পুলিচ বাহিনীক হঠাতে এনেদৰে আক্ৰমণ কৰিলে যে তেওঁলোক হতভম্ব হৈছিল আৰু সেই অৱস্থাত শাসকবৰ্গৰ হাতৰ পৰা চট্টগ্ৰামখন যানিবা কাঢ়ি লৈছিল।

দেশৰ মুক্তিৰ হকে নিজৰ প্ৰাণ তুচ্ছ কৰি সেই বিপ্লবীসকলে বৃটিছ বাহিনীৰ লগত সম্মুখ যুদ্ধ কৰি প্ৰাণ দিছিল। এই নিৰ্ভীক দেশ-প্ৰেমিক কৰ্ম্মীসকলৰ অত্যুজ্জ্বল দেশপ্ৰেম আৰু আত্মোৎসৰ্গ দেখি ভাৰতীয় জনসাধাৰণে দুগুণে কাম কৰিবলৈ উৎসাহ পাইছিল। কিন্তু বৃটিছ গভৰ্ণমেণ্টৰ পক্ষে এই কথাত উদ্বেগ বোধ কৰিলে। ভাৰত আৰু বৃটিছ দুয়োদেশৰ মিল মালিকসকলে গতিক বিষম দেখি এটা আপোচৰ কাৰণে ভিতৰি কথা চলালে।

দেখাদেখিকৈ বাপুজী ফাটেকত থাকোঁতেই চাৰ তেজবাহাদুৰ চাপ্ৰু আৰু মিঃ জয়াকৰে একালে লৰ্ড আৰউইন আৰু আনকালে গান্ধীজীৰ লগত এটা আপোচ মীমাংসাৰ চেষ্টা কৰিলে। সিবিলাকৰ সেই চেষ্টা প্ৰথমবাৰৰ কাৰণে নিস্ফল হল। কাৰণ বাপুজীয়ে যি সৰ্ত্ত দিলে সেইবোৰ গভৰ্ণমেণ্টে মানি লব নোৱাৰিলে। সিবিলাকৰ এইবাৰৰ চেষ্টা বিফল হল।

আচলতে কিন্তু দেশ আৰু গভৰ্ণমেণ্ট উভয় পক্ষই যুঁজ কৰি ভাগৰিছিল। সাময়িক হলেও শান্তি উভয়কে লাগে। গতিকে দুণাই চেষ্টা হল। এইবাৰ আপোচ হোৱা সম্ভৱ হল। এইবাৰ গান্ধীজী আৰু কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সভ্যসকলক পোনতে মুক্তি দিলে। সিবিলাকে আলচ কৰি থিৰ কৰিলে যে গান্ধীজীয়ে বিলাতত বহা ঘূৰণীয়া মেজ মেলত যোগ দিবগৈ—ভাৰত শাসন আইনৰ খচৰা কৰোঁত, এইটো স্থিৰ হল। ৰাজনৈতিক বন্দীসকল মুক্ত হব। আন্দোলন স্থগিত কৰিব; লোণ আইনৰ কঠোৰতা দূৰ কৰিব। উভয় পক্ষই এই কথা মানি ললে। এয়েই বিখ্যাত "গান্ধী আৰউইন পেক্ট।"

এই আপোছ মীমাংসাৰ কথা গোটেই দেশত প্ৰচাৰিত হল। আন্দোলন আংশিক ভাবেও কৃতকাৰ্য্য হোৱাত মানুহ আশ্বস্ত হল। সকলোৱেই যদিচ ভবিষ্যতৰ গৰ্ভত কি আছে জানিবলৈ যেন উৎকণ্ঠিত হৈ থাকিল।

আনফালে বাপুজীয়ে বিলাতলৈ যাবলৈ খৰখেদা লগালে।

চৌবিশ

বত্ৰিছৰ আন্দোলন

গান্ধী-আৰউইন চুক্তিৰ ফলত মহাত্মা গান্ধী প্ৰমুখ্যে নেতা আৰু ৰাজনৈতিক বন্দীসকলে মুক্তি পালে। গান্ধীজীয়ে আন্দোলন প্ৰত্যাহাৰ কৰিলে। কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে এই চুক্তি সমৰ্থন কৰিলে। পূৰ্ব্বৰ কথামতে দ্বিতীয় ঘূৰণীয়া মেজ মেলত যোগ দি ভাৰতীয়সকলৰ পক্ষৰ পৰা শাসন সংস্কাৰ সম্পৰ্কীয় দাবী উত্থাপন কৰিবলৈ, গান্ধীজী বিলাতলৈ যাব লগা হল। নিৰ্দ্দিষ্ট দিনত "ৰাজপুতনা" নামে জাহাজত পণ্ডিত মদনমোহন মালব্য আৰু শ্ৰীমতী সৰোজিনী নাইডুক লগত লৈ বাপুজী ৰাওনা হল। ১২ চেপ্তেম্বৰ তাৰিখে সিবিলাক লণ্ডন পালেগৈ।

এই যাত্ৰাত মহাত্মা গান্ধীক ইংৰাজে জাতি হিচাবে যথেষ্ট সমাদৰ দেখুৱাইছিল। লণ্ডনত যেয়ে সেয়ে 'ফ্ৰি মেন' হবৰ সুযোগ নাপায়। ফ্ৰি মেন অৰ্থ অবাধ গতি অৰ্থাৎ তেখেত যিখন গাড়ীত বা বাহনতেই

যাওক আন সকলোৱে বাট এৰি ত্যাগ হৈ যাবলৈ দিব লাগিব। দ্বিতীয়তে স্ফুৰ্ত্তি হৈছিল সৰু ল'ৰা-ছোৱালীবিলাকৰ। আধা নঙঠা বাপুজীজননো কেনেকুৱা চাবলৈ সিইঁতৰ যে কি ধাউতি! দেখা পালে হাত দাঙি, ৰুমাল জোকাৰি "আঙ্কল গান্ধী" বুলি আদৰ কৰি মাত আৰু অভ্যৰ্থনা আৰু আনন্দপ্ৰকাশ ষতে ততে।

মিচ্ লিষ্টাৰৰ আলহী হৈ থকাত ল'ৰা-ছোৱালীৰ লগত বাপুজীৰ যথেষ্ট ঘনিষ্টতা হবৰ সুযোগ হৈছিল। সিহঁতে এমাহমান আগৰে পৰা বাপুজীক "নমস্কাৰ" জনাবলৈ আমাৰ ৰীতিমতে, নিয়মিত-ৰূপে শিক্ষা লৈছিল। যিদিনা বাপুজীক তেওঁবিলাকে সম্বৰ্দ্ধনা জনাবলৈ অভ্যৰ্থনা সভা পাতিছিল—সেইদিনা উভয় পক্ষৰ আনন্দ চায় কেনে? ল'ৰা-ছোৱালীৰ লগ পালে বাপুজীও শিশুৰ দৰেই হৈ যায়। আৰু এনে ধুহুতীয়া কথা কব পাৰিছিল বাপুজীয়ে! ল'ৰা-ছোৱালীবোৰ হাঁহি হাঁহি আধানৰা।

বণুৱা সকলৰো বাপুজীৰ ওপৰত যথেষ্ট ভক্তি আছিল। মেঞ্চেষ্টাৰ প্ৰভৃতি বহুতো শ্ৰমিক কেন্দ্ৰলৈ নিমন্ত্ৰণ কৰি বাপুজীক সম্বৰ্দ্ধনা জনাইছিল। বাপুজীয়েও প্ৰাণ খুলি সিবিলাকক ভালত হবে সজ পৰামৰ্শ দিছিল।

এনেকি ৰাজপ্ৰাসাদলৈকো বাপুজীৰ নিমন্ত্ৰণ হল। ৰজা আৰু ৰাণী দুয়ো বাপুজীক সাক্ষাৎ দি বহুতো আলাপ আলোচনা কৰিলে। শুনা যায় বিশেষকৈ ৰাণী-মাতাৰ আগ্ৰহতে ৰাজদৰ্শন ঘটিল বাপুজীৰ!

জাতি হিচাবে গুণগ্ৰাহিতাৰ আৰু অনেক ৰকমে পৰিচয় দিলেও মহাত্মাজীয়ে কিন্তু বিলাতৰ ৰাজনীতিক্ষেত্ৰত বিশেষ একো কৰিব

নোৱাৰিলে। তথাপি ১৫ চেপ্তেম্বৰ তাৰিখে কংগ্ৰেছৰ পক্ষৰ পৰা দাবী উত্থাপন কৰি মেজমেলত যি আবেগময়ী বক্তৃতা দিলে বাপুজীয়ে, ইতিহাসত তাৰ তুলনা বহুত কম। হলেনো কি হব? বৃটিছৰ কূটনৈতিক চালত সকলো মিছা হ'ল। মেজমেলৰ আলোচনাৰ ফলত ভাৰতে বিচৰা আচল বস্তুৰ একো নাপালে। বৰং পালে "মেকড'নেল্ড এৱাৰ্ড"—যাৰ কুফলৰ ভয়ত বাপুজীয়ে জেলৰ ভিতৰতে অনশন কৰিব লগাত পৰিছিল। এই এৱাৰ্ডে আমাৰ মাজত জাতি-ভেদ প্ৰথাৰ বিষময় ফল প্ৰখৰ কৰিবৰ বিধান কৰিছিল। তথাপি বাপুজীয়ে যথাশক্তি নিজ কৰ্ত্তব্য শেষ কৰি বিলাতৰ পৰা ঘূৰি আহিল। বাটত মুছোলিনিক লগ ধৰি আহিল আৰু ঘূৰি ভাৰতবৰ্ষ পালেহি ২৮ ডিচেম্বৰ তাৰিখে।

চাৰি মাহৰ পিচত বাপুজী বিলাতৰ পৰা ঘূৰি আহি ভাৰতৰ ৰাজনৈতিক অৱস্থাৰ কথা যি জানিলে আৰু শুনিলে তাত বৰ আচৰিত হ'ল আৰু মনত বৰ দুখ পালে। তেওঁৰ পক্ষৰ পৰা "গান্ধী-আৰউইন চুক্তি"ৰ মৰ্য্যাদা ৰক্ষা কৰি আন্দোলন প্ৰত্যাহাৰ কৰিলে আৰু সহযোগী মনোভাবেৰে আপোচ নিষ্পত্তি কৰিবৰ উদ্দেশ্যেই বিলাতলৈ পৰ্য্যন্ত গ'ল। কিন্তু চৰকাৰ পক্ষই ৰাজনৈতিক বন্দীক পোনতে মুক্তি দিয়াৰ বাহিৰে আন কোনো সৰ্ত্ত পালন নকৰিলে। বৰং গভৰ্ণমেণ্টৰ পক্ষে যেন বেছি কঠোৰ ভাবে প্ৰতিশোধৰ আকাঙ্ক্ষাহে প্ৰকাশ কৰিলে।

ইয়াৰ ভিতৰতে ভগৎ সিং, ৰাজগুৰু আৰু শুকদেৱৰ ফাঁচী হৈ গ'ল। দমনমূলক কোনো আইনকে চুক্তি অনুসাৰে উঠাই লোৱা নাই; লোণ আইনত হাত দিয়াই নাই—আগৰদৰেই থাকিল। বঙ্গদেশ, যুক্তপ্ৰদেশ আৰু সীমান্ত প্ৰদেশৰ চৰকাৰি "অৰ্ডিনান্স" বোৰ

বলবৎ আছে আৰু প্ৰয়োজনমতে বিনা বিচাৰে কৰ্মীসকলক গ্ৰেপ্তাৰ কৰি ফাটেকত আবদ্ধ কৰি তেতিয়ালৈকে থৈয়ে আছে।

এইবোৰ দেখি শুনি বাপুজীয়ে ততালিকে বৰলাটৰ লগত সাক্ষাৎ কৰি চুক্তিৰ মৰ্য্যাদা ৰক্ষা নকৰাৰ কাৰণ জানিবলৈ চেষ্টা কৰিলে। কিন্তু বৰলাটে সাধাৰণ সৌজন্যতা ৰক্ষা কৰিও দেখা কৰিবলৈ সম্মত নহল। গতিকে এনে অৱস্থাত গভৰ্ণমেন্টৰ মনোভাব বুজিবলৈ কাৰো বাকী নাথাকিল।

চুক্তি কৰি তাক ৰক্ষা নকৰাটো বিশ্বাসঘাতকতা। ১৯৩২ চনৰ ১লা জানুৱাৰী তাৰিখে কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ বৈঠক বহিল। তাত কেইবাটাও প্ৰস্তাৱ গৃহীত হ'ল। সেই প্ৰস্তাৱৰ ভিতৰেদি ভাৰতীয় লোক সকলৰ ক্ষুব্ধ মনোভাব প্ৰকাশ কৰা হ'ল। আন এটা প্ৰস্তাৱেৰে বৰলাটক জনোৱা হ'ল যে মহাত্মা গান্ধীয়ে কৰা অনুৰোধ বিলাকৰ বিষয়ে যদি গভৰ্ণমেণ্টে কোনো বিবেচনা নকৰে তেন্তে শীঘ্ৰে পুনৰায় আইন অমান্য আন্দোলন আৰম্ভ কৰা হব।

ৱাৰ্কিং কমিটিৰ প্ৰস্তাৱত নিশ্চয় ৰাইজৰ বিক্ষুব্ধ আৰু অবিশ্বাস্য মনোভাৱ, তদুপৰি আন্দোলন কৰিবৰ সঙ্কল্প প্ৰভৃতি কামবোৰৰ দোষ বাপুজীৰ ওপৰতে জাপি ৪ জানুৱাৰী তাৰিখে বোম্বাইৰ "মণি ভবন"ত তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল আৰু যাৰবেদা জেলত আবদ্ধ কৰি থলে।

বাপুজীক গ্ৰেপ্তাৰ আৰু জেলত বন্দী কৰি থোৱাৰ লগে লগে দেশত আকৌ হুলস্থূল লাগি উঠিল। চৰকাৰ পক্ষই পুনৰ দমননীতিৰ আশ্ৰয় ললে। অৰ্ডিনেঞ্চ জাৰি হ'ল। সকলো ৰাজহুৱা প্ৰতিষ্ঠান ব-আইনী বুলি ঘোষণা কৰা হ'ল। দেশৰ যাবতীয় কৰ্মী আৰু

নেতাসকল হ'ল বন্দী। এইবাৰৰ নিৰ্য্যাতন আন কেবাৰতকৈ কঠোৰ হ'ল। এইবাৰ কোঢ়ামুঠিয়াকৈ ধৰি কংগ্ৰেছক মষিমুৰ কৰিবলৈ চৰকাৰ পক্ষ যেন দৃঢ়প্ৰতিজ্ঞ। কোনেও কতো মুৰ দাঙ্গিবৰ উপায় নাই। প্ৰথম চাৰিমাহতে ৮০ হাজাৰ মানুহ ফাটেকলৈ গ'ল। পুলিচৰ লাঠি চাৰ্জ্জ, মাৰ-পিট আৰু গুলী অবিৰাম চলিল। গাওঁৰ ওপৰতো লগালে পাইকাৰী জৰিমনা, বহু টকা-কড়ি আৰু মাটি-বাৰী হ'ল বাজেয়াপ্ত। কঠোৰ ভাবে দমননীতি চলাই গভৰ্ণমেণ্টে এইবাৰ আন্দোলন শীঘ্ৰে মাৰি পেলাবলৈ চাইছিল যদিও নোৱাৰিলে। ই দীঘলীয়া হ'ল আৰু এক লাখৰ ওপৰ মানুহ ফাটেকলৈ গ'ল।

ইমান উৎপীড়নৰ ওপৰতো ভাৰতীয় লোকসকলে যথেষ্ট ধৈৰ্য্যৰ পৰিচয় দিব পাৰিলে। ৰাইজৰ এই প্ৰতিৰোধ-শক্তি স্বাধীনতা আন্দোলনত অতুলনীয়।

১৯৩২ চনত জেলত থকা অৱস্থাতে বাপুজীয়ে বৃটিছ চৰকাৰৰ "সাম্প্ৰদায়িক বাটোৱাৰা" বিধানৰ ঘোষণা দেখা পালে। ভাৰতৰ জাগ্ৰত জাতীয়তাবোধৰ ফালৰ পৰা এই বিধান অতিশয় মাৰাত্মক আছিল। বাপুজীয়ে পৰিষ্কাৰ দেখা পালে বৃটিছৰ কূট ৰাজনীতিৰে হিন্দু সম্প্ৰদায়ৰ মাজত আকৌ স্থায়ী বিভেদ সৃষ্টি কৰি বৰ্ণহিন্দু আৰু অনুন্নত জাতি স্থায়ীভাবে তৈয়াৰ কৰি হিন্দুসকলৰ শক্তি খৰ্ব্ব কৰা তথা ভাৰতক চিৰকালৰ কাৰণে পৰাধীন কৰি ৰখাৰ ফন্দী!

এই বিধানত বাপুজী বিচলিত হ'ল আৰু প্ৰাণৰ বিনিময়েও ইয়াক প্ৰতিৰোধ কৰিবলৈ দৃঢ় পণ কৰিলে। নিতান্ত আগ্ৰহত যেন নিজ অন্তৰৰ দৈববাণী শুনিলে। কয়েদী হিচাবে আন স্বাধীনতা নথকাত এনে অন্যায় বিধানৰ দ্বাৰা ভাৰতীয় স্বাৰ্থৰ সম্পুৰ্ণ বিপৰীত বিধানৰ প্ৰতিবাদ কৰে

বাপুজীয়ে আমৰণ অনশন ব্ৰত কৰিবলৈ স্থিৰ কৰিলে আৰু সেইমতে ২০ চেপ্তেম্বৰ তাৰিখৰ পৰা বাপুজীয়ে "অনশন" আৰম্ভ কৰিলে।

বন্দী অৱস্থাত আমৰণ অনশন ব্ৰতৰ কথা শুনি গোটেই ভাৰত উদ্বিগ্ন হৈ উঠিল। কি কৰা যাব নেতাসকল চিন্তিত হ'ল। ততালিকে ভাৰতৰ বিভিন্ন সম্প্ৰদায়ৰ লোকসকল একত্ৰিত হৈ উপায় চিন্তা কৰিলে। জেইলত মহাত্মাৰ লগত সাক্ষাৎ কৰি কেনে হলে দুয়োকুল ৰক্ষা পৰে উপদেশ বিচাৰিলে। তেওঁ সহজ কথাৰে কৈ দিলে—"যি বিহ্ গছ ৰুই বৃটিছ চৰকাৰে আমাৰ (হিন্দুৰ) মাজতো স্থায়ী বিভেদ সৃষ্টি কৰি সৰ্ব্বনাশ সাধন কৰিব খুজিছে সেই বিহ গছ ডালৰ গুৰি এতিয়াই পুতিবলৈ নিদিবলৈ ভাৰতীয় সকলো সম্প্ৰদায়ৰ লোক গোট খাই উপায় উলিয়াবলৈ সমৰ্থবান।"

বাপুজীৰ এই ইঙ্গিত সকলো লোকে সহজে বুজি পালে। আমাৰ ভিতৰখন ভাল হলে আনে বাহিৰৰ পৰা অনৰ্থ জাপি দিলেও সি আমাক চুব নোৱাৰিব। সেই ভাবি সকলো নেতৃস্থানীয় লোকে ক্ৰমাগত ৪।৫ দিন আলচ কৰি যি বিধান স্থিৰ কৰিলে সেয়েই "পুণা পেক্ট" নামে খ্যাত। ইয়াৰ দ্বাৰা উচ্চবৰ্ণৰ হিন্দু আৰু তপশীলভুক্ত হিন্দুৰ ভিতৰত শাসন সংক্ৰান্ত বিষয়ত পৰস্পৰৰ মাজত অধিকাৰ মীমাংসা কৰি ললে, এনেকি আইন সভাত সংখ্যাৰ অনুপাত হিচাবে সভ্যপদ নিজৰ ভিতৰতে স্থিৰ কৰিলে, কোনো শত্ৰুভাব নাৰাখিবলৈ প্ৰতিশ্ৰুতি দিলে। মুঠতে এই চুক্তি বাপুজীয়ে মনোযোগেৰে চাই বদ বদল কৰি সকলোৰে সম্মতি পাই যেতিয়া দেখিলে যে ইংৰাজৰ কূটনীতি ইয়াৰ দ্বাৰা ব্যৰ্থ কৰিব পৰা হৈছে তেওঁ ২৬ চেপ্তেম্বৰ তাৰিখে অনশন ভঙ্গ কৰে। নিতান্ত অনিচ্ছা স্বত্বেও গোটেই ভাৰতৰ

তথা সকলো সম্প্ৰদায়ৰ মতৰ বিপক্ষে কোনো মন্তব্য কৰিবলৈ বৃটিছ চৰকাৰে ভয় কৰি পুনা চুক্তি বাধ্য হৈ মানি ললে।

ইয়াৰ দ্বাৰা ভাৰতবৰ্ষ এটা প্ৰধান বিপৰ্য্যয়ৰ পৰা ৰক্ষা পৰিল। বৃটিছ কূটনৈতিক হেচাৰে জাপি দিব খোজা সৰ্ব্বনশীয়া বিধানৰ হাত সাৰি ভাৰতে বাপুজীৰ কৃপাত স্বস্তিৰ নিশ্বাস পেলালে।

পিচৰ বছৰ ১৯৩৩ চনৰ ৮ মে'ই তাৰিখে তেওঁ বন্দী থকা অৱস্থাতে অন্তৰৰ প্ৰেৰণা পাই তেওঁৰ নিজৰ আৰু সহকৰ্ম্মীসকলৰ আত্মশুদ্ধিৰ কাৰণে একৈচ দিন উপবাস কৰিবলৈ স্থিৰ কৰিলে। গভৰ্ণমেণ্টে কিন্তু নিজৰ দায়িত্বত এই ব্ৰত জেইলৰ ভিতৰত উদ্‌যাপন কৰিবলৈ দিবলৈ কিছু বিব্ৰত বোধ কৰিলে। গতিকে উপবাস আৰম্ভ কৰাৰ লগে লগে সেই ৮ মে'ই তাৰিখেই তেওঁক জেইলৰ পৰা মুক্তি দিলে।

এই ব্ৰত বাপুজীয়ে ডাঃ আন্সাৰিৰ ঘৰত থাকি পালন কৰিছিল। ভগবানৰ কৃপাত তেওঁ এই ব্ৰত বিশেষ উদ্বিগ্নতাৰ কাৰণ নোহোৱাকৈ পালন কৰিব পাৰিলে। গোটেই দেশৰ লোকসকলৰ শুভ ইচ্ছা তেওঁৰ ওপৰত সততে আছিল। পৰাৰ্থে এই ব্ৰত পালন কি মহৎ!

মুক্তি দিছিল যদিও গভৰ্ণমেণ্টৰ পেটে পেটে আকৌ সোনকালেই কোনো এটা চেলু উলিয়াই তেওঁক আটক ৰখাই উদ্দেশ্য আছিল। সেই কাৰণে তেওঁৰ কাৰ্য্যকলাপৰ ওপৰত চৰকাৰে আকৌ বিশেষ নজৰ ৰাখিছিল। মন কৰিলে অপৰাধ উলিয়াবলৈ কিমান পৰ? আকৌ ১৯৩৩ চনৰ ১লা আগষ্ট তাৰিখে বাপুজীক গ্ৰেপ্তাৰ কৰা হ'ল। লগতে বন্দী হ'ল কস্তুৰবা গান্ধী, চেক্ৰেটাৰী মহাদেৱ দেশাই, ৰাজা-গোপালাচাৰী আৰু সবৰমতি আশ্ৰমৰ ৩২ জন সভ্য। এইবাৰ বাপুজী এবছৰ বিনাশ্ৰম কাৰাদণ্ডত দণ্ডিত হ'ল।

এই ১৯৩৩ চনতে বাপুজীয়ে "হৰিজন" পত্ৰিকা প্ৰকাশ আৰম্ভ কৰে। সেই চনতে ২৬ জুলাই তাৰিখে বাপুজীয়ে সবৰমতি আশ্ৰম ভাঙ্গি দিয়ে। বাপুজীয়ে এতিয়াৰপৰা হৰিজন সকলৰ উন্নতিৰ কাৰণে একানপতিয়াকৈ কাম কৰিবলৈ স্থিৰ কৰে।

জেইলৰ ভিতৰত থাকিও বাপুজীয়ে এইবাৰ হৰিজনসকলৰ কাৰণে কাম কৰিবলৈ চৰকাৰৰ পৰা কিছু সুবিধা প্ৰাৰ্থনা কৰিছিল। কিন্তু কোনো বিশেষ সুবিধাটো নিদিলেই বৰং নিজৰ ব্যক্তি-স্বাধীনতা হৰণকাৰী কিছুমান বাধা-নিষেধ নতুনভাবে তেওঁৰ ওপৰত বেছিকৈ আৰোপ কৰিলে।

উপায়ান্তৰ হৈ সেইবোৰ বাধা-নিষেধৰ প্ৰতিবাদ কল্পে আকৌ উপবাস আৰম্ভ কৰিলে। এইবাৰ অলপ দিনৰ ভিতৰতে বাপুজীৰ স্বাস্থ্য আশঙ্কাজনক হৈ পৰিল। গতিকে গভৰ্ণমেণ্টে তেওঁক ২৩ আগষ্ট তাৰিখেই বিনাচৰ্ত্তে মুক্তিদান কৰিলে।

পঁচিশ

হৰিজন আন্দোলন

হৰিজন. আন্দোলনৰ ঘাই কথা অস্পৃশ্যতা বৰ্জ্জন। এই দোষৰ বাবেই ভাৰতীয় সমাজত 'হৰিজন' সম্ভৱ হৈছিল। ইবিলাক সমাজৰ ভিতৰত সকলো বিষয়তে অনুন্নত। ইবিলাকৰ শিক্ষাহীন, অৰ্থহীন অৱস্থাৰ কাৰণে বৰ্ণহিন্দুয়েই দায়ী বুলি সাম্যবাদী † বাপুজীয়ে আমাৰ সমাজত এই হৰিজন সম্ভাৱনা বা অস্তিত্বৰ বাবে দায়িত্ব নিজৰ কান্ধত পাতি ললে। সিবিলাকক পিচ পেলাই থৈ ভাৰতৰ জাতীয়তা-বোধ কেতিয়াও জাগ্ৰত হব নোৱাৰে, ৰাজনৈতিক উন্নত অৱস্থাৰ (স্বাধীনতাৰ) অধিকাৰী হব নোৱাৰে, এই কথা দিব্য চকুৰে দেখা পাই বাপুজীয়ে এই অৱসৰত সিবিলাকৰ উন্নতিৰ কাৰণে বিশেষ ভাৱে মন দিলে। সহিষ্ণুতা (Toleration) আৰু উদাৰতাপূৰ্ণ (Universal love) হিন্দুধৰ্ম্মৰ ভিতৰত হৰিজন সকলৰ অস্তিত্ব এটা বিৰাট প্ৰহেলিকা! হলেও বাপুজীৰ আধ্যাত্মিক দৃষ্টিত ই যে বিসদৃশ ৰূপে প্ৰতিভাত হব আৰু তাৰ অপসাৰণৰ চেষ্টা কৰিব তাত আচৰিত

---

† **সাম্যবাদ**—ভাৰতীয় আৰু ইউৰোপীয় দৃষ্টিভঙ্গী এই বিষয়ত বহুতো প্ৰভেদ। ভাৰতীয় সাম্যবাদ—অন্তৰ্দৃষ্টিৰ পন্থা আৰু পাশ্চাত্য সাম্যবাদ অধিকাৰৰ দৃষ্টিৰ পন্থা। ভাৰতীয় দৃষ্টিয়ে ইয়াক চেৰাই আৰু ওপৰলৈ যায় যাৰ ফল একাত্মানুভূতি—যাৰ ফলত বাপুজী কৌপীনধাৰী—সমুদায় দান কৰি নিঃস্ব হৈও কিন্তু নিজে হৈছিল এসময়ত সকলোতকৈ ধনী বুলি! সেই ধন—প্ৰাণ ধন। এয়ে ভাৰতৰ সাম্যবাদ।

হবৰ একো নাই। যেনেকৈ যি কাৰণতেই হওক সিবিলাকৰ অস্তিত্ব আৰু তাৰ বাবে দায়িত্ব নিজে লৈ কামত ধৰাই বুদ্ধিমানৰ কাম। সিবিলাকৰ উন্নতিৰ কাৰণে যি যি বিলাক কাম হাতত লৈছিল সেই আটাইবোৰ উল্লেখ কৰিলে এই পুস্তিকাৰ আকাৰ সৰকৈ বাঢ়িব। সেইবাবে অতি সংক্ষেপে এই—তেওঁ এইবাৰ গোটেই ভাৰতবৰ্ষত ভ্ৰমণ কৰি সিবিলাকৰ সংস্পৰ্শ লৈ আহি স্থানীয় অভিযোগ শুনি, বৰ্ণ হিন্দু-সকলক ইবিলাকৰ কাৰণে দায়িত্ব সোৱঁৰাই দি সহানুভূতিশীল হবলৈ উপদেশ আৰু সিবিলাকৰ উন্নতিৰ কাৰণে পূজি সংগ্ৰহ যাই কাম আছিল। প্ৰতি জিলাতে হৰিজনৰ উন্নতিমূলক কাম কৰিবলৈ কমিটি গঠন কৰি দিয়া হ'ল। সেই কমিটিবিলাকৰ যোগেই·হৰিজনৰ পক্ষে কৰিব লগা যাবতীয় কাম চলাবলৈ ব্যৱস্থা হ'ল। অস্পৃশ্যতা বৰ্জ্জন যাই কৰ্ম্মসূচী ৰূপে এই কমিটিবিলাকৰ কাৰ্য্যৰূপে নিৰ্দ্ধাৰিত হ'ল। বাপুজীৰ এই ভ্ৰমণৰ ফল অতিশয় আশাপ্ৰদ হৈছিল—ৰাইজে মুকলি হাতেৰে বাপুজীক হৰিজনৰ ভালৰ কাৰণে দান দিছিল। এনেকি আইসকলেও নিজৰ অলঙ্কাৰ পৰ্য্যন্ত বাপুজীক আনন্দমনে দান দিছিল।

হৰিজন আন্দোলনৰ লগে লগে বাপুজীয়ে দেশৰ গঠনমূলক কাম কৰিবলৈকো ৰাইজক উৎসাহ দিছিল। খদ্দৰ প্ৰচলনৰ ওপৰতো সদায় জোৰ দি এই কামত মন দিবলৈ প্ৰচাৰ কাৰ্য্যও চলাইছিল। সত্যাগ্ৰহৰ প্ৰকৃত শক্তি কিমান সেই বিষয়েও ৰাইজক সচেতন কৰিছিল। সময়ত আক্ষেপো কৰিছিল যে সৰহভাগ মানুহেই ইয়াৰ আচল তাৎপৰ্য্য নুবুজাৰ কাৰণেই আন্দোলনে গা কৰি উঠিব নোৱাৰে।

১৯৩৪ চনৰ মে' মাহত পাটনাত কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ অধিবেশন

বহিল। সেই অধিবেশনত বিনাচর্ত্তে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰা হ'ল। তেতিয়াই স্থিৰ কৰিলে যে অহা ব্যৱস্থাপক সভাৰ সাধাৰণ নিৰ্ব্বাচনত কংগ্ৰেছে অংশ গ্ৰহণ কৰিব।

কংগ্ৰেছৰ এনে সহযোগী মনোভাব দেখি গভৰ্ণমেণ্টে কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰা হুকুম জুন মাহত উঠাই ললে কিন্তু কমিউনিষ্ট পাৰ্টিকহে কৰিলে বে-আইনী অনুষ্ঠান বুলি ঘোষণা।

বাপুজী হৰিজনসকলৰ উন্নতিৰ অৰ্থে এইদৰে দেশ ভ্ৰমণত থকাত (বঙ্গদেশত কলিকতাৰ ওচৰত) এবাৰ তেওঁৰ প্ৰাণ নাশ কৰিবৰ চেষ্টা কৰিছিল। কিন্তু ভগবানৰ কৃপাত সেইবাৰ ৰক্ষা পালে। যি হওক এতিয়া বাপুজী কংগ্ৰেছৰ বাহিৰত থাকি দেশৰ সেৱা কৰিবলৈ বদ্ধপৰিকৰ হ'ল। তেওঁ এই সিদ্ধান্ত নানা যুক্তিৰে বুজাই দেখুৱাই দিলে আৰু তেতিয়াৰ পৰা কংগ্ৰেছৰ সক্ৰীয় কৰ্ম্মী বা নেতা হিচাবে নাথাকিল। তেওঁৰ ঘাই কথা হ'ল কংগ্ৰেছৰ বাহিৰত থাকিও তেওঁ সবল ভাবে দেশৰ সেৱাকে কৰিব।

১৯৩৭ চনৰ ১লা এপ্ৰিলৰ পৰা ভাৰতবৰ্ষত নতুন শাসনতন্ত্ৰ প্ৰৱৰ্ত্তিত হয়। কংগ্ৰেছে নিৰ্ব্বাচন প্ৰতিদ্বন্দিতাত যোগ দি ছখন প্ৰদেশত সংখ্যা-গুৰু হিচাবেই কংগ্ৰেছ নিৰ্ব্বাচিত হ'ল।

ৰাজনৈতিক কোনো আন্দোলন তেতিয়া দেশত নাছিল। সকলোৱেই নিজ নিজ কাম লৈ ব্যস্ত। বাপুজীৰ অন্তৰ এই অৱসৰত কান্দি উঠিল, এতিয়াও ৰাজনৈতিক বন্দী হিচাবে হাজাৰ হাজাৰ সন্ত্ৰাসবাদী কৰ্ম্মী জেইলত বন্দী হৈ থকাত। তাৰ সংখ্যা অধিকাংশই বঙ্গদেশত। গতিকে বাপুজী কলিকতালৈ আহিল আৰু এই বন্দীসকলৰ মুক্তিৰ কাৰণে চেষ্টা কৰিলে। গভৰ্ণৰ চাৰ জন এণ্ডাৰচনৰ

লগত দেখা কৰি আলোচনা কৰিলে। ফলতঃ ১৯০৭ জন ৰাজবন্দীৰ মুক্তি দি চৰকাৰে বাপুজীৰ মান ৰক্ষা কৰিছিল।

তেতিয়াও আৰু কিছুমান ৰাজনৈতিক বন্দী জেইলত থাকিল। পিচত তেওঁ সেই বন্দীসকলৰ কাৰণেও চেষ্টাৰ ত্ৰুটী কৰা নাছিল। পোনতে আলিপুৰ চেণ্ট্ৰেল জেইল, প্ৰেচিডেন্সী জেইল আৰু দমদম স্পেচিয়েল জেইলত বন্দীসকলক দেখা কৰি তেওঁলোকৰ মত জানিবলৈকো চেষ্টা কৰিছিল। লগতে সেই সময়ৰ গভৰ্ণৰ ব্ৰেবোনৰ লগতো দেখা কৰিছিল। এইবাৰ বেছি ৰকমে কৃতকাৰ্য্য হব নোৱাৰিলেও বন্দীমুক্তি বিষয়ত কিন্তু উভয়পক্ষৰ মতামত স্পষ্টভাবে জনাত সুবিধা হৈছিল। ইয়াৰ পৰাই দেখা যায় যে বাপুজীয়ে প্ৰত্যক্ষ সংগ্ৰামৰ পৰা আঁতৰি থাকিলৰ মনেৰে কংগ্ৰেছৰ পৰা বাহিৰ হৈ থাকিলেও কাৰ্য্যতঃ এইদৰেই কংগ্ৰেছৰ হকে প্ৰায় সকলো সময়তে কাম কৰিবলৈ বাধ্য হৈছিল। মুঠতে তেওঁ কংগ্ৰেছৰ পৰা ওলাই যাব খুজিলেও কংগ্ৰেছে কিন্তু তেওঁক কেতিয়াও এৰা নাছিল। যেই কোনো কথাত তেওঁৰ উপদেশ আৰু নিৰ্দ্দেশেই চূড়ান্ত আছিল।

১৯৩৯ চনত ত্ৰিপুৰীত কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন। সেই অধিবেশনত মহাত্মাজীৰ মতে ডাঃ পট্টাভি সীতাৰামায়া সভাপতি নিৰ্ব্বাচিত হব লাগে। কোনো কোনো প্ৰদেশে শ্ৰীযুত সুভাষ চন্দ্ৰ বসুৰ নামো প্ৰস্তাব কৰিলে। সেইবছৰ তেখেত সভাপতি আছিলেই। দ্বিতীয় বাৰৰ কাৰণে প্ৰস্তাব কৰাত মহাত্মাজীয়ে শ্ৰীযুত বসুক নিজৰ নাম উঠাই লবলৈ অনুৰোধ কৰিলে। শ্ৰীযুত বসুৱে কিন্তু নিজ ইচ্ছাত নামটো উঠাই লবলৈ অস্বীকাৰ কৰি

কলে—"কংগ্ৰেছৰ নিয়ম অনুযায়ী সভ্যসকলেই কোনে সভাপতি হোৱা উচিত ভোট (মতামত) দি স্থিৰ কৰি দিব। আন কাৰো নিৰ্দ্দেশ মনা উচিত নহব।" এই কথাত কংগ্ৰেছৰ ভিতৰত যেন দুটা ভাগ হৈ উঠিল। ফলতঃ এই প্ৰতিদ্বন্দিতাত গান্ধীজীৰ মনোনীত ডাঃ পট্টাভি সীতাৰামায়া পৰাজিত হ'ল।

শ্ৰীযুত বসু যদিও নিৰ্ব্বাচিত হ'ল কিন্তু কাৰ্য্য পৰিচালনা কৰিবৰ সুযোগ নোপোৱা হ'ল। কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সভ্যসকলে দুই এক কৰি পদত্যাগ কৰিবলৈ ধৰিলে। নতুন সভ্য গ্ৰহণ কৰা কঠিন হৈ পৰিল। কংগ্ৰেছৰ অচল অৱস্থা সৃষ্টি হ'ল। মহাত্মাজী খদ্দৰ প্ৰচাৰৰ কামত কলিকতাৰ ওচৰত সোদপুৰ খাদি আশ্ৰমত থকা সময়ত শ্ৰীযুত বসুৱে দেখা কৰি সাহায্য প্ৰাৰ্থনা কৰিলে। কিন্তু মহাত্মাজীয়ে কংগ্ৰেছৰ কাৰ্য্যত হাত নিদিওঁ বুলি অস্বীকাৰ কৰাত বিৰক্ত হৈ শেষত ২৯ এপ্ৰিল কলিকতাত যি নিখিল ভাৰত ৰাষ্ট্ৰীয় সমিতিৰ অধিবেশন বহিছিল তাত তেওঁ সভাপতিৰ পদ ইস্তফা দিলে।

ইয়াৰ ফলতে কংগ্ৰেছৰ ভিতৰত অন্তৰ্বিদ্ৰোহ উপস্থিত হ'ল। ঘাইকৈ লাগিল গান্ধীজীৰ অনুগামী আৰু বসুৰ সমৰ্থক সকলৰ ভিতৰত। শ্ৰীযুত বসুক কংগ্ৰেছৰ পৰা চাৰিবছৰলৈকে বাহিৰ কৰি দিলে। তেখেতেও কংগ্ৰেছৰ পৰা ওলাই আহি নিজে "ফৰোৱাৰ্ড ব্লক" নাম দি আন এটি প্ৰতিষ্ঠান গঢ়ি তুলিলে।

গোটেই ভাৰতত সমানে নহলেও কিছুমান ঠাইত এই "ফৰোৱাৰ্ড ব্লক"ৰ প্ৰতিপত্তি স্থাপিত হৈছিল। বসুজীৰ পিচত এতিয়া তাৰ শক্তি ক্ৰমে লোপ পাই আহিছে।

ছাব্বিশ

দ্বিতীয় মহাযুদ্ধ

ইং ১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত পৃথিবীব্যাপি দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। আৰম্ভনীতে একালে জাৰ্ম্মাণী আৰু জাপান, আনফালে ইংলণ্ড, ফ্ৰান্স আৰু আমেৰিকাৰ যুক্তৰাজ্য প্ৰভৃতি মিত্ৰশক্তি আছিল। ক্ৰমে গোটেই পৃথিবীৰ প্ৰায়বিলাক শক্তিয়েই একোটা পক্ষ লৈ যুদ্ধ কৰাত ইয়াৰ নাম হল "দ্বিতীয় মহাযুদ্ধ।"

ভাৰতীয় নেতাসকলে ভাবিছিল যে এই যুদ্ধত বহুতো শক্তি লিপ্ত হলেও ভাৰতবৰ্ষ নিৰপেক্ষ থাকিব। আচলতে সাম্ৰাজ্যবাদেই এই যুদ্ধৰ গুৰি কথা—মুখৰে কোৱা কথা "শান্তি স্থাপন" উদ্দেশ্য নহয়। আচলতে যুদ্ধ কৰি যি 'শান্তি স্থাপন' তেনে শান্তি ভাৰতে নিবিচাৰে। যুদ্ধৰ কাৰণে জাতিৰ বিপক্ষে জাতিৰ যি তিক্ততা জন্মে তাৰ ফলত শান্তি আহিব পাৰে কেনেকৈ বুজাই টান। যিহওক সাম্ৰাজ্যবাদী যুদ্ধত ভাৰতৰ কোনো স্বাৰ্থ নাছিল।

কিন্তু আচৰিত কথা যে যুদ্ধ ঘোষণাৰ লগে লগে বৰলাট বাহাদুৰে ৩ চেপ্তেম্বৰ তাৰিখেই ভাৰতবৰ্ষও যুদ্ধৰ দেশ বুলি ঘোষণা কৰিলে। সেই বিষয় ভাৰতীয় নেতাসকলৰ লগত কোনো পৰামৰ্শ কৰিবৰ প্ৰয়োজন বুলিও বৰলাটে নাভাবিলে।

এই ঘোষণা যে ভাৰতৰ পক্ষে সম্মানহানিকৰ প্ৰথমে বাপুজীয়েই প্ৰকাশ কৰি কলে। কথাটো সকলোৰে মনত লাগিল আৰু এই পৰিস্থিতিত কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিবলৈ মহাত্মাজীৰ অভিপ্ৰায় অনুসাৰে

১০ অক্টোবৰ তাৰিখে কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ অধিবেশন বহিল। সেই অধিবেশনত মহাযুদ্ধৰ লগত আমাৰ যে কোনো সম্পৰ্ক নাই এইটো প্ৰকাশ কৰিলে আৰু প্ৰতিবাদস্বৰূপ সেইসময়ত বিভিন্ন ৰাজ্যত যি কংগ্ৰেছী মন্ত্ৰীমণ্ডলী বা কংগ্ৰেছ যুক্ত-মন্ত্ৰীসভা গঠিত হৈ কাৰ্য্য পৰিচালনা কৰিছিল সেই সকলোকে পদত্যাগ কৰিবলৈ নিৰ্দেশ দিলে। সেই অনুসাৰে মন্ত্ৰীমণ্ডলীয়ে পদত্যাগ কৰাত প্ৰদেশৰ শাসন প্ৰায়েই বন্ধ হবৰ উপক্ৰম হৈছিল।

এই অবসৰত প্ৰায় প্ৰদেশতে "মুছলীম লীগ" দলেই মন্ত্ৰীসভা গঠন কৰি শাসন চলাবলৈ সুচল পায়। আনফালে গভৰ্ণমেণ্টেও হিন্দু-মুছলমানৰ ভিতৰত সাম্প্ৰদায়িক প্ৰশ্ন নতুনভাবে গঢ় দি উভয়ৰে মাজত বিভেদ সৃষ্টি কৰিবলৈ দিহা কৰিলে। এতিয়াই জোনাব মহম্মদ আলি জিন্নাই মুছলমান সকলৰ নেতা হিচাবে গোটাদিয়েক সাম্প্ৰদায়িক দাবীও উত্থাপন কৰিলে।

সাম্প্ৰদায়িক মনোভাব দূৰ কৰিবলৈ আৰু উভয় সম্প্ৰদায়ৰ মাজত সদ্ভাব স্থাপনৰ জৰিয়তে আপোছে সকলো কথা মীমাংসা কৰিবলৈ দিল্লীত লগ হবলৈ স্থিৰ কৰি ২ নবেম্বৰ তাৰিখে মহাত্মা গান্ধী, জিন্না, পণ্ডিত জৱহৰলাল নেহেৰুৰ লগত এটা বৈঠক বহিল। দুদিনো আলোচনা কৰি মিটমাট হব নোৱাৰিলে। ৪ তাৰিখে মহাত্মা গান্ধীয়ে দুঃখেৰে প্ৰকাশ কৰি কলে "মিঃ জিন্নাক সন্তোষ লগোৱা কংগ্ৰেছৰ পক্ষে অসম্ভৱ।"

আপোছ বৈঠক নিস্ফল হ'ল। সাম্প্ৰদায়িক বিদ্বেষ বাঢ়িবলৈ ধৰিলে। কলে কৌশলে সেই বিদ্বেষ বঢ়াবৰ চেষ্টাত চৰকাৰ পক্ষ তলে তলে লাগি আছিল। ভাৰতবাসীৰ পক্ষৰ পৰা কংগ্ৰেছৰ

দাবী—যুদ্ধৰ লগত ভাৰতৰ সংস্ৰৱহীনতাৰ কথা ঘোষণা কৰিবলৈ ভাৰত চৰকাৰে তেতিয়াও স্বীকাৰ নকৰিলে।

ৰাজনৈতিক পৰিস্থিতিৰ কাৰণে বাপুজী আকৌ প্ৰত্যক্ষ সংগ্ৰামৰ মাজলৈ নেতৃত্ব লৈ উপস্থিত হবলগা হ'ল। কংগ্ৰেছ মহাসভাৰ পক্ষৰ পৰা তেৱেঁই আকৌ কাৰ্য্য পৰিচালনাৰ দায়িত্ব বহন কৰিবলৈ আহ্বান আহিল। বাপুজীও এনে আছিল যে কৰ্ত্তব্যৰ আহ্বান তেওঁ কেতিয়াও হেলা নকৰিছিল।

গভৰ্ণমেণ্টে যেতিয়া জনমত উপেক্ষা কৰি যুদ্ধলিপ্ত দেশ হিচাবে আমাৰ দেশখো সৈন্যৰ ছাউনি, আকাশীযানৰ আড্ডা, ৰচদ-পাতি সংগ্ৰহ প্ৰভৃতি কাৰ্য্যত ৰত হ'ল তেতিয়া কংগ্ৰেছে ধীৰ স্থিৰ ভাবে নিজ কৰ্ত্তব্য অবধাৰণ কৰিব লগাত পৰিল।

বাপুজীৰ নিৰ্দ্দেশত ১৯৪০ চনৰ ৫ জুলাই তাৰিখে দিল্লীত কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ বৈঠক বহিল আৰু ঘোষণা কৰা হ'ল যে বৃটিছ গভৰ্ণমেণ্টে ভাৰতবাসীক পূৰ্ণ স্বাধীনতা দিবৰ প্ৰতিশ্ৰুতি দিলে কংগ্ৰেছে কেন্দ্ৰ আৰু বিভিন্ন প্ৰদেশৰ বহিৰাক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ যাবতীয় দায়িত্ব লবলৈ প্ৰস্তুত। কিন্তু এই ঘোষণাৰ মৰ্ম্মানুযায়ী গভৰ্ণমেণ্টৰ ফালৰ পৰা কোনো সঁহাৰি নহাত কংগ্ৰেছে আকৌ বাপুজীৰ সহায় প্ৰাৰ্থনা কৰিলে। বাপুজীয়ে এইবাৰ ব্যাপক সত্যাগ্ৰহ নকৰি ব্যক্তিগত সত্যাগ্ৰহ কৰিবলৈ স্থিৰ কৰিলে। এই সত্যাগ্ৰহীসকলৰ তালিকা তেখেতৰ দ্বাৰা মনোনীত হবৰ নিৰ্দ্দেশ দিলে আৰু প্ৰতি প্ৰদেশৰ পৰা সেই তালিকা বিচৰা হ'ল। সেই সত্যাগ্ৰহৰ আচল কথা হ'ল যে সাম্ৰাজ্যবাদী যি যুদ্ধ চলিছে (পৃথিবীত) তাত আমাৰ সংস্ৰৱ নাই। সেইকাৰণে কোনো ভাৰতীয়ই এই

যুদ্ধত ধনে জনে সহায় কৰিব নালাগে। এই ভাবৰ ধ্বনি কৰি সত্যাগ্ৰহ কৰিব লাগে—এয়ে আছিল সেই সত্যাগ্ৰহৰ বিধান। ফলতঃ সত্যাগ্ৰহ কৰিবলৈ কোনো নেতা গলেই লগত এটা সমদল (সহযোগী মনোভাব দেখাবলৈ) যাবই। সত্যাগ্ৰহৰ ঠাইত গোটখোৱা ৰাইজক সম্বোধন কৰি সেই যুদ্ধবিৰোধী ধ্বনি কৰিলেই দেখা গ'ল পুলিচে বে-আইনী কাম কৰিছে বুলি ধৰি নিয়ে। আদালতত বিচাৰ হৈ শাস্তিৰ বিধান লগে লগে হৈ যায়।

এইক্ৰমে ব্যক্তিগত সত্যাগ্ৰহৰ দিহা হ'ল। ১৯৪০ চনৰ ১৭ অক্টোবৰ তাৰিখে এই সত্যাগ্ৰহ আৰম্ভ হ'ল। মহাত্মাজীৰ আশ্ৰমবাসী শ্ৰীবিনোবা ভাবেই পোনপ্ৰথমে সত্যাগ্ৰহ কৰে ভাৰতত। আমাৰ দেশত কৰিলে লোকপ্ৰিয় বৰদলৈদেৱে। ক্ৰমে দেশৰ নেতাসকল ভাৰতীয় ব্যৱস্থা পৰিষদ, ৰাষ্ট্ৰীয় পৰিষদ, প্ৰাদেশিক ব্যৱস্থাপক সভাৰ সভ্যসকল, মন্ত্ৰীসকল আৰু নিখিল ভাৰত ৰাষ্ট্ৰীয় সমিতিৰ সভ্যসকল একে একে সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰিবলৈ ধৰিলে। এইদৰে সত্যাগ্ৰহ কৰোঁতেও গোটেই ভাৰতত পাঁচ হাজাৰতকৈ বেছি লোক ফাটেকত সোমাল, জৰিমনাও হ'ল যথেষ্ট। শেষলৈ এনে হ'ল যে সত্যাগ্ৰহীক পুলিচে গ্ৰেপ্তাৰ নকৰা হ'ল। তেতিয়া বাপুজীয়ে নিৰ্দ্দেশ দিলে যে তেনে সত্যাগ্ৰহীয়ে ঘৰলৈ ঘূৰিব নালাগে। তেওঁ নিজৰ জিলাত ঘূৰি ঘূৰি যুদ্ধবিৰোধী ধ্বনি কৰি ফুৰিব আৰু কাম শেষ হলেহে ঘৰলৈ আহিব।

এই সত্যাগ্ৰহৰ যাই উদ্দেশ্য আছিল, জগতক জনোৱা যে চলিত যুদ্ধত ভাৰতৰ কোনো সহযোগ নাই। সেই উদ্দেশ্য সফল হ'ল।

ইতিমধ্যে দেখা গ'ল যে যুদ্ধৰ গতি ক্ৰমে বিপদজনক হৈ উঠিল, ১৯৪২ চনৰ ডিচেম্বৰ মাহত জাপানী সৈন্যই আমেৰিকা যুক্তৰাজ্যৰ পার্লহাৰবাৰ আক্ৰমণ কৰি বিশেষ পাৰদৰ্শিতা আৰু সাহস দেখুৱালে। সেই আক্ৰমণত আমেৰিকাৰ সামৰিক শক্তি যথেষ্ট বিধ্বস্ত হ'ল। এতিয়া ইংলণ্ড আৰু আমেৰিকাই বুজিলে যে ধ্বংসৰ হাতৰ পৰা ৰক্ষা পাবৰ হলে এতিয়াৰ পৰা বিশেষ সতৰ্ক হব লাগিব। লগতে এইটোও বুজিলে যে ভাৰতৰ সক্ৰিয় সাহায্য নহলে ইংৰাজৰ পক্ষে যুদ্ধ জয় কৰা অসম্ভৱ। গতিকে এতিয়া ভাৰতক কিছু সুবিধা দি যুদ্ধত সাহায্য বিচৰাই ভাল কথা হব। এই বুলি পার্লিয়ামেণ্টে ভাৰতক কিছু সুবিধা দিবলৈ আগবাঢ়ি মিঃ ক্ৰিপ্‌চ চাহাবক ভাৰতলৈ পঠালে। তেওঁ আহি পাবৰ আগতে সিবিলাকৰ সজ ইচ্ছাৰ চিন স্বৰূপ সত্যাগ্ৰহী বন্দীসকলক মুক্তি দিলে।

ভাৰতক দিব খোজা খচৰা প্ৰস্তাৱ সহ মিঃ ক্ৰিপ্‌চ আহি কংগ্ৰেছ আৰু মহাত্মা গান্ধীক দিয়া বাবে ইয়েই "ক্ৰিপ্‌চ মিছন" নামে খ্যাত হ'ল।

এই মিছন আহিছিল ১৯৪২ চনৰ মাৰ্চ্চ মাহত। মিঃ ক্ৰিপ্‌চৰ প্ৰস্তাৱখিনি পায়েই বাপুজীয়ে হাঁহি মাৰি কলে "আপুনি আমালৈ আগলৈ তাৰিখ দি লিখা চে'ক এখন আনিছে"—অৰ্থাৎ এতিয়াই আমাক একো নিদিয়ে—আগলৈ দিব, তাকো কি পৰিমাণ বস্তু দিব তাৰো নিশ্চয়তা নাই। মুঠতে মিঃ ক্ৰিপ্‌চে তেখেতৰ কৰ্ত্তব্য অনুযায়ী নেতৃস্থানীয় লোকসকলক দেখা কৰি বৃটিছ গভৰ্ণমেণ্টৰ মনোভাব জনাইছিল। কিন্তু গান্ধীকে মুখ্য কৰি সকলোৱেই এপ্ৰিল মাহতে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। অৱশ্যে ইমানকে খিলাই

দিয়া হৈছিল যে মিত্ৰশক্তিয়ে ইচ্ছা কৰিলে ভাৰতবৰ্ষত সৈন্যসমাবেশ কৰিব পাৰিব।

এইদৰে দেখা যায় বাপুজীয়ে প্ৰথম মহাযুদ্ধত বৃটিছক ধনে-জনে সহায় কৰিবলৈ কিমান কষ্ট স্বীকাৰ কৰি নিজে ঘূৰি ঘূৰি দেশে দেশে ধন-জন সংগ্ৰহ কৰি সহায় কৰিছিল। কিন্তু এই দ্বিতীয় মহাযুদ্ধত তেওঁ কিমানলৈকে যুদ্ধ বিৰোধী! ইয়াৰ মাই কথা হৈছিল ভাৰতৰ আত্মসম্মানত বিদেশী শাসকৰ আঘাত।

সাতাইশ

বিয়াল্লিছৰ বিপ্লৱ

বাপুজীয়ে সুচতুৰ ইংৰাজৰ ফান্দত ভৰি নিদিলে—মিঃ ক্ৰিপ্‌চক ঘূৰাই পঠালে। কিন্তু তাৰ মৰ্ম্ম অলপ বুজি পালে। কথা অকল বুজি পালেই গা-মাঠাৰবে—এতিয়া কৰা যায় কি? ব্যক্তিগত সত্যাগ্ৰহ কৰি দেশত ইমান যুদ্ধ-বিৰোধী প্ৰচাৰ কাৰ্য্য চলোৱাৰ পাছতো চৰকাৰ পক্ষই দেশত সমৰ সজ্জা পুৰাদমেই চলাই যাব পাৰিছে। যুদ্ধৰ প্ৰয়োজনত য'ত যি লাগে বেলেগ বেলেগ ৰকমৰ ঘাঁটি পাতি সৈন্য সমাবেশ, ৰচদ জোগাৰ, প্ৰতি-আক্ৰমণৰ কেন্দ্ৰ, আকাশী-জাহাজ অৱতৰণৰ আড্ডা, বাট-পথ তৈয়াৰ প্ৰভৃতি কামবোৰ চলি গৈছে। সময়ত গাওঁকে গাওঁ উঠাই দি আন ঠাইত বসতিৰ যোগাৰ কৰি দি তাত যুদ্ধৰ ঘাঁটি অৰ্থাৎ ছাউনী পাতিছে।

চৰকাৰে সৈন্যসকলৰ প্ৰয়োজনতকৈও অধিক ভাবে দেশৰ উৎপন্ন শস্যবিলাক কিনি গুদাম পুৰাই থোৱাত দেশত খোৱা বস্তুৰ অভাৱ আৰু তাৰ দাম অতিপাত বাঢ়ি গৈছিল। দেশত খাদ্য অনাটনৰ অৱস্থা। শেষত গৈ ১৯৪৩-৪৪ চনত বঙ্গদেশত যি দুৰ্ভিক্ষ হ'ল তাত চৰকাৰী হিচাব মতেই ৩০ লক্ষ লোক খাবলৈ নেপাই মৰিল। অথচ তুৰাৰ মুখত লাখে লাখে মোন খোৱা বস্তু গুদামত পচি গৈছিল! বিদেশী শাসনৰ স্বৰূপ ইয়াৰ পৰাই বুজা গৈছিল।

আনহাতে জাপানে দেশ আক্ৰমণ কৰি কেনেবাকৈ চলাচল বন্ধৰ কাৰণে উপায় চিন্তে বুলি ভাবি তাৰ প্ৰতিকাৰৰ কাৰণে যানবাহন-বিলাক, নৈৰ নাওবিলাক চৰকাৰে বাজেয়াপ্ত কৰি নিজ তত্বাবধানত ৰখাত সেইফালৰ পৰাও যাতায়ত বা মালবস্তু অনা নিয়া কৰাত টান পৰাত দেশৰ অচল অৱস্থাৰ দৰে! বাইজৰ পক্ষৰ পৰা মনত এইবোৰ অশান্তি আৰু অসুবিধাত চৰকাৰৰ ওপৰত মন বৰ তিতা হৈ উঠিছিল।

বাপুজীয়ে এই অৱস্থাৰ সুযোগ লৈ ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন পাতিলে। ইমান দিনে চিন্তা কৰি অন্তৰৰ নিৰ্দ্দেশ পাই কংগ্ৰেছৰ বিবেচনাৰ কাৰণে তাতে প্ৰস্তাবৰ খচৰা উপস্থিত কৰিলে। তাৰ সাৰ কথা হ'ল বৃটিছ চৰকাৰৰ ভাৰত ত্যাগ কৰিবলৈ দাবী। তাত প্ৰকাশ্য অভিযোগৰ অন্যতম যে বৃটিছ শাসনে ভাৰতক সকলো বিষয়তে পৰামুখাপেক্ষি হব লগা কৰাত ৰবং হীনহে কৰিলে। দেশৰ পুৰণি শিল্প ধ্বংস হ'ল, বেপাৰ-বণিজ নোহোৱা কৰিলে আৰু আত্মসংৰক্ষণৰ শক্তি ক্ৰমে লোপ পাই আহিছে। এই সময়ত সিবিলাকে নিজ ইচ্ছাৰে 'ভাৰত ত্যাগ' কৰিব লাগে।

বাপুজীৰ এই ভাৰত ত্যাগ দাবী কৰি কৰা প্ৰস্তাব সুদীৰ্ঘ আলোচনাৰ পিচত সৰ্ব্বসম্মতিক্ৰমে কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সভাত গৃহীত হ'ল। বাপুজীকেই কংগ্ৰেছ কমিটিয়ে এই অৰ্থে আৱশ্যকীয় আন্দোলন চলাবৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰিলে।

দীৰ্ঘ দৃষ্টিৰে এই প্ৰস্তাবৰ ফলত ভবিষ্যতে দেশত কি হব জানি সেই প্ৰস্তাবৰ শেহত বাপুজীয়ে জাতিৰ প্ৰতি নিৰ্দ্দেশ দিলে—"এনেকুৱা সময় হব পাৰে যেতিয়া বাইজে বাহিৰৰ পৰা (অনুষ্ঠানৰ পৰা) কোনো নিৰ্দ্দেশকে নাপাব আৰু সকলোবিলাক কংগ্ৰেছ কমিটিৰ কাম বন্ধ হৈ যাব! তেনেকুৱা সময়ত স্বাধীনতাৰ কাৰণে যুঁজ কৰা সকলো নৰনাৰীয়েই নিজৰ বিবেকৰ নিৰ্দ্দেশ অনুযায়ী এই আন্দোলনৰ কাম চলাই যাব। সংগ্ৰামৰ বাটত জিৰাবৰ সময় নাই। সেই পথৰ অন্ত পৰিব স্বাধীনতা লাভ হলেহে।"

এই ইতিহাস-প্ৰসিদ্ধ প্ৰস্তাবটো গৃহীত হোৱাৰ পিচত গান্ধীজীয়ে বক্তৃতা প্ৰসঙ্গত কলে,—"এই মহাসংগ্ৰামত আপোনালোকক পৰিচালনাৰ ভাৰ মোৰ ওপৰত পৰিছে। মই আপোনালোকৰ সেৱক হিচাবেই পৰিচালনাৰ ভাৰ গ্ৰহণ কৰিছোঁ—সেনাপতি বা নিয়ামক হিচাবে নহয়। মই জাতিৰ এজন প্ৰধান সেৱক বুলিয়েই নিজকে ভাবোঁ। আপোনালোকৰ ওপৰত যিমান আঘাত পৰিব ময়ো সেই সকলোবিলাকৰে অংশীদাৰ হবলৈ বিচাৰোঁ। মোৰ বিৰুদ্ধে সমালোচনা বহুতো হৈছে; তথাপি মই মোৰ বিবেকৰ আহ্বান প্ৰত্যাখ্যান কৰিব নোৱাৰোঁ। মোৰ অন্তৰ্দেৱতাৰ নিৰ্দ্দেশত গোটেই বিশ্বৰ বিৰুদ্ধেও সংগ্ৰাম কৰিব লাগিব। মোৰ অন্তৰ্দেৱতাই মোক কৈছে, 'গোটেই বিশ্বৰ ৰঙা চকুৰ আগতো তুমি নিৰাপদে থাকিবা

যদিহে তুমি সাহসেৰে সৈতে সেই ৰঙা চকুৰ ফালে চাব পাৰা। বিশ্বৰ ৰঙা চকুলৈ ভয় নকৰিবা। ঈশ্বৰৰ ফালে চাই অৰ্থাৎ তেওঁৰ নাম স্মৰণ কৰি তুমি আগুৱাই যোৱাঁ।'

"মোক যদি সম্মিলিত ৰাষ্ট্ৰপুঞ্জয়ো বাধা দিয়ে, এনেকি গোটেই ভাৰতে যদি মোক দোষাৰোপ কৰি কয় যে মই অন্যায় কাম কৰিছো তথাপি মই আগবাঢ়ি যাম। আপোনালোকক মই এটা মন্ত্ৰ দিওঁ। সেই মন্ত্ৰ হৈছে—কৰিম বা মৰিম (Do or die) [কৰেঙ্গে ইয়ে মৰেঙ্গে]। হয় এই সংগ্ৰামত আমি ভাৰত স্বাধীন কৰিম নতুবা এই সংগ্ৰামতে নিজে যাহ যাম। এনে প্ৰতিজ্ঞা কৰি আমি কামত আগবাঢ়িব লাগিব। আমি চিৰদাসত্ব বৰণ কৰি জীয়াই থাকিব নোখোজোঁ।"

এই প্ৰস্তাবৰ আনুসঙ্গিক নিৰ্দ্দেশ হিচাবে ৰাষ্ট্ৰীয় সমিতিয়ে মহাত্মাজীৰ আনুপূৰ্ব্বিক বিধান স্বীকাৰ কৰি প্ৰত্যক্ষ সংগ্ৰাম আৰম্ভ কৰাৰ আগতে বৰলাটৰ সাক্ষাৎ কৰিবলৈ এখন চিঠি দিব আৰু আলোচনাৰ পিচতহে যথা-কৰ্ত্তব্য কৰিব বুলি অধিবেশন সমাপ্ত কৰিলে।

চৰকাৰ পক্ষৰ এই প্ৰস্তাবত ধৈৰ্য্যচ্যুতি ঘটিল। ভাৰতীয়সকলৰ পক্ষে এই কাৰ্য্য ঔদ্ধত্য প্ৰকাশক বুলিও ভাবিলে। নিৰস্ত্ৰ জাতি এটাই এনে সাহসৰ কথা কব পাৰে, ভাবি ইংৰাজো আচৰিত হ'ল। সিবিলাকে এই আন্দোলন গুৰিতে মৰিমুৰ কৰিবৰ কাৰণে সেই প্ৰস্তাব গ্ৰহণ কৰা ৰাতিয়েই মহাত্মাজী প্ৰমুখ্য মুখিয়াল সকলো নেতাকে গ্ৰেপ্তাৰ কৰিলে। ক্ৰমে এসপ্তাহৰ ভিতৰত ভাৰতৰ নেতৃস্থানীয় কোনো লোকেই বাহিৰত নাথাকিল। চৰকাৰে ভাবিলে

যে এনে কৰিব পাৰিলে আন সাধাৰণ মানুহে মূৰ দাঙ্গিবলৈ সাহ নকৰিব। আৰম্ভণতে আন্দোলন শেষ হব।

কিন্তু চৰকাৰ পক্ষৰ এই আশা নফলিয়ালে। আগৰে পৰা ৰিৰক্ত হৈ থকা ৰাইজে গোটেই ভাৰততে জকি উঠিল। মহাত্মাজীৰ শেষ উপদেশ "কৰিম বা মৰিম" প্ৰতিজ্ঞা পত্ৰ চহী হবলৈ ধৰিলে দেশে দেশে ব্যাপকভাবে। মৃত্যুবাহিনী নামে স্বেচ্ছাসেৱক বাহিনী গঠিত হৈ দেশে দেশে আন্দোলন আৰম্ভ হ'ল। নিৰূপিত কাৰ্য্যসূচী তৈয়াৰ হবলৈ সময় নাপালে। গতিকে বাপুজীয়ে অনুমান কৰি আগতে কোৱাৰ দৰে নিজ বিবেকৰ বলতে কাৰ্য্যসূচী তৈয়াৰ কৰি ঠায়ে ঠায়ে কাম আৰম্ভ হ'ল। এনেকি ভাৰতৰ বহুত ঠাইত অনুৰূপ শাসন যন্ত্ৰ (Parallel Govt.) পৰ্য্যন্ত স্থাপন কৰিছিল বৃটিছ শাসন-যন্ত্ৰ বিকল কৰি! ৰাইজে মন কৰিলে কৰিব নোৱাৰা কাম কি আছে?

পুলিচ থানা আক্ৰমণ কৰি তাত জাতীয় পতাকা উৰুৱাই দখল কৰিবৰ চেষ্টাৰ কথাই নাই, বহুত ঠাইত সৈন্যৰ ঘাঁটি, ছাউনি আক্ৰমণ হ'ল। যুদ্ধ-বিৰোধী কাৰ্য্য হিচাবে বহুত ঠাইত ধ্বংসমূলক কাৰ্য্যও ৰাইজে কৰিছিল। মাইলকে মাইল ৰেলৰ লাইন তুলি দি, টেলিগ্ৰাফৰ তাঁৰ কাটি, অফিচাদি ঘৰত জুই দি কত যে বাধা! তদুপৰি কোনো কোনো অঞ্চলত ৰাইজে লগলাগি চলিত শাসন পৰিচালক সকলক খেদাই দি নিজৰ পঞ্চায়ত-ৰাজ স্থাপন পৰ্য্যন্ত হ'ল।

চৰকাৰ পক্ষৰো এইবাৰ চূড়ান্ত ৰকমেই কঠোৰ দমননীতি প্ৰয়োগ। এইবাৰ হ'ল কথাই কথাই গুলি চালনা, জেইল জৰিমনাটো সাধাৰণ কথা—ফলত বহুতো কৰ্ম্মীৰ প্ৰাণনাশ হ'ল! তথাপি বহুত ঠাইত বহুতে প্ৰাণলৈ ভয় নকৰি অগ্ৰসৰ হোৱা দৃষ্টান্ত—এনেকি গাওঁৰ শিৰুৰ

বুলি কোৱা বুঢ়ী মানুহেও অকাতৰে বুকু পাতি গুলি লোৱা উদাহৰণ পৰ্য্যন্ত বহুত। জেইলত থাকিবলৈ ঠাই নেহোৱাৰ দৰে অৱস্থা। নতুনকৈ কত ব্যবস্থা কৰিহে কথমপি ৰক্ষা! মুঠতে আশাৰ কথা এয়ে যে চৰকাৰৰ লাঠি চাৰ্জ্জ, পাইকাৰি জৰিমনা, গুলি চালনা প্ৰভৃতি কাৰ্য্য যিমান কঠোৰতাৰে চলাইছিল ভাৰতীয় ৰাইজেও 'কৰিম মৰিম'কৈ লাগি আন্দোলনত যথেষ্ট সাহসৰ পৰিচয় দিব পাৰিছিল।

চৰকাৰ পক্ষই দমননীতিৰ উপৰিও কংগ্ৰেছৰ বিৰুদ্ধে নানা-প্ৰকাৰ মিছা প্ৰচাৰ কৰিবলৈ ধৰিলে। ধ্বংসাত্মক কাৰ্য্যকলাপৰ কাৰণে অহিংসাৰ নামত হিংসাৰ আশ্ৰয় গোপনে কংগ্ৰেছৰে কাম বুলি ক্ৰমাগত বদনাম দিবলৈকো কুণ্ঠাবোধ নোহোৱাত বন্দী বাপুজীৰ পক্ষে প্ৰতিবাদ স্বৰূপ বা সেই অন্যায় কামবিলাকৰ কাৰণে প্ৰায়শ্চিত্ত স্বৰূপ ২১ দিনীয়া অনশন ব্ৰত পালন কৰিবলৈ স্থিৰ কৰিলে। ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখৰ পৰা সেই ব্ৰত আৰম্ভ হ'ল। অলপ দিনৰ অনশনৰ পিচতে তেওঁৰ জীৱন বিপন্ন হৈ উঠিছিল। গোটেই ভাৰতবাসীয়ে বাপুজীৰ মুক্তি দাবী কৰিলে। এইবাৰ কিন্তু বৃটিছ চৰকাৰ অটল। কোনোমতেই বাপুজীক মুক্তি নিদিলে। কিন্তু ঈশ্বৰৰ কৃপাত এইবাৰলৈ তেওঁ ৰক্ষা পৰিল—ব্ৰত উদ্‌যাপিত হ'ল! সমগ্ৰ দেশবাসী আশ্বস্ত হ'ল!

এইবাৰ বাপুজীক আগাখাঁৰ প্ৰাসাদত বন্দীৰূপে ৰাখিছিল। লগত আছিল কস্তুৰবা আৰু মহাদেৱ দেশাই। ১৯৪৪ চনৰ আৰম্ভণীৰ পৰা কস্তুৰবাৰ বেমাৰ হ'ল। ক্ৰমে তেওঁৰ অৱস্থা বেয়া হবলৈ ধৰাত তেওঁক মুক্তি দিব লাগে বুলি চাৰিওফালৰপৰা আশা প্ৰকাশ কৰা হ'ল। কিন্তু এইবাৰো চৰকাৰ পক্ষ অচল। শেষত

২২ ফেব্রুয়াৰী তাৰিখে সেই বন্দী অৱস্থাতে কস্তুৰবাৰ দেহত্যাগ হয়। গোটেই ভাৰতবৰ্ষ শোকত মগ্ন হ'ল। সেই বন্দী অৱস্থাতে বাপুজীৰ প্ৰিয় সহচৰ মহাদেৱ দেশায়ো পৰলোক হয়। বাপুজীৰ বন্দী অৱস্থাত দেশৰ কাৰণে আন চিন্তাৰ উপৰিও মনত এই দুটা ডাঙৰ শোক পালে।

শেহত চৰকাৰ পক্ষৰ মন অলপ কুমলিল আৰু অনশনত দুৰ্ব্বল, শোকত পীড়িত বাপুজীক ১৯৪৫ চনৰ ৬ মেই তাৰিখে বিনাচৰ্ত্তে মুক্তি দিলে।

এইবাৰ মুক্তিৰ পিচত বাপুজীয়ে দেশৰ যি অৱস্থা দেখা পালে তাৰ পৰা বুজিলে, দিন আহিছে যেতিয়া হিন্দু-মুছলমানৰ মিলনৰ প্ৰশ্ন আৰু ডাঙৰ হৈ উঠিব। বিশেষতঃ চৰকাৰে এতিয়া মুছলিম লীগক মুছলমান সম্প্ৰদায়ৰ প্ৰতিনিধি বুলি মানি লৈছিল। কংগ্ৰেছক দুৰ্ব্বল কৰিবলৈ এই 'লীগ'ক ভিতৰি এনেকৈ উচতাই ছিল যেন কোনো ৰকমে কংগ্ৰেছৰ লগত মিল হব নোখোজে। গতিকে তেওঁলোকৰ ভাব সদায় অনমণীয় হৈয়েই আছিল। তথাপি বাপুজীয়ে শেষ চেষ্টা হিচাবে মুছলিম লীগৰ নেতা মিঃ জিন্নাৰ লগত সাক্ষাৎ কৰিবৰ দিহা কৰিলে আৰু মিলনৰ সূত্ৰ বাহিৰ কৰিবৰ প্ৰয়াস পালে। মিঃ জিন্নাৰ লগত তেৰ দিন ব্যাপী আলোচনা চলিল। কিন্তু অৱশেষত এই আলোচনা মিছা হ'ল—কোনো ফল নধৰিলে অৰ্থাৎ মিলন সম্ভৱ নহ'ল।

১৯৪৫ চনৰ ১লা ডিচেম্বৰ তাৰিখে বাপুজী কলিকতালৈ আহিল আৰু বৰলাট লৰ্ড ওৱাভেলৰ লগত দেশৰ ৰাজনৈতিক অৱস্থা আৰু ভাৰতৰ দাবী সম্বন্ধে বহুত আলোচনা হ'ল। ইয়াৰ কপালতেই পিচ

বছৰৰ এপ্ৰিল মাহত ভাৰতলৈ বৃটিছ পাৰ্লিয়ামেণ্টৰ পক্ষৰ "কেবিনেট মিছন" আহে।

মনত ৰাখিবলগীয়া কথা যে এইসময়ৰ পৰাই বাপুজীয়ে দৈনিক "ৰাজহুৱা প্ৰাৰ্থনা সভা" আৰম্ভ কৰে। এই বিষয়ে তেওঁ কৈছিল,—"প্ৰাৰ্থনাৰ দ্বাৰা মানুহৰ মন শান্ত হৈ আহে (অৰ্থাৎ চঞ্চলতা কমি আহে) আৰু বিশ্বব্ৰহ্মাণ্ডত যি বিৰাট শক্তি আছে এনে শান্ত অৱস্থাত সেই মহান শক্তিৰ লগত একে বুলি মানুহে উপলব্ধি কৰিব পাৰে। অৰ্থাৎ ভগৱানৰ অপাৰ মহিমাৰ কথা কিছু পৰিমাণে বুজিব পৰা শক্তি লাভ কৰে।" বাপুজীৰ এনে প্ৰাৰ্থনা সভালৈ হাজাৰে হাজাৰে মানুহ আহিবলৈ ধৰিলে। সকলো ধৰ্ম্মৰ সাৰ স্তৱ-স্তুতি পাঠৰ পিচত 'ৰামধুন' নাম গোৱা হয়, তাত হাত চাপৰিও মৰা হয়। শেষত বাপুজীয়ে ভাষণ দিয়ে। সেই ভাষণ নানা বিষয়ক আছিল। উপস্থিত ৰাজনীতি আৰু ইতি-কৰ্ত্তব্যতা সম্বন্ধেও বাপুজীয়ে উপদেশ দিছিল।

সেই চনতে আনফালে এনে এটি ঘটনা ঘটিছিল যাৰ প্ৰভাব আমাৰ স্বাধীনতা লাভৰ পথত কিছু সহায়ক হৈছিল। জাপানৰ আক্ৰমণত এই সময়ত ইংৰাজ আৰু আমেৰিকাৰ পূৰ্ব্বখণ্ডত থকা অধিকাৰ বিলাক এটা এটাকৈ হেকৱাব লগাত পৰিছিল। জাপানত থকা ভাৰতৰ পুৰণিকলীয়া বিপ্লৱী ৰাসবিহাৰী বসুৱে জাপানৰ যুদ্ধবন্দী হিচাবে থকা ভাৰতীয় সৈন্যবিলাকক লৈ "আজাদ হিন্দ বাহিনী" নাম দি ভাৰতৰ মুক্তিকামী এটা সৈন্যদল গঠন কৰিছিল। এনেতে সুভাষ বসুৱে ১৯৪২ চনতে নিজ ঘৰত বন্দী কৰি থোৱা অৱস্থাৰ পৰা পলাই পোনতে জাৰ্ম্মেনি আৰু পিচত

জাপান পায়হি। ৰাসবিহাৰী বসুৱে গঠন কৰা "আজাদ হিন্দ ফৌজে" সুভাষচন্দ্ৰক পাই যেন নতুন জীৱন লাভ কৰিলে। নেতাজী বসুৱেও আনন্দমনে এই বাহিনীৰ নেতৃত্ব গ্ৰহণ কৰিলে। সেই বাহিনীয়ে সময়ত "দিল্লী চলো" মন্ত্ৰেৰে উৎসাহিত আৰু অনুপ্ৰাণিত হৈ ক্ৰমে আগবাঢ়িবলৈ ধৰিলে। শিঙ্গাপুৰ প্ৰভৃতি পাৰ হৈ আহি অসমৰ ক'হিমা, মণিপুৰ প্ৰভৃতি অঞ্চলত এই বাহিনীয়ে যথেষ্ট বীৰত্ব আৰু সাহস দেখুৱাই বিপক্ষক চমৎকৃত কৰিছিল।

এই বাহিনীৰ উদ্দেশ্য হয়তো বা কৃতকাৰ্য্য হলহেঁতেন। কিন্তু হঠাত এটম্ বোমাৰ আঘাতত জাপানৰ যুদ্ধশক্তি নাশ হৈ পৰাস্ত হোৱাৰ ফলত এই বাহিনীও পৰাস্ত হব লগাত পৰিল। "স্বাধীন ভাৰতৰ অস্থায়ী গভৰ্ণমেণ্ট" কৰবাত যেন বিলীন হৈ গ'ল। তথাপি এই বাহিনীৰ যি সাহস আৰু বীৰত্ব সেইটো ইংৰাজে উপলব্ধি কৰি ৰণক্লান্ত অৱস্থাত শান্তি বিচাৰি ভাৰতক স্বাধীনতা দিবলৈ স্বীকাৰ কৰিব লগাত পৰিল।

ভাৰতত কিবা অলপমানো খোপনি পুতিবৰ থল বিচাৰি এই সময়ত বৃটিছ কুটনীতিক সকল ব্যস্ত হৈ পৰিছিল। আগেয়ে কোৱা মতে ১৯৪৬ চনৰ এপ্ৰিল মাহত ভাৰত-সচিব লৰ্ড পেথিকলৰেন্স আন দুজন সভ্যৰে "কেবিনেট মিছন" নামেৰে এটা দল আহি পোনতে দিল্লীত বাপুজী প্ৰভৃতি ভাৰতীয় নেতাৰ লগত সিবিলাকৰ প্ৰস্তাব আলোচনা কৰিলে। পিচত চিমলাত বহল বৈঠক বহি তাৰ আলোচনা চলিল কিন্তু খাটাং হোৱাৰ আগতে সিবিলাক বিলাতলৈ ঘূৰি গ'ল।

এইবাৰৰ প্ৰস্তাবৰ ঘাই কথা হ'ল যে ভাৰতীয় সকলে নিজৰ

ভিতৰত যেতিয়া অৰ্থাৎ কংগ্ৰেছ আৰু মুছলীম লীগৰ ভিতৰত যেতিয়া কোনো আপোছ ৰক্ষা কৰিব নোৱাৰিলে তেতিয়া প্ৰদেশবোৰ জোটাশালি মাৰি তিনি শ্ৰেণীত বিভাগ কৰি শাসন কাৰ্য্য পৰিচালনা কৰাই ভাল হব। ইয়েই সকলোৰে জনা "গ্ৰুপিং" প্ৰস্তাব।

এই প্ৰস্তাবৰ ফলস্বৰূপ আটাইতকৈ মাৰঘাত পৰে অসম প্ৰদেশৰ মুৰত। অৰ্থাৎ মুছলমান সংখ্যাগৰিষ্ঠ বঙ্গদেশৰ লগত জোটাশালি মাৰি শাসন চলিবৰ হলে অসমৰ নিজা কোনো সত্বাই নাথাকিব।

এই কথাত অসমৰ পক্ষৰ পৰাই লোকপ্ৰিয় বৰদলৈদেৱে প্ৰথম আপত্তি কৰে। গোটেই দেশব্যাপী আন্দোলন হ'ল বিৰোধিতা কৰি। সৰ্বশেহত মহাত্মাজীৰ সহায়ত আৰু বৰদলৈদেৱৰ অশেষ চেষ্টাৰ ফলত এই গোটেই বিধানেই অৰ্থাৎ "গ্ৰুপিং" প্ৰস্তাবেই অগ্ৰাহ্য কৰা হ'ল। অসম ৰক্ষা পৰিল আৰু আচলতে ৰক্ষা কৰাৰ গুৰি বাপুজী, চেষ্টা আমাৰ বৰদলৈদেৱৰ।

'কেবিনেট মিছন'ৰ "গ্ৰুপিং" অংশ ভাৰতে অস্বীকাৰ কৰিলে। এতিয়া মুছলীম লীগে পাকিস্থানৰ দাবীকেই বলবৎ কৰি ললে। তাৰ আগতে সেই মিছনেই উভয় পক্ষৰ লোকৰ দ্বাৰা শাসন পদ্ধতি ৰচনা কৰিবলৈ কেন্দ্ৰীয় ব্যৱস্থাপক সভা পাতিবৰ দিহা কৰিলে। সেইমতে সেই সভা হিন্দু মুছলমান উভয়ে মিলি আৰম্ভ কৰিলে। গ্ৰুপিং প্ৰস্তাব নাকচৰ লগে লগে মুছলিম লীগে পাকিস্থানৰ কাৰণে আঁকোৰগোজালিকৈ ধৰি এই ব্যৱস্থাপক সভাত একেলগে কাম কৰিবলৈ অস্বীকাৰ কৰিলে। সিফালে বৃটিছৰ প্ৰধান মন্ত্ৰী এট্‌লীয়ে ঘোষণা কৰি দিলে যে ১৯৪৮ চনৰ জুন মাহত আমি শাসন ক্ষমতা হস্তান্তৰ কৰি দিম। এতিয়া প্ৰশ্ন হ'ল কাৰ হাতত দি যায় সেই শাসন ক্ষমতা?

কংগ্ৰেছে সদায় অখণ্ড ভাৰতীয় জাতীয়তাবোধকে সমৰ্থন কৰি আহিছে। সাম্প্ৰদায়িক মনোভাব কংগ্ৰেছৰ কেতিয়াও নাই আৰু নাছিল। পাকিস্থান পৰিকল্পনাই দুই জাতি (মিলিব নোৱাৰা) তত্ত্ব মানি লয়। গতিকে এই সময়ত বিপুল উত্তেজনাৰ সৃষ্টি হৈছিল। কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত আদৰ্শৰ সংঘাত ক্ৰমে বাঢ়ি গ'ল। চুড়ান্ত অৱস্থাত মুছলিম লীগে "প্ৰত্যক্ষ সংগ্ৰাম" ঘোষণা কৰিলে—উদ্দেশ্য পাকিস্থান তেওঁলোকক লাগেই। সেই উত্তেজনাৰ ৰূপ দেখা গ'ল প্ৰত্যক্ষ সংগ্ৰাম হিচাবে হঠাতে ১৯৪৬ চনৰ ১৬ আগষ্ট তাৰিখে কলিকতা হেন চহৰত ব্যাপক হত্যাকাণ্ড। প্ৰথম আক্ৰমণকাৰী হল মুছলমান। সাম্প্ৰদায়িক বিষ ইয়াৰ গুৰিত। উচটনিও পালে বিদেশী শাসক গোষ্ঠীৰ পৰা। এই হত্যাকাণ্ডৰ যি বীভৎসতা বৰ্ণনা কৰিবৰ শক্তি নাই। ইয়েই বিখ্যাত "গ্ৰেট কেলকাটা কিলিং"—বিৰাট কলিকতা হত্যাকাণ্ড! মুছলিম লীগৰ এই প্ৰত্যক্ষ সংগ্ৰাম দিল্লী প্ৰভৃতি ঠাইতো সমান বীভৎসভাবেই অনুষ্ঠিত হৈছিল।

এই হত্যাকাণ্ডত হিন্দু সকলো নীৰৱে নাছিল। তেওঁবিলাকেও সঙ্ঘবদ্ধভাবে মুছলমানৰ ওপৰত প্ৰতিশোধ লোৱা আৰম্ভ কৰিলে। ইয়াৰ ফলত উভয় সম্প্ৰদায়ৰ অসংখ্য মানুহ মৰিল; কত সম্পত্তি লুট হ'ল, জুই জ্বলাই কত ঘৰবাৰী ধ্বংস কৰিলে।

উপায়ান্তৰ হৈ সেই সময়ৰ বঙ্গদেশৰ "মুছলীম লীগ" গভৰ্ণমেণ্টে সামৰিক বাহিনী অনাই কলিকতাত শান্তি ৰক্ষা কৰিবলৈ সমৰ্থ হ'ল।

কিছুদিন মাথোন শান্ত ভাবে গ'ল। আকৌ ১০ অক্টোবৰ

তাৰিখে নোৱাখালিত সাম্প্ৰদায়িক বিদ্বেষ অগনি জ্বলি উঠিল। হিন্দুৰ ধনপ্ৰাণ, হিন্দু মহিলাৰ মান মৰ্য্যাদা মুছলমান গুণ্ডাৰ হাতত পৰি ধ্বংস হবলৈ ধৰিলে। ঘৰত জুই দি সেই জুইত পেলাইও কত মানুহ মাৰিলে। হিন্দুৰ তেজেৰে দেশ ৰাঙলী হ'ল, চকুৰ পানীৰে ব'লে নদী! কত কত হিন্দুক বলেৰে মুছলমান কৰিলে, কত মাইকী মানুহক চুৰ কৰি লৈ গ'ল; কত যে অকথনীয় লাঞ্ছনা কৰিলে। নোৱাখালিৰ হিন্দুৰ আৰ্ত্তনাদ এই পেষণত পৰি দেশত প্ৰতিধ্বনিত হৈ উঠিল।

নোৱাখালিত এনে সাম্প্ৰদায়িক হাঙ্গামাৰ বাতৰি পাই বাপুজীৰ হৃদয় অতিশয় ব্যথিত হ'ল। তেওঁ ৭ নবেম্বৰ তাৰিখে খোজ কাঢ়ি ফুৰি শান্তিৰ বাণী শুনাবলৈ নোৱাখালি পালেগৈ। তেওঁ এখন গাৱঁৰ পৰা আন এখন গাৱঁলৈ খোজ কাঢ়ি ফুৰি লাঞ্ছিত, পীড়িত, বেদনাক্লিষ্ট, সৰ্ব্বস্ব অপহৃত নৰনাৰীৰ মাজত শান্তিৰ বাণী শুনাবলৈ ধৰিলে। সাহস দি বুজাই কলে "—যিমানেই মই এই অঞ্চলত ঘূৰি ফুৰিছোঁ সিমানেই বুজিছোঁ যে আপোনালোকৰ ডাঙৰ শত্ৰু ভয়। যি ভয় দেখুৱাইছে আৰু যি ভয় খাইছে—ভয়ে উভয়ৰে জীৱন ব্যৰ্থ কৰি দিছে। যি সকলে ভয় দেখুৱাইছে তেওঁবিলাকেও কোনো নহয় কোনো বিষয়ত উৎপীড়িত সকলক ভয় কৰে। উৎপীড়িত সকলৰ ধৰ্ম্ম বা ধনো এই ভয়ৰ কাৰণ হব পাৰে।"

"আৰু এক প্ৰকাৰ ভয় আছে, লোভৰ পৰা তাৰ উৎপত্তি। ভালকৈ ফঁহিয়াই চালে দেখা যায় যে লোভো এক প্ৰকাৰ ভয়। যি মানুহে ভয় এৰিব পাৰিছে (ভয় নকৰা হৈছে) তেওঁৰ ওপৰত কোনেও অত্যাচাৰ কৰা নাই বা নোৱাৰেও।" এইদৰে মুছলমান

সকলকো বুজাই উভয় সম্প্ৰদায়ৰ মাজত সৌহাৰ্দ্দ্য স্থাপনৰ চেষ্টা কৰিবলৈ উপদেশ দিছিল। ইয়াৰ সুফল সকলোৱে হাতে হাতে পাইছিল। উৎপীড়ন থমাত সকলোৱে মুখলৈ পানী আহিছিল।

এইদৰে বাপুজীয়ে নোৱাখালিত ত্ৰিচখন গাওঁ খোজ কাঢ়ি কাঢ়ি ফুৰিছিল। তাৰপৰা তেওঁ ত্ৰিপুৰা জিলাৰ বিধ্বস্ত হোৱা অঞ্চলবোৰ পৰিদৰ্শন কৰি কলিকতা হৈ বিহাৰলৈ গ'ল।

নোৱাখালিৰ প্ৰতিশোধ স্বৰূপ সেই সময়ত বিহাৰত হিন্দুসকলে সংখ্যালঘিষ্ঠ মুছলমানৰ ওপৰত ভীষণ অত্যাচাৰ আৰম্ভ কৰিছিল। বাপুজীও ততালিকে তালৈ গৈ একেদৰে বিধ্বস্ত অঞ্চলত খোজ কাঢ়ি ফুৰি উৎপীড়িত লোক সকলক সান্ত্বনা দি ফুৰিছিল। মহাত্মাজীৰ আবেদনত বিহাৰৰ সাম্প্ৰদায়িক বিদ্বেষ আৰু অত্যাচাৰ বন্ধ হৈ গৈছিল। তেওঁ বিহাৰত ফুৰিছিল মাথোন পঁচিশ দিন আৰু তাত শান্তি পুনৰ স্থাপিত হোৱা দেখিহে তাৰ পৰা তেওঁ ঘূৰি আহিল।

এইদৰে গোটেই দেশতে সাম্প্ৰদায়িক বিদ্বেষ অতিশয় প্ৰবল আকাৰ ধাৰণ কৰিলে। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ নেতাসকল যি কোনো উপায়ে দেশৰ শান্তি স্থাপনৰ কাৰণে উদ্‌গ্ৰীব হৈ উঠিল। আকৌ এই শান্তি কিম্বা স্বাধীনতা লাভ, সাম্প্ৰদায়িক ঐক্য কিম্বা উভয়ৰ মিলিত ভাবে হস্তান্তৰিত ক্ষমতা গ্ৰহণৰ দিহা নহলে হব কেনেকৈ? বাপুজী সাম্প্ৰদায়িক বিদ্বেষ বিধ্বস্ত অঞ্চলত ঘূৰি ফুৰি শান্তি স্থাপনতে ব্যস্ত! ইফালে মুছলিম লীগে পাকিস্তান নহলে আন একোতে সন্তুষ্ট নহব বুলি এই সময়ত থাটাং কৰি জবাব দিলে। মহাত্মাজীৰ অনুমোদন সাপেক্ষে কংগ্ৰেছৰ নেতাসকলে শেষত এই খণ্ডিত ভাৰতৰ প্ৰস্তাবতে মত দিলে।

বাপুজীয়ে বিহাৰ ভ্ৰমণ শেষ কৰি আহি যেতিয়া কংগ্ৰেছ ৱৰ্কিং কমিটিৰ দ্বিধা-বিভক্ত ভাৰতৰ প্ৰস্তাৱৰ কথা শুনিলে তেওঁ অতিশয় দুঃখিত হ'ল আৰু প্ৰকাশ কৰি কলে "এই কাৰ্য্য উভয়ৰ পক্ষেই পাপ কাৰ্য্য স্বৰূপ হ'ল বুলি মই ভাবোঁ।" সকলোৱে যেতিয়া অনন্যোপায় হৈ সম্মতি প্ৰকাশ কৰিলেই বাপুজীয়ে অকলে তাত বাধা দিয়া উচিত নহব বুলি ভাবিলে। বিশেষতঃ যেতিয়া মুছলমান ভাইসকলৰ তেনে দৃঢ় মনোভাব দেখিলে। তেওঁ সেই সময়ত নিজৰ মত এইদৰে ব্যক্ত কৰিছিল—"হিন্দু আৰু মুছলমান উভয়ে ভাই বন্ধুৰ দৰে একেলগে বসবাস কৰিব—ভগবানে মোৰ এই স্বপ্ন সাৰ্থক কৰক; নতুবা হিন্দু ভাৰতৰ এক অংশত বাস কৰিব আৰু মুছলমান এক অংশত বাস কৰিব এনে মৰ্ম্মান্তিক অৱস্থা দেখাৰ আগতে যেন মোক মাৰি নিয়ে।"

মুঠতে ভাৰত দুই ভাগত বিভক্ত হবৰ কথা উভয় পক্ষই মানি ললে। মুছলমান সংখ্যাগৰিষ্ঠ হিচাবে বসতি কৰা অঞ্চল বিলাক যেনে পূৰ্ব্ববঙ্গ, শ্ৰীহট্ট জিলা মিলি পূৰ্ব্ব পাকিস্থান আৰু সিন্ধু প্ৰদেশ, পশ্চিম পঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু বেলুচিস্তানলৈ পশ্চিম পাকিস্থান মিলি পাকিস্থান ভাগ আৰু বাকী অংশ ভাৰতীয় ইউনিয়ন বা হিন্দুস্থান নামে অভিহিত হ'ল। দুয়ো পক্ষ এইদৰে মিল হৈ যেতিয়া সিদ্ধান্ত প্ৰকাশ কৰিলে তেতিয়া বৃটিছ চৰকাৰেও পূৰ্ব্বপ্ৰকাশিত তাৰিখতকৈও আগতে ক্ষমতা হস্তান্তৰ কৰিবৰ সংকল্প প্ৰকাশ কৰিলে আৰু সেই মতেই দিন ধাৰ্য্য হ'ল ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখ।

চৰকাৰে এই নিৰূপিত দিনতে ক্ষমতা হস্তান্তৰ কৰিবৰ আগতিয়া

যাবতীয় কাম শেষ কৰিলে আৰু সেই তাৰিখে ইংৰাজী নিয়মমতে ৰাতি ১২ বজাত বিপুল আয়োজনেৰে কৰা উৎসৱৰ মাজত ক্ষমতা হস্তান্তৰিত হ'ল। ভাৰত হিন্দুস্থান আৰু পাকিস্থানত দ্বিধা বিভক্ত হ'ল, কিন্তু সাৰ্ব্বভৌম ক্ষমতাৰে স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ল।

আঠাইশ

জাতি গঠনত

ঈশ্বৰৰ বিধানত দুই ভাগত বিভক্ত হলেও ভাৰতে স্বাধীনতা পালে। লোকমান্য তিলকৰ ঘোষণা, বাপুজীৰ সেই স্বৰাজলাভৰ দৃঢ়তা ফলবতী হ'ল! কিন্তু যি আশাৰে এই খণ্ডিত ভাৰতৰূপে গ্ৰহণ কৰিও সাম্প্ৰদায়িক বিদ্বেষ শাম কটাবলৈ নেতাসকলে ভাব কৰিছিল সেই আশা ফলবতী নহল। সেই বিদ্বেষৰ বীজ মানুহৰ মনত থাকি গ'ল। ফলত স্বাধীনতা পাবৰ অলপ পিছতে কলিকতাত আকৌ সাম্প্ৰদায়িক হাঙ্গামা আৰম্ভ হ'ল। প্ৰতিশোধমূলক এই হাঙ্গামা যোৰা বিৰাট কলিকতা হত্যাকাণ্ডৰে জেৰ!

বাপুজী আকৌ কলিকতালৈ লৰি আহিল। এইবাৰ আগৰ দৰে শ্ৰেষ্ঠ শুশ্ৰূষাকাৰী সেৱক হিচাবে অহা নাছিল। বাপুজীৰ

সেই ছবি, নোৱাখালি, বিহাৰৰ ধ্বংসলীলাৰ মাজত ঘূৰি ফুৰা দৃশ্য কি করুণ কিন্তু কেনে মহত্ত্ব-ব্যঞ্জক ! হৃদয় কিমান প্ৰশস্ত বা প্ৰশান্ত হলে এনে 'সেৱক' হব পাৰি ? তেখেতে বোম্বাইৰ 'ভাৰত ত্যাগ' প্ৰস্তাব সমৰ্থনৰ পিছত এই সেৱক ৰূপেহে নেতৃত্ব লৈছে বুলি ঘোষণা কৰিছিল। কাৰ্য্যতঃ তেখেতে এই 'সেৱক' ৰূপেই জীৱন্ত উদাহৰণ জগতৰ আগত ডাঙি ধৰিলে।

শুশ্ৰূষাৰ পৰিবৰ্ত্তে বাপুজীয়ে এইবাৰ অনশন আৰম্ভ কৰিলে। সৌভাগ্যবশত: উভয় পক্ষৰ মানুহৰ শুভবুদ্ধি ততালিকে উদয় হ'ল। উভয় দলে মিলিত ভাবে শান্তি ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। তিনিদিন অনশনৰ পাচত চতুৰ্থ দিনৰ দিনা বাপুজীয়ে অনশন ত্যাগ কৰিলে। দেশত আকৌ শান্তি স্থাপিত হ'ল। স্বাধীনতা লাভৰ পিচত বাপুজীয়ে বাৰে বাৰে আৰু বহুতো ঠাইত সকলোকে বুজাই কবলৈ ধৰিলে যে স্বাধীনতা লাভ কৰাৰ পিচত উদ্দেশ্য আৰু তাৰ সফলতাৰ বাবে কৰা যত্নৰ ফল দেখিলে আনন্দ হোৱা স্বাভাবিক। কিন্তু সকলোৱে মনত ৰাখিব লাগিব যে এই স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে আমাৰ যোগ্যতাও হব লাগিব। এতিয়া তাৰ বাবে আমি মনপুতি কামত ধৰিব লাগে।

ইমানদিনে বাপুজীয়ে জাতিৰ গঠনমূলক কামতে সততে ব্যস্ত আছিল আৰু কেনেকৈ এই জাতি সুস্থ আৰু সবল হৈ গঢ়ি উঠিব পাৰে তাৰ চিন্তাতে তেওঁ মগ্ন আছিল। তেওঁৰ চিন্তাধাৰা আৰু কাৰ্য্যক্ৰমত অভিনবত্ব আছিল। সকলোৰে কাম্য এই জগতত শান্তি। কিন্তু ইউৰোপ আৰু আমেৰিকাৰ যি সভ্যতা, যেনে কাৰ্য্যক্ৰম, সিটো মানুহক শান্তি দিব পৰা নাই। সদায় যেন এটা

ভয় আছেই, সাম্রাজ্যলোভ অর্থাৎ আনৰ ওপৰত আধিপত্য বিস্তাৰেই শান্তিৰ পথ বুলি সিবিলাকৰ প্ৰয়াস, সেই ফালেই দৃষ্টি থকাত অনিশ্চয়তা, আৰু সংশয় অৱস্থাত শান্তি ক'ত ?

বাপুজীয়ে আগৰ পৰা গুৰিলৈকে গোটেই জীৱনতে জগতৰ কল্যাণৰ অৰ্থে গঠনমূলক কামকে কৰিলে। গঠনমূলক কামৰ গুৰিকথা—জাতিক স্বাবলম্বীৰূপে গঢ়ি তোলা সৰ্ব্ব বিষয়ত। তেওঁৰ অসহযোগৰ কাৰ্য্যক্ৰম আত্মশুদ্ধিৰ কাৰ্য্যক্ৰম। তামসিক ভাবত ডুবিথকা অকামিলা জাতি এটা স্বাধীন হব পাৰেনে ? মনুষ্যত্ব লাভ নহলে, যোগ্যতা নিজ চেষ্টাৰে আয়ত্ব কৰি নললে মানুহ বোলাই জগতত অধিকাৰ পাব কেনেকৈ সম মৰ্য্যাদা সম্পন্ন জাতিৰূপে আনৰ লগত ? বাপুজীয়ে নতুন কাৰ্য্যক্ৰমৰ যোগে চেতনাহীন ভাৰতৰ প্ৰাণত স্পন্দন তুলিলে, সবল কৰিলে, নিৰ্ভীক কৰিলে, শেষত কৰিলে মৰণজয়ী বীৰ জাতি। জাতিক দিলে পোনতে সত্য আৰু অহিংসাত প্ৰতিষ্ঠিত হৈ আত্মশুদ্ধিৰ কৰ্ম্মপন্থা। তাৰ দ্বাৰা যি শক্তি আৰু জ্ঞান পালে জাতিয়ে, তাৰে কৰিলে সাহসী আৰু নিৰ্ভীক, যাৰ ফলত প্ৰৱৰ্ত্তন কৰিলে আইন অমান্য আন্দোলন। তাৰ পিচত নিৰ্ভীক যুঁজাৰু হিচাপে বুকু পাতি ললে কৰ্ম্মীবৃন্দই বন্দুকৰ গুলি, সঙ্গীনৰ খোচ। শেষত এই মৰণ ভয়লৈকো পৰ্য্যন্ত আওকাণ কৰি জাতিয়ে তাৰ মৰ্য্যাদা প্ৰতিষ্ঠা কৰিলে জগতৰ দৰবাৰত। ভাৰত স্বাধীন হ'ল।

আদৰ্শ ৰামৰাজ্য স্থাপন। গাওঁ পঞ্চায়তৰ যোগে বিকেন্দ্ৰী-কৃত শক্তিৰে সকলোৰে মাজত উথাৰলৈ, মনুষ্যত্ব লাভলৈ সম সুযোগ দান। প্ৰতীক যঁতৰ আৰু খদ্দৰ। অল্পে তুষ্ট ভাব,—কৌপীন গ্ৰহণ। শিক্ষা—নয়া তালিমী বিধানত নিজৰ ভবিষ্যত নিৰ্ণয়

দিবলৈ শিকা! প্ৰকৃত জ্ঞানলাভ—বিদ্যা বা বিমুক্তয়ে—অজ্ঞানতা, অলসতাৰ পৰা মুক্তি, মনুষ্যত্বহীনতাৰ পৰা মুক্তি!

মুঠতে কুটীৰ শিল্প, গাওঁ পঞ্চায়ত-শাসন বিধান, খদ্দৰ, নয়া-তালিমী শিক্ষা আৰু চৰিত্ৰ গঠনৰ বাবে "প্ৰাৰ্থনা" দৈনিক নিৰূপিত ভাবে। অনাড়ম্বৰ জীৱন যাপন, সত্যৰ প্ৰতি আগ্ৰহ—এয়েটো আমাৰ বাপুজী!

বৃটিছ চৰকাৰে সিবিলাকৰ স্বাৰ্থৰ কাৰণে ভেদ নীতিৰ ফলত যি সাম্প্ৰদায়িক বিদ্বেষ সমাজ দেহত প্ৰবেশ কৰালে তাৰ জেৰ যেন শেষ হব নোখোজে। সাম্প্ৰদায়িক হাঙ্গামা আকৌ দেখা দিলে। এইবাৰ বাপুজীয়ে ১৯৪৮ চনৰ ১৩ জানুৱাৰী তাৰিখে দিল্লীত আমৰণ-অনশন ব্ৰত গ্ৰহণ কৰিলে।

এইবাৰো হিন্দু-মুছলমান উভয় সম্প্ৰদায় মিলি তেওঁৰ প্ৰাণৰক্ষাৰ কাৰণে যত্নবান হ'ল। উভয় পক্ষই এতিয়াৰ পৰা শান্তি ৰক্ষা কৰিব বুলিও গা বুকিলে। বাপুজীয়ে তাৰ ওপৰতো আৰু গোটাদিয়েক চৰ্ত্ত দিলে আৰু উভয় পক্ষই তাকো মানিম বুলি প্ৰতিশ্ৰুতি দিয়াত অনশন ভঙ্গ কৰিলে।

বাপুজীৰ জীৱনত দুটা মাই কথা,—হৰিজন সকলৰ উন্নতি আৰু হিন্দু মুছলমানৰ ভিতৰত সদ্ভাব। এই দুটা কিয় বিচাৰিছিল প্ৰাণৰে সৈতে বাপুজীয়ে? তেওঁৰ নিজৰ কিবা স্বাৰ্থ আছিলনে তাত? তেওঁ অৰণ্য-চাৰী নহলেও কৌপীন-ধাৰী নাছিল নে? তেন্তে তেওঁক কি লাগে —সমাজত কল্যাণ! বিশ্ব-দৰবাৰত ভাৰতৰ মৰ্য্যাদাসম্পন্ন স্থান লাভ!

সত্যই যাৰ একমাত্ৰ কাম্য আৰু অবলম্বন, সেই জন পুৰুষতো দেখা পালে পক্ষপাতিতা। নিজৰ জীৱন বিপন্ন কৰি দহৰ কল্যাণাৰ্থে যি অনশন তাতো দেখা পালে মুছলমান প্ৰীতি! গতিকে বহুদিনৰ

পৰা এটা দলে বাপুজীক সেই ভাবৰ পৰা চায়ে আছিল। সেই কথা কোনেও নাজানে। সৰ্ব্বসাধাৰণ লোকে এইবোৰ কথা ভবাই নাই! কিন্তু ১৯৪৮ চনৰ ২০ জানুয়াৰী তাৰিখে প্ৰাৰ্থনা সভাত এটা বোমা পৰিল। ভাগ্যে কাৰো একো অনিষ্ট নহল। তথাপি মহাত্মালৈকে লক্ষ্য কৰি মাৰিছিল বুলি কোনোৱে কোৱাত বাপুজীয়ে হাঁহি মাৰি সেই অনুমান উৰুৱাই দিলে! সত্যাশ্ৰয়ী বাপুজীৰ আকৌ ভয় কিহত?

নিয়মিত ভাবে সদায় দিল্লীত প্ৰাৰ্থনা সভা চলি আছিল। সেইদিনা ৩০ জানুৱাৰী। বাপুজী ঠিক সময়ত বিৰলা ভবনৰ পৰা প্ৰাৰ্থনা সভালৈ আহোঁতে বাটতে (সভাৰ ওচৰতে) নাথুৰাম বিনায়ক গড্‌সে নামে মাৰাঠী ডেকা এজনে ৰিভলভাৰে গুলি মাৰি পঠিয়ালে। সেই গুলিয়ে বাপুজীৰ বক্ষস্থল ভেদ কৰি গ'ল। ততালিকে "হা ৰাম" বুলি বাপুজী মাটিত বাগৰি পৰিল! অতৰ্কিতে এনে ঘটনা হোৱাত সভাৰ মানুহ স্তম্ভিত হ'ল। আততায়ী নাথুৰাম ধৰা পৰিল।

বাপুজীক বিৰলা ভবনলৈ নিয়া হ'ল। এনে আকস্মিক ঘটনাত জগত কঁপি উঠিল! কোটী কোটী ভাৰতীয় লোকৰ প্ৰাণৰ স্পন্দন যেন ক্ষন্তেকলৈ স্তম্ভিত হৈ গ'ল!

পৃথিবীৰ দৰবাৰত এনে ঘটনা বিৰল। পণ্ডিত জৱহৰলালৰ প্ৰাণৰ পৰা মৰ্ম্মভেদি বাণী উচ্চাৰিত হ'ল "জাতিৰ পিতা আৰু নাই।" তেতিয়াৰ পৰা আমি সকলোৱে বাপুজীক "জাতিৰ পিতা" বুলি অভিহিত কৰিবলৈ শিকিছোহঁক। তেখেতৰ শিক্ষা মানি চলিবলৈ ভগবানে আমাক শক্তি দিয়ক। বাপুজীয়েই কৈছিল—"মোৰ জীৱনেই মোৰ বাণী" সেই বাণীয়ে আমাক সদায় প্ৰেৰণা জোগাওক—মানুহ হবলৈ উদগণি দিয়ক।

ঊনত্ৰিশ

পৰিশিষ্ট অধ্যায়

শ্ৰদ্ধাঞ্জলি

সাম্প্ৰদায়িক বিদ্বেষ-দুষ্ট আততায়ীৰ হাতত বাপুজীৰ প্ৰাণনাশ বাতৰি ততালিকে চাৰিওফালে বিয়পি গ'ল। গোটেই পৃথিবী এনে অসম্ভৱ আৰু নৃশংস ঘটনাত যেন ম্ৰিয়মান হ'ল। চাৰিওফালৰ পৰা মৰ্ম্মন্তুদ আৰ্ত্তনাদ আৰু শোকোচ্ছ্বাস প্ৰতিধ্বনিত হবলৈ ধৰিলে। ভাগ্যবান দিল্লীৰ নাগৰিকসকলে শেষ শ্ৰদ্ধা জ্ঞাপনৰ সুযোগ পালে। বিৰলা ভৱন পবিত্ৰ তীৰ্থক্ষেত্ৰত পৰিণত হ'ল। অজস্ৰ মানুহৰ হিয়াভৰা আবেগৰে এই পবিত্ৰ দেহাটি এবাৰ চাবলৈ মানুহৰ প্ৰাণত কত হাবিলাস!

পিচদিনা আবেলি ৰাজসন্মানেৰে বাপুজীক যমুনাৰ পাৰত ৰাজঘাট নামে ঠাইত অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰা হ'ল। গোটেই জাতিয়ে ব্ৰতে-উপবাসে আচলতে পিতৃকাৰ্য্যৰূপেই সকলো ঠাইত শ্ৰাদ্ধ কাৰ্য্য সমাপন, পৃথিবীৰ ইতিহাসত এই প্ৰথম।

গোটেই পৃথিবীৰ পৰা এই বিয়োগত শ্ৰদ্ধান্বিত হৈ যিবোৰ বাণী প্ৰেৰিত হৈছিল উদাহৰণ স্বৰূপ তাৰে গোটাদিয়েক মাথোন ইয়াত তুলি দিয়া হ'ল।

ইংলণ্ডৰ ৰজা ষষ্ঠ জৰ্জ্জ—অকল ভাৰতৰে নহয়, পৃথিবীৰ গোটেই মানুহ জাতিৰ আজি অপূৰণীয় ক্ষতি হ'ল।

প্ৰেচিডেণ্ট ট্ৰুমেন (আমেৰিকা যুক্তৰাষ্ট্ৰ)—তেখেতৰ জীৱন আৰু কৰ্ম্মধাৰায় অক্ষয় কীৰ্ত্তি ঘোষণা কৰিব।

সম্ৰাট হিৰোহিটো (জাপান)—বৰ্ত্তমান যুগৰ আটাইতকৈ মৰ্ম্মন্তুদ ঘটনা আজি সংঘটিত হ'ল।

ডি ভ্যালেৰা (আয়াৰ্লেণ্ড)—ভাৰত আজি ৰাতি সৰ্ব্বস্বান্ত হৈ গ'ল।

খাজা নাজিমুদ্দিন (পাকিস্তানৰ গভৰ্ণৰ জেনেৰেল)—দেশত যেতিয়া তেখেতৰ প্ৰয়োজন সমধিক ঠিক তেনে সময়তে আমাৰ মাজৰ পৰা তেখেতক আঁতৰাই নিলে।

জেনেৰেল ম্যাকআৰ্থাৰ (জাপান)—এই পূজনীয় মানুহজনৰ হত্যাকাণ্ড বৰ্ত্তমান ইতিহাসৰ অতি জঘন্যতম ঘটনা।

জেনেৰেলেশিমো আৰু ম্যাদাম চিয়াং কাইশ্বেক—অহিংস মন্ত্ৰৰ ঋষিয়ে যে এনেভাবে হিংসাৰ অগনিত আত্মাহুতি দিব লাগিব, ইয়াতকৈ মৰ্ম্মন্তুদ ঘটনা আৰু কি হব পাৰে?

জৰ্জ্জ বাৰ্ণাড শ্ব (বিখ্যাত মনীষী, ইংলণ্ড)—কোনো যদি অতি ভাল মানুহ হয় তেওঁৰ যে বিপদ কিমান এই কথাৰ পৰাই বুঝা যায়।

মিঃ ক্লিমেণ্ট এটলী (ইংলণ্ডৰ প্ৰধান মন্ত্ৰী)—গান্ধীজী বৰ্ত্তমান জগতৰ সৰ্ব্বশ্ৰেষ্ঠ মানব যে তাত অলপো সন্দেহ নাই। তথাপি যেন তেখেত এই যুগৰ মানুহ নহয়। তেখেত যি যুগৰ মানুহ সেই যুগ এতিয়াও পৃথিবীলৈ অহা নাই; কেতিয়া যে আহিব তাক নো কোনে জানে?

এইদৰে পৃথিবীৰ সকলো ঠাইৰ পৰা সকলো বিধৰ মানুহৰ পৰা অন্তৰৰ গভীৰ শোকৰ বাণী উচ্চাৰিত হৈছিল। এই পুস্তিকাৰ প্ৰথম

দুটা অধ্যায়ত আমাৰ দেশৰ সাধাৰণ লোকেও কেনেভাবে এই ঘটনা গ্ৰহণ কৰিছিল কিছু আভাস দিয়া হৈছে।

আন হিচাবে চাবলৈ গ'লে মহাত্মাজীৰ হত্যা আমাৰ নিজ জাতিৰে এটা কলঙ্ক! এই কলঙ্ক দূৰ কৰিবৰ উপায় তেওঁৰে প্ৰদৰ্শিত সত্য আৰু অহিংসাৰ পথ অনুসৰণ। জাতি হিচাবে আমি যেন এই কৰ্ত্তব্যলৈ সদায় মনত ৰাখোঁ।

বীৰৰ দৰে মৃত্যু

বাপুজীয়ে বীৰৰ দৰে মৃত্যুৰ কথা ভাবিছিল। সেই কথা প্ৰকাশ পাইছিল ১৯৩৩ চনত যাৰবেদা জেলত অনশন কৰাৰ পাচত মুক্তি পাওঁতে 'আনন্দ' নামে এজন জ্ঞানী লোকৰ লগত আলোচনাত।

বাপুজী—আনন্দ, এই সমস্যাত কি কৰা যায়? এইবাৰ মুক্তি পাম বুলি ভবাই নাই, মৰিম বুলিয়েই প্ৰস্তুত হৈছিলোঁ। অনশন কৰি মৰাহেঁতেন মানুহে কি বুলি ভাবিলেহেঁতেন কোনে জানে?

আনন্দ—কিয় বাপুজী, তেনে মৰণটোন গৌৰৱৰ মৰণেই হ'লহেঁতেন।

বাপুজী—তুমিও ভাল, অনশনত মৰা গৌৰৱৰ কথা বুলি ভাবা? মই কিন্তু সেইদৰে নাভাবোঁ। ইয়াত আকৌ গৌৰৱ ক'ত? তুমি জানানে মোৰ কোষ্ঠীত লিখা আছে যে মোৰ মৃত্যু গৌৰৱৰ মৃত্যু হব।

আনন্দ—কিন্তু বাপুজী, অনশনত মৰাটোওটো বীৰৰ দৰেই মৃত্যু; তিলে তিলে মৃত্যু বৰণ কৰা সহজ কথা নহয়। ই আটাইতকৈ ডাঙৰ সাহসৰ কাম।

বাপুজী—মই তেনে বুলি নাভাবোঁ। মোৰ মৃত্যু হব ফাঁচি কাঠত নতুবা গুলিত আৰু সেয়ে হব বীৰৰ দৰে মৃত্যু ; অনশন কৰি বিছনাত পৰি মৰা নহয়।

দেখা গ'ল পিচত বাপুজীৰ কোষ্ঠীৰ কথা ফলিয়ালে। তেওঁৰ নিজৰ ধাৰণামতে অবশেষত বীৰৰ দৰেই মৃত্যু হ'ল।

বীৰৰ দৰে মৃত্যুত মানুহে কিন্তু গৌৰব অনুভব কৰে। বাপুজীৰ জীৱন আমাৰ চিৰকালৰ গৌৰব !

নেতাজী সুভাষ বসু জগৎবৰেণ্য দেশপ্ৰেমিক। মহাত্মাজীৰ অহিংস বিপ্লৱত তেখেতৰ বিশ্বাস আছিল। সেইবাবে সুবিধা বুজি অন্তৰীণ বন্দী অৱস্থাৰ পৰা পলাই তেখেতে ঘূৰি পকি জাপান পাই তাত "আজাদ হিন্দ ফৌজ"ৰ অধিনায়ক ৰূপে কিমানলৈকে সাহসেৰে আগবাঢ়ি নিজে মৃত্যু বৰণ কৰিলে সেই কথা সকলোৱেই কম-বেছি পৰিমাণে জানে। মহাত্মাজীৰ প্ৰতি কিন্তু এখেতৰ অকৃত্ৰিম শ্ৰদ্ধা আছিল আৰু মহাত্মাজীয়েও নেতাজীক যথেষ্ট শ্ৰদ্ধা কৰিছিল, দেশপ্ৰেমিক হিচাবে।

মহাত্মাজীৰ সম্বন্ধে সুভাষ বসুৰ বক্তৃতা

১৯৪৩ চনৰ ২ অক্টোবৰ তাৰিখে নেতাজীৰ সিঙ্গাপুৰত দিয়া ৰেডিঅ' বক্তৃতাত তেখেতৰ মহাত্মাজীৰ প্ৰতি শ্ৰদ্ধাৰ নিদৰ্শন কেনে কট্‌কটিয়া। তেখেতে বক্তৃতাত কৈছিল "ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত মহাত্মা গান্ধীৰ দান আৰু কল্যাণজনক নেতৃত্ব এনে অতুলনীয় আৰু অভূতপূৰ্ব্ব যে ই চিৰকালৰ কাৰণে সোণৰ আখৰেৰে লিখা থাকিব। পথ বিচাৰি (অৰ্থাৎ উদ্দেশ্য সম্বন্ধে) আমাৰ সমস্ত

সন্দেহ একো নাছিল; সংগ্ৰামত নতুন পদ্ধতি আৰু নতুন অস্ত্ৰৰ কাৰণে যেতিয়া আমি এন্ধাৰত খেপিয়াই ফুৰিছিলোঁ ঠিক সেই সময়তে মহাত্মা গান্ধীয়ে অহিংস অসহযোগ আৰু সত্যাগ্ৰহৰ বাণী লৈ আমাৰ মাজত আবিৰ্ভূত হ'ল।

মহাত্মাজী যেন বিধাতাই পঠোৱা এজন মুক্তিদূত; ভাৰতবৰ্ষৰ স্বাধীনতাৰ পথ দেখুৱাই দিবলৈকে যেন তেখেতৰ আবিৰ্ভাব। চাৰিওকালে বিজুলী গতিৰে তেখেতৰ প্ৰভাব বিয়পি পৰিল আৰু গোটেই ভাৰতবৰ্ষ স্বইচ্ছায় তেখেতৰ পতাকা তলত সমবেত হ'ল। সংশয় আঁতৰি গ'ল, ভাৰতবৰ্ষই যেন প্ৰাণ পালে। সকলো ভাৰতবাসী সুখৰ আশাত আৰু আনন্দত উল্লাসিত হ'ল। নতুন আশাত, নতুন বিশ্বাসত দেশবাসী উদ্বুদ্ধ হৈ উঠিল। জয় যে আমাৰ পক্ষে সুনিশ্চিত সেই বিষয়ে আৰু কোনো সন্দেহ নাথাকিল।

আজি এই কথা কলে অলপো অত্যুক্তিৰ সম্ভাবনা নাই যে ১৯২০ চনত তেখেতে হাতত নতুন অস্ত্ৰ লৈ যুদ্ধৰ কাৰণে আগবাঢ়ি নহা হলে ভাৰতবৰ্ষৰ মোহ হয়তো আজিও নাভাগিলহেঁতেন। ইতিহাসত জননেতা হিচাবে গান্ধীজীৰ তুলনা নাই। ১৯২০ খৃষ্টাব্দৰ পৰা ভাৰতবাসীয়ে মহাত্মা গান্ধীৰ পৰা দুটা শিক্ষা লাভ কৰিছে—প্ৰথমতে সিবিলাকে জাতীয় আত্মসম্মান আৰু আত্মবিশ্বাস ঘুৰাই পাইছে যাৰ ফলত দেশবাসীৰ মনত বিপ্লবী হিচাবে উদ্বুদ্ধ হৈ উঠিছে। দ্বিতীয়তে সিবিলাকে পাইছে সমগ্ৰ দেশবাসী মিলি এটা বিৰাট সংগঠন যাৰ প্ৰভাৱ এই মহাদেশৰ দুৰ্গম গাওঁবিলাকতো পৰিছে। গান্ধীজীয়ে আমাক যি পথ দেখুৱাইছে সি হ'ল স্বাধীনতাৰ পথ।

বিশ্বকবি ৰবীন্দ্ৰনাথৰ শ্ৰদ্ধাঞ্জলি

১৯৪০ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে গান্ধীজী, বিশ্বকবি ৰবীন্দ্ৰনাথৰ লগত দেখা কৰিবৰ কাৰণে শান্তিনিকেতনলৈ গৈছিল। গান্ধীজীয়ে বিশ্বকবিক অতিশয় শ্ৰদ্ধা কৰিছিল আৰু 'গুৰুদেৱ' বুলি সম্বোধন কৰিছিল। গান্ধীজী দক্ষিণ আফ্ৰিকাত থকা সময়ত তেখেতৰ পৰিয়াল এই গুৰুদেৱৰ লগতে আছিল। ক্লান্ত গান্ধীজীয়ে তেওঁৰ প্ৰিয় গুৰুদেৱৰ ওচৰলৈ শান্তি বিচাৰি সুযোগমতে সদায় আহিছিল। ইবিলাক দুয়োৰে ভিতৰত যেনে প্ৰীতি আছিল তাক বৰ্ণনা কৰিবৰ ভাষা নাই।

মহাত্মাজীৰ আকস্মিক আৰু অপ্ৰত্যাশিত ভাবে তিৰোধানত সমগ্ৰ ভাৰত জুৰি যি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বিধান হৈছিল সেই বিধানৰ পৰা গুৰুদেৱৰ প্ৰতিষ্ঠিত শান্তিনিকেতনো বাদ পৰা নাছিল। এসময়ত এক সভাত গুৰুদেৱে যি বক্তৃতা দিছিল তাক ইয়াত তুলি দিয়া হ'ল :—

যুগে যুগে দৈবাৎ এই সংসাৰলৈ মহাপুৰুষৰ আগমন হয়। সকলো সময়তে সিবিলাকক দেখা নাপাওঁ। যেতিয়া পাওঁ সি আমাৰ সৌভাগ্য। আজিৰ দিনত দুঃখৰ অন্ত নাই, কত পীড়ন, কত দৈন্য, কিমান ৰোগ শোক তাপ আমি নিতৌ ভোগ কৰিছোঁ আৰু পৰ্ব্বতপ্ৰমাণ হৈ দুঃখ গোট খাইছে। সেই সকলো দুঃখ অতিক্ৰম কৰি আজি এক আনন্দ। যি মাটিত (ভাৰতত) আমি জীয়াই আছোঁ, ঘূৰি ফুৰিছোঁ সেই মাটিতে এজন মহাপুৰুষ, যাৰ তুলনা নাই— আমাৰ ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰিছে।

মহাপুৰুষ সকল যেতিয়া আছে আমি সিবিলাকক ভালদৰে চিনি নাপাওঁ। যেহেতু আমাৰ মন ভয়াতুৰ, অশুদ্ধ (নিৰ্ম্মল নহয়)

খিলা সোলোকা স্বভাৱ আৰু অভ্যাসত দুৰ্ব্বল। মনৰ সেই সহজ শক্তি নাই যাৰ পৰা মহতক সম্পূৰ্ণ বুজিব পাৰোঁ বা গ্ৰহণ কৰিব পাৰোঁ। বাৰে বাৰে এনে ঘটিছে,—যি সকলোতকৈ ডাঙৰ, সিবিলাককে সকলোতকৈ আঁতৰত পেলাই থৈছোঁ।

যি সকল জ্ঞানী, গুণী, কঠোৰ তপস্বী, সিবিলাকক বুজা সহজ নহয়; কিয়নো আমাৰ জ্ঞান, সংস্কাৰ, বুদ্ধি সিবিলাকৰ লগত নিমিলে। কিন্তু এটা কথা বুজিবলৈ টান নালাগে—সেইটো হ'ল ভালপোৱা। যি মহাপুৰুষে এই ভালপোৱাৰ ভিতৰেদি নিজৰ পৰিচয় দিয়ে তেওঁক আমাৰ ভালপোৱাৰে—একৰকম কৰি বুজিব পাৰোঁ। সেই কাৰণে ভাৰতবৰ্ষত এই এটা আশ্চৰ্য্য ঘটনা এইবাৰ বুজিব পাৰিছোঁ। এনেকুৱা (ঘটনা) সচৰাচৰ নঘটে। যি আমাৰ মাজলৈ আহিছে তেখেত আমাৰ। তেখেতৰ ভালপোৱাত ওখ নীচ ভেদ নাই, মূৰ্খ বিদ্বান ভেদ নাই। তেখেতৰ ভালপোৱা সকলোৰে মাজত সমানভাৱে ভগাই দিছে। তেখেতে কৈছে, সকলোৰে কল্যাণ হওক, সকলোৰে মঙ্গল হওক। যি কৈছে তাক অকল মুখৰ কথাৰে নহয়; কৈছে দুঃখৰ বেদনাৰে। কিমান পীড়ন, কিমান অপমান তেখেতে সহ্য কৰিছে! তেখেতৰ জীৱনৰ ইতিহাস দুঃখৰ ইতিহাস। দুঃখ অপমান ভোগ কৰিছে—অকল ভাৰতবৰ্ষতে নহয়; দক্ষিণ আফ্ৰিকাত কতবাৰ তেখেতক মৃত্যুৰ ওচৰ চপাইছে। তেখেতৰ দুঃখ নিজৰ বিষয়-সুখৰ কাৰণে নহয়, সকলোৰ ভালৰ কাৰণে। এই যে ইমান মাৰ খাইছে, উলটি একো কোৱা নাই, কেতিয়াও খঙো কৰা নাই। সকলো আঘাত মূৰ পাতি লৈছে। শত্ৰু আচৰিত হৈছে, এনে ধৈৰ্য্য আৰু এনে মহত্ব দেখি। তেখেতৰ

সঙ্কল্প সিদ্ধি হ'ল, কিন্তু জোৰ-জবৰদস্তিৰে নহয়, ত্যাগৰ দ্বাৰা, তপস্যাৰ দ্বাৰা, দুঃখৰ দ্বাৰা তেখত জয়ী হৈছে। তেখেতেই আজি ভাৰতবৰ্ষৰ দুঃখৰ বোজা নিজৰ দুঃখেৰে আঁতৰাবৰ কাৰণে দেখা দিছে।

তোমালোক সকলোৱে তেওঁক দেখা পাইছেনে নাই নাজানো। কাৰো কাৰো হয়তো তেখেতক দেখা পাবৰ সৌভাগ্য হৈছে। কিন্তু তেখেতক জানে সকলোৱে, গোটেই ভাৰতবৰ্ষই তেখেতক জানে। এইটো সকলোৱে জনা কথা—গোটেই ভাৰতবৰ্ষই কেনেকৈ তেখেতক ভক্তিৰে নাম দিছে মহাত্মা। আচৰিত কথা, তেখেতক চিনি পালে কেনেকৈ? মহাত্মা বহুতকে বোলা হয়, তাৰ কোনো অৰ্থ নাই। কিন্তু এই মহাপুৰুষক যে মহাত্মা বোলা হৈছে তাৰ অৰ্থ আছে। যাৰ আত্মা ডাঙৰ তেৱেঁই মহাত্মা। যাৰ আত্মা তুচ্ছ বিষয়ত আবদ্ধ, টকা পইচা ঘৰ সংসাৰৰ চিন্তাত মন আচ্ছন্ন, তেওঁলোক দীনাত্মা। মহাত্মা তেৱেঁই, সকলোৰে সুখ দুঃখ যি আপোনাৰ কৰি লব পাৰিছে, সকলোৰ ভালকে যি আপোনাৰ বুলি জানে। কিয়নো সকলোৰ হৃদয়ত তেখেতৰ ঠাই—আকৌ তেখেতৰ হৃদয়ত সকলোৰ ঠাই। আমাৰ শাস্ত্ৰত ঈশ্বৰক বোলে মহাত্মা; মৰ্ত্ত্যলোকত সেই দিব্য ভালপোৱা, সেই প্ৰেমৰ ঐশ্বৰ্য্য দৈবাৎ মিলে। সেই প্ৰেম যাৰ মাজত প্ৰকাশ পাইছে তেখেতক আমি মুঠৰ ওপৰত এই বুলিয়েই বুজিছোঁ যে তেখেতে অন্তৰেৰে সৈতেই সকলোকে ভাল পাইছে। কিন্তু সম্পূৰ্ণৰূপে বুজিবও নোৱাৰোঁ, ভালকৈ চিনিবলৈকো অলপ খোকোজা লাগে। আমাৰ মনবোৰ বেঁকা হৈ গৈছে। সত্যক স্বীকাৰ কৰিবলৈ ভীৰুতা, দ্বিধা সংশয় আমাৰ মনত জাগে। সহজে

অৰ্থাৎ কষ্ট নকৰাকৈ যিটো মানিব পাৰি সেইটো মানো, টানটো এৰাৰিয়াকৈ পেলাই থওঁ। তেখেতৰ আটাইতকৈ ডাঙৰ সত্যটোকে আমি লব নোৱাৰিলোঁ। ইয়াতেই তেখেতক মাৰিলোঁ। তেখেত আছিল, ঘূৰি গ'ল, শেহলৈকে (চেষ্টা কৰিও) তেখেতক গ্ৰহণ কৰিব নোৱাৰিলোঁ।

খৃষ্টান শাস্ত্ৰত পঢ়িছোঁ আচাৰ-নিষ্ঠ ইহুদী বিলাকে যিশুখৃষ্টক শত্ৰু বুলি মাৰিছিল। এই মাৰ অকল দেহৰ ওপৰতনে? যি প্ৰাণ দি কল্যাণৰ পথ মুকলি কৰি দিবলৈ আহে সেই পথত বাধা সৃষ্টিও একৰকম মৰা নহয়নে? আটাইতকৈ ডাঙৰ মৰা (মাৰ) সেইটোৱেই। কি অসহ্য যাতনা অনুভৱ কৰি তেওঁ আজিৰ দিনত মৃত্যু ব্ৰত গ্ৰহণ কৰিলে। সেই ব্ৰতকো যদি আমি স্বীকাৰ কৰি নলওঁ তেন্তে আমিও তেখেতক মৰা নহয়নে? আমাৰ ক্ষুদ্ৰ মনৰ সঙ্কোচ আৰু ভীৰুতাই আজি লাজ নাপাবনে? আমি তেখেতৰ এই বেদনাবোৰ আমাৰ মৰ্ম্মৰ ঠিক ঠাইত অনুভৱ কৰিব নোৱাৰিমনে? গ্ৰহণ কৰিব নোৱাৰিমনে তেওঁৰ দান? ইমান সঙ্কোচ, ইমান ভীৰুতা আমালোকৰ! সেই ভীৰুতাৰ দৃষ্টান্তটো তেওঁৰ ভিতৰত ক'তো নাই। তেওঁৰ সাহসৰ অন্ত নাই, মৃত্যুক তুচ্ছ কৰিছে তেওঁ। কঠোৰ কাৰাগাৰে তাৰ আটাইবোৰ লোহাৰ শিকলিৰেও (বেৰি ধৰি) তেওঁৰ ইচ্ছাক বাধা দিব পৰা নাই। সেই তেওঁ আজি আহিছে আমাৰ মাজলৈ। আমি যদি ভয়ত পিচুৱাই যাওঁ তেনেহলে আমাৰ লাজ থবৰ ঠাই নাথাকিব। তেওঁ আজি মৃত্যুবৰণ কৰিছে ডাঙৰ সৰু সকলোকে একে কৰিবৰ কাৰণে। তেওঁৰ সেই সাহস, তেওঁৰ সেই শক্তি আহক আমাৰ বুদ্ধিলৈ, আমাৰ

কামৰ মাজলৈ। আমি যেন আজি মুক্তকণ্ঠে (ডাঙৰ মাতেৰে) কব পাৰোঁ—"তুমি নাযাবা, গ্ৰহণ কৰিম তোমাৰ ব্ৰত।" সেইটো যদি নোৱাৰোঁ, ইমান মহৎ জীৱনটি যদি ব্যৰ্থ হবলৈ দিওঁ তেন্তে তাতোকৈ ডাঙৰ সৰ্ব্বনাশ আৰু কি হব পাৰে ?

আমি প্ৰায়েই এই কথা কওঁ যে বিদেশীসকলে আমাৰ শত্ৰুতা কৰিছে। কিন্তু তাতোকৈ ডাঙৰ শত্ৰু আছে আমাৰ মজ্জাৰ ভিতৰত আৰু সেয়ে হল আমাৰ ভীৰুতা। সেই ভীৰুতাক জয় কৰিবৰ কাৰণে বিধাতাই আমাৰ কাৰণে শক্তি পঠিয়াই দিছে—তেওঁৰ জীৱনৰ ভিতৰেদি, তেওঁ আপোনাৰ অভয় দানেৰে আমাৰ ভয় হৰণ কৰিবলৈ আহিছে। সেই তেওঁৰ দান, তেওঁক আজি আমি কেনেকৈ বিমুখ কৰোঁ—ঘূৰাই দিওঁ ? এই কৌপীনধাৰীয়ে আমাৰ দুৱাৰে দুৱাৰে আঘাত কৰি ঘূৰি ফুৰিছে, তেওঁ আমাক ঘূৰি ঘূৰি সাৱধান কৰি ফুৰিছে—ক'ত আমাৰ বিপদ (সাবধান বাণী শুনাই) মানুহে যত মানুহক অপমান কৰে, মানুহৰ ভগবান তাতেই বিমুখ। শ শ বছৰ আমি মানুহৰ প্ৰতি অপমানৰ বিষ ভাৰতবৰ্ষৰ শিৰে শিৰে বোৱাই দিছোঁ। হীনতাৰ অসহ্য বোজা শ শ তলমূৰ হৈ পৰি থকা মানুহৰ মূৰত হেঁচা মাৰি দিয়াত তাৰেই ভৰত যেন আজি গোটেই দেশ ক্লান্ত, দুৰ্ব্বল। সেই পাপত আমি পোন হৈ ঠিয় দিব পৰা নাই। আমাৰ অহা-যোৱা কৰা বাটত যেন খোজে পতি বোকাৰ গাঁত তৈয়াৰ কৰি থৈছে—আমাৰ সৌভাগ্যৰ ভালেখিনি সমল তাতে যেন তল হৈ গৈছে। এক ভায়ে আৰু এজন ভায়েকৰ কপালত যেন কলঙ্ক লেপি দিছে—মহাত্মাই এনে পাপ (দৃশ্য) সহিব পৰা নাছিল।

গোটেই মন-প্ৰাণ দি তেওঁৰ বাণী শুনা। অনুভব কৰা কি প্ৰচণ্ড তেওঁৰ সঙ্কল্পৰ শক্তি। আজি তপস্বীয়ে উপবাস আৰম্ভ কৰিছে —দিনৰ পিচত দিনত তেওঁ অন্নগ্ৰহণ নকৰে। তোমালোকে তেওঁক অন্ন নিদিবানে? তেওঁৰ বাণী বা উপদেশ গ্ৰহণ কৰাই তেওঁৰ অন্ন; সেই অন্নেৰেই তেওঁক বচাব লাগিব। অপৰাধ বহুত কৰিছোঁ, পাপ বহুতো গোট খাই দ'ম বান্ধিছে। ভাইৰ লগত ব্যবহাৰ কৰিছোঁ দাসৰ দৰে, পশুৰ দৰে। সেই অপমানে গোটেই পৃথিবীৰ ওচৰত আমাক সৰু কৰি ৰাখিছে। যদি তেওঁলোকক তেওঁলোকৰ প্ৰাপ্য সন্মান দিলোহেঁতেন তেতিয়া হলে আজি আমাৰ ইমান দুৰ্গতি নহলহেঁতেন। পৃথিবীৰ আন সকলো সমাজক মানুহে সন্মান কৰে, ভয় কৰে, কিয়নো তেওঁলোক পৰস্পৰৰ ভিতৰত প্ৰেমৰ বান্ধোনত আবদ্ধ। আমাৰ এই হিন্দুসমাজক আঘাত কৰিবলৈ বা অপমান কৰিবলৈ কাৰো মনত যে ভয় নাই—এই কথা বাৰে বাৰে প্ৰমাণ পোৱা যায়। কিহৰ বলত তেওঁলোকৰ ইমান স্পৰ্দ্ধা এই কথা যেন আমি এক মুহূৰ্ত্তৰ কাৰণেও নাপাহঁৰো।

গান্ধীজীৰ বাণী

বাপুজীয়ে কৈছিল "মোৰ জীৱনেই মোৰ বাণী।" প্ৰকৃততে তেখেতৰ জীৱন সত্য অন্বেষণৰ, সত্য উপলব্ধিৰ জীৱন। গতিকে আমাৰ পক্ষে তেখেতৰ প্ৰতি কাৰ্য্যই উপদেশমূলক। বাণীৰ সাৰ্থকতা পথ প্ৰদৰ্শনত। তেখেতে আগতে নিজে যিটো আচৰণ কৰি ফল লাভ কৰে তাকহে সৰ্ব্বসাধাৰণক মানি চলিবলৈ উপদেশ দিছিল। "আপুনি আচৰি ধৰ্ম্ম পৰক শিকায়" আছিল তেখেতৰ সাধাৰণ নিয়ম। আমি এই ছেদত তেখেতৰ অমূল্য বহুতো কথা আৰু উপদেশৰ ভিতৰত নমুনাস্বৰূপ গোটাদিয়েক ইয়াত তুলি দিলোঁ। উদ্দেশ্য যাতে আৱশ্যকীয় বিষয়ত তেখেতৰ উপদেশৰ গভীৰতা আমি বুজিব পাৰোঁ।

ৰামৰাজ্য

মই তেনে ভাৰতকে গঢ়ি তুলিবলৈ চেষ্টা কৰিম যি ভাৰতত আটাইতকৈ দুখীয়া মানুহজনেও অনুভৱ কৰিব এইখন মোৰ দেশ আৰু এই দেশত তেওঁৰ এটা সক্ৰিয় সত্তা আছে। সেই ভাৰতত নাথাকিব ডাঙৰ সৰুৰ ভেদ, সম্প্ৰদায়ে সম্প্ৰদায়ে থাকিব আকণ্ঠ প্ৰীতি। সেই ভাৰতত নাথাকিব অস্পৃশ্যতাৰ অভিশাপ, নাথাকিব মাদকতাৰ বিষ। নাৰীয়ে সেই ভাৰতত ভোগ কৰিব পুৰুষৰে

সমান অধিকাৰ। মোৰ কল্পনাৰ ভাৰতে কৰিব পৃথিবীৰ প্ৰত্যেক জাতিৰ লগতে সহযোগিতা। আমি আনৰ শত্ৰু নহওঁ, আনক শোষণ নকৰোঁ আৰু আনকো আমাৰ ওপৰত শোষণ চলাবলৈ নিদিওঁ। আমাৰ সৈন্যবাহিনী হব যিমান সম্ভৱ সৰু, এয়ে মোৰ ধ্যানৰ ভাৰত—তথা ৰামৰাজ্য।

বিদ্যা

যি বিদ্যাৰ দ্বাৰা ধৰ্ম্মপালন কৰিব পাৰি সেয়ে বিদ্যা। শাস্ত্ৰত আছে—'বিদ্যা যা বিমুক্তয়ে'—এই সূত্ৰতো মোৰ বৰ ভাল লাগে। মুক্তি দুই প্ৰকাৰৰ—এক হৈছে দেশক পৰাধীনতাৰ পৰা মুক্ত কৰা, আনটো মুক্তি চিৰকালৰ কাৰণে মোক্ষ অথবা পৰম ধৰ্ম্মটো প্ৰথমেই কাম্য। যি বিদ্যাৰ দ্বাৰা আমাৰ মুক্তি আঁতৰি যায় তেনে বিদ্যা ত্যজ্য, সেই বিদ্যা ৰাক্ষসা, সেই বিদ্যা (বৰং) অধৰ্ম্ম।

অহিংসা—মৃত্যুঞ্জয়

মই এইটো বিশ্বাস কৰোঁ যে জীৱনৰ বিভিন্ন প্ৰভাবে আমাক তললৈ টনা নাই বৰং ওপৰলৈহে লৈ গৈছে। এই অগ্ৰগতি প্ৰেমৰ নিৰ্দ্দিষ্ট (হয়তো বা অচেতন অৰ্থাৎ আমি নুবুজা) পথত সংঘটিত হৈছে। জীৱন যে এতিয়াও পৃথিবীত আছে তাৰ পৰাই বুজা যায় যে বিচ্ছেদ শক্তিতকৈ সংৰক্ষণৰ শক্তি আৰু উৎকেন্দ্ৰিক শক্তিতকৈ কেন্দ্ৰানুগ শক্তিৰ প্ৰাবল্য বেছি।

বহুবছৰৰ পৰাই মই এনে অভিমত পোষণ কৰি আহিছোঁ যে মৃত্যু জীৱনত এটা আকস্মিক ঘটনা মাথোন, যেতিয়াই সি আহে তেতিয়াই তাক বৰণ কৰি লব লাগে। মই মোৰ জীৱনৰ পৰা মৃত্যুভয়কে আদি কৰি সকলো ভয় দূৰ কৰি দিছোঁ। মোৰ জীৱনত বহুবাৰ এনে হৈছে যে বহুদিনৰ পৰা নিৰুদ্দেশ থকা বন্ধুৰ আগমণ সম্ভাৱনাত মানুহ যেনেকৈ আনন্দিত হয়, আসন্ন মৃত্যুৰ সম্ভাৱনাতো মই তেনেকৈ আনন্দিত হৈছিলোঁ।

* * * *

প্ৰেমেই যদি জীৱনৰ নীতি নহলহেতেন তেনেহলে শতশত মৃত্যুৰ মাজতো জীৱন বুলি একো এটাৰ অস্তিত্ব সম্ভৱ নহলহেঁতেন। জীৱনে চিৰদিন মৃত্যুক জয় কৰি আহিছে। মানুহে ক্ৰমশঃ এই প্ৰেমৰ নীতিকে স্বাকাৰ কৰিছে আৰু ব্যক্তিগত ব্যৱহাৰিক জীৱনত তাক প্ৰয়োগ কৰিছে। ইতৰ প্ৰাণীৰ লগত মানুহৰ যদি কিবা পাৰ্থক্য থাকে তেন্তে সি এইখিনিতে।

* * * *

অকল নিষ্ফল হত্যাকাণ্ডতে নহয়, নশ্বৰদেহ ধাৰণৰ কাৰণে প্ৰাণীহত্যা কৰিলেও হিংসাজনিত পাপ বৰ্ত্তে; আহাৰ আৰু পানীয়ৰ কাৰণে কৰা যাৱতীয় ধ্বংসমূলক কামৰ গুৰিতে স্বাৰ্থপৰতা আৰু সেই কাৰণে সহিংস। কিন্তু মানুহে ইয়াক নকৰি নোৱাৰে আৰু তাক সহিব লগাত পৰে।

সাম্প্ৰদায়িকতা

সাম্প্ৰদায়িক ঐক্য মোৰ সত্তাৰে সৈতে ওতপ্ৰোতভাবে জড়িত। খাদি আৰু আন আন গাৱঁলীয়া শিল্পৰ কথা মই যেতিয়া চিন্তাও কৰা 'নাই তেতিয়া সি মোৰ অন্তৰত জাগি উঠিছিল। মই যেতিয়া বাৰ বছৰীয়া ল'ৰা তেতিয়াৰ পৰাই সাম্প্ৰদায়িক ঐক্যৰ কথাই মোৰ মন অধিকাৰ কৰিছিল। তেতিয়াই মই বুজিছিলোঁ যে হিন্দু, মুছলমান, পাৰ্শীসকল সকলো একে পৃথিবীৰে সন্তান, এতেকে তেওঁলোকৰ নিজৰ ভিতৰত পূৰ্ণ ভাতৃত্ব স্থাপনৰ দায়িত্ব নিজৰ ওপৰতে আছে। তাৰ বাহিৰে এই কথাও সত্য যে সংগঠন কৰ্ম্ম ব্যৱস্থাত সাম্প্ৰদায়িক ঐক্য এটা অবিচ্ছেদ্য অঙ্গ। এই ঐক্যৰ কাৰণে মই বহুতো বিপদৰ সম্মুখীন হবলগীয়া হৈছিল। মোৰ দৃঢ় বিশ্বাস, যেতিয়ালৈকে সাম্প্ৰদায়িক ঐক্য প্ৰতিষ্ঠিত নহয় তেতিয়ালৈকে আমাৰ মাজত সংগঠনৰ কাম সুসিদ্ধ নহব।

জীৱনাদৰ্শ

মই সত্য আৰু সুন্দৰৰ পূজাৰী, সত্য আৰু সুন্দৰৰ আৰাধনাত মোৰ যাবতীয় শক্তি নিয়োজিত। সত্য আৰু সুন্দৰৰ প্ৰয়োজনত মোৰ জীৱন আহুতি দিবলৈ প্ৰস্তুত। ভোকত কাতৰ লক্ষ লক্ষ নৰ-নাৰীৰ কাৰণে যি একান্ত প্ৰয়োজনীয় তাকেই মই সুন্দৰ বোলোঁ। জীৱন ধাৰণৰ কাৰণে যি অত্যাৱশ্যক সি যেতিয়া

সকলোৱে আয়ত্বৰ ভিতৰলৈ আহিব তেতিয়া প্ৰতিজন মানুহৰ জীবনলৈ ছন্দ আৰু সুষমা ঘুৰি আহিব এই কথা মই বিশ্বাস কৰোঁ। সকলো শিক্ষা আৰু সাহিত্য অগণন মানুহৰ কল্যাণত নিয়োজিত হওক এয়ে মোৰ কামনা।

গান্ধীবাদ

গান্ধীবাদ বুলি কোনো মতবাদ নাই আৰু মোৰ মৃত্যুৰ পিচত এই নামেৰে কোনো সম্প্ৰদায় থাকিব এইটো মই আশা নকৰোঁ। কোনো নতুন নীতি বা মতবাদ আবিষ্কাৰ কৰিছোঁ এই দাবী মই নকৰোঁ। মোৰ নিজৰ উপায়েৰে দৈনন্দিন জীৱনত আৰু বিবিধ সমস্যাত মই শাশ্বত সত্যৰ প্ৰয়োগ কৰিছোঁ মাথোন। পৃথিবীক নতুনকৈ শিক্ষা দিবলৈ মোৰ একো নাই। সত্য আৰু অহিংসা আদিম পৰ্ব্বতৰ দৰেই পুৰণি। যিমান দূৰ সম্ভৱ বিস্তৃত ভাবে মই এই দুটা সত্যৰ প্ৰয়োগ কৰিছোঁ মাথোন।

যঁতৰ-খাদি

যঁতৰ জাতীয় সমৃদ্ধি আৰু স্বাধীনতাৰ প্ৰতীক। খাদি বুলিলে স্বাবলম্বনক বুজায়। ভাতে কাপোৰে স্বাবলম্বী হলেই স্বৰাজৰ দেহ গঠিত হব। খাদি বুলিলে মই পুৰুষকাৰকে বুজোঁ। স্বেচ্ছাকৃত অথবা অনিচ্ছাকৃত এলাহ দূৰ হলেই খাদিয়ে আপোন মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হব। খাদি মানেই গাওঁ সংগঠন। ভাৰতৰ সাত লক্ষ গাৱঁৰ অধিবাসী সকলৰ পিন্ধিবৰ কাপোৰৰ

কাৰণে পৰমুখাপেক্ষী নহৈ খাদিৰ প্ৰভাবতে স্বাবলম্বী হব পাৰে। খাদিৰ অৰ্থ আত্মশুদ্ধি। খাদিৰ য'ত প্ৰভাব তাতেই সহজ অনাড়ম্বৰ জীৱন, তাত বিলাস ব্যসনৰ প্ৰশ্ৰয় নাই। যঁতৰ অহিংসাৰ বাহ্য ৰূপ। দুখীয়া খেতিয়ক আৰু বনুৱাৰ লগত একাত্মবোধৰ প্ৰতীক। প্ৰলয়ঙ্কৰী যন্ত্ৰ সভ্যতাৰ মাজত ই শান্তি আৰু কল্যাণৰ মূৰ্ত্ত প্ৰকাশ। খাদিৰ ভিতৰত যি সত্য আছে তাক কেৱল উপলব্ধি কৰিলেই নচলিব, গ্ৰহণো কৰিব লাগিব।

উপাসনা

উপাসনা হৈছে ভক্তিৰে ঈশ্বৰৰ ওচৰত কোনো বিষয় প্ৰাৰ্থনা জনোৱা। এই শব্দৰে যেই কোনো ভক্তিমূলক কাৰ্য্যকে বুজোৱা হয়। কিন্তু সংজ্ঞা বাদ দিও কোটী কোটী হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, য়িহুদী প্ৰভৃতি নানা জাতিয়েনো কিয় নিতৌ স্বষ্টিকৰ্ত্তাৰ গুণ কীৰ্ত্তন কৰিবলৈ একোটা নিৰ্দ্দিষ্ট সময় বান্ধি লৈছে। মোৰ মতে ই হৈছে ঈশ্বৰৰ সৈতে একত্ব অনুভৱ কৰিবলৈ অন্তৰৰ হাবিয়াস আৰু আশীৰ্ব্বাদ বিচাৰি প্ৰাৰ্থনা। এই বিষয়ত মানুহৰ মনোভাবেইহে আচল বস্তু, মন্ত্ৰ বা শব্দ উচ্চাৰণ ঘাই বস্তু নহয়। প্ৰায়ে দেখা যায় যে অতীজৰে পৰা ব্যৱহৃত হৈ অহা বহুতো শব্দৰ প্ৰচলনত এনে এটা তাৎপৰ্য্য আছে যে তাক নিজৰ মাতৃ-ভাষালৈ অনুবাদ কৰিলে তাৰ প্ৰকৃত মোল বহুতো হানি হয়। যেনে ধৰা, গায়ত্ৰী মন্ত্ৰ যদি গুজৰাটী ভাষালৈ অনুবাদ

কৰি আবৃত্তি কৰা হয় তেন্তে মূলমন্ত্ৰ উচ্চাৰণ কৰা মাত্ৰে লাখ লাখ হিন্দুৰ মনত যি প্ৰেৰণা জোগাব কিন্তু ঈশ্বৰ শব্দটোৱে তাৰ অৰ্থ বোধগম্য হলেও সি সিমান আকৰ্ষণ কৰিব নোৱাৰে। সেইবাবে বহুকাল পৱিত্ৰভাৱে উচ্চাৰিত হৈ অহা কাৰণে একোটা শব্দৰ বিশেষ শক্তি সঞ্চাৰিত হয়। সেইবাবেই আগৰ দিনৰ পৰাই চলি অহা সংস্কৃত ভাষাৰে চলিত মন্ত্ৰবিলাক তেনেদৰে ব্যৱহাৰ কৰাই যুক্তি-সঙ্গত। মন্ত্ৰাৰ্থবোৰ বুজি প্ৰয়োগ কৰা যে উচিত তাক নকলেও হব।

উপাসনা কৰাৰ সময় হিচাবে কোনো নিৰূপিত নিয়ম বান্ধি দিয়া নাযায়। ই ব্যক্তিগত অভিৰুচিৰ ওপৰত নিৰ্ভৰ কৰে। মানুহৰ এয়েই দৈনিক জীৱনৰ একোটি মূল্যবান মুহূৰ্ত্ত। নিয়মিত ভাবে অভ্যাসৰ দ্বাৰা আমি শান্ত আৰু বিনয়ী হবলৈ সমৰ্থ হওঁ আৰু এইটোও বুজিবলৈ সহজ হয় যে তেওঁৰ ইচ্ছাৰ বাহিৰে সংসাৰত একো নঘটে আৰু আমি যেন তেওঁৰ হাতত কুমাৰৰ পুতলাৰ দৰে। এই সময়তে মানুহে নিজৰ দোষত্ৰুটীবোৰ স্মৰণ আৰু পৰিতাপ কৰি সেইবোৰৰ পৰা মুক্ত হবলৈ শক্তি প্ৰাৰ্থনা কৰে আৰু তেনে কোনো কাম কৰা বাবে ক্ষমা বিচাৰিবলৈ সুযোগ লাভ কৰে। উপাসনাৰ কাৰণে এজনৰ পক্ষে একমিনিটেই যথেষ্ট হব পাৰে কিন্তু আন এজনৰ পক্ষে চৌবিশ ঘণ্টায়ো অকুলান হয় (নুকুলায়)। যি সততে ঈশ্বৰৰ অস্তিত্ব নিজৰ অন্তৰত অনুভৱ কৰে তেওঁৰ পক্ষে সকলো কৰ্ম্মই উপাসনা সদৃশ। তেওঁলোকৰ

গোটেই জীৱনেই যেন ধাৰাবাহিক উপাসনা। কিন্তু সততে নিজ ক্ষুদ্ৰ স্বাৰ্থ আৰু পাপকাৰ্য্যতে লিপ্ত থকা লোকৰ পক্ষে সিমান সময় উপাসনা কৰিলেও যথেষ্ট নহয়। এনেলোকৰ যদি পৱিত্ৰ হবৰ ইচ্ছা হয় আৰু ধৈৰ্য্য আৰু বিশ্বাসো থাকে তেন্তে অন্তৰত ঈশ্বৰৰ পবিত্ৰকাৰী শক্তি অনুভব নকৰালৈকে উপাসনা কৰি থাকিব। আমাৰ দৰে সাধাৰণ মানুহৰ পক্ষে এটি মধ্যপথৰ প্ৰয়োজন। আমি এতিয়ালৈকে ইমান উন্নত হব পৰা নাই যে আমাৰ যাবতীয় কাৰ্য্যই তেওঁৰ উপাসনা বুলি কবোঁ। অথবা আমি ইমান তললৈ যোৱা নাই যে অকল আমাৰ নিজৰ কাৰণেই জীয়াই আছোঁ। সেইকাৰণেই সকলো ধৰ্ম্মই সাধাৰণ উপাসনাৰ কাৰণে একোটা সময় নিৰ্দ্ধাৰিত কৰা বিধান দিছে। দুৰ্ভাগ্যবশতঃ আজিকালি সি নিতান্ত ভণ্ডামী নহলেও কেৱল প্ৰাণহীন অনুস্থানত পৰিণত হৈছে। গতিকে ইয়াৰ প্ৰতি আমাৰ প্ৰকৃত মনোভাবৰেই বৰ্ত্তমানে প্ৰয়োজন।

ব্যক্তিগত প্ৰাৰ্থনাৰ কাৰণে কিন্তু এজনে নিজৰ ভাষাৰেও ঈশ্বৰৰ ওচৰত কামনা কৰিব পাৰে। সকলো প্ৰাণীৰে প্ৰতি ন্যায় পৰায়ণ হবলৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰাৰ সমান মহৎ কাম একো নাই।

সমাপ্ত